# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
# আলোচনী

( ২০০৭-০৮ বৰ্ষ )

## Bimala Prasad Chaliha College Magazine

( Session 2007-08 )

দ্বাদশ সংখ্যা     12th issue

12
2007-08




সম্পাদক

অৰূপ সাহা

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

**দ্বাদশ সংখ্যা (২০০৭-২০০৮)**

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়,

নগৰবেৰা, কামৰূপ (অসম)

**Bimala Prasad Chaliha College Magazine**
**(12th issue 2007-2008)**
**Nagarbera , Kamrup (Assam)**

আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছাৰে—

প্ৰতি, ..........................................................

..........................................................

ড° পৰাগ কুমাৰ ভট্টাচাৰ্য
সভাপতি

নিৰ্মল চন্দ্ৰ ভেহি, শ্বাহ জামাল মোল্লা
তত্ত্বাৱধায়ক শিক্ষকদ্বয়

অৰূপ সাহা
সম্পাদক

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী, দ্বাদশ সংখ্যা (২০০৭-২০০৮), মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় 'ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ'ৰ তত্বাৱধানত 'ছাত্ৰ একতা সভা'ৰ দ্বাৰা প্ৰকাশিত । © সৰ্বস্বত্ব সংৰক্ষিত।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা, কামৰূপ (অসম)।



## সম্পাদনা সমিতি—

সভাপতি : ড° পৰাগ কুমাৰ ভট্টাচাৰ্য

তত্বাৱধায়ক শিক্ষকদ্বয় : নিৰ্মল চন্দ্ৰ ভোই
শ্বাহ জামাল মোল্লা

সম্পাদক : অৰূপ সাহা

শিক্ষক সদস্য : গধূলি ঠাকুৰীয়া

ছাত্ৰ সদস্য : হবিবুৰ ৰহমান
: ইৰা ঠাকুৰীয়া





প্ৰথম প্ৰকাশ : ৩ ডিচেম্বৰ, ২০১০ ইং ( শুক্ৰবাৰ)।

বেটুপাতৰ পৰিকল্পনা : অধ্যাপক শ্বাহ জামাল মোল্লা।
বেটুপাতৰ অলংকৰণ : কদম আলী আহমেদ।
ছপা : জাইদ্ অফছেট প্ৰিন্টাৰ্চ, নগৰবেৰা।

# উছৰ্গা



## অময়া চলিহা

বিশিষ্ট সমাজ সেৱিকা তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাৰ সহধৰ্মীনি অময়া চলিহাৰ বিয়োগত মহাবিদ্যালয় পৰিয়ালৰ আটায়ে শোকাভিভূত।

আলোচনীৰ এই সংখ্যাটি তেখেতৰ নামত আন্তৰিকতাৰে উছৰ্গা কৰিলোঁ।

—সম্পাদনা সমিতি।

অসম কলেজ শিক্ষক সংস্থা
**ASSAM COLLEGE TEACHERS' ASSOCIATION**
**Regd. No. 51/236/1956/57**
Affiliated to All India Federation of University and College Teachers' Organisations
ACTA HOUSE, SOLAPAR, GUWAHATI - 781008
Ph. No.: Office: 0361 - 2548318, President: 99547 - 63415, Gen. Secretary: 94350 - 64399
Website : www.acta_cec.org

Date : 1/12/2010

Prof. **Naren Sangmai**
*President*
Assam College Teachers' Association



## MESSAGE

I am very happy to know that the 12th issue of the B. P. Chaliha College Magazine is going to be published very soon.

I am confident that the Magazine will reflect the hopes and aspiration of the present generation.

Sd/
(Naren Sangmai)
*President*
*A.C.T.A.*

# কৃতজ্ঞতাৰ শৰাই

## আমি কৃতজ্ঞ

শ্ৰী উমেশ চন্দ্ৰ দাস (প্ৰাক্তন অধ্যাপক), আব্দুছ ছামাদ আলী (প্ৰাক্তন অধ্যাপক), ড° পৰাগ কুমাৰ ভট্টাচাৰ্য (প্ৰাক্তন অধ্যক্ষ), অধ্যাপক নৰেন চাংমাই, অধ্যাপক নগেন্দ্ৰ নাৰায়ণ দেৱান , অধ্যাপিকা দিপ্তীৰেখা পাঠক মজুমদাৰ, অধ্যাপক আব্দুছ ছালাম, অধ্যাপক শ্যামা চৰণ ঠাকুৰীয়া, অধ্যাপক নিৰ্মল চন্দ্ৰ কলিতা, অধ্যাপক বিপ্লৱ নাগ, অধ্যাপক নূৰ আলম, অধ্যাপক বীৰেন্দ্ৰ কুমাৰ বৰা, অধ্যাপক আবু বক্কৰ ছিদ্দিক, অধ্যাপক ড° সূৰ্য কলিতা, অধ্যাপক সুকুমাৰ দেৱান, অধ্যাপক অৰুণ কুমাৰ সৰকাৰ, অধ্যাপক সুকুমাৰ দেৱান, অধ্যাপক ড° তপন কুমাৰ গোস্বামী, আৰু শ্ৰী নৃপেন কলিতা দেৱৰ ওচৰত । আমি বিশেষভাৱে কৃতজ্ঞ শ্ৰী দয়ানন্দ কুমাৰ দাস (ভাৰপ্ৰাপ্ত অধ্যক্ষ) মহোদয়ৰ ওচৰত। লগতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনীৰ দ্বাদশ সংখ্যাটি প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন ধৰণে সহায় - সহযোগ আগবঢ়োৱা আটাইলৈ —

আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতি।

# মহাবিদ্যালয় সপ্তাহ (২০১০) ৰ এলবাম



# সম্পাদকীয়—



সাহিত্য, সঙ্গীত কলাবিহীন
সাক্ষাৎ পশু পুচ্ছবিসানহীন
তৃণং ন খাদন্নপি
জীৱমানস্তদ্‌ভাগধেয়ং পৰমং পশুনাম।।

সাহিত্য জাতিৰ দাপোন । এটা জাতিৰ সভ্যতা, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, সমাজ ব্যৱস্থা সাহিত্যৰ জৰিয়তে প্ৰতিফলিত হয়। সাহিত্য অবিহনে কোনো দেশ বা জাতিৰ সভ্যতা গঢ় লব নোৱাৰে।পৃথিবীৰ প্ৰায় সকলোবোৰ দেশেই কম-বেছি পৰিমাণে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে যদিও এই দেশবোৰৰ সাহিত্যিক সকল নিজৰ নিজৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত জীয়াতু ভুগিব লগা হোৱা নাই। মানৱ সভ্যতাৰ বিকাশত সাহিত্যই যে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে তাক আমি কোনেও নুই কৰিব নোৱাৰোঁ।

আৰ্থিক দীনতাই যে বিভিন্ন সমস্যাৰ উদ্ভৱ হোৱাত ইন্ধন যোগায় তাক মানি লবই লাগিব। অৰ্থনৈতিক উন্নতিৰ বাবে প্ৰচুৰ পৰিমাণে অব্যৱহৃত ৰূপত থকা প্ৰাকৃতিক সম্পদ বিভিন্ন উদ্যোগ স্থাপন আৰু উন্নয়ণ সম্বন্ধে নানা চিন্তা চৰ্চা এতিয়া নতুন বিষয় নহয়। কিন্তু কাৰ্যক্ষেত্ৰত এইবোৰৰ দ্ৰুত ৰূপায়ণ নোহোৱাটোহে আশ্চৰ্যকৰ বিষয়।

সন্ত্ৰাসবাদ তথা সশস্ত্ৰ সংগ্ৰাম ব্যপক হাৰত চলা দুৰ্নীতি, গোষ্ঠী সংঘৰ্ষ, নিবনুৱা সমস্যা, বিদেশী নাগৰিকৰ প্ৰব্ৰজন ইত্যাদি নানা সমস্যাই আজি অসমক উত্তাল, অস্থিৰ কৰিছে; অসমৰ সামগ্ৰিক পৰিস্থিতিক অধিক জটিল কৰি তুলিছে। যুৱচামৰ একাংশই হাতত অস্ত্ৰ তুলিলৈ বিদ্ৰোহ ঘোষণা কৰিছে। অৰ্থনৈতিক দুৰবস্থা, নিবনুৱা সমস্যা, আমলাতান্ত্ৰিক শাসন ব্যৱস্থা আদিয়ে প্ৰকৃততে ইয়াৰ বাবে দায়ী।

এই সমস্যা সমূহৰ বিভিন্ন দিশসমূহৰ সুন্দৰ বিশ্লেষণ-সমালোচনা কৰি আজিৰ সাহিত্যিক সমালোচক সকলে জনমত গঠনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলেহে প্ৰগতি কিছুপৰিমাণে আশা কৰিব পাৰি।

ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সাহিত্য চৰ্চাৰ এক উপযুক্ত মাধ্যম হ'ল শিক্ষানুষ্ঠানৰ বাৰ্ষিক আলোচনী, বিভিন্ন প্ৰাচীৰ পত্ৰিকা আদি। এই দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনে নিয়মিয়াকৈ প্ৰকাশৰ মুখ নেদেখাটো পৰিতাপৰ বিষয়। অৱশ্যে বিগত কিছুবছৰৰ পৰা ই নিয়মিতভাবে প্ৰকাশ পাই আহিছে। মহাবিদ্যালয়ৰ বিভিন্ন প্ৰাচীৰ পত্ৰিকা সমূহ যেনে- 'ফল্গু', প্ৰবাহ (সাহিত্য কানন), দৃষ্টি (অসমীয়া বিভাগ), সোপান (শিক্ষা

বিভাগ), অৱলোকন (ৰাজনীতি বিজ্ঞান বিভাগ), প্লাৱন (ভূগোল বিভাগ), Spark (ইংৰাজী বিভাগ) আদিয়ে সাহিত্য চৰ্চাৰ ক্ষেত্ৰখনত ছাত্ৰ-ছাত্ৰীসকলক পৰম উপকৃত কৰি আহিছে যদিও ওপৰোক্ত প্ৰকাশ সমূহ কিছু সময়ত অনিয়মীয়া হোৱা পৰিলক্ষিত হয়। ইয়াৰ উপৰি সাহিত্য কাননৰ উদ্যোগত প্ৰকাশিত বাৰ্ষিক হাতেলিখা মুখপত্ৰ 'প্ৰতীতি'ৰ জৰিয়তে কৰা প্ৰয়াস শলাগিবলগীয়া । লগতে সাহিত্যকাননৰ উদ্যোগত অনুষ্ঠিত কৰা বিভিন্ন সাহিত্য প্ৰতিযোগিতা, আলোচন চক্ৰ, বক্তৃতানুষ্ঠান, আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাত ইন্ধন যোগাই আহিছে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে নিৰবিচ্ছিন্ন সহযোগিতা আগবঢ়ালেহে সাহিত্যিক বাতাবৰণে পূৰ্ণতা লাভ কৰিব বুলি আশা কৰিব পাৰি। আলোচনীৰ এই সংখ্যাটি প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিহা পৰামৰ্শেৰে আমাক উৎসাহিত কৰা সম্পাদনা সমিতিৰ সভাপতি তথা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ প্ৰাক্তন ড° পৰাগ কুমাৰ ভট্টাচাৰ্য দেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় দয়ানন্দ কুমাৰ দাস ছাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ব্যক্তিগত উদ্যোগত আলোচনী বিভাগৰ পূঁজি মোকোলাই দিয়া বাবেহে আলোচনীখন আপোনালোকৰ হাতত তুলি দিব পাৰিলোঁ । সেয়ে শ্ৰদ্ধেয় দয়ানন্দ কুমাৰ দাস ছাৰৰ ওচৰত আমি চিৰকৃতজ্ঞ। আলোচনীখন ছপা ৰূপত প্ৰকাশৰ ক্ষেত্ৰত গল্প, কবিতা, প্ৰবন্ধপাতিবোৰ সজাই পৰাই দিয়া বাবে তত্বাবধায়কদ্বয় শ্ৰদ্ধেয় শ্বাহ জামাল মোল্লা ছাৰ আৰু শ্ৰদ্ধেয় নিৰ্মল চন্দ্ৰ ভোই ছাৰলৈ আন্তৰিক কৃতজ্ঞতা যাঁচিলোঁ। লগতে বিভিন্ন দিহা পৰামৰ্শেৰে উৎসাহিত কৰা মাননীয় অৰুণ সৰকাৰ ছাৰ, গধুলী ঠাকুৰীয়া বাইদেউ, দীপ্তিৰেখা পাঠক মজুমদাৰ বাইদেউ, নগেন্দ্ৰ নাৰায়ণ দেৱান ছাৰৰ ওচৰত চিৰঋণী হৈ ৰলোঁ। লিখনি সমূহ সংগ্ৰহ কৰাত সহায় আগবঢ়োৱা ৰূপম নাথ, ইমদাদুল হক, গুণজিৎ মেধি, হাফিজুৰ ৰহমান, হিমাংশু পাটোৱাৰী, পিংকু মেধি আৰু অসীম পাঠকৰ শলাগ লৈছোঁ। যি সকল বন্ধু-বান্ধৱীৰ সহায়-সহযোগিতাৰ বাবে এই গুৰু দায়িত্বভাৰ গ্ৰহণ কৰাৰ সুবিধা পালোঁ তেওঁলোকলৈ, লগতে সমূহ লেখকলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

পৰিশেষত অজানিতে হৈ যোৱা ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি লগতে অনাগত দিনবোৰ সকলোৰে বাবে সুখৰ হওক তাৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

**অৰূপ সাহা**
সম্পাদক
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী



কৰ্মৰত অৱস্থাত  ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰী দয়ানন্দ কুমাৰ দাস



ভাৰপ্ৰাপ্ত অধ্যক্ষৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰী সকল।




মহাবিদ্যালয় সপ্তাহ ২০০৭ ৰ মুকলি সভাত অতিথিৰ আসনত ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ (বাওঁফালে) ড০ অৰুণ শৰ্মা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক (সোঁফালে) ড০ বিৰিঞ্চি কুমাৰ মেধি।




মহাবিদ্যালয় সপ্তাহ (২০০৮) ৰ মুখ্য অতিথি বিশিষ্ট কবি নন্দ সিংদেৱ।



মহাবিদ্যালয় সপ্তাহ (২০০৯) ৰ মুকলি সভাৰ মুখ্য অতিথি বিশিষ্ট সাংবাদিক তথা সাহিত্যিক ওৱাহিদ সিংদেৱ।



মহাবিদ্যালয় সপ্তাহ (২০০৯) ৰ লগত সঙ্গতি ৰাখি 'সাহিত্য কানন' ৰ দ্বাৰা আয়োজিত বক্তৃতানুষ্ঠান 'উচ্চ শিক্ষাত ভাষা শিক্ষকৰ ভূমিকা' - শীৰ্ষক বক্তৃতা প্ৰদান কৰিছে বিশিষ্ট লেখক ড০ [illegible] পাঠকদেৱে। মঞ্চত উপবিষ্ট (বাওঁফালৰ পৰা দ্বিতীয় জন) অধ্যক্ষ ড০ ৰমেশ পাঠকদেৱ।



আমাৰ মহাবিদ্যালয়ত ২০০৮ চনত অনুষ্ঠিত 'ৰাষ্ট্ৰীয় আলোচনা চক্ৰ'ৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰিছে বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ সহযোগী অধ্যাপক ড০ কে.চি. চাহু দেৱে



প্ৰয়াত দেৱ প্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান (২০০৮) ত অধ্যাপিকা দিপ্তীৰেখা পাঠক মজুমদাৰ সম্পাদিত 'সাহিত্য কানন' ৰ হাতে লিখা আলোচনী 'প্ৰতীতি' উন্মোচন কৰিছে নিৰ্দিষ্ট বক্তা - বিশিষ্ট সাংবাদিক অজিত কুমাৰ ভুঞা দেৱে।



প্ৰয়াত দেৱ প্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান (২০০৯) ত দৰ্শকৰ আসনত অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকল । বক্তা অসম সাহিত্য সভাৰ উপ-সভাপতি কনক চন্দ্ৰ শৰ্মা।



দেৱ প্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান (২০১০) ৰ কেইটিমান মুহূৰ্ত। বক্তা - বিশিষ্ট গায়িকা ড০ অনিমা চৌধুৰী।

# সূচীপত্ৰ

## প্ৰবন্ধ মালা


| | | |
|---|---|---|
| পৰিবেশ অবনমন আৰু অসমত ইয়াৰ প্ৰভাৱ (Environmental degradation and its affects in Assam) | শ্ৰী বিষ্ণুৰাম তালুকদাৰ | ১ |
| অসমলৈ মুছলমান সকলৰ আগমন আৰু ইছলাম প্ৰচাৰ | আব্দুচ ছালাম | ৪ |
| ম'বাইল | চৰিফুল হাচান | ৬ |
| বিজ্ঞান, অন্ধবিশ্বাস আৰু সমাজ | ছেলিম মালিক | ৮ |
| অলিম্পিকত অংশ লোৱা প্ৰথম ভাৰতীয়জন | শ্ৰী বিদ্যুত দাস | ১০ |


## ভ্ৰমণ


| | | |
|---|---|---|
| নুব্ৰা উপত্যকাত এৰাতি | ড° ভাৰত কলিতা | ১১ |
| পঞ্চাদশ "ৰাষ্ট্ৰীয় শিশু বিজ্ঞান (ৰাজ্যিক পৰ্যায়) সমাৰোহ ২০০৭ আৰু লামডিঙ ভ্ৰমণৰ অভিজ্ঞতা | মিৰ্জা ইমৰান শ্বাদিদ | ১৪ |


## গল্প


| | | |
|---|---|---|
| মাটি আৰু দালাল | শ্ৰী ভূমিজা বৰ্মণ | ১৭ |
| জীৱনৰ বাটে - হাটে | ৰূপম নাথ | ১৯ |
| যাত্ৰা | ইকবাল হুছাইন | ২১ |
| বিদিশাৰ হাঁহি | শ্ৰী বিনিতা মেধী | ২৪ |
| ভেকুলীৰ বিয়া | শ্ৰী ৰূপামণি তালুকদাৰ | ২৭ |
| সপোনৰ ঘৰ | আঃ মৌতালিব হোছাইন | ২৮ |
| মই এজুপি মেটেকা | দিপাংকৰ কলিতা | ৩১ |
| অভিনয় | আব্দুল হান্নান | ৩৩ |
| অনুপম আকাশৰ তলত শূন্য অমানিশা | অজন্তা কলিতা | ৩৫ |
| আশংকা | মহম্মদ জহিৰুল হক | ৩৮ |
| ট্ৰেজেডি | মোঃ আছমত আলী | ৪১ |
| সঁচা প্ৰেম | মিছ মমতাজ বেগম | ৪৩ |
| এৰাতিৰ স্বপ্ন সহস্ৰ দিনৰ বেদনা | তাজেম আলী | ৪৫ |


## সাক্ষাৎকাৰ


| | | |
|---|---|---|
| ৰংবং তেৰঙৰ লগত | অৰুণ কুমাৰ সৰকাৰ | ৪৭ |


## অনুভৱ


| | | |
|---|---|---|
| ড্ৰাগচ ঃ এক মাৰাত্মক নিচাকৰ দ্ৰব্য | শ্বহিদুল ইচলাম | ৫০ |
| হোষ্টেল | শ্ৰী মনজিৎ ভাণ্ডাৰী | ৫১ |
| ম'বাইল যুগৰ কথা | জাহিদুল ইচলাম | ৫২ |
| নৱ প্ৰজন্মৰ সমস্যা | আয়ুব আলী আহমেদ | ৫৩ |
| বন্ধু, বন্ধুত্ব আৰু প্ৰেম | মহঃ হাফিজুৰ ৰহমান | ৫৪ |
| প্ৰেমৰ সুঁতি ঃ মানৱ প্ৰেমৰ পৰা বিশ্বপ্ৰেমলৈ | দিগন্ত কলিতা | ৫৫ |

# কবিতা মঞ্জৰী


**উক্তি**

| | | |
|---|---|---|
| তোমাৰ বাবেই এই প্ৰেম | মঞ্জু আহমেদ | ৫৭ |

**বিশেষ কাব্য পৃষ্ঠা**

| | | |
|---|---|---|
| কবি ৰূপম নাথ | | ৫৮ |

**কবিতা**

| | | |
|---|---|---|
| জীৱন | নূৰন নাহাৰ বেগম (লিলি) | ৬০ |
| আগমন | চৰিফুল হাচান | ৬০ |
| অৰ্দ্ধাকাশৰ সংকল্প | নৱনীতা পাঠক | ৬১ |
| 'ভেলেন্টাইন ডে' | মহঃ হাফিজুৰ ৰহমান | ৬২ |
| শেৱালী তুমি | শ্ৰী পিংকু মেধী | ৬২ |
| প্ৰিয়া | অসীম পাঠক | ৬৩ |
| তৰামাই | আব্দুল জলিল | ৬৩ |
| তৰা | চেহনাজ আহমেদ (বাবলু) | ৬৪ |
| ৰাগিনী | নাজিমা আহমেদ | ৬৪ |
| প্ৰিয়তমা | ঈমান আলী | ৬৫ |
| হৃদয়ৰ কথা | ৰেহেনা আহমেদ | ৬৫ |
| বন্ধন | ৰেজাউল হক | ৬৬ |
| প্ৰস্তুতি | শ্ৰী কবিতা দাস | ৬৬ |
| যেতিয়া উকলি যায় বাস্তৱ | ৰবিউল হক (ৰবি) | ৬৭ |
| তোমাৰ মন আকাশত | শ্ৰী মহানন্দ পাটিগিৰী | ৬৭ |
| বেদনা | তৃষ্ণা সাহা (পাপিয়া) | ৬৮ |
| পৰীক্ষা | এম. আব্বাছ আলী | ৬৮ |
| সত্যৰ কুঁৱৰী জয়মতী | শ্ৰী বিনীতা কলিতা | ৬৯ |
| সঁচা | জয়নাল আবদীন | ৭০ |
| "ছুমি" - মোৰ প্ৰেম | আব্দুল হামিদ মজুমদাৰ (বাবুল) | ৭০ |
| মোৰ সেউজীয়া প্ৰেম | মিছ ঃ মাছুমা বেগম | ৭১ |
| "যৌৱন" | শ্ৰী অভিৰাম দাস | ৭১ |
| কোনো অভিযোগ নাই | ওচমান গণি | ৭২ |
| "তোমালৈ" | শ্ৰী গীতাঞ্জলি বণিক্য | ৭২ |
| মোৰ আই | নিখিল দাস | ৭৩ |
| প্ৰেম, হৃদয় আৰু চকুলো | গোলাম নবী আজাদ | ৭৩ |
| দৃশ্য | আমিনুল হক | ৭৪ |
| তোমাক জনালো প্ৰণাম | শ্বহিদুল ইছলাম | ৭৪ |
| দিয়া তুমি | ৰিমি বেগম | ৭৪ |
| একো নাই | বিল্লাল হুছাইন | ৭৫ |
| তৰা | মাহমদুৰ হাচান | ৭৫ |
| অব্যক্ত প্ৰেম | আব্দুল হান্নান | ৭৬ |
| তুমি | পৰিমল বৰ্মণ | ৭৬ |


বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

| | | |
|---|---|---|
| আমাৰ প্ৰেমৰ ভাষা | জাহিদুল ইচলাম | ৭৭ |
| নাগৰিক | বিকাশ কলিতা | ৭৭ |
| ভেজাল গুৱাহাটী | শ্ৰী উদ্দীপ্ত মেধি | ৭৮ |
| এজাক প্ৰেমৰ বৰষুণ | ৰাজীব মেধী | ৭৮ |


## বিভাগীয় প্ৰতিবেদন সমূহ


| | | |
|---|---|---|
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | হবিবুৰ ৰহমান | ৭৯ |
| সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | শ্ৰী পিংকু মেধি | ৮২ |
| ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | মোঃ সাহিনুল ইচলাম | ৮৩ |
| গুৰু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | শ্ৰী প্ৰদীপ কুমাৰ বায়ন | ৮৪ |
| লঘু খেল বিভাগৰ প্ৰতিবেদন | আব্দুল হামিদ | ৮৫ |
| সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | শ্ৰী গুণজিৎ মেধি | ৮৬ |
| ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকীয় প্ৰতিবেদন | মহম্মদ মইদুল ইছলাম | ৮৭ |
| ছাত্ৰী জিৰণী কোঠাৰ সম্পাদকীয় প্ৰতিবেদন | শ্ৰী ইৰা ঠাকুৰীয়া | ৮৮ |
| সাহিত্য বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | ছেলিম আনোৱাৰ | ৮৯ |
| সমাজসেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন | ছাহজাহান আলী | ৯০ |
| মহাবিদ্যালয়ৰ প্ৰকাশিত আলোচনী সমূহৰ সম্পাদক আৰু তত্ত্বাৱধায়কসকল | | ৯১ |
| বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় সঙ্গীত | ৰচনা ঃ ড° পৰাগ কুমাৰ ভট্টাচাৰ্য<br>সুৰ ঃ ড° নীলকমল বৰদলৈ | ৯২ |


## সংযোজন


| | | |
|---|---|---|
| অশ্ৰু-অঞ্জলি, আলবিদা, বিদায় পথৰ পথিক | সম্পাদনা সমিতি | ৯৩ |


## বিদায় সম্ভাষণ


| | | |
|---|---|---|
| শ্ৰী উমেশ চন্দ্ৰ দাস | বিঃ প্ৰঃ চলিহা মহাবিদ্যালয় শিক্ষক গোট | ৯৪ |
| আব্দুছ ছামাদ আলী | বিঃ প্ৰঃ চঃ মঃ শিক্ষক আৰু কৰ্মচাৰী গোট | ৯৫ |
| শ্ৰী নিৰোদ বৰণ দাস | অধ্যক্ষ তথা কৰ্মচাৰীবৃন্দ, বিঃ প্ৰঃ চঃ মঃ | ৯৬ |
| শ্ৰী নিৰোদ বৰণ দাস | অৰ্থনীতি বিজ্ঞান বিভাগৰ অধ্যাপক-অধ্যাপিকা মণ্ডলী | ৯৭ |
| ড° পৰাগ কুমাৰ ভট্টাচাৰ্য | বিঃ প্ৰঃ চঃ মহাবিদ্যালয় শিক্ষক গোট | ৯৮ |
| নূৰন নাহাৰ বেগম | বিঃ প্ৰঃ চঃ মহাবিদ্যালয় শিক্ষক গোট | ৯৯ |
| নূৰন নাহাৰ বেগম | বিঃ প্ৰঃ চঃ মহাবিদ্যালয় কৰ্মচাৰী গোট | ১০০ |
| নূৰন নাহাৰ বেগম | ৰাজনীতি বিজ্ঞান বিভাগ বিঃ প্ৰঃ চঃ মহাবিদ্যালয় | ১০১ |
| নূৰন নাহাৰ বেগম | ৰাজনীতি বিজ্ঞান অধ্যয়ন চ'ৰা বিঃ প্ৰঃ চঃ মহাবিদ্যালয় | ১০২ |


## 'প্ৰতীতি'ৰ পৃষ্ঠাৰ পৰা


| | | |
|---|---|---|
| জামলাইত জোনাক | ড° পৰাগ কুমাৰ ভট্টাচাৰ্য | ১০৩ |
| মৌচুমীৰ প্ৰতীক্ষাত | অধ্যাপিকা নৱনীতা পাঠক | ১০৪ |
| 'প্ৰতীতি'ৰ এলবামৰ পৰা | 'সাহিত্য কানন' ৰ সৌজন্যত | ১০৫ |

## প্ৰাক্তন অধ্যাপকৰ কলম

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত 'একশৰণ হৰিনাম ধৰ্ম' — উমেশ চন্দ্ৰ দাস (প্ৰাক্তন অধ্যাপক) ১০৬

## English Section

### Prose

Flood Hazard and its Impact on physical & Mental Health — Prof.D.C. Kalita 1
An Extraordinary Mission Solar Probe plus — Prof. Nirmal Ch. Kalita 4
Betwen the BIG and SMALL 'T' of Teaching — Prof. Dr. B.B.Panda 6
Indian Economy : An Overview — Prof. Ansuman Saikia, Sri Satyajit Kalita 9
Acquired Immuno Deficency Syndrome (AIDS) and Prevention — Akramot Zaman 10
GLOBALISATION — Md. Mofidul Hassan 14
GLOBAL WARMING — Md.Hafizur Rahman 16
STORIES OF COMMAS — Shamsul Hoque 19

### Poetry

Those Days — Prof.N. C. Bhoi. 20
The Season of Harvest — Prof.H. Singh 20
Oh/my beloved — Surya Kumar Das 21
My Dream Girl — Md.Ziaul Hoque 21
A Love Poem — Md. Ziaul Hoque 22
A Beautiful Dreamgirl — Dhiraj Kalita 23
About God and Man — Jahanara Ahmed 23
I Want To Live — Shahidul Islam 24
Strange Life — Md.Jahirul Hoque 24
Big Dream — Suddeep Kr.Paul 25
Understand Tension — Sri Kanai Paul 26

### Others

Opinions of Great Man — Benojir Rezza 27
Do You Know — Benojir Rezza 28
Origin of Some English Words — M.Bablur Rahman 30
Thoughts Procious — Miss Minakshi Das 31
**Result of the College Week Session : 2007-08** 32
**Results of H.S. (Final) & TDC (Final) Examinations of the college of last three years.** 37
**List of Faculty Members** 38
**List of Non-Teaching Staff** 41
**College Governing Body** 43

# পৰিবেশ অৱনমন আৰু অসমত ইয়াৰ প্ৰভাৱ
# (Environmental degradation and its affects in Assam)

শ্ৰী বিষ্ণুৰাম তালুকদাৰ
*ভূগোল বিভাগ।*



**পৰিবেশ ঃ** আমাৰ চৌপাশে থকা জৈৱিক আৰু অজৈৱিক উপাদান সমূহৰ সূক্ষ্ম আন্তঃসম্পৰ্কৰ ফলত উদ্ভৱ হোৱা এক জটিল পাৰিপাৰ্শ্বিক অৱস্থা অৰ্থাৎ জৈৱিক উপাদান সমূহ যেনে - গছ-গছনি, তৰু-তৃণ-লতা, জীৱ-জন্তু, পক্ষীকুল, অতি ক্ষুদ্ৰ এক কোষী প্ৰাণী এমিবাকে আদি কৰি আৰু অজৈৱিক উপাদান সমূহ যেনে- শিল-বালি-ইটা, বায়ু-পানী-বতাহ, বিভিন্ন খনিজ পদাৰ্থ আদিৰ আন্তঃসম্পৰ্কৰ ফলত কোনো ঠাইৰ যি এক বিশেষ পৰিস্থিতিৰ সৃষ্টি হয় সেয়াই হৈছে উক্ত ঠাইখনৰ পৰিবেশ। কোনো এখন ঠাইৰ পৰিবেশৰ ওপৰত ঠাইখনত উপলব্ধ জলবায়ুয়ে বিশেষ ভাবে প্ৰভাবিত কৰি এক বিশেষ ধৰণৰ পাৰিস্থিতিকতন্ত্ৰৰ সৃষ্টি কৰি উদ্ভিদ তথা জীৱৰ ক্ৰমবিকাশ নিৰ্ণয় কৰে। মানুহৰ জীৱনধাৰা, কৃষি কাৰ্য্য, ব্যৱসায়, বাণিজ্য , ধৰ্ম, আৰ্থ-সামাজিক তথা শিক্ষা-সাংস্কৃতিক অৱস্থা, শিল্প-উদ্যোগ আৰু নগৰীকৰণ আৰু ৰাজনৈতিক জীৱনত পৰিবেশৰ অৱদান অপৰিসীম। সুস্থ প্ৰাকৃতিক আৰু মানৱ সাংস্কৃতিক পৰিবেশ এখন ঠাইৰ সৰ্ব্বতো প্ৰকাৰ উন্নয়ণৰ বাবে আধাৰ স্বৰূপ হৈ কাম কৰে।

**পৰিবেশ অৱনমন ঃ** কোনো এখন ঠাইৰ প্ৰকৃতি প্ৰদত্ত প্ৰাকৃতিক পৰিবেশ আৰু মানৱসৃষ্ট সাংস্কৃতিক পৰিবেশৰ ওপৰত অন্য কোনো কাৰকৰ ক্ৰিয়াৰ প্ৰভাৱত প্ৰকৃতিৰ স্বাভাৱিক গতিধাৰাত বাধাৰ সৃষ্টি কৰি উদ্ভিদ তথা জীৱকুলৰ জীয়াই থকাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি পৰিবেশৰ স্বাভাৱিক ভাৰসাম্যহীন অৱস্থা (Ecological Imbalance) ৰ সৃষ্টি কৰে তাকে পৰিবেশ অৱনমন (Environmental Degradation) বুলি কোৱা হয়।

**পৰিবেশ অৱনমনৰ কাৰক সমূহ ঃ** পৰিবেশ অৱনমনৰ কাৰক সমূহ তলত দিয়া ধৰণে ভাগ কৰিব পাৰি —

১) প্ৰাকৃতিক কাৰক ঃ প্ৰাকৃতিক কাৰক সমূহ হ'ল — ক) ভূমিকম্প খ) আগ্নেয়গিৰিৰ উদ্‌গীৰণ গ) ভূমিস্খলন ঘ) বানপানী ঙ) ধুমুহা আৰু ঘূৰ্ণীবতাহ চ) খৰাংপীড়িত অৱস্থা ছ) গোলকীয় উষ্ণতা বৃদ্ধি জ) মহাজাগতিক পৰিঘটনা ইত্যাদি।

২) মানৱ সৃষ্ট সাংস্কৃতিক কাৰক সমূহ — ক) কৃষি কাৰ্য্যৰ সম্প্ৰসাৰণ খ) নিৰ্বননিকৰণ গ) মৰুকৰণ ঘ) শিল্পায়ণৰ অগ্ৰগতি ঙ) নগৰীকৰণৰ বিকাশ চ) জন-বিস্ফোৰণ ছ) বিদ্যুৎ উৎপাদনৰ বাবে নিৰ্মাণ কৰা বৃহৎ নদী বান্ধ সমূহ জ) বানপানী নিয়ন্ত্ৰণৰ বাবে নিৰ্মাণ কৰা মথাউৰি সমূহ ঝ) যাতায়ত আৰু পৰিবহনৰ বাবে জলাশয় আৰু অৰণ্যৰ মাজেদি নিৰ্মাণ কৰা আলিবাট আৰু ৰে'ল পথ সমূহ।

**পৰিবেশৰ ওপৰত অৱনমনৰ প্ৰভাৱ ঃ** সুস্থ পৰি বেশে আনি দিয়ে সুস্থ সমাজ আৰু ইয়াৰ ওপৰত নিৰ্ভৰ কৰে দেশ তথা অঞ্চল এটাৰ সামগ্ৰিক ভৱিষ্যৎ বিকাশ। পৰিবেশৰ অৱক্ষয়ে এটা অঞ্চলৰ উন্নয়ণৰ হাৰ স্থবিৰ কৰি, আনি দিব পাৰে অন্ধকাৰ ভৱিষ্যৎ। পৃথিবীৰ উন্নত দেশ সমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে, সেই দেশ সমূহৰ উন্নয়ণৰ মূল ভেটি হৈছে সুস্থ প্ৰাকৃতিক তথা উন্নত সাংস্কৃতিক পৰিবেশ। সেয়েহে আমি কব পাৰো যে, মানুহৰ কৰ্তৃত্বৰ ভিতৰত থকা পৰিবেশ অৱক্ষয়ৰ মূল কাৰক সমূহ ৰোধ কৰাটো আমাৰ নৈতিক কৰ্ত্তব্য ।

**পৰিবেশৰ অৱক্ষয় আৰু অসম ঃ** অসম, ভাৰত যুক্তৰাজ্যৰ পূব প্ৰান্তত অৱস্থিত ক্ৰান্তীয় জলবায়ুৰে সমৃদ্ধ, মৌচুমী বতাহৰ ফলত অতিপাত বৰষুণ হোৱা এক বৰ্ষাৰণ্য অঞ্চল। ভৌগলিক সংৰচনা অনুসৰি অসম তথা সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চল, মেঘালয় মালভূমিৰ বাহিৰে হিমালয় পৰ্ব্বত শ্ৰেণী আৰু ইয়াৰ ঠাল ঠেঙুলিৰে আবৃত এক নব্য শিলাখণ্ডৰে গঠিত ভূমিকম্পৰ

প্ৰাবল্য থকা অঞ্চলত অৱস্থিত । ব্ৰহ্মপুত্ৰ, বৰাক আদিকে ধৰি বৃহৎ নদী আৰু বিভিন্ন উপনদী সমূহ অসমৰ মাজেদি বৈ গৈছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক অসমৰ মানুহৰ জীৱন-ৰেখা। এই দুই নদীক কেন্দ্ৰ কৰিয়েই ইয়াৰ দুই পাৰে গঢ়ি উঠিছে অসমৰ নগৰ-চহৰ সমূহ, কৃষি, অৰ্থনীতি, ব্যৱসায়-বাণিজ্য, যাতায়ত আৰু অসমৰ সভ্যতা সংস্কৃতি।

অসমৰ পৰিবেশৰ অৱক্ষয় লক্ষ্য কৰিলে দেখা যায় যে, প্ৰাকৃতিক আৰু সাংস্কৃতিক এই দুয়োটা কাৰকেই অসমৰ পৰিবেশৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ১৮৫৭ আৰু ১৯৫০ চনত অহা প্ৰলয়ংকাৰী ভূমিকম্পই অসমৰ প্ৰাকৃতিক পৰিবেশ আৰু সমাজ জীৱনত প্ৰভূত প্ৰভাৱ পেলাই থৈ গৈছে। ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈ সমূহে প্ৰতি বছৰে কঢ়িয়াই অনা বানপানীয়ে অসমৰ কৃষিভূমি তথা সমাজ জীৱনৰ লগতে জীৱকুলৰ প্ৰতি এক চৰম প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। ২০০৭ আৰু ২০০৮ চনত উপৰ্য্যুপৰি অহা প্ৰৱল বানপানীয়ে শস্য-শ্যামলা অসমভূমিক গচকি শ্মশানভূমিত পৰিণত কৰে। ইয়াৰ উপৰি প্ৰতি বছৰে বৰ্ষা কালত গুৱাহাটীৰ লগতে অসমৰ বিভিন্ন ঠাইত পাহাৰুৱা অঞ্চলত মাটি কটাৰ ফলত ভূমিস্খলন হৈ বহুতো মানুহৰ মৃত্যু হয়। অসমৰ প্ৰাকৃতিক পৰিবেশ অৱক্ষয়ৰ বাবে খৰাং, ঘূৰ্ণী বতাহ, ধুমুহা আদিও জগৰীয়া। Global Warming বা গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলতে ২০০৬ চনত অসমত এক অভূতপূৰ্ব খৰাং পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰ ফলত অসমৰ কৃষি উৎপাদন ২০০৬ চনত যথেষ্ট পৰিমাণে হ্ৰাস পায়।

অপ্ৰত্যাশিত জনবিষ্ফোৰণে বনাঞ্চল সমূহ সংকোচন কৰি পেলোৱাত বন্যপ্ৰাণীৰ খাদ্য আৰু আৱাসস্থলৰ নাটনি হোৱাত মানুহ আৰু প্ৰাণীৰ মাজত সংঘাত বৃদ্ধি পাইছে। ইয়াৰ জলন্ত উদাহৰণ হৈছে মানুহ আৰু হাতীৰ মাজত সংঘাত (Man-Elephant Conflict) । ২০০৭ চনত হাতীৰ আক্ৰমণত অসমত ১০৭ জন মানুহৰ মৃত্যু হয়।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ ফলত অসম বৃটিছ শাসনৰ অধীনলৈ যোৱাৰ পিছত অসমত শিল্প উদ্যোগৰ আৰম্ভণি হয়। বৃটিছ সকলে অসমৰ বনাঞ্চল সমূহ চিকুনাই ইয়াত চাহ খেতি আৰম্ভ কৰিলে। উজনি অসমৰ তিনিচুকীয়া, মাৰ্ঘেৰিটা, লিডু আদিত কাঠফলা কল (Ply Wood Industry) স্থাপন হবলৈ ধৰিলে । ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত যোগীঘোপা, জাগীৰোড, কাছাৰৰ পাঁচগ্ৰাম আদিত বৃহৎ কাগজ কল সমূহ আৰু বনাঞ্চল সমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন কল কাৰখানা যধে-মধে, বিবেচনা বিহীনভাৱে ব্যক্তিস্বাৰ্থৰ ওপৰত গুৰুত্ব দি স্থাপিত হ'ল। আৰম্ভ হ'ল অসমৰ বনাঞ্চল সমূহৰ ধ্বংস যজ্ঞ। এই দৰে নিৰবিচ্ছিন্ন বন ধ্বংসই অসমৰ ভৌগলিক পৰিবেশৰ বাবে অভিশাপ স্বৰূপ হৈ পৰিল। ইয়েই অসমত সঘনাই হোৱা বানপানী, ভূমিস্খলন, মৃত্তিকাৰ খনন (Soil- erosion) খৰাং পৰিস্থিতি, বন্যপ্ৰাণীৰ আবাসভূমিৰ সংকোচন, খাদ্যৰ অভাৱ আৰু চোৰাং চিকাৰীৰ আক্ৰমণত কিছুমান বন্য প্ৰাণীৰ বিলুপ্ত সাধন আদি সমস্যাৰ সৃষ্টি কৰিলে।

শিল্প উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামাল সমূহ আহৰণৰ বাবে ভাৰত চৰকাৰ, অসম চৰকাৰ তথা ব্যক্তিগত প্ৰতিষ্ঠান সমূহে হাবি-বননিকে ধৰি অসম মাতৃৰ বুকু চলাথ কৰিবলৈ ধৰিলে। ইয়াৰ ফলত প্ৰাকৃতিক ভাৰসাম্যহীন (Natural Imbalance) অৱস্থাৰ সৃষ্টি হ'ল। বিভিন্ন কল-কাৰখানা, যান-বাহন আদিৰ পৰা ওলোৱা ধোৱা, কাৰ্বন-ডাই-অক্সাইড ($CO_2$) ছালফাৰ-ডাই-অক্সাইড ($SO_2$) নাইট্ৰজেন-অক্সাইড ($NO_2$) পানীত দ্ৰৱীভূত এমনিয়া, ইউৰিয়া, কাৰ্বনেট আদিৰ উপৰিও উদ্যোগৰ পৰা নিষ্কাষিত বৰ্জিত পদাৰ্থ সমূহ যেনে- এৰ'তল্চ, তীখা, পাৰা, এচ্‌বেচ্‌টচ্ আদিয়ে অসমৰ বায়ু আৰু নদীৰ পানী ক্ৰমাগতভাৱে প্ৰদূষিত কৰিবলৈ ধৰিলে। ব্যক্তিস্বাৰ্থ আৰু সাধাৰণ মানুহৰ সজাগতাৰ অভাৱত 'অসম প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ড'য়ে চেষ্টাৰ ফলতো অসমক প্ৰদূষণমুক্ত কৰি ৰাখিব নোৱাৰিলে। প্ৰদূষিত বায়ু আৰু পানীয়ে হৈছে মানুহ আৰু অন্য জীৱ জন্তুৰ বিভিন্ন বেমাৰ আজাৰৰ মূল কাৰক।

অত্যাধিক জনসংখ্যা বৃদ্ধিয়ে অসমত ক্ৰমবৰ্দ্ধমান শিক্ষিত নিবনুৱাৰ সৃষ্টি কৰি অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰত এক জটিল সমস্যাৰ সৃষ্টি কৰিছে। কিছুমান শিক্ষিত নিবনুৱাই জীয়াই থকাৰ আকুল-আহ্বানত প্ৰতিবাদী সংগ্ৰামী জীৱন আৰম্ভ কৰি ৰাজ্যখনৰ সামাজিক পৰিবেশত অৱক্ষয় আনি ৰাজনৈতিক

অস্থিৰতাৰ সৃষ্টি কৰিছে।

ওপৰোক্ত আলোচনাৰ পৰা এইটো লক্ষ্য কৰা যায় যে, অসমৰ পৰিৱেশ অৱক্ষয়ৰ মূল কাৰক সমূহ প্ৰাকৃতিক কাৰক সমূহ যেনে ঃ - ভূমিকম্প, বানপানী, খৰাং বতৰ, ঘূৰ্ণী বতাহ, ভূমিস্খলন আদি আৰু মানৱ সৃষ্ট সাংস্কৃতিক কাৰক সমূহ যেনে - জন-বিস্ফোৰণ, উদ্যোগীকৰণ, নগৰীকৰণ, কৃষিভূমিৰ সম্প্ৰসাৰণ, উচ্ছৃংখল যুৱ মানসিকতা আৰু ভয়াবহ নিবনুৱা সমস্যা। ইয়াৰ পৰা পৰিত্ৰাণৰ উপায় হৈছে "The Concept of sustainable development" অৰ্থাৎ "Eco-Balance Development" অনুসৰণ কৰা। পৰিৱেশৰ অৱক্ষয় ৰোধ কৰিবলৈ হ'লে আমি মানৱ সৃষ্ট কাৰক সমূহ যিমানদূৰ পাৰো কমোৱাৰ চেষ্টা কৰিব লাগে। ইয়াৰ বাবে দৰকাৰ জনসাধাৰণৰ সজাগতা আৰু চৰকাৰৰ বলিষ্ঠ পদক্ষেপ। নিজে জীয়াই থাকি অন্য জীৱ জন্তুক জীয়াই থকাৰ অধিকাৰ দি তথা পৰিৱেশ সুস্থ কৰি ৰখাই হৈছে জন- সজাগতাৰ মূলমন্ত্ৰ। ❑

(এই প্ৰবন্ধটো অসমৰ আগশাৰীৰ বিজ্ঞান আলোচনী "বিজ্ঞান জেউতি" তো প্ৰকাশ পাইছে। — প্ৰবন্ধকাৰ )।







# অসমলৈ মুছলমান সকলৰ আগমন আৰু ইছলাম প্ৰচাৰ



আব্দুচ ছালাম
*মুৰব্বী অধ্যাপক, আৰবী বিভাগ*
*বি.প্ৰ.চ.মহাবিদ্যালয়, নগৰবেৰা*



মুছলমান সকলে ১২০৬ চনৰ পৰা সোতৰ শতিকাৰ শেষলৈ অসমলৈ অহা আৰম্ভ কৰিছিল। তেওঁলোকে প্ৰথমাবস্থাত যুঁজাৰু, শাসনকৰ্তা আৰু ধৰ্ম প্ৰচাৰক হিচাবে অসমলৈ আহিছিল। আনহাতে তেওঁলোকৰ বহুতেই আহোম ৰজাসকলৰ আহ্বানত ইয়ালৈ অহা বুলি জনা যায়।

এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে, Shaikh Shah Badar ৰ নিচিনা মহান ব্যক্তিত্ব সম্পন্ন লোকজন আৰবৰ Shaikh Jalal ৰ লগত অসমলৈ আহিছিল আৰু বৰ্তমানৰ বাংলাদেশৰ ছিলেটত বসবাস কৰিছিল। তেৱেঁই অসমলৈ অহা প্ৰথম ছুফীবাদী লোক আছিল। তেওঁ অসমৰ স্থানীয় লোক সকলৰ প্ৰিয়ভাজন হৈ পৰিছিল।

অসমৰ উল্লেখযোগ্য ছুফী পণ্ডিত শ্বেইখ গিয়াছ উদ্দিন আউলিয়াই প্ৰায় ১২৪৪ চনত Shaikh Jamal, Shaikh Shah Qadir আৰু Shaikh Buzurg ৰ সৈতে ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিছিল। তেওঁ হাজোৰ পাহাৰৰ ওখ টিলাত থাকিবলৈ লৈছিল আৰু তাত এখন মচজিদ নিৰ্মাণ কৰিছিল যাক ছুফীবাদী সকলৰ কেন্দ্ৰস্থান হিচাবে ব্যৱহাৰ কৰিছিল। তেতিয়াৰ পৰা হাজোৰ এই ঠাইখিনিক পোৱামক্কা বুলি জনা যায়। হিন্দু আৰু মুছলমান উভয় ধৰ্মৰ লোকেই এই ঠাইখনক পবিত্ৰ স্থান বুলি বিশ্বাস কৰে আৰু প্ৰতি বছৰে শ শ লোকে এই ঠাই পৰিদৰ্শন কৰে। তেওঁলোকে বিশ্বাস কৰে যে যদি কোনোৱাই চাৰিবাৰ এই ঠাই ভ্ৰমণ কৰে, তেন্তে তেওঁ এটা সম্পূৰ্ণ হজ্বৰ পুণ্য লাভ কৰিব। তেওঁলোকৰ মাজত এই বিশ্বাস বৰ্তমানলৈও চলি আছে।

Shaikh Abdul Jalal Zulqad য়ে ১৭৯৬ চনত অসমৰ শিৱসাগৰ জিলাত জন্ম গ্ৰহণ কৰিছিল। তেওঁ ঢাকাত শিক্ষাজীৱন সমাপন কৰি উত্তৰ প্ৰদেশৰ Jaunpur জিলালৈ গৈছিল। তাত তেওঁ বিখ্যাত মৌলনা কিৰামত আলী জৌনপুৰীক লগ পায় আৰু তেওঁৰ সান্নিধ্যত ছুফীবাদৰ গভীৰ জ্ঞান লাভ কৰে। তেওঁ এই প্ৰসঙ্গত "Tariqul Haqq Bayani Nuril Haqq"(The way of truth in expressing the light of truth) নামৰ কিতাপ এখন আৰবী বৰ্ণমালাৰে অসমীয়া ভাষাত লিখি উলিয়ায়।

<u>Shaikh Azan Faquir:</u> Shaikh Azan Faquir অসমৰ এজন বিখ্যাত ছুফী পণ্ডিত আছিল। এই ছুফীবাদী পণ্ডিত জন তেওঁৰ ভায়েকক লগত লৈ ১৬৩৫চনত সুদূৰ বাগদাদৰ পৰা অসমলৈ আহিছিল। তেওঁ হাজোত এটা দীঘলীয়া সময়লৈ বসবাস কৰিছিল। তেওঁ ইয়াত থাকি অসমীয়া ভাষা শিকিছিল। এইদৰে তেওঁ অসমীয়া ভাষা কোৱা, লিখিব আৰু পঢ়িব পৰা হৈছিল। ইয়াৰ পিছত তেওঁ Chonpur লৈ গৈছিল আৰু তাত তেওঁ বহু মুছলমান লোকক লগ পাইছিল। কিন্তু এই মুছলমান লোক সকলে কেৱল তেওঁলোকৰ জীৱিকা উপাৰ্জনত ব্যস্ত আছিল আৰু স্থানীয় হিন্দুলোক সকলৰ লগত সংমিশ্ৰিত হৈ তেওঁলোকৰ পৰম্পৰাগত নিয়ম নীতিবোৰ মানি চলিছিল, আনকি মুছলমান লোক সকলে হিন্দুলোক সকলৰ মৃত ব্যক্তিৰ সৎকাৰ আদিতো অংশ গ্ৰহণ কৰিছিল। মুঠতে ইছলাম ধৰ্ম সম্পৰ্কে তেওঁলোকৰ কোনো সঠিক জ্ঞান নাছিল। Azan Faquir এ মুছলমান সকলৰ এই অৱস্থা উপলব্ধি কৰি স্থানীয় মুছলমান লোক সকলৰ সহায়ত আৰু তেওঁৰ ভায়েকক লগত লৈ তাত এখন মছজিদ নিৰ্মাণ কৰিছিল। এই

মছজিদতেই প্ৰথমে আজান দিয়াৰ ব্যৱস্থা কৰি লোক সকলক নামাজলৈ আহ্বান কৰিছিল। তেতিয়াৰ পৰাই অসমৰ মুছলমান লোক সকলে পোন প্ৰথমবাৰৰ বাবে আজান শুনিবলৈ পাইছিল। সেয়েহে তেতিয়াৰ পৰাই তেওঁক আজান ফকিৰ বুলি জনা গৈছিল যদিও তেওঁৰ প্ৰকৃত নাম আছিল Shah Miran .

মছজিদ নিৰ্মাণ কৰাৰ পিছত তেওঁ মুছলিম লোক সকলক মছজিদলৈ আহি নামাজ পঢ়িবলৈ আহ্বান কৰিছিল আৰু তেওঁলোকক নামাজ পঢ়াৰ সকলো নিয়ম-নীতি শিকাই দিছিল। ইয়াৰোপৰি তেওঁ ইছলাম ধৰ্মীয় নীতি নিয়ম ও আদব-কায়দা সমূহ জনসাধাৰণৰ বোধগম্য কৰাৰ উদ্দেশ্যে সেইবোৰ উল্লেখ কৰি বিভিন্ন কবিতা অসমীয়া ভাষাত ৰচনা কৰিছিল। মুছলমান জাতি আৰু সমাজক ইছলামিক পদ্ধতিৰে সংস্কাৰ সাধন কৰাই তেওঁৰ কবিতাৰ মূল উদ্দেশ্য আছিল। তেওঁ নৱগঠিত মুছলমান লোক সকলক তেওঁলোকৰ মুখ্য কৰ্ত্তব্য সমূহ যেনে - নামাজ, ৰমজানৰ ৰোজা, জাকাত দিয়া, হজ্জ আদি আদায় কৰাৰ ক্ষেত্ৰত সঠিক পদ্ধতি সম্পৰ্কে জ্ঞান দিছিল আৰু উৎসাহিত কৰিছিল। তাৰোপৰি মুছলমান সকলৰ মাজত এজনে আনজনৰ প্ৰতি থকা সামাজিক দায়বদ্ধতাৰ বিষয়ে যথেষ্ট গুৰুত্ব সহকাৰে প্ৰশিক্ষণ দিছিল।

অৱশেষত অসমৰ লোক সকলে তেওঁক আৰু তেওঁৰ আদৰ্শ সাদৰেৰে গ্ৰহণ কৰিছিল। বহুতো লোকেই তেওঁৰ কবিতাসমূহ বিভিন্ন উৎসৱ অনুষ্ঠান আদিত গাবলৈ আৰম্ভ কৰিছিল। তেওঁলোকে এই কবিতা সমূহক জিকিৰ-জাৰি বুলি নামকৰণ কৰিছিল। এই জিকিৰ কবিতাসমূহৰ অসমীয়া সাহিত্যতো যথেষ্ট গুৰুত্ব আছে। অসমৰ বিখ্যাত ধৰ্মীয় আৰু আধ্যাত্মিক বোধৰ জ্ঞান থকা নায়ক সকলৰ ভিতৰত Shaikh Khawaja Tamiz Uddin, Shaikh Nasir Uddin Baghdadi, Shaikh Shah Mohd.Yakub Badarpuri আৰু Shaikh Moqbul Hussain ৰ নাম উল্লেখ কৰিব পাৰি।

এই ধৰ্মীয় নেতা সকলেই অসমত ইছলাম ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল আৰু তেতিয়াৰ পৰাই অসমৰ ভূমিত ইছলামৰ জনজাগৰণ বহলভাৱে উচ্চাৰিত হৈছিল। এই ধৰ্মীয় নেতা সকলেই তেওঁলোকৰ পূৰ্বতে অসমলৈ অহা মুছলমান লোক সকলক ধৰ্মীয় চেতনাৰে সজাগ কৰি তুলিছিল আৰু দেশ বিদেশত থকা মুছলিম জাতিৰ লোক সকলৰ প্ৰতি দায়িত্ব আৰু কৰ্ত্তব্যৰ সঠিক জ্ঞান দি সচেতন কৰিছিল। যি সকল মুছলমান লোকে অসমৰ বিভিন্ন অঞ্চলত বসবাস কৰি আছিল, কিন্তু তেওঁলোকে ইছলামিক ধৰ্মীয় পৰম্পৰাবোৰ পাহৰি গৈছিল, তেওঁলোকক নতুনকৈ ইছলাম ধৰ্মীয় ভাৱধাৰাৰে অনুপ্ৰাণিত কৰি নিজ কৰ্ত্তব্যবোৰ সোঁৱৰাই দিছিল।

সেই সময়ছোৱাতেই ইছলাম ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈ আৰু ইয়াৰ আদৰ্শৰ প্ৰতি অনুপ্ৰাণিত হৈ বহুতো নিম্নশ্ৰেণীৰ হিন্দু ধৰ্মীয় লোকে ইছলামধৰ্ম গ্ৰহণ কৰিছিল। তেওঁলোকক ইছলাম ধৰ্মৰ প্ৰচাৰক সকলে জনোৱা আহ্বান আৰু তেখেত সকলৰ অনাড়ম্বৰ তথা সাধাৰণ জীৱন যাপনৰ ব্যৱস্থাই স্থানীয় সকলো শ্ৰেণীৰ লোককেই মোহিত কৰিছিল, যাৰ বাবে দিনে দিনে ইছলাম ধৰ্মৰ প্ৰতি তেওঁলোকৰ আকৰ্ষণ বৃদ্ধি পাইছিল।

এই সকল ধৰ্মীয় নেতা আৰু ছুফী সকল অৰ্থাৎ অসমৰ ধৰ্ম প্ৰচাৰক সকলৰ ওপৰিও বহুতো নতুন মুছলমানলোক পূৰ্ববঙ্গৰ পৰা বিভিন্ন সময়ত বাসস্থানৰ সন্ধানত অসমলৈ আহিছিল। এই সকল লোকো অসমত নিগাজিকৈ থাকিবলৈ লৈছিল আৰু ইছলাম ধৰ্মীয় সকলো নীতি আদৰ্শ পালন কৰাৰ লগতে অসমত ইছলাম প্ৰচাৰ আৰু প্ৰসাৰত অৰিহণা যোগাইছিল।❑


প্ৰসঙ্গ ঃ 1. Rai Bahadur K.L.Barua:Early history of kamrup.
2. C.V.Vadhya: Downfall of India.
3. Promatha Nath Dutta: Glimpses into the history of Assam.
4. Dr.N.N.Acharyya: A History of Mediaval Assam.
5. Dimbeswar Neog: Introduction of Assam.
6. H.M.Rafiabedi: Assam:from Agitation to Accord.
7. Dr.S.U.Ahmed : Mrs.H.Nessa : } Muslim in Assam (1200-2000)

ৰম্যৰচনা

# ম'বাইল







চৰিফুল হাচান

*স্নাতক দ্বিতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান)*


" তুমি আহিবা বুলি বাৰে বাৰে মই " স্নেহাস্পদৰ অপেক্ষাৰত প্ৰেমিক-প্ৰেমিকাৰ ওঁঠেৰে আজি নবয় এই গানৰ কলি। তাৰ পৰিবৰ্তে আজি হাতত থকা চেল'টোৰে মন গ'লেই গাভৰুৱে লুকাই আৰু ডেকাই বীৰদৰ্পে সকলোৰে আগতে প্ৰেমালাপৰ শুভাৰম্ভ কৰে।

ম'বাইল বুলিলে আমি আমাৰ হাতত থকা ফোনটোৰ কথাকে বুজো যদিও ইয়াৰ আভিধানিক অৰ্থ হ'ল ভ্ৰাম্যমান সচল বা চলমান। আগৰ মেজত গঙাটোপটো হৈ বহি থকা ফোনৰ ঠাইত এতিয়া সকলোৱে সকলো ঠাইলৈ লগত লৈ যাব পৰা এই ফোনটোক সেয়ে ম'বাইল বুলি কওঁ।

বৰ্তমান আমি সকলোৱে এই ম'বাইলৰ মোহত পৰিছো ইচ্ছাকৃত অনিচ্ছাকৃত ভাবে । প্ৰত্যক্ষ অথবা পৰোক্ষভাবে। ম'বাইল আমাৰ দৈনিন্দন জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। পিতৃ-মাতৃক লাগে বাহিৰত থকা পুত্ৰ পুত্ৰীৰ খবৰ লবলৈ আৰু "পুত্ৰ-পুত্ৰীৰ" লাগে নিজৰ স্নেহাস্পদৰ কাণত মৌ ঢালিবলৈ । ইত্যাদি কাৰণত আমি ম'বাইৰ প্ৰয়োজন নিশ্চয় উলাই কৰিব নোৱাৰো।

কোৱা হয় মানুহৰ মুখমণ্ডলে হেনো তেওঁৰ দেহ-মন মগজুৰ অৱস্থা প্ৰতিফলিত কৰে। পিছে এই মহান বাক্য শাৰীৰ গাতে ছাঁটো থকা কথাটিয়েহে আমনি দিয়ে; সেয়া হ'ল - "ইয়াক চিনিবৰ বাবে অৰ্ন্তদৃষ্টিৰ প্ৰয়োজন।" অৰ্থাৎ মানুহৰ মুখ চাই তেওঁৰ মনৰ অৱস্থা বুজিবলৈ হ'লে আমি সকলোৱে একোজন দাৰ্শনিক পণ্ডিত হ'ব লাগিব। পিছে আমাৰ দৰে আধুনিক পুৰুষবোৰে দাৰ্শনিক হৈ মানুহৰ মুখ চাই তেওঁৰ মনৰ অৱস্থা বুজিব পৰা হোৱালৈ তেওঁ সিপুৰী পাবগৈ। তাৰ পৰিবৰ্তে এটা সহজ বুদ্ধি আমাক আধুনিক বিজ্ঞানে দিছে ম'বাইল ফোন। হাতত থকা ম'বাইলটো আৰু ইয়াক কৰা ব্যৱহাৰৰ ধৰণ চাই এজনৰ মন মগজুক বহু পৰিমাণে চিনাক্ত কৰিব পাৰি।

ম'বাইলৰ ৰিংটনে কৈ দিয়ে গৰাকীৰ মনৰ অৱস্থা । বহুতে নিজৰ ম'বাইলত এনে ৰিংটন দি থয় যে তাৰ দ্বাৰা তেওঁ নিজকে 'ৰোমান্টিক' বুজাব বিচাৰে। কোৱা বাহুল্য ৬৫ বছৰ বয়সৰ এজন ব্যক্তিৰ ম'বাইলত কেতিয়াবা শুনা যায় "বে পানাহ প্যাৰ হে আজা" ইয়াৰ দ্বাৰা জেংবিহুৰ কঁহকঁহীয়া নাচনী জনীৰ দৰে তেওঁৰ শ্ৰীমতীৰ প্ৰতি থকা অগাধ ভাল পোৱা ৰাজহুৱা কৰিছেনে, তেওঁৰ ওচৰে পাজৰে থকা যোড়শী গাভৰুহতঁৰ মন জিনিব বিচাৰিছে নে তেওঁৰ এই জাইলেং থাকলেং বয়সত দমাব নোৱাৰা মনৰ তজবজনী প্ৰকাশ কৰে বুজা নাযায়।

চেঙেলীয়াহঁতে আকৌ ফোন আহিলে ৰিছিভ কৰিবকে নিবিচাৰে। যেতিয়া ফোন আহিছে বুলি ওচৰে পাজৰে থকাবোৰে ঘুৰি চায় তেতিয়াহে বোপাইয়ে ফোন তোলে। বিজয়ৰ কি যে মাদকতা।

ছোৱালীহঁত এই ফালৰ পৰা খুবেই শান্ত । কাৰণ বহুতৰে ফোন Silent mode (নীৰব) হৈ থাকে। তেওঁৰ ফোন অহা সৃষ্টিকৰ্তাৰ বাহিৰে আন কোনোৱে গম নাপায়।

দেখা যায় বহুতে ম'বাইলৰ ৰিংট'ন সঘনাই সলনি কৰে। য'ত দুটা কথা পোৱা যায় । প্ৰথম তেওঁৰ জেপতে ফোন বাজি আছে অথচ তেওঁ গমকে পোৱা নাই। কাৰণ নতুনকৈ সলনি কৰা ট'নটো তেওঁৰ মগজুৱে এতিয়াও চিনি উঠা নাই। দ্বিতীয়তে - তেওঁৰ মন যেন অস্থিৰ, সদায় পৰিবৰ্তন বিচাৰে। কোনে জানে আজি ঘনাই ৰিংট'ন সলোৱা জনে কাইলৈ আৰু কি কি সলায় ! কাৰণ তেওঁৰ যে মন খুবেই অস্থিৰ। ঘনাই পছন্দৰ সলনি হয়।

এইবাৰ আহোঁ "মিছকল" ৰ আলোচনালৈ। মিছকলৰ যে কি অপাৰ শক্তি। ঘৈণীৰ ছেলৰ পৰা পুৰুষৰ মিছকল আবিষ্কাৰ কৰি গিৰিয়েকে মৰমৰ

ঘৈণীক প্ৰহাৰ কৰা, ইচ্ছাকৃত ভাৱে এজনক মিছকলেৰে আমনি দিয়া, নিজৰ কৃপণ মনৰ ঘৃণালগা অৱস্থাক উদঙাই দিয়া, প্ৰেয়সীৰ যে দিনটোৰ গোটেই সময়খিনি প্ৰিয়তমৰ কথাই মনলৈ আহি থাকে তাৰ প্ৰমাণ স্বৰূপে ঘনে ঘনে মিছকল দি থকা (মিছকল মানে Miss কৰা) আদি কত যে কথা প্ৰকাশ কৰে এই একেটা মিছকলে।

যুৱচামৰ হাতত থকা ম'বাইল যিমান দামী হয় সিমানেই ভয় লগা হয়। ভয়টো ম'বাইল টিপিব নোৱাৰাৰ বাবে নহয়। আচল কথাটো হ'ল বোপাইয়ে বা ম'বাইলত কি কি চেভ কৰি ৰাখিছে। সকলোৰে নহ'লেও প্ৰায় ভাগৰে ম'বাইলত নীলা ছবি বা বি.এফ.ৰ চিত্ৰাংশ থাকে। পৃথিৱীৰ প্ৰতিজন পূৰঠ মানুহৰে কামনা-বাসনা আছে, আৰু সকলোৱে নিজৰ নিজৰ অনুকূল পৰিবেশত ইয়াৰ আলোচনা বা কাৰ্য সিদ্ধি কৰে। কিন্তু উতনুৱা ডেকাহঁতে যেন সকলোতে কাম-আলোচনা আৰু যৌন ছবি প্ৰদৰ্শনৰ বিপ্লৱহে সাধিব বিচাৰিছে। পিলিঙাহঁতে চাইকেলৰ পিছত মাডগাৰ্ডত বলিউডৰ 'হট' নায়িকাৰ 'হট' ছবি আঁকি নিজৰ যৌৱন ঘোষণা কৰাৰ দৰে এতিয়া যেন 'হট' ক্লিপেৰে বুজাব,-মই ডেকা। কেইজনমান ডেকা একত্ৰিত হ'লেও তেওঁলোকৰ মাজত বি.এফ.ৰ ক্লিপ প্ৰদৰ্শন কৰাৰ এক অঘোষিত প্ৰতিযোগিতা চলে। যাৰ এনে চিত্ৰ নাই তেওঁ যেন ডেকাই নহয়। তেওঁসবে এবাৰ ভাবি নাচায় যে তেওঁৰ এই ছবি ভায়েক, ভনীয়েক, প্ৰেয়সী অথবা কোনো বান্ধৱীয়ে দেখিলে তেওঁৰ প্ৰতি কেনে মনোভাৱ পোষণ কৰিব। মাত্ৰ এটা মুহূৰ্তৰ বিনিময়ত মৰমৰ ভনীজনীৰ পৰা হেৰুৱাব শ্ৰদ্ধা, প্ৰেয়সীৰ পৰা মৰম আৰু বান্ধৱীৰ পৰা লাভ কৰিব এটা উপলুঙা সূচক মন্তব্য।

সিদিনালৈ ক্ৰিকেট জগতৰ এক মহাৰথীৰ বৈবাহিক জীৱনত ফাট মেলাৰ খবৰে বাতৰি কাকত গৰম কৰি ৰাখিছিল। তাৰ কাৰণ আছিল আন গাভৰুলৈ পঠোৱা এটা আপত্তিজনক 'বাৰ্তা' (মেছেজ)। যিটো ভুল বশতঃ তেওঁ ছোৱালীজনীলৈ নপঠাই নিজৰ ঘৈণীৰ নম্বৰলৈ পঠাইছিল। আন ছোৱালীলৈ পঠোৱা এনে বাৰ্তাই স্বাভাৱিকতে পশ্চিমীয়া এই মহিলাৰ তেজ গৰম কৰিছিল। অৱশ্যে আমাৰ ভাৰতীয় মহিলা হোৱা হ'লে পতিদেৱতাৰ এনে কাৰ্যৰ প্ৰতিবাদ নকৰি নিৰৱে চকুলো টুকিলেহেঁতেন। কিযে মহান ভাৰতীয় নাৰী।

ৰথী-মহাৰথীক বাদ দি আমাৰ ঘটিৰাম - বাটিৰাম সকলৰ জীৱনতো এটা ম'বাইলৰ বাৰ্তাই বহু বাৰ্তা কঢ়িয়াই আনিব পাৰে। ই কাৰোবাৰ হৃদয়ত প্ৰেমৰ বন্তি জ্বলাব পাৰে, কাৰোবাৰ হৃদয়ত ঘৃণাৰ অগ্নি জ্বলাব পাৰে, কাৰোবাৰ অভিমান ভাঙিব পাৰে অথবা এজনে পঠোৱা অশালীন বাৰ্তা এটাই তেওঁৰ প্ৰতি থকা আনজনৰ দৃষ্টিভংগী সলাই দিব পাৰে। গতিকে নিত্যান্তই 'মন্দ' এই বাৰ্তাবোৰ পঠাওতে আমি সচেতন হ'ব লাগে।

শেষত ম'বাইল এটা বেয়া হোৱাৰ আটাইতকৈ সাধাৰণ কাৰণ বুলিলে আমি পানীত পৰাটোকে আঙুলিয়াব পাৰো। ই পানীৰ সংস্পৰ্শলৈ আহিলে সহজে নষ্ট হয় বুলি সাধাৰণতে আমি সকলোৱে জানো। কিন্তু এটা ম'বাইল বেয়া হোৱা প্ৰক্ৰিয়াত আমিও কিছু পৰিমাণে হাত উজান দিওঁ। যেনে পানীত পৰাৰ পিছত আমি তুলি আনি ৰিংটন বজাই ভাল বেয়াৰ অৱস্থা বুজিবলৈ - চাৰ্জত দিওঁ ইত্যাদি। কিন্তু এনে কাৰ্যই ম'বাইলটো আচলতে নষ্টহে কৰে। তাৰ পৰিৱৰ্তে পানীত পৰাৰ পিছত অকণো বিলম্ব নকৰি ইয়াৰ বেটাৰিটো খুলি দিব লাগে। এনে কাৰ্যই ম'বাইলৰ সকলো যান্ত্ৰিক কাৰ্য বন্ধ কৰে। তাৰ পাছত ম'বাইলটোৰ পৰা পানী শুকুৱাৰ ব্যৱস্থা কৰিব লাগে আৰু সম্পূৰ্ণ ৰূপে পানী শুকুৱা বুলি পতিয়ন গ'লে (অকণো আদ্ৰতা থাকিব নালাগিব) বেটাৰী লগালেই ম'বাইলটো পুনৰ সক্ৰিয় হৈ উঠে। এনেদৰে ম'বাইল এটাক অপমৃত্যুৰ পৰা ৰক্ষা কৰিব পাৰি।

ইয়াৰ পিছত আনন্দতে স্নেহাস্পদলৈ এটা বাৰ্তা পঠাই দিয়ক —

কিত্‌নী জল্‌দি ইয়ে
ৰক্‌ত গুজৰ জাতী হ্যেয়,
প্যাচ বুঝ্‌তি নেহী ইয়ে
বৰছাত গুজৰ জাতী হ্যেয়।
অপনী য়াদোছে
কেহ্‌দো কি য়ু না আয়া কৰে,
নীন্দ্‌ আতি নেহী আউৰ
ৰাত গুজৰ জাতি হ্যেয়।

ইমান যে তীব্ৰবেগে এই সময় পাৰ হয় ! পৰিতৃপ্ত নহওঁতেই বৰষুণজাক শেষ হয়। তোমাৰ ভাৱনাক কৈ দিয়া, এনেদৰে যেন আমনি নকৰে, কাৰণ মোৰ চকুত টোপনি নধৰে আৰু নিশাবোৰ উজাগৰেই পাৰ হয়। ❑ (ভাবানুবাদ)।

# বিজ্ঞান, অন্ধবিশ্বাস আৰু সমাজ



ছেলিম মালিক
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)*

বিজ্ঞান সত্য অন্বেষণৰ আহিলা, আধুনিক যুগৰ বাৰ্তাবাহক। বিজ্ঞানৰ পৰা আহৰণ কৰা জ্ঞান যুক্তিনিষ্ঠ, পৰীক্ষিত আৰু আৱেগবৰ্জিত। বিজ্ঞান পৰীক্ষা ভিত্তিক ন'হলে ই হৈ পৰে অৰ্থহীন আৰু ত্ৰুটিপূৰ্ণ। পৰীক্ষাই হ'ল নিশ্চয়তাৰ মূল আৰু সুনিৰ্দিষ্ট পৰীক্ষাই হৈছে বিজ্ঞানৰ মাপকাঠি। বহুতো বিজ্ঞানীৰ জীৱনযোৰা গৱেষণা আৰু আৱিষ্কাৰে বিজ্ঞানৰ অগ্ৰগতিত অৰিহণা যোগাইছে। এনেকুৱা বিজ্ঞানী হ'বলৈ ধনী বা সম্ভ্ৰান্ত পৰিয়ালত ওপজাৰ কোনো প্ৰয়োজন নাই । কিয়নো বিশ্ব বিখ্যাত বিজ্ঞানী নিউটন ইয়াৰ জ্বলন্ত প্ৰমাণ। বিজ্ঞানৰ অৰ্থপূৰ্ণ প্ৰয়োজনৰ বাবে বিজ্ঞানসন্মত মানসিকতাৰ প্ৰয়োজন। এনে মানসিকতাৰ অধিকাৰী হোৱাটো আমাৰ প্ৰত্যেকৰে মৌলিক কৰ্তব্য হোৱা উচিত । বিজ্ঞানৰ অগ্ৰগতিত কম্পিউটাৰ, টেলিফোন আৰু বিভিন্ন ধৰণৰ আধুনিক যন্ত্ৰ সমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। আধুনিক যুগৰ মূলতঃ হৈছে বিজ্ঞান। বিজ্ঞানৰ অগ্ৰগতিয়ে অলপতে হোৱা বিশ্বৰ আটাইতকৈ ভয়ানক পৰীক্ষাৰ পৰা কিছুমান পদাৰ্থবিদে ঈশ্বৰ কণা (God Particle) Heak particle ও পোৱাৰ আশা কৰিছে। যিটো কণা বিচাৰি পালে বিজ্ঞানীসকলে ঈশ্বৰৰ বিষয়েও সবিশেষ জানিব পাৰিব।

কিন্তু আধুনিক বিজ্ঞানে ইমানদূৰ আগবঢ়া স্বত্বেও আমাৰ সমাজত বিজ্ঞানৰ পৰিৱেশ গঢ় লোৱা নাই। আমাৰ বহুতেই বিজ্ঞান লৈ পঢ়া-শুনা কৰিলেও মনে প্ৰাণে বিজ্ঞান-জ্ঞান আহৰণ কৰিব পৰা নাই। পৰা নাই বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰিবও। সৰু ল'ৰা এটাক ভৱিষ্যতে কি হবা বুলি সোধাত টপৰাই উত্তৰ দিয়ে ডক্টৰ হম বুলি। কিন্তু বাস্তৱত ডক্টৰ হয় কেইজন। শতকৰা এজনহে। এই সকলো জানি শুনিও যুক্তিহীন ধ্যান ধাৰণাক খামুচি ধৰি অন্ধবিশ্বাসক সাৰ পানী দি ৰাখিবলৈ যত্ন কৰো। কিন্তু এটা কথা সঁচা যে, মানুহৰ ধ্যান ধাৰণা আৰু কল্পনাৰ আঁৰতে লুকাই থাকে সফলতা।

অন্ধবিশ্বাসৰ এটা সৰ্বসন্মত সংজ্ঞা পোৱা টান। বিজ্ঞানেও আজিলৈকে অন্ধবিশ্বাসৰ কোনো সংজ্ঞা উলিয়াব পৰা নাই। আমাৰ সমাজত আজিও অন্ধবিশ্বাসে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। আমাৰ ধৰ্মীয় আচাৰ, বিশ্বাস সামাজিক প্ৰথা আৰু ব্যক্তিগত মূল্যবোধে অন্ধবিশ্বাসক জীয়াই ৰখাত সহায় কৰে। প্ৰকৃততে বিজ্ঞান অধ্যয়ন কৰিলে অন্ধবিশ্বাসৰ বহু কাৰণ ওলাই পৰিব।

আমাৰ সমাজত বহুতো ল'ৰা-ছোৱালী যি সকলে পৰীক্ষাৰ দিনা কণী নাখায়। ভয়- কণী খালে পাছে জানো পৰীক্ষাত শূন্য পায়। আচলতে এয়া এক প্ৰকাৰ অন্ধবিশ্বাস। সন্দেহ, শূন্যৰ সৈতে কণীৰ আকৃতিৰ সাদৃশ্যৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলৰ এই অন্ধবিশ্বাসৰ জন্ম হয়।

আমাৰ সমাজত এতিয়াও এনেকুৱা মানুহ আছে যি সকলে বিশ্বাস কৰে যে অতিপাত খৰাঙত ভেকুলীৰ বিয়া পাতিলে বৰষুণ হ'ব। কিন্তু ইয়াৰ কোনো বাস্তৱসন্মত যুক্তি নাই। এতিয়া আধুনিক বিজ্ঞানৰ ফলত বিজ্ঞানীসকলে কৃত্ৰিম মেঘ সৃষ্টি কৰিব পৰা হৈছে। যদি ভেকুলীৰ বিয়া পাতিলেই বৰষুণ হ'লেহেঁতেন তেন্তে ৰাজস্থান বা বিহাৰৰ দৰে ঠাইত খৰাং পৰিস্থিতিৰ সৃষ্টি ন'হলহেঁতেন।

মঞ্চত প্ৰৱেশ কৰাৰ আগতে বহুতো শিল্পীয়ে হাওলি মঞ্চ স্পৰ্শ কৰি সেৱা কৰে, পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকত পোৱাৰ লগে লগে কাকতখন এবাৰ কপালত লগাই সভয়ে বিপদমুক্ত হ'ব বিচাৰে। নিঃসন্দেহে কব পাৰি যে, এইবোৰ অন্ধবিশ্বাসহে।

জ্যোতিষ শাস্ত্ৰক লৈ মানুহৰ অন্ধবিশ্বাস আটাইতকৈ বেছি। জ্যোতিষীসকলে বিশ্বাস কৰে যে

ৰাশি চক্ৰ বিচাৰ কৰি মানুহৰ ভূত-ভবিষ্যতৰ কথা কোৱা সম্ভৱ। মানুহৰ জীৱন সঁচাকৈয়ে জন্মৰ ওপৰত নিৰ্ভৰ কৰেনে? যি মুহূৰ্তত নিউটন, আইনষ্টাইনৰ জন্ম হৈছিল, সেই সময়ত আৰু বহুতো শিশুৰ জন্ম হৈছিল সেইসকলে কিয় আজি আগশাৰীৰ বিজ্ঞানী হ'ব নোৱাৰিলে।

হাতৰ ৰেখা চাই ভাগ্যৰ বিষয়ে কোৱাটো হাস্যকৰ। মই ভাবো ভাগ্য নিৰূপিত হয় কৰ্ম, মনৰ একাগ্ৰতা, আগ্ৰহ আৰু আচাৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰি। ভূত প্ৰেতক লৈ মানুহৰ আদিম যুগৰে পৰা অন্ধবিশ্বাস চলি আহিছে। আচলতে আত্মা সম্পৰ্কীয় মানুহৰ মনৰ ধাৰণাৰ পৰা ভূতৰ সৃষ্টি হয়। গতিকে অন্ধবিশ্বাসৰ কথা কোৱাৰ পিছত পঢ়ুৱৈ সকললৈ এটাই অনুৰোধ তেওঁলোকে ভাবিবলৈ শিকক, নিজৰ মগজুৰে প্ৰতিটো কাম কৰিবলৈ আৰম্ভ কৰক। নিজে প্ৰতিটো ঘটনাৰ দিশ বিবেচনা কৰি ইয়াৰ প্ৰকৃত ৰূপ উলিয়াবলৈ বা প্ৰমাণ কৰিবলৈ চেষ্টা কৰক। ইয়াৰ বাবে কোনো ডিগ্ৰীৰ প্ৰয়োজন নাই। ইয়াৰ বাবে লাগে মাথোঁ এক আগ্ৰহী মন আৰু প্ৰশ্ন কৰাৰ সাহস।❑

(ছাঁলৈ ৰচিত)

## — মহৎ লোকৰ বাণী —

১। সত্যক কেতিয়াও লুকাই ৰাখিব নোৱাৰি, কাৰণ সত্যই এন্ধাৰক ঘিনা কৰে ।

*— মহাত্মা গান্ধী*

২। অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰে, কুকুৰাই ভাবে যে সি ডাক দিয়া বাবেহে ৰাতি পুৱাল।

*— জৰ্জ ইলিয়ট*

৩। ধন উপাৰ্জনতকৈ জ্ঞান উপাৰ্জন শ্ৰেষ্ঠ ।

*— বুদ্ধদেৱ*

সংগ্ৰাহক
ৰিজ্জাক আলী
*উচ্চ মাঃ প্ৰথম বৰ্ষ*



পৰীক্ষাগাৰত শিক্ষাৰ্থীক নিৰ্দেশনা দিছে ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক বিপ্লৱ নাগে।

# অলিম্পিকত অংশ লোৱা প্ৰথম ভাৰতীয়জন



শ্ৰীবিদ্যুত দাস
*উচ্চ মাধ্যমিক ১ম বৰ্ষ*

অলিম্পিকৰ বৰ্ণাঢ্য ইতিহাসত ভাৰতীয়ৰ অংশ গ্ৰহণ তথা পদক লাভ আদি অধ্যায়বোৰ গৌৰবোজ্বল নহয় যদিও এইবাৰ অৰ্থাৎ ২০০৮ চনটো ভাৰতীয়ৰ বাবে অলিম্পিক অতি গুৰুত্বপূৰ্ণ। এইবাৰ বেইজিং অলিম্পিকত ভাৰতে অভিনৱ বিন্দ্ৰাৰ জৰিয়তে প্ৰথমটো ব্যক্তিগত স্বৰ্ণপদক জয় কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি বিজেন্দ্ৰ সিং আৰু সুশীল কুমাৰে ব্ৰঞ্জৰ পদক জয় কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ আগতে কে.ডি.যাদৱ, কাৰনাম মালেশ্বৰী, লিয়েণ্ডাৰ পেজ আৰু ৰাজ্যবৰ্ধন সিং ৰাঠোৰে পদক জয় কৰিবলৈ সক্ষম হৈছে।

এই সকলৰ উপৰিও এজন ভাৰতীয়ই অলিম্পিকত পদক লাভ কৰিবলৈ সক্ষম হৈছে। বৃটিছ শাসিত ভাৰতৰ পৰা গৈ তেওঁ কিবা দৈৱ দুৰ্বিপাকত পৰিহে পেৰিছ অলিম্পিকত অংশ গ্ৰহণ কৰিবলৈ সুযোগ পাইছিল। দৈৱ দুৰ্বিপাকত এই কাৰণেই কোৱা হৈছে যে সেই সময়ত অলিম্পিক বুলি কিবা ক্ৰীড়া আছিল বুলি ভাৰতীয় সকলে প্ৰায় নাজানিছিল। তাৰোপৰি তেওঁ লণ্ডনলৈ ফুৰিবলৈ গৈহে অলিম্পিকত অংশ গ্ৰহণৰ সুযোগ পাইছিল। অলিম্পিক ক্ৰীড়া মহোৎসৱৰ দ্বিতীয় সংস্কৰণত (অৰ্থাৎ ১৯০০ ) চনত পেৰিছত ২০০ মিটাৰ আৰু ১০০ মিটাৰ হাৰ্ডলছত ৰূপৰ পদক বিজয়ী এই ব্যক্তিজন হ'ল নৰমান প্ৰিচাৰ্ড। সম্পূৰ্ণ নাম নৰমান গিলবাৰ্ট প্ৰিচাৰ্ড। লণ্ডনত থকা ইণ্ডিয়া অফিছাৰ মতে প্ৰিচাৰ্ড আছিল কলকাতাৰ দক্ষিণ অংশৰ আলিপুৰত বাস কৰা জৰ্জ পিটাৰছন প্ৰিচাৰ্ড আৰু হেলেন মেনাৰ্ড প্ৰিচাৰ্ডৰ সন্তান। ইংৰাজ দম্পতীৰ সন্তান নৰমানৰ জন্ম হৈছিল ১৮৭৫ চনৰ ২৩ জুলাইত। কলকাতাৰ ছেইন্ট জেভিয়াৰ্চ কলেজত অধ্যয়ন কৰা প্ৰিচাৰ্ড আছিল অতি পাকৈত ফুটবল আৰু এথেলেটিক্‌চ খেলুৱৈ। তেওঁ পশ্চিম বংগৰ ১০০ গজ দৌৰত একেৰাহে সাত বাৰ বিজয়ী হৈছিল। (১৮৯৪-১৯০০) ১৮৯৮ আৰু ১৮৯৯ চনত ১০ ছেকেণ্ডৰে নতুন ৰেকৰ্ডও গঢ়ি তুলিছিল। ইয়াৰ উপৰিও ৪৪০ আৰু ১২০ গজৰ হাৰ্ডলছতও তেওঁ নতুন বেংগল ৰেকৰ্ড গঢ়ি খিতাপ দখল কৰিছিল।

দেশৰ বিভিন্ন ক্ৰীড়া ক্ষেত্ৰত ক্ৰীড়া নৈপুণ্য দেখুৱালেও ভাৰতীয় তথা বিশ্বৰ মানুহে প্ৰিচাৰ্ডক মনত ৰাখিব ১৯০০ চনত হোৱা লণ্ডন অলিম্পিকত দেখুওৱা পাৰদৰ্শিতাৰ বাবেহে। তেওঁ ইংলেণ্ডলৈ যোৱাৰ পিছতহে তাত বিশ্ব সমাৰোহ ক্ৰীড়া প্ৰতিযোগিতা হোৱাৰ কথা শুনিবলৈ পাইছিল আৰু তেতিয়াই তেওঁৰ মন কুটকুটাইছিল আনদেশৰ প্ৰতিদ্বন্দ্বীক পিছ পেলোৱাৰ আকাংক্ষাত। ১৯০০ চনৰ জুলাইত তেওঁ আত্যৱস্ত লণ্ডন এথেলেটিকচ ক্লাবৰ সদস্য নিৰ্বাচিত হয় আৰু তাৰ পিছ দিনাখনেই ক্লাবৰ চেলেঞ্জ কাপত ১০০ মিটাৰ হাৰ্ডলছত জয়ী হয়। তাৰ দুই সপ্তাহ পিছতেই তেওঁ ১০০ আৰু ১২০ গজৰ হাৰ্ডলছত ক্লাবৰ ট্ৰফী জিকে। দ্বিতীয়টো ইভেন্টত তেওঁ ১৮৯৭ চনৰ ব্ৰিটিছ A.A.A. ৰ চেম্পিয়নশ্বিপৰ বিজয়ী জনক পৰাস্ত কৰি সকলোকে চমকিত কৰে।

অলিম্পিক গেমছৰ ট্ৰায়েল হিচাপে ১৯০০ চনৰ A.A.A. ৰ চেম্পিয়নশ্বিপক গণ্য কৰা হোৱাৰ পিছত ১২০ গজ হাৰ্ডলছত দ্বিতীয় স্থান লাভ কৰা প্ৰিচাৰ্ডে ১৯০০ ৰ পেৰিছ অলিম্পিকত খেলাৰ যোগ্যতা অৰ্জন কৰে। অলিম্পিকৰ দৌৰৰ মুঠ ১২ টা ইভেন্টত অংশ গ্ৰহণ কৰে। প্ৰিচাৰ্ডে ২০০ মিটাৰ আৰু ১০০ মিটাৰ হাৰ্ডলছত দ্বিতীয় স্থান লাভেৰে ৰূপৰ পদক আৰু ফ্ৰান্স অলিম্পিক কমিটিয়ে এখন পেন লাইফ আৰু কেইটামান ফ্ৰাং প্ৰদান কৰে। অতি আচৰিত কথা যে, অলিম্পিকৰ আয়োজক সকলে প্ৰিচাৰ্ডক ২০০ মিটাৰৰ বাবে ইলেণ্ডৰ আৰু ১০০ মিটাৰৰ বাবে ব্ৰিটিছ ইণ্ডিয়াৰ বুলি চিনাকী দিলে। অৱশ্য The Newyork Times য়ে প্ৰিচাৰ্ডক এজন ইংৰাজ বা ইংৰাজ দলৰ সদস্য বুলিহে ১৯০০ চনৰ পেৰিছ গেমছ্‌ৰ প্ৰতিবেদনত উল্লেখ আছে বুলি ব্যক্ত কৰে।❑

ভ্ৰমণ

# নুব্ৰা উপত্যকাত এৰাতি



ড° ভাৰত কলিতা

KHARDUNGLA 18380 FEET, YOU ARE IN THE HIGHEST MOTORABLE PASS IN THE WORLD) চাইন বোৰ্ডখন দেখি আমাৰ আটাইৰে চকু মুখ উজ্জ্বল হৈ উঠিল। এই গিৰিপথৰ পশ্চিম ফালে গাতে লাগি থকা ওখ পাহাৰখনত এক বিশাল হিমবাহ। তাৰ ওপৰেদি বাগৰি অহা হিম-শীতল ধুমুহাই আমাক কোবাই আছে। তথাপি তালৈ ভ্ৰূক্ষেপ নকৰি কিছু সময়ৰ বাবে নামি পৰিলো এই গিৰিপথত। মোৰ ল'ৰা বেদান্তই কৈয়েই উঠিল নিজকে হিলাৰী যেন লগা বুলি। ড্ৰাইভাৰ কৰ্ম্মাই অৱশ্যে আমাক সাৱধান কৰি দিছিল যে, অতি উচ্চতা হেতু ইয়াত অক্সিজেন কম আছে আৰু বেছি সময় কটালে শৰীৰত বিভিন্ন অসুবিধাই দেখা দিব পাৰে, বিশেষকৈ উশাহ-নিশাহত যথেষ্ট কষ্ট হব পাৰে। আমাৰ সন্মুখত এগৰাকী মহিলা পৰ্যটক মূৰ ঘূৰাই পৰি গৈছিল আৰু লগৰীয়াবোৰে ততাতৈয়াকৈ তেওঁক গাড়ীত উঠাইলৈ তাৰ পৰা গুচি গৈছিল। সেয়েহে ড্ৰাইভাৰ কৰ্ম্মাৰ নিৰ্দেশ অনুসৰি প্ৰায় দহ- পোন্ধৰ মিনিটৰ পাছত আমি নুব্ৰা উপত্যকাৰ ফালে আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ ।

জুলাই মাহৰ শেষৰ ফালে এটা দিনত আমি সপৰিয়ালে শ্ৰীনগৰৰ পৰা লাদাখৰ লেহ্ অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলো। শ্ৰীনগৰৰ পৰা লেহলৈ দুদিনৰ পথ। ৰাস্তা অতি দুৰ্গম আৰু ভয়লগা। মাজতে এৰাতি কাৰ্গিলত কটাব লাগে। সোনমাৰ্গ হৈ জোজিলা গিৰিপথেৰে এই বাট। কাশ্মীৰৰ সোনমাৰ্গ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ এক অতি বিতোপন ঠাই। ঝিলাম নদীৰ পাৰত এক ওখ পৰ্বতত এক অতি মনোমোহা হিমবাহ বা বৰফৰ নদী ইয়াত আছে। কেইবা কিলোমিটাৰ ঘোঁৰাৰে গৈ এক দুৰ্গম পাহাৰীয়া বাট অতিক্ৰম কৰি এই হিমবাহ চোৱাৰ সৌভাগ্য হয় নিচেই কাষৰ পৰা । কোৱা হয় যে, সন্ধিয়া বেলিৰ পোহৰ এই হিমবাহৰ ওপৰত পৰি গোটেই অঞ্চলটোত এক সোণালী আভাৰ সৃষ্টি হয়। সেয়েহে ঠাইখনৰ নাম সোনমাৰ্গ। ইয়াৰ পৰা অলপ দূৰ গৈ সোঁফালে নামি যোৱা পথটোৱেই হৈছে অমৰনাথলৈ যোৱা বাট আৰু বাওঁফালে কিছুদূৰ থিয়ৈ উঠি গৈ কিছুদূৰৰ পৰা জোজিলা গিৰিপথ আৰম্ভ। হেজাৰ হেজাৰ ফুট উচ্চতাত অৱস্থিত জোজিলা গিৰিপথৰ দৈৰ্ঘ্য ৬ কিলোমিটাৰ।



অতি বিপদসংকুল এই গিৰিপথছোৱা অতিক্ৰম কৰোঁতে আমাৰ ভালে খিনি সময় লাগিছিল। এফালে অতি থিয় পৰ্বত আৰু আনফালে কেবা হাজাৰ ফুট তলত থিয়কৈ নদী। পাহাৰৰ শিলবোৰ অতি কোমল । ইয়াত পদাৰ্পণ কৰাৰ আশাৰে আমি কিছু সময়ৰ বাবে নামিলো। কিন্তু নমাৰ লগে লগে দুজন ভাৰতীয় সৈন্য আহি আমাক ততালিকে তাৰ পৰা আঁতৰি যাবলৈ নিৰ্দ্দেশ দিলে। কাৰণ তেতিয়া তাত প্ৰচণ্ড ধুমুহা বলি আছিল আৰু বতাহত অহা শিলৰ টুকুৰাবোৰে আমাৰ গাত বিন্ধিবলৈ আৰম্ভ কৰিছিল। যি কি নহওক, এক অতি বিপদসংকুল পথেৰে সন্ধিয়া আমি কাৰ্গিলত উপস্থিত হলোঁ। বাটত দ্ৰাচ নামৰ এখন সৰু ঠাইত আমি ক্ষন্তেক জিৰাইছিলো। দ্ৰাচৰ কাষতে বৰফাবৃত হৈ আছে টাইগাৰ হিলৰ থিয় শৃংগ। কাৰ্গিলৰ যুদ্ধত টাইগাৰ হিলত নিহত ভাৰতীয়

বীৰ জোৱান সকলৰ স্মৃতিত এটা *War Memorial* আছে। আমি সেইটো দৰ্শন কৰাৰ সময়ত আমাৰ সৈন্য সকলৰ বীৰত্ব আৰু আত্ম-বলিদানৰ কথা বাস্তৱত উপলব্ধি কৰি আমাৰ হৃদয় আবেগ বিহ্বল হৈ পৰিছিল। যুদ্ধক্ষেত্ৰ কাৰ্গিলত ৰাতিটো কটাই পিছদিনা আবেলি লেহত উপস্থিত হ'লো।

লেহৰ পৰা উত্তৰ পশ্চিমফালে ১৭৫ কিঃ মিঃ দূৰত নুব্ৰা উপত্যকা । চায়োক নদী আৰু চিয়াচিন হিমবাহৰ পৰা সৃষ্টি হোৱা আন এক নদী লগ হৈ এই উপত্যকাৰ সৃষ্টি হৈছে। ই বহলে প্ৰায় ৫ কিঃমিঃ। দৰিয়া চকৰ পৰা চিয়াচিন হিমবাহলৈ প্ৰায় ২০ কিঃমিঃ দূৰ। চাৰিওফালে থিয় এক পৰ্বতৰ বাবে দৰিয়াৰ পৰা চিয়াচিন হিমবাহ দেখিবলৈ পোৱা নাযায়। নুব্ৰা উপত্যকা লেহতকৈ এহেজাৰ ফুট তলত। অৰ্থাৎ লেহৰ উচ্চতা ১১ হাজাৰ ফুট আৰু নুব্ৰা উপত্যকাৰ উচ্চতা ১০ হাজাৰ ফুট। শীত কালত এই উপত্যকা তিনি চাৰিফুট বৰফত পোত গৈ থাকে। খাৰদুংলা গিৰিপথৰ পৰা নুব্ৰা উপত্যকালৈ দূৰত্ব প্ৰায় ১০০ কিঃমিঃ। অতি ঠেক আৰু বিপদসংকুল এই বাটছোৱা অতিক্ৰম কৰোঁতে আমাৰ দহ ঘন্টা সময় লাগিছিল। বাটত গাওঁ, চহৰ একো নাই। কেৱল শুকান শিলৰ পাহাৰ আৰু বৰফে আবৰা ওখ শৃংগ। মাজে মজে দুই এটা ভাৰতীয় সেনাৰ কেম্প। দৰিয়া চক গাওঁখন পোৱাৰ আগতে পোৱা যায় নুব্ৰা উপত্যকাৰ এটা অচল শুকান বালিময় আৰু মৰুসদৃশ অঞ্চল। এই বালিময় অঞ্চলটো পাৰ হৈ যাওঁতে এঠাইত কেইটামান দুটাকুঁজ থকা উট দেখিলো। পৰ্যটক সকলৰ বাবে ৰাখি থৈছে। সাধাৰণতে এই জাতীয় উট শীতল মৰুভূমিত দেখা যায়। আমিও এঘন্টামান উট চাফাৰী কৰি মৰুভূমিৰ আনন্দ উপভোগ কৰিলোঁ। তাৰ পৰা ৬টামান বজাত সন্ধিয়া দৰিয়া চক গাওঁত উপস্থিত হলো। গাওঁমানে কেইঘৰমান মানুহ। ড্ৰাইভাৰ কৰ্ম্মাই আমাক তাৰেই এঘৰ মানুহৰ তালৈ লৈ গ'ল। ঘৰৰ সন্মুখত Jamshed Resort নামৰ এখন ফলক লগোৱা আছে। দুটা ডাঙৰ ঘৰ আৰু সন্মুখৰ ঘাঁহনিত কেইটামান Tent তৰি থোৱা আছে। গাওঁখনৰ প্ৰায়বোৰ মানুহৰ ঘৰতে তেনে পৰিৱেশ। গ্ৰীষ্ম কালত পৰ্য্যটক সকলৰ বাবে তেনেকুৱা ব্যৱস্থা। আমাৰ বাহিৰে তাত অৱশ্যে কোনো দেশীয় পৰ্যটক আমাৰ চকুত পৰা নাছিল। দুই চাৰিজনৰ লগত কথা পাতি গম পালো এটা ইজৰাইলী দল, কোনোজন জাৰ্মানী আৰু কোনোজন ফ্ৰান্সৰ। আমি নিজকে ভাৰতৰ অসমীয়া বুলি পৰিচয় দিয়াত অসম ক'ত বুলি তেওঁলোকে প্ৰশ্ন কৰিলে। বুজিপালো অসম সম্পৰ্কে তেওঁলোকৰ কোনো ধাৰণা নাই। Jamshed Resort ত আমাৰ নিশাটো কটোৱাৰ বন্দোবস্ত হ'ল। সন্ধিয়া ঘৰৰ গৃহস্থই আহি আমাৰ লগত পৰিচয় হ'ল। এখন সেউজীয়া শাক পাচলি আৰু ফল মূলৰ বাগিচাৰে প্ৰায় চাৰি বিঘামান মাটিত তেওঁৰ ঘৰ। ওপৰৰ বৰফ শৃঙ্গৰ পৰা নামি অহা এটি নিজৰা তেওঁৰ বাগিচাৰ মাজেৰে বৈ গৈছে। গোটেই পৰিৱেশটোৱেই যেন এক কল্পনাৰ সপোনপুৰী। গৃহস্থই মোক ভাৰতীয় বুলি জানিব পাৰি বৰ ভাল পালে আৰু সেই সন্ধিয়া তেওঁৰ গোটেই বাগিচাখন আমাক ঘূৰাই ফুৰাই দেখুৱালে। মোৰ লগত তেওঁৰ আত্মীয়তা গঢ়ি উঠিল। কাৰণ বিদেশী পৰ্যটকৰ বাহিৰে ভাৰতীয় লোক তাত তেনেকৈ নাছিল।



নিশাটো দৰিয়া চকত কটাই পিছদিনা ৰাতিপুৱাই চিয়াচিন হিমবাহৰ ফালে যাত্ৰা কৰিলোঁ। চিয়াচিন হিমবাহৰ পৰা নামি অহা এক নদীৰ পাৰে পাৰে এই বাট। এইটো এটা সৰু উপত্যকা। দুই এখন সৰু সৰু

লাদাখী গাওঁ। ৰাস্তাৰ দুয়োপাৰে বেগুনীয়া ফুলৰ দলিচাৰ মাজে মাজে আমি আগবাঢ়িলো। কিছুদূৰ যোৱাৰ পিছত এটা উতলি থকা গৰম পানীৰ উহঁ চাবলৈ আমি নামি পৰিলোঁ। চিয়াচিন হিমবাহ ইয়াৰপৰা বেছি দূৰত নহয়। সুন্দৰকৈ দেখা যায় শুভ্ৰ বৰফাবৃত এই হিমবাহ। ৰাতিপুৱা ৰ'দ পৰি জিলিকি আছে। ড্ৰাইভাৰ জনে অৱশ্যে আগতেই আমাক জনাইছিল যে নিৰাপত্তাজনিত কাৰণত একেবাৰে গ্ৰেচিয়াৰলৈকে যোৱা নিষেধ। পিছত জাননী পৰিলে যে ওচৰে পাজৰে মাইনবোৰ পুতি থোৱা আছে বাবে এই বাধা.....। তথাপি নিচেই ওচৰৰ পৰা চিয়াচিন হিমবাহ দেখাৰ সৌভাগ্য আমাৰ ঘটিল। কি অপৰূপ এই বৰফৰ ৰং ! বিশ্বৰ উচ্চতম ৰণক্ষেত্ৰ।



নুব্ৰা উপত্যকাত লেখক ড° কলিতা।

চিয়াচিন হিমবাহৰ কিছু উত্তৰে কাৰাকোৰম পৰ্বত। এই পৰ্বতৰ মাজেৰে পাকিস্তানৰ পৰা চীন দেশলৈ যোৱা এটা ৰাস্তা আছে। যাৰ নাম কাৰাকোৰম হাইওৱে। এইফালৰ পৰা তালৈকে যোৱা অৱশ্যে কোনো ৰাস্তা নাই।

গিৰিপথৰ দেশ এই লাদাখ অঞ্চলটো আন্তৰ্জাতিক ৰণক্ষেত্ৰ আৰু নিৰাপত্তাৰ ফালৰ পৰা অতি গুৰুত্বপূৰ্ণ ঠাই। পাকিস্তান, আফগানিস্তান, চীন, ছোভিয়েট-ইউনিয়ন আদি ৰাষ্ট্ৰবোৰ তিনিও ফালৰ পৰা ইয়াক আৱৰি আছে। আমাৰ বীৰ সৈনিকসকলে অতি দুৰ্গম এই পাৰ্বত্য অঞ্চলটো অতি চেঁচা শীতল জলবায়ু, বৰফৰ ধুমুহা আদিকো নেওচি যে ৰক্ষণাবেক্ষণ দি আছে, নিজে নেদেখিলে তাক উপলব্ধি কৰা টান। আকাশৰ মৰুভূমি গিৰিপথৰ দেশ লাদাখ -'জুলে'- তোমাক নমস্কাৰ।❑



**TALLEST MOUNTAINS**

| Name | Location | Height |
|---|---|---|
| Mt Everest | Nepal/China | 8,848 m |
| K2 | Kashmir/China | 8,611 m |
| Kanchenjunga | Nepal/Sikkim | 8,597 m |
| Lhotse | Nepal/Tibet | 8,511 m |
| Makalu | Nepal/Tibet | 8,480 m |
| Lhotse Shar | Nepal/China | 8,383 m |
| Dhaulagiri | Nepal | 8,172 m |
| Manaslu | Nepal | 8,156 m |
| Cho Oyu | Nepal/China | 8,153 m |
| Nanga Parbat | Kashmir | 8,126 m |
| Annapurna | Nepal | 8,078 m |
| Gasherbrum | Kashmir | 8,068 m |
| Broad Peak | Kashmir | 8,047 m |
| Gosainthan | China | 8,012 m |

বোমন্থন

# পঞ্চদশ "ৰাষ্ট্ৰীয় শিশু বিজ্ঞান (ৰাজ্যিক পৰ্যায়) সমাৰোহ২০০৭ আৰু লামডিঙ ভ্ৰমণৰ অভিজ্ঞতা

মিৰ্জা ইমৰান শ্বাদিদ
উচ্চ মাঃ দ্বিতীয় বৰ্ষ

পাৰ্বত্য অঞ্চল লামডিঙত অনুষ্ঠিত পঞ্চদশ "ৰাষ্ট্ৰীয় শিশু বিজ্ঞান (ৰাজ্যিক পৰ্যায়) সমাৰোহ ২০০৭" লৈ আমাৰ মহাবিদ্যালয়ৰ পৰা মাত্ৰ আমি দুজনে (মই আৰু জাহিদুল) আৰু শ্ৰদ্ধাৰ শ্ৰীযুত তপন কুমাৰ গোস্বামী ছাৰে যাত্ৰা কৰিছিলো ২৮ অক্টোবৰ ২০০৭ ৰ ৰাতিপুৱা ৫.২৫ বজাত। মিৰ্জাৰ পৰা মাননীয় ছাৰ সূৰ্য্য কলিতা দেৱে আমাক ৰেল ষ্টেচনলৈ আগবঢ়াই থৈ আহে। ষ্টেচনত আমাৰ বাবে ৰৈ অছিল ডন বস্কো হাইস্কুলৰ দলটো। গোটেই ষ্টেচনটো ২০০৭ চনৰ শিশু বিজ্ঞানীপূৰ্ণ হৈ আছিল। ইতিমধ্যে গুৱাহাটী ৰেল ষ্টেচনত আমি সাজু হৈছো কেনেকৈ অতি নিয়াৰিকৈ ব্ৰহ্মপুত্ৰ মেইলত উঠিব পাৰো। কিছু সময় পিছত ব্ৰহ্মপুত্ৰ মেইল আহি পালে। যাত্ৰীসকলৰ ঠেলা-হেচাৰ মাজেৰে কোনো মতে ৰেলত উঠি আমি আমাৰ আসন গ্ৰহণ কৰিলো। শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে আমাক ফোনৰ জৰিয়তে আশীৰ্বাদ দিয়ে। ১১.৩০ বজাত দীঘল উকিৰে ট্ৰেইনখন গতি কৰাত আমি অধ্যক্ষ মহোদয়ৰ আশীৰ্বাদ শিৰোধাৰ্য কৰি সমূহ শিশু বিজ্ঞানী সকলৰ অভিভাৱক সকলৰ পৰা বিদায়লৈ অগ্ৰসৰ হলো লামডিঙ অভিমুখে।

সন্ধিয়া ৪.২৫ বজাত আমি লামডিঙ জংছন পাওঁ। ষ্টেচনত পদাৰ্পণ কৰাৰ লগে লগে শিশু বিজ্ঞানী সকলৰ বাবে কৰা সম্ভাষণ বাণী আমৰ কৰ্ণগোচৰ হ'ল । ৰাতি লামডিঙখনলৈ এবাৰ চকু ফুৰালোঁ। সঁচাই পাৰ্বত্য অঞ্চল লামডিঙৰ সৌন্দৰ্য্য অতুলনীয়। ভলন্টিয়াৰ সকলে আমাক স্বাগতম জনাই Lumding Railway High School ৰ ১৪ নং ৰুমলৈ লৈ যায়। তাতে আমাৰ থকাৰ ব্যৱস্থা কৰা হয় যদিও পিছত তাত ঠাই কম হোৱাত আমাক আন এটা ৰুমত ভৰ্ত্তি কৰে। পিছৰ ৰুমটোত আমি ১৭ ৰ পৰা ১৮ টা দল আছিলো। আমাৰ লগত যোৱা ৬ জনী ছোৱালীক ইতিমধ্যে LRHS ৰ Girls' Hostel ত থাকিবলৈ দিলে। ইতিমধ্যে আমাৰ সকলোৰে পঞ্জীয়ন হৈ গৈছে । ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহৰ তৰফৰ পৰা আমাক এখনকৈ পৰিচয় পত্ৰ , বেগ, কলম আৰু বহী দিলে। আমাৰ কোঠাটোত দুজন বিকলাঙ্গ শিশু বিজ্ঞানী আছিল। সিহঁতৰ এজনৰ এটা চকু আৰু আন জনৰ দুয়োটা চকু আৰু এখন হাত বিকল। সিহঁতে কিবা যন্ত্ৰৰ সহায়ত পঢ়ে । যোৰহাটৰ পৰা অহা এই বিকলাংগ দুজনলৈ সঁচাই বৰ মৰম লাগিল। ৰাতিৰ ভোজনৰ বাবে আমাক জিলা সমন্বয়ক নয়ন জ্যোতি দেৱে এখনকৈ টিকট দিলে। আমি ৰাতিৰ ভোজনৰ বাবে ভোজনালয়ৰ সন্মুখত শাৰী পাতিলো। খোৱা-বোৱা হোৱাত আমি ৰাতিপুৱা প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰি শুই পৰিলো।



২৯ অক্টোবৰৰ ৰাতিপুৱা উঠি গা-পা ধুবলৈ গৈ আধা ঘন্টা ৰখি থাকি কোনো বাথৰুম খালি হোৱাৰ আশা নেদেখি চাৰিওফালে বিচাৰি শেষত বাহিৰত ব্যৱস্থা কৰি দিয়া এটা পানীৰ টেপত গা-পা ধুই ৫ বজাত প্ৰাতঃভ্ৰমণলৈ ওলালোঁ। অকোৰা - পকোৰা পাহাৰীয়া পকী ৰাস্তাৰে আমি লামডিঙৰ সৌন্দৰ্য উপভোগ কৰিলো। Officers' Rest House ৰ মনোমহা দৃশ্যই আমাক বেছিকৈ আকৃষ্ট কৰিছিল। ৬

মান বজাত জা-জলপান কৰি আমি আমাৰ মহাবিদ্যালয়ৰ Uniform পৰিধান কৰিলোঁ। ৬.৩০ বজাত প্ৰতিটো জিলাৰ প্ৰতিটো দলে নিজৰ নিজৰ পতাকাৰ তলত শাৰী শাৰীকৈ থিয় হৈ LRHS ৰ চৌহদত পতাকা উত্তোলনৰ বাবে সমবেত হৈছিল। পতাকা উত্তোলনৰ পাছত আমি এক দীঘলীয়া শোভাযাত্ৰাত অংশ লৈছিলো। লামডিঙৰ এটি গ্ৰাম্য অঞ্চলৰ মাজেৰে প্ৰায় দুঘন্টা জোৰা এই শোভাযাত্ৰাত অংশ গ্ৰহণ কৰি বৰ আনন্দিত হৈছিলো। ইয়াৰ কিছু সময় পিছতেই তেতিয়াৰ ৰাজ্যপাল অজয় সিং উদ্বোধনী অনুষ্ঠানত উপস্থিত হয়। সেই অনুষ্ঠানত বৰ্তমানৰ বনমন্ত্ৰী ৰকিবুল হুছেইনও উপস্থিত থাকে। তেখেত সকলে অহাৰ লগে লগে আমি শাৰী পাতি ৰাষ্ট্ৰীয় সংগীত গালোঁ। উদ্বোধনী অনুষ্ঠানত তেখেত সকলে বিভিন্ন জ্ঞানদায়ক বক্তব্য দি অনুষ্ঠানটো মনোগ্ৰাহী কৰিছিল।

আটাইতকৈ ভাল লাগিছিল আমাৰ বাবে বিভিন্ন বিজ্ঞানী আৰু গৱেষক সকলে এটাকৈ বিজ্ঞান , গণিত আৰু ভূগোল বিষয়ক পাঠদান কৰিছিল। মই আৰু মোৰ লগৰীয়াই ৰসায়ন আৰু গণিত বিষয়লৈ অধ্যয়ণ কৰিছিলো। ৩০ অক্টোবৰৰ ৰাতিপুৱা সোনকালে উঠি গা-পা ধুই আমাৰ প্ৰকল্প উপস্থাপনৰ প্ৰস্তুতি লওঁ। ৰাতিপুৱা ১১.০০ বজাত আমাৰ প্ৰকল্পটো নিয়াৰিকৈ উপস্থাপন কৰি আমি ১.০০ বজাত মানচিত্ৰ শিক্ষাত ভাগ লওঁ। আবেলি বিজ্ঞানী সকলৰ লগত ভাব-বিনিময় সভাত ভাগ লওঁ। বহুতো নজনা কথা আমি এই সভাৰ আলোচনাৰ পৰা জানিব পাৰিলো। সেই দিনা উত্তৰ পূব সীমান্ত ৰেলৱেৰ মহা প্ৰবন্ধক আশুতোষ স্বামীৰ লগতে ড° কুমুদ বৰা, ড° অনিল গোস্বামী, ড° জিতেন গোস্বামী প্ৰমুখ্যে বহুতো বিজ্ঞানীয়ে আমাৰ লগত ভাব বিনিময় কৰে। তেখেত সকলে আমাক প্ৰশ্ন কৰাৰ সুযোগ দিছিল আৰু তাৰ উত্তৰ দিছিল।

এই খিনিতে আমাৰ প্ৰকল্পটোৰ বিষয়ে কিছু আভাষ দিব বিচাৰিছো। অমাৰ প্ৰকল্পটো আছিল "জামলাই বিল আৰু ইয়াৰ মৎস উৎপাদন এটি ক্ষেত্ৰ ভিত্তিক অধ্যয়ন"। মাননীয় গোস্বামী ছাৰে আমাক এই ক্ষেত্ৰত বহুতো পৰামৰ্শ আৰু নিজে হাতে কলমে দেখুৱাই দি নিঃস্বাৰ্থ ভাৱে সহায় সহযোগিতা আগবঢ়াইছিল। তেখেতৰ ওচৰত আমি চিৰ কৃতজ্ঞ হৈ থাকিম। এইখিনিতেই মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেখেতে আমাক আৰ্থিক আৰু বিভিন্ন দিশত সহায়ৰ হাত আগবঢ়োৱাতহে আমি আমাৰ লক্ষ্যত উপনীত হবলৈ চেষ্টা কৰিব পাৰিছিলোঁ। আমাৰ প্ৰকল্পটোৰ লক্ষ্য আছিল; কিছুমান মানুহে অবৈজ্ঞানিক ভাৱে মাছ মাৰি মৎস কুলৰ প্ৰচুৰ ক্ষতি সাধন কৰি আছে। এই সকল মানুহৰ মাজত গৈ তেখেতসকলৰ ভুল খিনি দাঙি ধৰি তাৰ ঠাইত বৈজ্ঞানিক পদ্ধতিৰ বিষয়ে অৱগত কৰা। যাৰ ফলত আমাৰ লগতে মৎস কুলও ৰক্ষা পৰিব। ৩১ অক্টোবৰৰ সামৰণি অনুষ্ঠানৰ প্ৰাক মুহূৰ্ত্তত তাত উপস্থিত থকা সকলো শিশু বিজ্ঞানীয়ে উগুল-থুগুল মন লৈ আমন জিমনকৈ কিছুমানে বহি থকাৰ বিপৰীতে কিছুমানে বেডিং বন্ধাত ব্যস্ত। আবেলি ৩ বজাত ড° কুমুদ বৰাই ফলাফল ঘোষণা কৰিলে। ২৬ জনীয়া দলটোত আমাৰ কামৰূপ (গ্ৰাম্য) ৰ এটা দলও অন্তৰ্ভূক্ত নোহোৱাত বৰকৈ বেয়া লাগিল যদিও ড° বৰা দেৱৰ উৎসাহ বাণীয়ে সেইখিনি নিমিষতে ঢাকি পেলালে। ঠাইখন মুহূৰ্তৰ ভিতৰত হৈ পৰিল কিছুমানৰ কাৰণে বিষাদময় আৰু আন কিছুমানৰ কাৰণে আনন্দত আত্মহাৰা হৈ যোৱা ঠাই। বহুতে কান্দি - কাটি অস্থিৰ হৈ পৰিল। সেই সকলক আমি নানা উপায়েৰে শান্তনা দিলো। কেইমুহূৰ্ত্তৰ চিনাকী বন্ধু-বান্ধৱীয়ে আমাৰ পৰা বিষাদৰ গুটি সিঁচি বিদায় ললে। আমি কিন্তু সেই দিনা আহিব নোৱাৰিলো। ৰাতিটো আমাৰ কেম্পত থকা গোটেইবোৰ লৰা ছোৱালীয়ে মিলি নাচ-গান কৰিলো। এইখিনিতেই লামডিঙৰ সাংস্কৃতিক ক্ষেত্ৰখন দাঙি নধৰি নোৱাৰিলো। তাত আমি গানৰ কোনো শ্ৰব্য কেছেট বজোৱা শুনা নাপালো। মাথো বাদ্য যন্ত্ৰৰ শ্ৰব্য কেছেট বজোৱা শুনা পালো। তাত স্থানীয় দলটোৱে প্ৰদৰ্শন কৰা নৃত্যটোও কোনো গানৰ নহয়। বাদ্য-যন্ত্ৰৰ শব্দৰ তালে তালেহে সিঁহতে নৃত্য কৰিলে। মানুহ বিলাকৰ আচাৰ ব্যৱহাৰৰ ত্ৰুটি আমি ধৰিব নোৱাৰিলো। সেই দিনা ৪ মান বজাত আমাক ৰাজ্যিক পৰ্যায়ৰ শিশু বিজ্ঞানীৰ প্ৰমাণ পত্ৰ দিলে।

মুঠতে আমি শিশু বিজ্ঞান সমাৰোহত অংশ গ্ৰহণ কৰি এন্ধাৰ জগতৰ পৰা বিজ্ঞানৰ গভীৰ পোহৰময় ৰাস্তাটো দেখিব পাৰিছো। তাত বিজ্ঞানী সকলৰ

একেবাৰে ওচৰত গৈ কথা পতা আৰু তেখেত সকলৰ স্বহস্তলিপি লৈ বৰ আনন্দিত হৈছিলো। গতিকে মই আমাৰ মহাবিদ্যালয়ৰ অনাগত ছাত্ৰ-ছাত্ৰী সকলক কওঁ যে, তোমালোকেও দেশখনৰ এজন এজন শিশু বিজ্ঞানী। তোমালোকেও ইয়াত অংশ গ্ৰহণ কৰি নিজৰ নিজৰ প্ৰতিভা খিনি দাঙি ধৰা। কিজানি তুমিয়েই কঢ়িয়াই লৈ আহিবা আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ।

সন্ধিয়া সকলোৰে হৃদয়ত আঘাত হানি সকলো বন্ধু-বান্ধৱী, গুৰুসকলে বিদায় ললে। নয়নজ্যোতি ছাৰে আমাক অলপ সময়ৰ ভিতৰত অতিকৈ আপোন কৰি লৈছিল। মোৰ আৰু জাহিদুলৰ সকলো সময়তে খবৰ লৈছিল আৰু য'ৰ পৰা নাহক কিয় মৰমতে এটাকৈ চৰ মাৰিছিল। বিদায় বেলাত ছাৰে আমাৰ হৃদয়খনক আয়না ভঙাদি ভাঙি বিদায় ললে। তেখেতে আমাক দুটা চৰ মাৰি বহুতো পৰামৰ্শ দিলে। আমি তেখেতক সেৱা কৰিলো আৰু তেখেতে আশীৰ্বাদ দিলে।

পিছদিনা ৰাতিপুৱা উঠি ৰেল ষ্টেচনত উপস্থিত হওঁ। ৰেলখনে দীঘল বিষাদময় আৰ্তনাদ কৰি লামডিঙক বিদায় দিলে। লামডিঙৰ বহুতো বিচিত্ৰ সুখ দুখৰ অভিজ্ঞতা বুকুত লৈ আমি যাত্ৰা কৰিলো স্ব-গৃহলৈ। পাহাৰীয়া অঞ্চল লমাডিঙ আৰু শিশু বিজ্ঞান সমাৰোহৰ স্মৃতি বিলাক এতিয়াও নিৰলে মনৰ মাজত বাজি থাকে।❑




## — মহৎ লোকৰ বাণী —

১। জ্ঞানকৰ্মৰ অনুভূতিয়ে মানুহৰ মনত শান্তি দিয়ে। — *মহাত্মা গান্ধী*

২। বিদ্যা মানৱ মনৰ দ্বীপ্তি । — *সত্যনাথ বৰা*

৩। সকলো বিপদৰ একমাত্ৰ ঔষধ হৈছে ধৈৰ্য । — *ৰবীন্দ্ৰনাথ ঠাকুৰ*

সংগ্ৰাহক
গোলাম নবী আজাদ
*দ্বাদশ শ্ৰেণী*

গল্প

# "মাটি আৰু দালাল"





শ্ৰীভূমিজা বৰ্মণ
*প্ৰৱক্তা, শিক্ষা বিভাগ।*

উদ্দীপ্ত বৰুৱাই মুখ-হাত ধুই খোৱামেজলৈ আহি চিঞৰিবলৈ ধৰিলে ঃ

হেৰা, তুমি পাগলী হৈ গ'লা নেকি হে? ভাতৰ কাঁহীত এইবোৰ কি টকা সজাই থৈছা আৰু খুচুৰা পইচাৰে বাটি ভৰাই দিছা? প্ৰচণ্ড খঙেৰে উদ্দীপ্তই আশাক এক চৰ সোধাব লওঁতেই, হাঁহি হাঁহি আশাই ক'লে ঃ

ধেৎ এইটো, অলপ ধেমালিহে কৰিছোঁ।

কি ক'লা? ধেমালি?

অ' ধেমালি কৰিব নাপায় নেকি?

দুপৰীয়া খোৱা মেজতহে তোমাক পাঁও। বাকী সময়খিনি তুমিতো ব্যস্ত হৈয়ে থাকা।

ৰাতি তুমি ঘৰলৈ আহোঁতে সদায় মদত ডুবি এজন মাতাল পুৰুষ হৈ আহা। কেতিয়াবা মন যায় জানা, ধেমালি কৰিবলৈ তোমাৰ স'তে।

ঃ দিনভৰ মই কিমান কষ্ট কৰি ফুৰিছোঁ, টকাঘটাৰ বাবে কিমান দৌৰি ফুৰিছোঁ, আৰু সেই টকাৰে তুমি মোক ধেমালি কৰিছা। এই দুপৰীয়াৰ ভোকত,-এই বুলি উদ্দীপ্ত ওলাই আহিল ঘৰৰ বাহিৰলৈ।

আশাও যে; তাইৰ নিজৰ ওপৰত অভিমান হ'ল, ভোকত আহা মানুহজনৰ স'তে হঠাৎ তাই কি যে ধেমালি কৰিলে। হয়তো অৱচেতন মনত সাঁচি ৰখা এই অদম্য হেপাহটো আজি সাৰ পাই উঠিল, ৰাতিপুৱাৰ বাতৰিকাকতখন পঢ়াৰ পিছত।

২০০৮ চনৰ ১ মাৰ্চত হেনো অসমৰ জনসংখ্যা হ'বগৈ প্ৰায় তিনিকোটি। বছৰত অসমৰ জনসংখ্যা বৃদ্ধি পাইছে ৩৩ লাখকৈ।

বাতৰিটো পঢ়াৰ লগে লগে আশাৰ ভাবৰ জগতত খুন্দা মাৰিলে যে জনসংখ্যাহে বৃদ্ধি হৈ আছে, কিন্তু অসমৰ মাটিৰ চাৰিসীমাতো বৃদ্ধি হোৱা নাই। আশাই যেতিয়া বাতৰি কাকত পঢ়ে তেতিয়া তাই কিছুমান বাতৰি বৰ মনোযোগেৰে পঢ়ে। যেনে ঃ বনাঞ্চল ধ্বংস, গ্লোবেল বাৰ্মিং, খেতিৰ মাটি কমি আহিছে, ইত্যাদি বাতৰি পঢ়ি থাকোঁতে আশাই অসমৰ ভয়াবহ চিত্ৰ এখন নিজৰ হৃদয়ৰ মাজতে অংকন কৰি গৈ থাকে।

আশা বৰুৱাৰ স্বামী উদ্দীপ্ত বৰুৱা মাটিৰ দালাল বুলি সকলোৱে জানে। মাটিৰ দালালি কৰি কৰি গুৱাহাটী মহানগৰীত তিনি মহলীয়া সু-সজ্জিত বাসভৱন সাজিছে। বিলাসী গাড়ীৰে সন্মুখফাল শুৱনি কৰি তুলিছে আৰু ৰাতিপুৱাৰ পৰা দোভাগ নিশালৈ দৌৰিফুৰিছে মাটি বিচাৰি। কোনডৰা খেতিৰ মাটি বেচি দিলে ফ্লেট সাজিব পৰা যাব, কোন ডৰা খেতিৰ মাটি; খেতিতকৈ উদ্যোগৰ কাৰণে বেছি ভাল হ'ব বা কোনডৰা মাটিৰ সেউজ সৌন্দৰ্যক ধ্বংস কৰি গঢ়ি তুলিব পৰা যাব ব্যক্তিগত মাধ্যমৰ স্কুল-কলেজ— এনেবোৰ কামত দৌৰি ফুৰোঁতে উদ্দীপ্ত বৰুৱা টকা ঘটা মেচিন হৈ পৰিল। জীৱনৰ আচল সৌন্দৰ্য্যক চাবলৈ শিকিবই নজনা হ'ল। ধুনীয়াকৈ সজা ঘৰটো যেন সজা হৈছে মানুহে বাঃ বাঃ দিবলৈ। ধুনীয়া ঘৰটোত মদখাই মাতাল হোৱা পুৰুষজনেহে ৰাতিটোৰ বাবে আশ্ৰয় লয়। ঘৰটোৰ ভিতৰত আভিজাত্যৰ সকলো স্বাক্ষৰ মাথো সজাইহে থোৱা আছে। কিন্তু ঘৰখনৰ মিঠা অনুভৱটোক বুকুৰ মাজত টানিলৈ ল'ৰা-ছোৱালী হাল আৰু মমতাময়ী পত্নীৰ সান্নিধ্যৰ পৰা আঁতৰি ব্যস্তহৈ থাকিল জীৱনৰ ভাললগা সময়খিনি কেৱল মাটিৰ দালালি কৰি। আশাক বন্দীকৰি থোৱা হ'ল শ্বো-কেজত। তাইও হৈ পৰিল প্লাষ্টিকৰ ফুল উদ্দীপ্ত বৰুৱাৰ বাবে। আশাৰ সমস্ত যৌৱন, সমস্ত আশা আবদ্ধ হ'ল শ্বো-কেজৰ ভিতৰত।

কিন্তু মানুহৰ জীৱনৰ যন্ত্ৰণাবোৰক কিমান বাধা দিব পাৰি? অৱচেতন মনত সাঁচি ৰাখোঁতে ৰাখোঁতে ই কেতিয়াবা উতলি বাহিৰলৈ ওলাই আহে। কেইদিনমান আগতে আশাই নিজৰ ভিতৰত অনুভৱ কৰিছিল, যেতিয়া গিৰিয়েকে দহবিঘাৰ খেতিমাটিৰ প্লট এটা

এজন মানুহৰ পৰা অন্যায় ভাৱে কিনি লৈছিল। যদি এনেকৈ খেতিৰ মাটিবোৰ কিনিলৈ মানুহে কেৱল কংক্ৰীটৰ ঘৰেই সাজি থাকে, মানুহবোৰে যদি খেতিপথাৰত কাম কৰাৰ আনন্দক কষ্টকৰ বুলি অনুভৱ কৰি খেতিৰ মাটি বিক্ৰী কৰে, তেতিয়া কি হ'ব আমাৰ ভৱিষ্যত। ঠিক এনেকুৱা ভাৱবোৰে মনৰ মাজত তোলপাৰ লগাই থাকোঁতে আশাই এটা সৰু অথচ গুৰুত্বপূৰ্ণ বাতৰি পঢ়িবলৈ পালে। প্ৰাক্তন ৰাষ্ট্ৰপতি ড° কালামে ভাৰতবাসীক অনুৰোধ জনাইছে যে খেতিৰ মাটিবোৰ বিক্ৰী কৰি কেৱল যেন উদ্যোগ গঢ়াত মানুহবোৰ ব্যস্ত হৈ নপৰে। কাৰণ যেতিয়া খেতিৰ মাটি কমি আহিব, তেতিয়া মানুহবোৰে খাব কি? কাৰণ ভাৰতৰ জনসংখ্যা যিটো হাৰত বৃদ্ধি হৈছে ই হ'ব অশনি সংকেত ভাৰতবাসীলৈ।

আশাই তাইৰ হৃদয়ৰ সুৰটো শুনিবলৈ পালে ড° কালামৰ কণ্ঠত। তাইয়েন প্ৰতিবাদ কৰিব গিৰিয়েকৰ মাটিৰ দালালিৰ কামবোৰত। আশা খেতিয়কৰ ছোৱালী। উদ্দীপ্ত বৰুৱাই মাটিৰ সম্পৰ্কত আশাহঁতৰ গাঁওখনলৈ যাওঁতে কলেজৰ পৰা আহি থকাৰ সময়ত উদ্দীপ্ত বৰুৱাৰ চকুত আশা বন্দী হৈছিল। কাৰণ আশা এজনী ধুনীয়া ছোৱালী আছিল। পশ্চিম গুৱাহাটীৰ শেষ প্ৰান্তত দ্বীপৰ বিলৰ কাষৰ গাঁওখন আছিল আশাহঁতৰ মৰমৰ গাঁও। আশা খেতিয়কৰ ছোৱালী। গাঁওৰ সেউজ পৰিবেশ আৰু খেতিৰ মূল্যক আশাই ভালদৰে বুজি পায়। খেতি-খোলাৰ স'তে থকা আনন্দ আৰু বিষাদক আশাহঁতে ভালকৈ আকোঁৱালি লৈ জানে। সেই বাবেই কিজানি আশাৰ হৃদয়খন ফাটি-চিঙি যাব খোজে যেতিয়া গিৰিয়েক উদ্দীপ্ত বৰুৱাই খেতিৰ মাটিৰ ওপৰত দালালি কৰে।

আশাৰ মনত এখন চিত্ৰ ভাহি উঠিল, যদি খেতিৰ মাটিবোৰ বিক্ৰী কৰি কৰি মানুহবোৰে কেৱল কংক্ৰীটৰ ঘৰ সাজে, উদ্যোগ গঢ়ি তোলে, এদিন খেতিৰ মাটিবোৰ শেষহৈ গ'লে মানুহবোৰে খাব কি? ভোকত অন্ততঃ টকাতো খাব নোৱাৰি। অৱচেতন মনত সাঁচি ৰখা এনেবোৰ কথাই আশাক উদগণি দিলে এটা চিৰিয়াচ ধেমালি কৰিবলৈ আৰু সেয়েহে তাই সজাই থৈছিল খোৱা মেজত টকাৰ কাঁহি, পইচাৰ বাটি।

দোভাগৰাতি ঢলং পলংকৈ সোমাই আহিছিল উদ্দীপ্ত বৰুৱা। সিদিনা ৰাতি উদ্দীপ্তই ঘৰত একো নাখালে। কিন্তু পিচদিনা উদ্দীপ্তক দেখা গ'ল এটা নতুন ৰূপত। ❑



শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত আলোচনা চক্ৰত অধ্যাপিকা ভূমিজা বৰ্মণ। মঞ্চত বহি বাওঁফালৰ পৰা ক্ৰমে অধ্যাপক এন.এন. দেৱান, এ.বি.ছিদ্দিক, এন.এন. বেগম, ইউ.এন. দাস, এন.চি.ভোৰা আৰু ড° বি.বি.পণ্ডা।



বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

গল্প



# জীৱনৰ বাটে হাটে



ৰূপম নাথ
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান শাখা)

ৰাস্তাটোত মানুহৰ সমাগম আজি অলপ বেছি। নহবই বা কিয়? কাইলৈ ভোগালীৰ উৰুকা। ভোগৰ উৎসৱক আদৰিবলৈ সকলোৰে মন উথপ্থপ্ । নাতিদূৰৈত বহা সাপ্তাহিক বজাৰলৈ বুলি সকলো বাট পোনাইছে। সকলোৰে হাতে হাতে কিবা নহয় কিবা দুই এপদ বস্তু বিক্ৰিৰ বাবে। এইকণ সময়েইতো চহা জীৱনৰ নিৰ্মল প্ৰশান্তিৰ সময়। গাত ৰ'দ নলগা আৰু বৰষুণ নপৰা এই সকলৰ আহ্বানতেইতো লখিমী আহে শাওণৰ বোকাপানী গছকি ক্ৰমশঃ আহিনৰ সেউজীয়া বোৰলৈ। হাড়ভঙা শ্ৰমৰ অন্তত এইকণ সময়তে দুমুঠি সোনগুটিৰে ভৰি পৰে প্ৰতি ঘৰৰ লখিমী গৃহ। তাৰেই এচিকুট হাততলৈ বিনিময়ৰ আগ্ৰহেৰে আজিৰ বজাৰত তেওঁলোকৰ অলপ ভিৰ বাঢ়িছে। সকলোৰে চকুত স্বপ্নৰ জলপানৰ ভৰুণ বাটি জিলিকিছে। ময়ো তাৰ ব্যতিক্ৰম নহয়। এসপ্তাহ আগতে পোৱা দৰমহাৰ টকা কেইটাৰ পৰা চনচনীয়া এখন পাচঁশ টকীয়া আৰু এখন এশ টকীয়া নোট লংপেন্টৰ পিছ পকেটত ভৰাই চাইকেলখনৰ পিছফালৰ কেৰিয়াৰখনত মোনা এখন সৰুকৈ জাপি লৈ বজাৰলৈ ওলাইছো।

পাৰো যদি ইলিচকে দৰাব লাগিব আজি। কিমান দিনযে হ'ল, বগা সৰিয়হৰ সৈতে ইলিচ মাছৰ জুতি লোৱা নাই। মাছৰো যিহে জুই ছাই দাম । কথাটো ভবাৰ লগে লগে মনটো কিবা লুভীয়া হৈ যোৱা যেন লাগিল। মনটো উৰি গ'ল তাহানিৰ আইৰ আখলঘৰলৈ। পিতায়ে বজাৰৰ আটাইতকৈ ডাঙৰ মাছটো পিছফালে ওলমাই অনা দিনলৈ । সন্ধিয়া জোনাকৰ তলত বহি নেওঁতা পঢ়ি থকাৰ পৰা ভজামাছৰ ফুৰফুৰীয়া গোন্ধত আখলঘৰলৈ উঠি যোৱা কথাবোৰলৈ । কি যে দিন আছিল সেইবোৰ। ভাবিলে সাধুকথা যেন লগা হ'ল এতিয়া। কথাবোৰ ভাবি এসময়ত বজাৰ আহি পালোঁ।

দোকান নোহোৱা যেন ঠাইখিনিতে চাইকেলখন তলা লগাই থলো আৰু মোনাখন লৈ বজাৰৰ মাজলৈ খোজ ললো। ৰাস্তাৰ দুয়ো পাৰে চাপৰ মাটিৰ ভিটাবোৰৰ ওপৰত নানা তৰহৰ দোকান। কোনো খনৰ ওচৰতে মস্ত জাববৰ দম। তাৰে মাজতে সৰু সৰু ল'ৰা-ছোৱালী কিছুমানে কিবা বিচাৰিছে। হয়তো খাদ্যৰ সন্ধান কৰিছে। জীৰ্ণ-শীৰ্ণ শৰীৰ, ফটা-চিঙা কাপোৰ। ভাৰতৰ দৰে উন্নয়ণশীল দেশত এয়া ডাৰউইনৰ জীৱন সংগ্ৰামৰ চাক্ষুষ চিৰাচৰিত উদাহৰণ।

কলপাতেৰে মুখবন্ধা কেইটামান মাটিৰ টেকেলি আগত লৈ বহি থকা মানুহটোৰ ওচৰলৈ আগবাঢ়ি গৈ সুধিলো 'কিহৰ দৈ অ' ?

'মহৰ' মানুহজনে টপৰাই উত্তৰ দি এটা টেকেলিৰ মুখৰ বান্ধটো খুলি দিলে। দৈ খিনি এবাৰ চালো। বেয়া হ'ব নালাগে। কথাটো মনতে এবাৰ ভাবি সুধিলোঁ - 'কিমানকৈ দিছা'? 'ত্ৰিশ টকা ' সি ক'লে।

অলপ দৰ দাম কৰি সৰু টেকেলিটো মোনাত ভৰাই ললো আৰু পইচা দিবলৈ হাত এখন লংপেন্টৰ পিছ পকেটত সুমুৱালো।

'দাদা, দুই টকা দিয়কনা । কালিৰে পৰা একো খাব পোৱা নাই।'

হঠাৎ সৰু ল'ৰাৰ মাত যেন লগাত পিছফালে ঘূৰি চাই দেখিলোঁ এজন ন-দহ বছৰীয়া ল'ৰাই বৰ আশাৰে সৌঁহাতখন আগবঢ়াই দিছে। পিছে মোলৈ নহয়। মোৰ ওচৰতে হাতত বস্তুৰে পৰিপূৰ্ণ মোনা এখন লৈ থিয় হৈ থকা ভদ্ৰলোক এজনলৈ বুলিহে। ল'ৰাটোৰ এখন ভৰি কৰ্মক্ষম নহয়।

ভদ্ৰলোক জনে মুখখন অলপ বিকট কৰি দুখোজ আগবাঢ়ি গ'ল। তেওঁৰ পৰা কোনো ইতিবাচক সহাঁৰি নাপাই ল'ৰাটোৱে একেই ভঙ্গিমাৰে এইবাৰ মোলৈ হাতখন আগবঢ়াই দিলে। দৈৰ বেপাৰীজনে ঘূৰাই দিয়া টকা খিনিৰ পৰা দুটকীয়া মুদ্ৰাটো আগবঢ়াই

দি বাকী খিনি পকেটত ভৰাই লৰালৰিকৈ মাছৰ বজাৰৰ পিনে খোজ ল'লো। অলপ দেৰি হ'লেই ভাল মাছ পোৱাটো টান হব।

মাছৰ বজাৰখন এনেয়ে এপাক মাৰিলোঁ। ভাল মাছকেইটা শেষেই হ'ল। এজন বেপাৰীৰ সন্মুখত কেইটামান শেঁতা পৰা ইলিচ মাছ দেখি আগবাঢ়ি গ'লো। বাওঁ হাতৰ তৰ্জনী আঙুলিটোৰে এটাৰ গাত অলপ হেচুকি দিলো।

'বৰ নৰম হৈছে' । কথাকেইটা কবলৈহে পালোঁ, - বেপাৰী জনৰ মুখেৰে কথাৰ আখৈ ফুটিব ধৰিলে।

'নাই দাদা, একদম তাজা মাছ। ইয়াতকৈ ভাল মাছ আৰু আপুনি আজি নাপাব। লৈ লওক, সস্তাতে দিম'।

ইফালে সিফালে এবাৰ চাই মাছকেইটাৰ দৰদাম কৰি চাৰে তিনিশ টকাত মাছ কেইটা কিনিলো। এটা পলিথিনত মাছকেইটা ভৰাই বেপাৰীজনে একবাৰে মোৰ হাতৰ মোনাখনত সুমুৱাই দিলে। পইচা দিবৰ বাবে পকেটলৈ হাতখন নিয়াতহে উচপ্ খাই উঠিলো। হে ভগবান । পাচঁশ টকীয়াখন চোন নাই। দৈৱ বেপাৰী জনে ঘূৰাই দিয়া টকাকেইটাহে মাথো আছে দেখোন। গোটেই কেইখন পকেটতে হাত সুমুৱাইও বিমুখ হ'ব লগা হ'লো। কি হ'ল ? ক'ৰবাত ওলাই পৰিল নেকি? নে কোনোবাই পকেট মাৰিলে? মাছৰ বেপাৰীজনৰ মুখলৈ অসহায় দৃষ্টিৰে চাই ক'লো - এক মিনিট ৰবচোন। মোৰ বস্তু এবিধ হেৰালে।

ক'ৰবাত ওলাই পৰিব পাৰে বুলি মই মাছৰ বজাৰখনতে আৰু এটা পাক মাৰিলো। পিছে নাই। মই আকৌ এবাৰ অনুসন্ধিৎসু মনেৰে আহি থিয় হ'লো। এনেতে পিছফালৰ কোনোবা এজনৰ 'দাদা' সম্বোধনত ঘূৰি চাই দেখিলো সেই পইচা খোজা পঙ্গু ল'ৰাটোৱে পাঁচশটকীয়া নোট এখন মোলৈ আগবঢ়াই দিছে।

- দাদা, দৈ কিনোতে টকাটো আপোনাৰ জেপৰ পৰা ওলাই পৰিছিল। মই পালো আৰু মাক গৈ কথাটো কোৱাত মায়ে আপোনাক লগ পালে ওভোতাই দিবলৈ ক'লে। ইফালে সিফালে চাই থাকোঁতে আপোনাক ইয়াতে দেখিলো।

এই বুলি নোটখন মোৰ হাতত গুজি দি সি মাছ বজাৰৰ পৰা অলপ আঁতৰতে থকা আঁহত জোপাৰ তলতে হাতত এটা ভিক্ষাৰ পাত্ৰলৈ বহি থকা অন্ধ মহিলা গৰাকীৰ কাষ পালেগৈ। সম্ভৱতঃ সেয়া তাৰ মাক।

ল'ৰাটো যোৱাৰ পিনে একেথিৰে চাই ভাবিলো - এৰা আজিৰ তথাকথিত উচ্চ সমাজত এই দুটা অসহায় প্ৰাণীয়ে হয়তো এনেদৰে আনৰ ওচৰত হাত পাতিয়েই জীৱন কটাব। কোনোবাই হয়তো এটকীয়া এটা দিব নতুবা কোনোবাই দেখি নাক কোচাব। মুখ ঘূৰাব।

মাছৰ দামটো পৰিশোধ কৰি আৰু বস্তু কেইপদ মান কিনি ঘৰলৈ বাট পোনালো। আহোতে বাস্তাত ল'ৰাটো আৰু তাৰ অন্ধ মাকজনীৰ কথাই মনটোত খুন্দিয়াই থাকিল। এক বুজিব নোৱাৰা অপৰাধবোধে মনতে পাক ঘূৰণি খাই থাকিল। ল'ৰাটোৰ মূৰত এবাৰ হাত বুলাই দিলে মই বাৰু অপবিত্ৰ হৈ গলোঁহেঁতেন নেকি ? কিয় বাৰু মাকে তাক টকাটো ঘূৰাই দিবলৈ কলে? হয়তো এইকণ বিশ্বাস আৰু সততাৰ তুলিকাৰেই তেওঁ আঁকিব খুজিছে এখনি সূৰ্যোদয়ৰ ছবি। জীৱনৰ সাঁচিপাতত লিখাব খুজিছে ভাতৃ -প্ৰেমৰ বৰ্ণমালা। ধন্য-ধন্য মাতৃ। বহু বিজ্ঞবান বুলি ভবা আমিবোৰচোন আজিও অজ্ঞ। তোমালোকৰ পৰা যে এতিয়াও আমি শিকিবলৈ বহু বাকী আছে ........... ?

কথাবোৰ পাগুলি পাগুলি চাইকেলৰ পেডেলত ভৰিৰে শক্তি প্ৰয়োগ কৰিলো। শীতৰ মিঠা ৰ'দ জাকত মনটো আকৌ এবাৰ নকৈ উমাল হ'ব ধৰিলে। মনত পৰিল হীৰুদাৰ কাপেৰে নিগৰি অহা এটি গীতৰ কলি "বন্ধু, মেলিদে তোৰ দুখৰ দুখনি হাত; এবাৰ জিৰাওঁ তোৰ বুকুৰ শীলত ছাঁত, বন্ধু............." ।❑



গল্প

# যাত্ৰা



ইকবাল হুছইন
স্নাতক তৃতীয়বর্ষ

যোঁৱা কেইদিনমানৰ পৰা মোৰ পঢ়া-শুনাত মন বহা নাই। কলেজৰ ক্লাছতো মন নবহা হৈছে। সকলো সময়তে হাইস্কুলৰ পৰা ভাল পাই অহা 'মেহেৰ'ৰ তিৰ্‌বিৰাই থকা দুটি চকুৰে গোলাপী ৰঙৰ ধুনীয়া মুখমণ্ডলখন মোৰ চকুত সদায় ভাঁহি থাকে। কলেজত কেইদিন ধৰি মেহেৰে মোৰ মানস পট বিশেষ ধৰণে অধিকাৰ কৰি আছিছে। তাইৰ প্ৰতি মোৰ আকৰ্ষণ আগতকৈ বহুগুণে বাঢ়ি গৈছে। ক'ব নোৱাৰো মই তাইৰ প্ৰতি কিয় ইমান দুৰ্বল? মেহেৰক দেখিলে মই যেন নিজকে পাহৰি যাওঁ। হাইস্কুল ত থাকোঁতে মেহেৰকলৈ মোৰ লগৰ বিলাকে জোকাইছিল। কেতিয়াবা মোক বিৰক্ত কৰি পেলাইছিল। দুদিন মই স্কুল বাদ দি ঘৰতে শুই আছিলো। মায়ে শুনি মোক কৈছিল। পাগল, তোমাৰ লগৰ বিলাকক কবা মায়ে কৈছে মেহেৰৰ লগতে মোৰ.............। মাৰ কথাত লাজ পাইছিলো আৰু সাহসৰ লগতে আনন্দত আত্মহাৰা হৈছিলো।

কিন্তু এই কথা মই কলেজত কাৰো ওচৰত প্ৰকাশ কৰা নাই। কলেজত বন্ধু বহুতো যদিও অন্তৰঙ্গ হিচাপে মই "হুমায়ুনক"হে মোৰ মনৰ সকলো কথা কওঁ। মেহেৰৰ লগত মোৰ ভাল পোৱাৰ কথা ইমান দিনে হুমায়ুনকো কোৱা নাছিলো। কেইদিন ধৰি মেহেৰৰ চাল-চলন অলপ বেলেগ, কেতিয়াবা মোৰ সন্দেহ হয়। মই বৰ বিবুদ্ধিত পৰিছিলো, মেহেৰৰ লগত মোৰ ভাল পোৱাৰ সকলো কথা হুমায়ুনক কবলৈ থিৰাং কৰিলো। কিন্তু এই কেইদিন হুমায়ুন কলেজলৈ অহা নাই। অৱশ্যে আজি কলেজলৈ অহাৰ কথা আছে। গতিকে কলেজত তাক লগ ধৰিব লাগিব।

কলেজত আহিয়ে হুমায়ুনক বিচাৰিবলগীয়া হ'ল কাৰণ তাৰ কোনো আড্ডাস্থলী নাই। কেইজনমান বন্ধুৰ লগত মেজৰৰ ক্লাচ হোৱা সৰু কম এটাত দেখা পাই এক প্ৰকাৰ টানি লৈয়ে আহিলো। কলেজৰ প্ৰশাসনীয় ভৱনৰ ফালে গছৰ তলত নিৰ্জন পৰিবেশত মেহেৰৰ লগত মোৰ সম্পৰ্কৰ সকলো কথা কলো। তাৰ পিছত সি যিটো উত্তৰ দিলে তাৰ পৰা মই সেয়া আশা কৰা নাছিলো। সি ঠাট্টাৰে হাঁহি এটা মাৰি ক'লে তয়ো প্ৰেমত প-ৰি-ছ। কে-তি-য়া-ৰ পৰা তেতিয়া হুমায়ুনক মই ক'লো— পঞ্চমমান শ্ৰেণীত নামভৰ্ত্তি কৰিবলৈ আহি তাইক লগ পাইছিলো আৰু সেইদিনাৰ পৰাই মই তাইক ভাল পাইছিলো। ছয়মাহিলী পৰীক্ষাৰ পিছত আমাৰ ইংৰাজী শিক্ষকজনে (মেহেৰৰ মামা) আমাক ইংৰাজীৰ উত্তৰ বহী দিলে, মই ৯৫% পালো আৰু মেহেৰে মোতকৈ কম পালে। বহী দিয়াৰ পিছত মেহেৰৰ মামা মানে ইংৰাজী শিক্ষকজনে, মেহেৰ আৰু মোক কৈছিল তোমালোক দুজনৰ মাজতেই খেলা। তেতিয়াৰ পৰাই মই তাইক.....। তেতিয়া হুমায়ুনে কৈছিল— কচোন প্ৰেমডাল কৰি তই কি বিশ্ব বিজয় কৰিবিগৈ। "Please, at first you just complete your degree and thats all." এই বুলি কৈ কিছু সময় বৈ সি পুনৰ কবলৈ ধৰিলে 'অই শুন, এই প্ৰেম কৰা মানুহবোৰ যুক্তিহীন হয় Emotional হয় আৰু এই Emotion টো একদম ফাল্টু বস্তু। "The world is runing with money, not with your emotion. Love is not the destination, it is only a berrier of life." এই বুলি কৈ মোক একো ক'বলৈ সুবিধা নিদি সি মোৰ ওচৰৰ পৰা গুচি গ'ল। তাৰ প্ৰতিটো কথা মোৰ কাণত বাজি থাকিল। এই প্ৰেমটোনো কি বস্তু? মেহেৰৰ আদি-অন্ত নাজানি প্ৰথম দেখাৰ পৰা তাই মোৰ মনৰ সাম্ৰাজ্য অধিকাৰ কৰিছে। প্ৰেমনো কাৰ জীৱনলৈ নাহে তাৰ বাবে হুমায়ুনে ইমানকৈ কব লাগেনে? কিন্তু প্ৰেমে যে কাৰো বাধা নামানে। মেহেৰক ওচৰতলৈ গছৰ তলত বহি মনৰ ভিতৰত থুপ খোৱা কথাবোৰ কবলৈ বৰকৈ ইচ্ছা গ'ল। এনেয়ে হুমায়ুন যদিও মোৰ লগতে থাকে

তথাপি সেইদিনা লগ কৰিবলৈ সাহস কৰা নাছিলো। অকলেই খোজ ললো লাইব্ৰেৰীৰ বাৰান্দালৈ। মনত এক অজান উত্তেজনা, লাজ, ভয়। কৰিডোৰটোৰে সোমাব খোজোতেই দেখিলো সন্মুখৰ পৰা মোৰ সপোনৰ ৰাজকুমাৰী 'মেহেৰ' আৰু শ্বাহানা আহি আছে। শ্বাহানা মোৰ ক্লাছৰে। তাইক দেখি মই একপ্ৰকাৰ অপ্ৰস্তুত অনুভৱ কৰিছিলো। তেতিয়া মেহেৰৰ মুখত ৰহস্যজনক মিচিকীয়া হাঁহি আৰু আহি মোক সুধিলে তোমাৰ ভালনে? মই আনন্দতে ক'লো ভাল, কিন্তু তোমাৰ.....?

"মেহেৰ" এই ধুনীয়া নামটোয়ে মোক আপোন পাহৰা কৰিছে। নামটোতকৈ তাইৰ গাম্ভীৰ্যতা, মাধুৰ্য আৰু অমায়িকতাই মোক বেছিকৈ আকৰ্ষণ কৰিছে। মেহেৰক ভাল পোৱাৰ পৰাই মই অনুভৱ কৰিছিলো মেহেৰেই মোৰ সকলো। মেহেৰৰ কথা ভাবিয়েই গোটেই দিন পাৰ হ'ল। মেহেৰক মোৰ জীৱন সংগী কৰিব নোৱাৰিলে মোৰ জীৱনলৈ অন্ধকাৰ নামি আহিব। মই বলীয়া হ'ম। মেহেৰ অবিহনে মই.............।

আজি কলেজলৈ সোনকালে ওলালো। ন বজাত ক্লাছ আছে। ক্লাছতকৈ বেছি আকৰ্ষণ হৈছে মেহেৰৰ প্ৰতি। চাইকেল লৈ কলেজ গেট পাওঁতে দেখিলো হুমায়ুন গেটৰ সন্মুখত বৈ আছে। এতিয়া হুমায়ুনৰ ওচৰলৈ যাবলৈও সাহসৰ অভাৱ হোৱা যেন লাগিছে। আজিবা আৰু কি কৈ দিয়ে। লাহে লাহে মই তাৰ ওচৰ চাপিলো।

হুমায়ুনে সুধিলে যোৱা কালি মই কোৱা কথাখিনিৰ বাবে বেয়া পাইছ নেকি? "নাই" এই বুলি কৈ মই কলেজৰ ভিতৰলৈ যাব বিচাৰিলো।

"অই ৰচোন"— হুমায়ুনৰ মাত শুনি বৈ গ'লো আৰু থতমত খালো। হুমায়ুনে পুনৰ কবলৈ ধৰিলে তোক এটা দৃশ্য দেখুৱাবলৈহে মই ইয়াত বৈ আছো।

দৃশ্য— কি দৃশ্য কৈ হিচাপতকৈ অলপ জোৰকৈয়ে হাঁহিবলৈ ধৰিলো।

চা-চা-সেই ফালে চা। মুখখন তাৰ আঙুলিৰ দিশত ঘূৰাই দেখিলো এজন ল'ৰা আৰু এজনী ছোৱালী হাতে হাত ধৰি গছৰ তলত বহি কথা পাতি আছে।

ইয়াত চাব লগা কথা কিটো? গছৰ তলত ল'ৰা আৰু ছোৱালী একেলগে তেনেকৈ বহি কথা পতাটো আজিহে দেখিলি নেকি? আৰু সিহঁত সহপাঠীও হ'ব পাৰে...। মই অলপ খঙেৰে ক'লো।

সি শান্ত ভাবেই পুনৰ ক'লে সহপাঠী নহয় বুলি জানো কাৰণেই কৈছো। ভালকৈ চাচোন। সেইজনী তোৰ মন সাম্ৰাজ্যৰ গৰাকীনি মেহেৰ।

মেহেৰ। মোক একো ক'বলৈ সুবিধা নিদি সি পুনৰ ক'বলৈ ধৰিলে। আৰু সেই ল'ৰা জনক মেহেৰে ভালপায়। মেহেৰৰ Boy friend "মহিৰ"। তাৰ লগবোৰে 'পইল্‌তা' বুলি মাতে।

মোৰ মূৰত যেন বজ্ৰপাতহে পৰিল। অলপ আবেগিক ভাৱে হুমায়ুনক কলো, চা হুমায়ুন তই এইবোৰ ধেমালী নকৰিবি। তাইক মই ভাল পাওঁ তায়ো মোক ভাল পায়। তাইক মই অন্তৰৰ পৰা ভাল পাওঁ। মোৰ বাহিৰে কাকো তাই ভাল নাপায়। মোৰ মেহেৰ। হুমায়ুনৰ ভমককৈ খং উঠিল— ভাল কথা ক'লে ধেমালি কৰা হয়। বন্ধু হিচাপে তোক সজাগ কৰা, ভাল বেয়া পথ দেখুৱাই দিয়া মোৰ দায়িত্ব আছিল। যিটো মই পালন কৰিলো। Now it depends on you which way you will take. এইবুলি কৈ সি তাৰ পৰা গুচি গ'ল।

মেহেৰৰ ফালে আকৌ এবাৰ চালো। মেহেৰৰ হাত দুখন তেতিয়া ল'ৰা জনৰ হাতত আছিল আৰু দুয়ো যেন চকুৰে কিবা কথা—। মোৰ আৰু চাই থকাৰ ধৈৰ্য্য নহ'ল। হঠাতে মোৰ চিএৰ ওলাইছিল। আবেগত মই চিএৰি চিএৰি কৈছিলো ছোৱালীবোৰে ল'ৰাবোৰৰ অন্তৰৰ কথা বুজিবলৈ অকনো চেষ্টা নকৰে। ছোৱালীবোৰ স্বাৰ্থপৰ, আত্ম-গৌৰৱী, অহংকাৰী, অত্যন্ত লোভী...।

হ'ব পাৰে তাইৰ দেউতা এজন ধনীমানুহ মোক যে তাই ভাল পোৱাৰ প্ৰতিশ্ৰুতি দিছিল। আজি তাইৰ দেউতাৰ ধন সম্পত্তিৰ অহংকাৰে মোৰ ভাল পোৱাক ধোকা দিয়াটো তাইৰ বৰ্বৰতাহে। প্ৰেমৰ নামত এয়া তাইৰ প্ৰৱঞ্চনাৰ বাদে আৰু একো নহয়। তাই অকণো মোক বুজিবলৈ চেষ্টা নকৰিলে। তাইকলৈ মই বহুতো সপোন দেখিছিলো, কল্পনা কৰিছিলো। প্ৰেমৰ নামত মোক বলীয়া কৰি আজি মোক ছলনা কৰি আছে। প্ৰেম- ভালপোৱাৰ অৰ্থ নুবুজা ছোৱালী এজনী যমদূত বাদে—। তথাপি মই মোৰ জীৱনৰ শেষ সন্ধিয়ালৈ

তাইৰ বাবে অপেক্ষা কৰিম।

তাইক কিমান ভাল পাইছিলো তাৰ লেখ জোখ কৰিবলৈ পৃথিৱীত কোনো ব্যৱস্থা নাই। তাই অকনো নাভাবিল প্ৰেম ভাল পোৱাৰ লগত যে, এজন মানুহৰ জীৱন জড়িত আছে। আজি তাই অবিহনে মই সৰ্বহাৰা অনুভৱ কৰিছো। কি ভাষাৰে মোৰ মনৰ বেদনা মোৰ আবেগ মোৰ ভাল পোৱাৰ আৰ্তনাদ তাইক বুজাম তাকো হেৰালো।

তাইক ভাল পোৱাৰ দিনৰ পৰাই মই যেন এক নতুন জীৱন গঢ়াৰ পথত গতি কৰিছিলো। তাইৰ ভাল পোৱাই মোক দুখ বেদনা পাহৰাই এক পোহৰৰ বাট দেখুৱাই দিছিল। আজি পথভ্ৰষ্ট অজান পথৰ পথিক হৈ পৰিলো মাথোঁ হেৰাই যোৱা ভাল পোৱাৰ সন্ধানত। নাই কোনেও সহায়ৰ মনেৰে বন্ধুত্ব নকৰে মাথো নিজকৈলৈ সকলো ব্যস্ত। এয়া যেন এই সুন্দৰ পৃথিৱীৰ এটা নিয়মহে। আজি কালিৰ ছোৱালীক যাতে কোনো ল'ৰাই আপোন কৰি নলয়। অনতি পলমে হুমায়ুনৰ পিছ ললো, অলপ দূৰত বৈ আছিল। মই তাক সাৱটি ধৰিলো আৰু ক'লো "Thank you for your information and advice.Really, love is not a destination of life.It is only a barrier of life." মই আগুৱাই যাম, বহুদূৰ, বহুদূৰ। মই নতুনকৈ ৰচিম মোৰ জীৱনৰ যাত্ৰাপথ।' সি হাঁহিবলৈ ধৰিলে। ❑

| YEAR AD | INVENTION | INVENTOR | COUNTRY |
|---|---|---|---|
| 105 | Paper | Ts'ai Lun | China |
| 1250 | Magnifying glass | Roger Bacon | England |
| 1447 | Movable Type | Johann Gutenberg | Germany |
| 1590 | 2-lens microscope | Zacharias Janssen | Netherlands |
| 1608 | Telescope | Hans Lippershey | Netherlands |
| 1709 | Piano | Bartolomeo Cristofori | Italy |
| 1714 | Mercury thermometer | Gabriel D Fahrenheit | Germany |
| 1780 | Bifocal lenses for glasses | Benjamin Franklin | US |
| 1783 | Parachute | Louis Lenormand | France |
| 1795 | Modern pencil | Nicolas Jacques Conté | France |
| 1800 | Electric battery | Alessandro Volta | Italy |
| 1807 | Steamboat | Robert Fulton | US |
| 1819 | Stethoscope | René TMH Laënnec | France |
| 1827 | Matches | John Walker | England |
| 1829 | Steam locomotive | George Stephenson | England |
| 1837 | Telegraph | Samuel FB Morse | US |
| 1841 | Vulcanised rubber | Charles Goodyear | US |
| 1842 | Anaesthesia | Crawford W Long | US |
| 1846 | Sewing machine | Elias Howe | US |
| 1849 | Safety pin | Walter Hunt | US |
| 1858 | Washing machine | Hamilton Smith | US |
| 1858 | Refrigerator | Ferdinand Carré | France |
| 1867 | Typewriter | Christopher L Sholes, Carlos Glidden and Samuel W Soulé | US |
| 1876 | Telephone | Alexander G Bell | US |
| 1877 | Microphone | Emile Berliner | US |
| 1879 | First Practical electric light bulb | Thomas A Edison | US |
| 1888 | Ballpoint pen | John Loud | US |

# বিদিশাৰ হাঁহি

শ্ৰীবিনিতা মেধী
*স্নাতক প্ৰথম বৰ্ষ*



যেতিয়া মই গাওঁৰ স্কুলৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত পাছ কৰিছিলো তেতিয়া গুৱাহাটীৰ কটন কলেজত এডমিছন হৈছিলো আৰু তাৰ পিছৰ পৰাই মোৰ মনটো ৰঙীয়াল হৈ পৰিল। তাত গৈ প্ৰথম গচকিছো মহানগৰীৰ মাটি। ইমান সুন্দৰ মহানগৰীৰ ৰূপ। মোৰ মন যায় এফালৰ পৰা যেন সকলোবোৰ চাই ফুৰিম। বিভিন্ন শিক্ষা প্ৰতিষ্ঠানবোৰ দেখি বহুত কিবা কিবি পঢ়িবৰ বৰ মন যায়। সদ্যহতে টি.ডি.চি.টো পঢ়ি পিছত যি সুবিধা হয় পঢ়িম বুলি ভাবি উচ্চশিক্ষাৰ পাতনি মেলিলো। কটনৰ হোষ্টেলত থাকি বহুতো লৰা লগ পালো তাৰ ভিতৰত মোৰ মনত লগা বন্ধু হ'ল ভাৰ্গৱ। লৰাটো অত্যন্ত ভাবুক। আমি দুয়ো কোৰ্চ পঢ়াৰ বাহিৰে বাকীখিনি সময় আজে বাজেকৈ নষ্ট নকৰি বাহিৰা কিতাপকে পঢ়ি থাকো। হঠাৎ এদিন ভাৰ্গৱে মোক কলে, 'মই এদিন হলেও সংগঠনত সোমাম।' তাৰ এই দৃঢ় সিদ্ধান্তত মই হা না একো নকলো। কিছুদিন পিছত হোষ্টেলৰ পৰা ঘৰলৈ যাওঁবুলি কৈ কোনেও গম নোপোৱাকৈ ভাৰ্গৱ কৰবালৈ গুচি গ'ল। মই হাইস্কুল পঢ়াৰ দিনৰে পৰা বাহিৰা কিতাপ পঢ়িবলৈ খুব ভাল পাওঁ। গুৱাহাটীলৈ অহাৰ পিছতে মোৰ হেপাহ দুগুণ বাঢ়িল। মই ডিষ্ট্ৰিক্ট লাইব্ৰেৰীলৈ গৈ এখন কাৰ্ড কৰি ললোঁ। তাত হাজাৰ হাজাৰ কিতাপ দেখি মই অভিভূত হৈ পৰিলো। আহল বহল ৰুমটো ঘূৰি পকি চালো। ভিতৰত ইমান মৌনতা? গুৱাহাটীৰ নিচিনা এখন হুলস্থুলীয়া মহানগৰীৰ মাজতো যে ইমান শান্তিত পঢ়িব পৰা এখন ঠাই থাকে ভাবি আচৰিত হ'লো। তাৰ পিছৰ পৰাই লাইব্ৰেৰীত দুই-তিনি ঘণ্টামান পঢ়াৰ অভ্যাস কৰিলো। বহুতৰ সতে চিনাকি হলোঁ। মই যিখন টেবুলত পঢ়ো, মোৰ মুখামুখীকৈ এজনী ছোৱালী পঢ়ে । কেতিয়াবা ভাবো ছোৱালীজনীৰ লগত চিনাকি হওঁ। কিন্তু ছোৱালীজনী অত্যন্ত মুডী যেন লাগে। তাই পঢ়াৰ পৰা মূৰ দাঙিলেই মই তাইলৈ চাওঁ। কেতিয়াবা হঁহা যেন কৰোঁ। তাই কিন্তু কোনো সঁহাৰি নজনায়। মোৰ বেয়া লাগি যায়। দোষী-দোষী যেন লাগে নিজকে । ছেঃ তাই বা কি ভাবে। তথাপিও মই তাইলৈ নোচোৱাকৈ থাকিব নোৱাৰোঁ। কিবা এটা যেন ভাল লাগে। তাই কিন্তু মোলৈ ভ্ৰূক্ষেপেই নকৰে। মই অন্ততঃ তেনেকৈয়ে ভাবো। সদায় আহিয়ে তাই নিৰ্দ্দিষ্ট এখন কিতাপ ৰেকৰ পৰা উলিয়াব আৰু কেইঘন্টামান পঢ়ি চিন এটা দি থৈ উভতি যাব। মই মাথোঁ তাইৰ সকলো কাণ্ড-কাৰখানা লক্ষ্য কৰি যাওঁ। এদিন মোৰ ইচ্ছা গল তাইনো কোনখন কিতাপ পঢ়ি আছে জানিবলৈ। তাই কিতাপখন থৈ যোৱাৰ পিছত মই সেই কিতাপখন উলিয়াই আনিলোঁ। সঁচাকৈয়ে এখন ভাল কিতাপ, 'যুদ্ধ আৰু শান্তি'' মোৰ ধাৰণা আছিল, তাই পঢ়া কিতাপখন নিশ্চয় এখন সাধাৰণ প্ৰেমৰ উপন্যাস। কিন্তু তাৰ সলনি ''যুদ্ধ আৰু শান্তি''ৰ দৰে গভীৰ চিন্তামূলক কিতাপ পঢ়াদেখি তাইক মোৰ আগতকৈয়ো মুডী যেনহে লাগিল। কিতাপখনৰ শেষৰ ফালে পৃষ্ঠা এটাত চিন দিয়া আছে আৰু পিছত অলপমান বাকী আছে। হঠাতে মোৰ মনত এটা বুদ্ধি খেলালে। তাইৰ সতে চিনাকি হোৱাৰ এটা সুন্দৰ পৰিকল্পনা কৰি পেলালোঁ। পিছদিনা ছোৱালীজনীতকৈ আধাঘন্টামান আগতে মই লাইব্ৰেৰীত উপস্থিত হলোঁ। তাই থৈ যোৱা ঠাইৰ পৰা কিতাপখন উলিয়াই আনিলো আৰু লাইব্ৰেৰীয়ানক কলোঁ- আজি মই এই কিতাপখন পঢ়িম। কোনোবাই যদি কিতাপখন বিচাৰে মোক দেখুৱাই দিব। তাৰ পিছত মোৰ নিৰ্দ্দিষ্ট স্থানত

বহি কিতাপখন মেলি ললোঁ। ক্ষন্তেক পিছতে ছোৱালীজনী সোমাই আহিল। ৰেকৰ নিৰ্দ্দিষ্ট ঠাইত কিতাপখন বিচাৰিলে। তাত নাপাই গোটেই ৰেকখন চলাথ কৰিলে। পিছত লাইব্ৰেৰিয়ানক কিতাপখনৰ কথা সুধিলে। লাইব্ৰেৰীয়ানে মোৰ ফালে দেখুৱাই দিলে। ক্ষন্তেক সময় ছোৱালীজনী মোৰ ফালে চাই ৰ'ল আৰু এখোজ দুখোজ কৈ আগবাঢ়ি আহিল। মই যিমান পাৰো কিতাপখনৰ পৃষ্ঠাত মনোযোগ দিয়াৰ অভিনয় কৰিলোঁ। ছোৱালীজনী মোৰ নিচেই কাষত আহি থিয় হ'ল। এই মুহূৰ্ত্তত তাই মোক মাতিব । আ.. ইমান সুন্দৰ পৰিকল্পনা । ভবাতকৈয়ো বেছি মিঠা এটা মাতেৰে তাই কলে- 'অনুগ্ৰহ কৰি বেয়া নাপায় যদি কথা এটা কওঁ' , লগে লগে তাইৰ ফালে মুখ দাঙি চালো। 'কি কথানো...... কওঁক।' আপুনি "যুদ্ধ আৰু শান্তি" খন পঢ়ি আছে নহয় ? 'অ, কিয় সুধিলে?' 'মানে এইখন কিতাপ এক কপিয়েই আছে। যোৱা কেইদিন মান ধৰি কিতাপখন মই পঢ়ি আছো মাথোন অলপমান বাকী আছে। আপুনি বেয়া নাপায় যদি কাইলৈৰ পৰা এইখন পঢ়ক।' 'হ'ব হ'ব সেইটো একো ডাঙৰ কথা নহয়।' মই দুই হাতে আলফুলে কিতাপখন তাইৰ হাতত দিলোঁ। লগে লগে মই তাইৰ চকুৰ ফালে চালোঁ । হঠাতে তাই মিচিকিয়া হাঁহি দিলে। সেই হাঁহিটোৱে মোৰ মনটো বেয়াকৈ জোকাৰি গ'ল। পিছদিনা দুপৰীয়া এটা পুখুৰীৰ পাৰত ছোৱালীজনীৰ সৈতে মোৰ পুনৰ দেখা দেখি হ'ল। প্ৰথমে ময়ে মাতিলোঁ - 'কৰবালৈ যায় নেকি'? কলেজলৈ আহিছোঁ। কোনখন কলেজত পঢ়ে ? ইয়াতেই হেণ্ডিকত। সন্দিকৈ কলেজৰ ফালে আঙুলিয়াই তাই কলে । এইবাৰ পোনপটীয়াকৈ মই এটা প্ৰস্তাৱ আগবঢ়ালোঁ- আজি আপুনি মোৰ এটা অনুৰোধ ৰাখিব লাগিব। আপোনাৰ যদি সময় হয়, সৌ ৰেষ্টুৰেন্ট খনলৈ যাওঁ বলক। আপোনাৰ সতে চিনাকি হবৰ খুব মন গৈছে মোৰ। নিশ্চয় ৰাখিম অনুৰোধ বলক ক্লাচলৈ এতিয়াও মোৰ এঘন্টা বাকী । ৰেষ্টুৰেন্টত দুয়ো দুখন মুখা মুখী চকীত বহি দুটা কল্ড-ড্ৰিংচ বেইটাৰক আনিবলৈ দিলোঁ। প্ৰথমে মই মোৰ পৰিচয় দাঙি ধৰিলো। মই অভীক বৰুৱা। গাওঁৰ লৰা। নামনিৰ এখন অখ্যাত গাওঁত মোৰ ঘৰ। ইয়াত কটনত পঢ়ি আছো টি.ডি.চি. ফাৰ্ষ্ট ইয়েৰত। মই বিদিশা ফুকন ঘৰ ইয়াতে, নবীন নগৰৰত। টি.চি. ৰ পৰা এইবাৰ মেট্ৰিক পাছ কৰি হায়াৰ ছেকেণ্ডাৰীত এডমিছন লৈছোঁ। বয়স আৰু পঢ়াৰ ফালৰ পৰা আমাৰ মাজত এটা পাৰ্থক্য আছে। গতিকে আপুনি মোক তুমি বুলি মাতিলে ভাল পাম। 'ঠিক আছে তুমি বুলিয়ে কম।' সেইদিনা হয়তো বিদিশাই ভবা নাছিল মই তাইক ভাল পাই পেলাম। প্ৰেম নামৰ দুটা আখৰৰ শব্দটোৰ আৰম্ভনি হয়তো এনেকৈয়ে হয়। কেতিয়াবা লাইব্ৰেৰীত গৈ ভাবোঁ মই আজি বাহিৰলৈ গৈয়ে বিদিশাক লগ ধৰি কম "মই তোমাক ভাল পাওঁ" বিদিশা । কিন্তু তেনেকৈয়ে বহুত দিন পাৰ হ'ল। কিবা এটা ভয়ো লাগে। তাইতো মোক ভাল নাপাবও পাৰে। এদিন মনক বান্ধি ৰাখিব নোৱাৰি কৈ দিলো সেই কথাষাৰ। মোৰ কথাষাৰ শুনাৰ পিছত বিদিশাই চিন্তা ভাৱনা ওলট পালট কৰি দিলে। তাই কলে 'আপুনি কথাষাৰ কওঁতে বহুত দিন সময় ললে অভীক দা। আৰু পলম কৰা হলে মোক মিছেই কৰিলেহেঁতেন।' 'যি নহওঁক তাৰ মানে বিদিশা....... তুমি...... মোক.... !' এৰা অভীকদা আপোনাক মই ভাল পাওঁ। লাইব্ৰেৰীত প্ৰথম দেখোতেই মোৰ ভাল লাগিছিল। মাতিবলৈ মন গৈছিল ভাবিছিলোঁ আপুনি আগতে মাতিব কিন্তু মোৰ আশা পূৰণ নহ'ল। বিদিশাৰ কথা শুনি সঁচাকৈয়ে মই আচৰিত হলোঁ। অজান পুলকত মোৰ অন্তৰ ভৰি পৰিল। প্ৰেম নিশ্চয় এখন অন্তৰেৰে কৰা নাযায়। এখন অন্তৰক আন এখন অন্তৰে সন্মতি জনালেহে প্ৰেমে পূৰ্ণতা পায়। হয়তো সেই সন্মতি মৌনতাৰে হব পাৰে। কেইবছৰ মান এনেকৈয়ে পাৰ হৈছিল। ইতিমধ্যে মই টি.ডি.চি. পাছ কৰিলো। আৰু চাকৰি নোপোৱা পৰ্য্যন্ত ঘৰত থকাৰ সিদ্ধান্ত লৈ ঘৰলৈ উভতিলো। এদিন সন্ধিয়া মা আৰু ভনী শিখাৰ সতে টি.ভি. চাই আছো। এনেতে বাহিৰত কোনোৱাই কলিংবেল বজাই দিলে মই গৈ দুৱাৰ খুলি দেখিলো যে এজন মানুহ । দাড়ি, চুলি বিলাক দীঘল। কান্ধত এখন বেগ লৈছে। মই আচৰিত হৈ সুধিলো,- আপুনি কাক বিচাৰিছে? কিয় মোক চিনি পোৱা নাই নেকি? মই ভাৰ্গৱ। মই উগ্ৰপন্থী সংগঠনত সোমাইছো নহয়। গতিকে মই কেইদিনমানৰ বাবে তোমালোকৰ ঘৰত আশ্ৰয় বিচাৰি আহিছোঁ । তেতিয়া ভাৰ্গৱ ভিতৰলৈ গৈ মুখ হাত ধুই অলপ জিৰণী লোৱাৰ পিছত দুয়ো জনৰ বহু কথা হ'ল। কিন্তু এদিন ৰাতি হঠাৎ পুলিচ

আহিল। তৎক্ষণাত ভাৰ্গৱে গম পাই পলাই যায়। ভাৰ্গৱক বিচাৰি নাপাই মোক ধৰি লৈ যায়। বহুদিনৰ পিছত ময়ো উগ্ৰপন্থী সংগঠনত ভাৰ্গৱৰ লগত যোগদান কৰো। দুই বছৰমান থকাৰ পিছত বিদিশা, মা আৰু শিখাৰ কথা মনত পৰি থাকে। তাত থাকি মোৰ ভাল লগা নাছিল। সেই বাবে তাৰ পৰা অস্ত্ৰ এৰি গুচি আহিলোঁ ঘৰলৈ । ঘৰত আহি বিদিশাৰ খবৰ লোৱাত গম পালো বিদিশাৰ বিয়া হৈ গৈছে। এয়া কি হ'ল? মই আচৰিত হৈ পৰিলোঁ। আৰু এনেকৈয়ে কেইদিনমান থকাৰ পিছত মই স্বনিয়োজনৰ বাবে লক্ষ্মীপুৰত এটা ব্যৱসায় কৰিবলৈ ললোঁ। কিন্তু ইমানদিনে বিদিশাক নেদেখিলেও এদিন হঠাৎ তাইক দেখা মাত্ৰেই চিনি পালো। মই সুধিলো বিদিশা তুমি ইয়াত? আপুনি অভিক দা নহয়নে ? এৰা মই অভিক, সেই তাহানিৰ অভিক। ভিতৰলৈ নামাতা? তাই মোক নি ড্ৰয়িংৰুমত বহুৱালে। তাই এযোৰ শুভ্ৰ চুৰিদাৰ পিন্ধিছিল। তাইৰ কিন্তু কপালত সেন্দুৰৰ ফোট নাই। মই কলো বিদিশা এক দীঘলীয়া বিৰতিৰ পিছত মই যে তোমাক এয়া সঁচাকৈ লগ পাম ভাবিলে আচৰিত হওঁ। ময়ো তাকে ভাবিছো, ইমান নাটকীয় ভাৱে কিয় আমাৰ দেখা দেখি হ'ল। মই জানো তুমি মোক বেয়া পাইছা পোৱাটো স্বাভাবিক। কিন্তু কেনেকৈ যে কি হ'ল। আপোনাক মই বেয়া পোৱা নাই। দোষ দিছো মোৰ ভাগ্যক। আপুনি নথকা দিনবোৰত বহুত ঘটনা ঘটি গল। কিন্তু বিদিশা তুমি মোক একেবাৰে পাহৰি গৈছা নহয়নে? মই আপোনাক পাহৰিব পৰা নাই। আজিও মই আপোনাক ভালপাওঁ। যেতিয়া মই ডিগ্ৰী পাছ কৰিলো লগে লগে মা-দেউতাই এজন লৰা বিয়াৰ বাবে ঠিক কৰিলে। তেতিয়াও মই আপোনাৰ খবৰ লোৱাত আপুনি ঘৰত নাই, শেষত মই বিয়া হবলৈ বাধ্য হলোঁ। কিন্তু সময়বোৰ বৰ নিষ্ঠুৰ। মোৰ গাৰ মাহ হালধীৰ গোন্ধ মাৰ নাযাওঁতেই এদিন তেওঁ ডিউটি লৈ ওলাই গৈ ঘৰলৈ উভতি নাহিল। কোনোৱা উগ্ৰপন্থীয়ে তেওঁক হত্যা কৰে। ঘটনাৰ আকস্মিকতাত মই কান্দিবলৈ পাহৰি থাকিলো। অৱশেষত চৰকাৰে ইয়াতে এখন স্কুলত এটা চাকৰি দিয়ে । হঠাৎ বিদিশাৰ এনেকুৱা সহিব নোৱাৰা কথা শুনিম বুলি ভবা নাছিলোঁ। আমাৰ সংগঠনে আজি বিদিশাক বিধবা কৰিলে। হয়তো তাইৰ দৰে আন বহুতকো ...। মই সুধিলো তেখেতে কি চাকৰি কৰিছিল। বৰ ডাঙৰ টেক্স অফিচাৰ। কেতিয়াবা নিশাও ডিউটি থাকে আৰু পিছদিনা ৰাতিপুৱা বহুত টকা আনে মই কিন্তু ভাবিছিলোঁ সেয়া দুৰ্নীতিৰ টকা, বাধা দিছিলো। কিন্তু একো লাভ নহল। তেওঁৰ নামটো অক্ষয় চৌধুৰী। লগে লগে মোৰ মূৰটো যেন আচন্দ্ৰাই কৰিলে। এয়া কি কৰিলো মই। তেওঁক মই ভাৰ্গৱৰ লগত নিজ হাতে হত্যা কৰিছোঁ। এনেকৈ মই ভাবি থাকিলো। হঠাৎ বিদিশাৰ মাতত মই বাস্তৱলৈ উভতি আহিলো। ইমানকৈ কি ভাবি আছে অভীক দা। হৈ যোৱা সকলো সপোন বা এটা বেয়া ঘটনা বুলি ভাবিব নোৱাৰানে বিদিশা? ধৰা তোমাৰ বিয়া হোৱা নাছিল। এতিয়া মই প্ৰতিষ্ঠিত হৈছো আমাৰ সমাজত বিধবাৰ বিয়া হোৱা নিয়ম নাই। মানুহৰ চকুত আমি বেয়া হম। কিন্তু অন্তৰেৰে মইয়ো আপোনাকে বিচাৰোঁ। তথাপিও ইমানবোৰ খেলি মেলিৰ পিছত? তোমাক মই হেৰাই যাবলৈ নিদিও বিদিশা । তেতিয়াহে বিদিশাই পুনৰ হাঁহিবলৈ শিকিলে। ❑





গল্প

# ভেকুলীৰ বিয়া





শ্ৰীৰূপামণি তালুকদাৰ
*উচ্চতৰ মাধ্যমিক, দ্বিতীয়বৰ্ষ*

যদু খুৰাৰ মনটো পাশাখেলত পঞ্চপাণ্ডৱে সকলো হেৰোৱাৰ সময়ত যেনেকুৱা হৈছিল ঠিক তেনেকুৱাই হৈছিল। দুমাহ ধৰি এটোপাল বৰষুণ পৰা নাই। খেতি পথাৰ সমূহত ফাঁট মেলিছে। তেওঁৰ সকলো আশা ধুলিৰ লগত মিহলি হ'ল। সেয়ে তেওঁ নুমলীয়া জীয়েক জুলিক কলে বোলে তই গাঁওৰ ছোৱালীবোৰৰ সৈতে লগলাগি ভেকুলী বিয়াৰ আয়োজন কৰ।

যদু খুৰা এজন ভাল খেতিয়ক। খেতিৰ ওপৰতেই তেওঁৰ সকলো আশা ভৰসা ।

কিন্তু জুলিৰ উত্তৰত সকলো আচৰিত হ'ল যে তাই বোলে ভেকুলী বিয়া মানে কি নাজানে। সঁচাকৈয়ে বাৰু আমি কৃত্ৰিম হৈ নপৰিছোনে? ভেকুলীৰ বিয়া পাতিলে বৰষুণ পৰাটো এটি জনবিশ্বাস। কিন্তু ভেকুলী বিয়াই আমাৰ মন আনন্দময় কৰি তোলে।

তেতিয়া মই দ্বিতীয় মান শ্ৰেণীত। বহুদিন বৰষুণ পৰা নাছিল। ধানবোৰ ৰ'দত মৰহি গৈছিল। সেয়ে আমি ভেকুলী বিয়াৰ আয়োজন কৰিছিলো।

শনিবাৰে সোনকালে স্কুল ছুটি হয় বাবে আমি সেই দিনটো মাগিবৰ বাবে ঠিক কৰিলোঁ। এটা বাল্টিত সকলোৱে ঘৰৰ পৰা পানী মাগিছিলোঁ আৰু এখন মোনাত টাউল বা পইচা লৈছিলো বিয়াৰ যা-যোগাৰ কৰিবৰ বাবে আৰু সকলোৱে আমাৰ গাৰে পানী চটিয়াই দিছিল। যেন আমি বাৰিষাৰ বৰষুণত তিতি ফুৰিছোঁ। মাগিবলৈ যাওঁতে আমি বৰষুণ দিবলৈ মেঘক অনুৰোধ জনাই গান গাইছিলো—

মেঘা ঐ মেঘী ঐ বৰষুণ দে
কেইটামান চান্দা পুঠি
কেইটামান বেছা হে
চুবুৰীৰ ছোৱালীবোৰে লগ সমনীয়া
খেলায় হে
দুটকা মান টকা দি
আমাক বিদায় দিয়ক হে

সুৰ লগাই লগাই গানটো গোৱাৰ পিছত গৃহস্থই পইচা বা চাউল দি বিদায় দিছিল।

আমি চাউলবোৰ বিক্ৰী কৰি বিয়াৰ বজাৰ কৰিছিলো। দৰাৰ পোছাক, কইনাৰ পোছাক, চাহ, বিস্কুট আদি। দৰাঘৰীয়া গাঁওৰ মূৰত আৰু কইনা ঘৰ গাঁওৰ আনটো এমূৰত আছিল। আমি বিয়াৰ সকলোবোৰ নিয়ম-নীতি যেনে জোৰণ দিয়া, কইনা চাবলৈ যোৱা, দৰা চাবলৈ যোৱা আদি কৰিছিলো।

বাৰীৰ পিছফালৰ পৰা দুটা ভেকুলী ধৰি আনিছিলো। তাৰে এজনী কইনা সজাইছিলো আৰু সেন্দুৰ পিন্ধাই দিছিলোঁ। আমি বিয়া কৰাবলৈ যাওঁতে লগত গাঁওৰ মানুহেও যোগদান কৰিছিল। আমাক কইনাঘৰীয়াই ফিকা চাহ আৰু বিস্কুট খুৱাইছিল। দৰাক আগবঢ়াই নিবলৈ অহাত আমি ক'লো বোলে দৰা নেযায়। কইনাৰ মাকে কাবৌ কাকুতি কৰাত আমি কলো বোলে দৰা যাবলৈ মান্তি হৈছে কিন্তু দৰাক কইনাৰ মাকে এটি চুমা খাব লাগিব। কিন্তু ছোৱালীজনীয়ে (কইনাৰ মাক) কোনোমতে ভেকুলী জোৰাঁইক চুমা নাখালে। অৱশেষত বিয়া হল। সকলোৱে একেলগে বহি ভাত খাই আছোঁ, কৰ পৰা জানো মেঘ নোহোৱা বৰষুণ এজাক আহিল আৰু কোনেও গম নোপোৱাকৈ ভেকুলী দুটা পলাই গল। আমাৰ আৰু ভাত খোৱা নহ'ল সকলোৱে মাথো চিন্তা ঘৰ কেনেকৈ পাঁও।

হঠাৎ মই চক খাই উঠিলো যেতিয়া জুলিয়ে হাতত বাল্টি আৰু মোনা লৈ ছোৱালীবোৰৰ সৈতে ভেকুলী বিয়াৰ বাবে মাগিবলৈ আহি মোৰ গাত পানী ছটিয়াই দিলে। মই এটি স্বস্তিৰ নিশ্বাস এৰিলো। বৰষুণ নপৰিলেও অন্ততঃ ভেকুলী বিয়াৰ নামত ডেকা-বুঢ়া সকলোৱে অলপ হাঁহি লওক। ❑

গল্প

# সপোনৰ ঘৰ

আঃ মৌতালিব হোছইন
*স্নাতক মহলা, দ্বিতীয়বর্ষ*

স্কুলৰ অফিছত খুবেই ভিৰ। ছাত্ৰ-ছাত্ৰী বিলাকৰ ঠেলা-হেচাৰ বাবে বাহিৰলৈ ওলাই আহিলো। প্ৰায় আধা ঘন্টামান পিছত ভিৰ কিছু শাম কটাত আকৌ সোমালো। মই আৰু তিনি-চাৰি জন ল'ৰাৰ বাহিৰে বাকীবোৰ ছোৱালী। মোৰ বাহিৰে গোটেই বিলাক ছাত্ৰ-ছাত্ৰী নতুন বৰ্ষৰ। পিছফালৰ পৰা চিনাকী মাত শুনি ঘুৰি চালোঁ। হঠাৎ যেন মোৰ চকুযুৰি লাহে লাহে মুদখাই গ'ল। মূৰটো যেন অলপ কিন-কিনকৈ বিষোৱা অনুভৱ কৰিলোঁ। তাত থিয় হৈ থকাটো মোৰ সম্ভৱ নাছিল। চকু আৰু মূৰৰ পৰা গৰম ভাপ ওলাবলৈ ধৰিছে। ঠাগুৰ মাজতো মুখমণ্ডলত নিয়ৰৰ কণাৰ দৰে ঘামৰ টোপালবোৰ জমা হৈ আছে। শালমন যেন দেখিবলৈ।

আচলতে তাইক দেখিলেই একো নভবাকৈ তেনে হৈ পৰোঁ। তাইতো মোক কোনো ক্ষতি কৰিব বিচৰা নাই। মোৰ শত্ৰুও নহয়। তথাপিও কিয় এনেকুৱা হয়? তাইতো মোৰ আপোন কোনো নহয়। তাইৰ প্ৰতি এতিয়াও মোৰ দুৰ্ব্বলতা আছে নেকি? তাইক মোৰ হ'বলৈ প্ৰেমাবেদন কৰিম নেকি? নাই, নহয় কেতিয়াও নহয়। এয়া মোৰ বিজয়ৰ ওচৰত স্বাৰ্থপৰ কাম হ'ব। বিজয় এতিয়া মিতালীক বহুত ভাল পায়। মই স্বাৰ্থপৰ হব নোৱাৰোঁ। এই আওপকীয়া প্ৰশ্নবোৰত মূৰৰ বিষ যেন দুগুনে বাঢ়ি আহিল। লাহে লাহে বিষৰ পৰা অলপ উপশম পোৱাত অফিছৰ পৰা এডমিট কাৰ্ড লৈ আঁতৰি আহিলো।

হয় মিতালী। অতি চিনাকী নাম। সম্পূৰ্ণ নাম মিতালী মুখাৰ্জী। এসময়ৰ মোৰ সপোনৰ ৰাজ কাৰেঙৰ এপাহী ফুল কোমলীয়া কুঁৱৰী। যাক মই মোৰ পৱিত্ৰ অন্তৰেৰে ভাল পাইছিলোঁ। মোৰ পৱিত্ৰ হৃদয়ত লিখা আছিল কেৱল তাইক লৈ ৰচা মধুৰ মধুৰ সপোন। মই এনেকুৱা এখন পৃথিৱী বিচাৰিছিলোঁ যত থাকিব অযুত সঁচা মৰমবোৰ। য'ত বিৰাজ কৰিব অনাবিল শান্তি। কিন্তু এইবোৰ হঠাতেই স্মৃতি হৈ যাব মই ভবা নাছিলো। এইবোৰ আছিল সাগৰৰ পাৰৰ বালি চৰত সজোৱা বালি ঘৰৰ দৰে।

মোৰ সপোন বোৰ সপোনেই হৈ ৰল। সপোন কাকো দেখুৱাব নোৱাৰোঁ। সপোন যিমানেই ৰঙীন নহওক কিয় ইয়াৰ আঁৰত বিৰাজ কৰে কেৱল কলা এন্ধাৰৰ বিভিষিকা। সপোন দেখাটো ভাল কিন্তু ভৰাটো অনুচিত। সপোন দেখি সাৰ পালেই সকলো হেৰাই আকৌ নামি আহে এন্ধাৰৰ বিভিষিকা। তাইক লৈ ৰচা সপোনৰ বিনিময় হিচাপে পালো এবুকু বেদনা। কিন্তু এয়া জানো তাইৰ দোষ? নহয় হবই নোৱাৰে। মিতালী মোক......।

এনেকুৱা এটা দিনতে তাইক মোৰ সপোনৰ কাৰেঙত বহুৱাইছিলো। সেই দিনা আছিল ৰবিবাৰ। ইং চেপ্তেম্বৰ মাহৰ ২০ তাৰিখ। দুপৰীয়া মই আৰু মোৰ দাদাই লেচু গছৰ তলত বহি ৰেডিঅ' শুনি আছো। এনেতে বিজয় আহি ওলাল। তেওঁ এতিয়া ওচৰৰ বজাৰ এখনত "এয়াৰচেল"ত কাম কৰি আছে। সি মোক কলে— মিতালী নামৰ ছোৱালী জনীক ফলো কৰিবিচোন। মই 'কিয়' বুলি প্ৰশ্ন কৰাত সি একো নকয় কেৱল নৱমমান শ্ৰেণীৰ ছাত্ৰী বুলি কলে। মিতালীহঁতৰ ঘৰ আমাৰ ঘৰৰ দক্ষিণ ফালে। এনেই চিনি পাওঁ কিন্তু কথা পতা নাই। তাইৰ ক্লাচৰ এজনৰ হতুৱাই কথা পাতিলো। দুই তিনি দিনৰ কথা বতৰাত তাইৰ প্ৰতি মোৰ দুৰ্বলতা আহি পৰিল। আজি কালি তাইক নেদেখিলে মোৰ ভাল নালাগে। আগত স্কুলত যোৱাৰ ইচ্ছা হোৱা নাছিলে আৰু এতিয়া, ৭-৩০ টা বজাৰ লগে লগে স্কুলত যোৱাৰ যোজা আৰম্ভ হয়। মাত্ৰ কেইদিন মান আগৰ কথা। ৰবিবাৰ আহিলে ভাল নালাগে। কেতিয়াবা ভাবো কেলেণ্ডাৰৰ পৰা যদি দেওবাৰৰ দিনটো উঠাই দিলেহেঁতেন। সঁচাকৈয়ে মই তাইৰ প্ৰেমত পৰিছো। প্ৰেম সঁচাই অন্ধ। প্ৰেম মনৰ এক পৱিত্ৰ বাসনা। দুটি মনৰ পৱিত্ৰ মিল। ইজনে সিজনৰ প্ৰতি থকা গভীৰ বিশ্বাস। প্ৰেমৰ আন এটা নাম বিশ্বাস।

বিশ্বাসৰ পৰা প্ৰেমৰ সৃষ্টি হয়। প্ৰেম স্বৰ্গীয়। প্ৰেম সাগৰৰ দৰে গভীৰতকৈও গভীৰ। ইয়াৰ কোনো নিৰ্দ্দিষ্ট সীমা নাই।

কিন্তু মইহে ইমানবোৰ কথা ভাবিছোঁ। তাইকলৈ ইমান সপোন দেখিছো। তাইক লৈ ভাবি ভাবি সাগৰত ডুবগৈ থাকো। তাই বাৰু বুজি পাইছেনে মোৰ মনৰ কথা। এতিয়া মই কেৱল তাইৰ কথাই ভাবি থাকো। কিয় বাৰু এনেকুৱা হ'ল? কোনো উত্তৰ নাই। মই আচলতে অকৰা। তাইক ভাল পাওঁ বুলি মই কোৱাই নাই। তাইনো কেনেকৈ গম পাব মোৰ মনৰ কথা। তাইক ক'মনে বাৰু কথাটো? যদি মোক বেয়া বুলি ভাবে? নাই, নাই নকওঁ। প্ৰেম কাৰো পৰা খুজিলোৱা বস্তু নহয়। তাইক কোৱাটো মোৰ উচিত নহ'ব।

লেজাৰ টাইম। ছাত্ৰ-ছাত্ৰীবোৰ খেলি আছিল। গছৰ তলত বহি আছো। মৃদু বতাহ বৈ আছে। ছাইকেল ষ্টেণ্ডত এজনী ছোৱালী চকুত পৰিল। ছোৱালীজনীয়ে লাহে লাহে দুখন ছাইকেলৰ পাম্প এৰি দি গুচিগ'ল। মই একো নকৈ নিৰবে চাই গ'লো আৰু ভাবিলো তাইৰ উদ্দেশ্য কি? স্কুল ছুটি হ'ল। তাই আগে আগে গৈ আছে মই পিছে পিছে। মিতালী আচৰিতহৈ কলে ছাইকেলৰ পাম্প কোনে এৰি দিলে? আকৌ চিঞৰি উঠিল— "তোমাৰ ছাইকেলৰ চোন পাম্প এৰি দিছে।" মোৰ ছাইকেলখন তাৰ চাইকেলতকৈ বহুত আঁতৰত। কথাটো বুজিবলৈ বাকী নাথাকিল এইটো কাৰ কাম। "Oh God!" আমাৰ দুটাৰে পাম্প এৰি দিবলৈ কাকনো পালে। বলা বুলি বুলি যাওঁ। মিতালীৰ কথাত সঁহাৰি দি লাহে লাহে ঘৰৰ পিনে আহি থাকিলো। ৰাস্তাত বহুত কথা পতা হল। তাই সামান্য কথাতে হাঁহি হাঁহি পৰি যাব খোজে। ঘৰ আহি পোৱাত তাই মোক কলে— "তুমি এজন নাম্বাৰ ওৱান বুৰ্বক" কথাটো কৈ হাঁহি মাৰি গুচি গ'ল। "বুৰ্বক মানে মই বুৰ্বক। মনতে কলো। সঁচাই মই বুৰ্বক ইমান যে তাই সুযোগ দিয়া সত্বেও মনৰ কথাষাৰ কবলৈ সাহস নাপালো। গোটেই ৰাতি একেষাৰ কথাই মনলৈ আহি থাকিল "তুমি এজন নাম্বাৰ ওৱান বুৰ্বক" এনে সোণালী সুযোগ আৰু কেতিয়াও নেপাওঁ।"

আমাৰ পদুলিৰ পৰা মিতালীহঁতৰ পদুলি ভালকৈ চাব পাৰি। আবেলি পৰিলেই দুয়ো দুয়োৰে পদূলিত থিয় হওঁ আৰু চকুৰ ভাষাৰে কথা পাতো। যি ভাষাৰ কোনো লিখিত ৰূপ নাই। এদিন আবেলি পদুলিত থিয়হৈ ঘৰৰ দক্ষিণ ফালে থকা দোকানৰ ওচৰত বহিছো। গছৰ ফাঁকেদি সিহঁতৰ পদুলি চাব পাৰি কিন্তু সিহঁতৰ পদুলিৰ পৰা দোকান খন ভালকৈ দেখা নাযায়। তাই ওলাই বাৰে বাৰে আমাৰ পদুলিলৈ লক্ষ্য কৰা দেখিলো। মোৰ লগৰ এজনে কৈ দিলে "তহঁতৰ কিন্তু বেছ জমিছে। একদম লেইলা-মজনু জেইছা" মই কেৱল হাঁহিলো। সূৰ্য্যটো ৰঙা হৈ পৰিল। ৰঙা কিৰণে মিতালীৰ গাল দুখন আৰু অধিক ধুনীয়া কৰি তুলিলে। লাহে লাহে পৃথিৱীৰ বুকুলৈ সন্ধিয়া নামি আহিল। পাতল এন্ধাৰৰ মাজেদি লক্ষ্য কৰিলো তাই যেন অস্থিৰ ভাৱে বৈ আছে। মই লাহে লাহে ঘৰৰ ফালে আগবাঢ়িলো। এনেতে এটি মহিলা কণ্ঠ শুনিবলৈ পালো "মিতালী সন্ধিয়াৰ চাহকাপ খাই যা" তাইৰ মাক নিশ্চয়। "গৈ আছো ৰবা কিবা হেৰাইছে মোৰ" মিতালীয়ে উত্তৰ দিলে। "এন্ধাৰত পাবি জানো। ৰবি মই লেম্পটো লৈ গৈ আছো।" এনেতে তাই মোক দেখা পাই হাত দাঙি দিলে। ময়ো দিলো। "নেলাগে মা, পাইছো" কৈয়ে দৌৰি আঁতৰি গ'ল।

আমাৰ H.S.L.C. Test পৰীক্ষা হৈ গ'ল। সেইদিনা আছিল শনিবাৰ। আমাৰ ঘৰৰ পৰা এক কিঃমিঃমান পশ্চিম-উত্তৰত সাপ্তাহিক বজাৰ এখন আছে। মঙ্গলবাৰ আৰু শনিবাৰে বহে। সপ্তাহটোৰ বজাৰ খৰচৰ বাবে মায়ে মোনা এখন আৰু বজাৰ তালিকাখন টকাৰেসৈতে দিলে। ছাইকেল উলিয়াই বজাৰলৈ বুলি ৰাওনা হলো। এনেতে আমাৰ স্কুলৰ আগত থকা কেকুৰীটোৰ আগত মিতালীক লগ পাই ছাইকেলৰ পৰা নামিলো। তাই টিউচনৰ পৰা আহি আছে। তাই হাঁহি এটা মাৰিলে। মিতালী তোমাক কথা এটা কওঁ যদি বেয়া পোৱা?— নাই কিয় বেয়া পাম। তাইৰ মুখখন আৰু অধিক উজ্জল হৈ উঠিল। কওঁ নকওঁকৈ কলো— তোমাক ভাল পাব খোজে মানে এজন ল'ৰাই তোমাক ভাল পাই পেলাইছে তুমি কি কোৱা। তাইৰ মুখখন নিমিষতে কলা পৰি গ'ল। মোৰ চকুলো ওলাওঁ ওলাওঁ। কোনোমতে ৰুমাল এখনেৰে মছি ল'লো। "এইটো তোমাৰ মনৰ কথা নহয়। মই কেতিয়াওঁ বিশ্বাস নকৰো" মিতালীয়ে কলে। "বিশ্বাস

কৰা মিতালি বিজয়ে তোমাক সঁচাই ভাল..........। সি তোমাক সঁচা অন্তৰেৰে পাব বিচাৰে।" কঁপা কঁপা মাতেৰে মই কথাষাৰ কলো। কিছুসময় দুয়ো মৌনতাৰে থাকিলো। মৌনতা ভেদ কৰি মিতালিয়ে কলে,- 'তোমাৰ মাতটো ভঙা-ভঙা লাগিছে কিয় আৰু তোমাৰ...।' নাই ক'ত মই ঠিকেই আছো। মইতো হাঁহিয়ে আছো তুমি মানি লোৱা মিতালী তুমি মানি লোৱা। তাক ভাল পালে তুমি সুখী হ'বা, সুখী হ'বা। এনেকৈ কৈয়ে তাইৰ পিনে নোচোৱাকৈ আঁতৰি আহিলো। বজাৰত কি কি খৰচ কৰিলো মই ক'ব নোৱাৰো। ঘৰত মাকে হিচাপ বিচৰাত শৰীৰ ভাল নহয়, পুৱাই দিম বুলি কৈ শুই পৰিলো। ৰাতি ভালদৰে টোপনি নহ'ল। শৰীৰটো অলপ পাতল হোৱাত পুৱা ৯-৩০ বাজত পদূলিত থিয় দি আছো। স্কুলৰ ছাত্ৰ-ছাত্ৰী স্কুললৈ গৈ আছে। ঘৰলৈ বুলি খোজ লৈছো এনেতে মিতালীয়ে মাত দিলে। "তুমি মোক দেখিলেই আঁতৰি যোৱা কিয়? মই তোমাক কি দোষ কৰিলো। কথা নোকোৱা নাই আগতে মোক দেখিলেই তুমি যি হাঁহি মাৰিছিলা সেয়াই আছিল মোৰ বাবে অমৃততূল্য।" তাইৰ মাতৰ শব্দ ক্ষীণ হৈ আহিল। চকুৰে দুধাৰি লোতক বাগৰি আহিল। মই একো নকলো কেৱল মৌন শ্ৰোতাৰ দৰে শুনি গলো। তাই কান্দি কান্দি আঁতৰি গ'ল।

**ডায়েৰীৰ পৰা—**

এয়া তোমাৰ দোষ নহয় মিতালী, মোৰো নহয়। এয়া যে পৰিস্থিতিয়ে বাধ্য কৰাইছে। তোমাক মই সঁচাই ভাল পাইছিলো। এতিয়াওঁ পাওঁ। কিন্তু তোমাক কোৱাত বহুত পলম হ'ল। মোৰ হৃদয়ত তোমাৰ কাৰণেই ঘৰ সজাইছিলো। কিন্তু ক'ৰ এজাক সপোন ভঙা ধুমুহাই সকলো ভাঙি ছিঙি লৈ গ'ল। ছাঁ বিহীন গছৰ কোনো মূল্য নাই। মোৰ সপোনৰ ঘৰত এতিয়া আগৰদৰে পোহৰ নাই কেৱল এন্ধাৰে এন্ধাৰ। এই শূন্য এন্ধাৰ ঘৰত যোৱাৰ কোনো ৰাস্তাই নাই।

তুমি সুখী হোৱা মিতালী, তুমি সুখী হোৱা, তোমাৰ সুখেই মোৰ সুখ। তুমি সুখী হলে মোৰ সপোন কিঞ্চিত হলেও সাৰ্থক হ'ব। তোমাৰ প্ৰতি মোৰ সঁচা প্ৰেম সদায় থাকিব। মই সাধনা কৰিম যাতে তোমাৰ আৰু মোৰ মিলন পিছৰ জন্মত হয়।

**উপসংহাৰ**

**মিতালীৰ ডায়েৰীৰ পৰা—**

মই তোমাক পাবলৈ বহুত আশা কৰিছিলো। কিন্তু তুমি নুবুজিলা। মোৰ আশাত তেজৰ দাগ পৰিল। আমি নাৰী জাতি। বুকু ফাটিলেও মুখ নেফাটে। নাৰী জাতি চালক বিহীন নাঁৱৰ দৰে, নাঁও এখন ঘাটত বান্ধি ৰাখিলে নৈৰ সোঁতে ভটিয়াই নিবলৈ অবিৰাম ভাবে চেষ্টা কৰিয়েই থাকিব। নাঁওখন হাজাৰ চেষ্টা কৰিও সোঁতৰ বিপৰীত দিশত যাব নোৱাৰিব। সি যে, সৰ্বশক্তিৰে টানিয়ে আছে। মই এতিয়া নিস্তেজ হৈ পৰিছো। আগতকৈ বহুত ভটিয়াই নিলে সোঁতৰ বিপৰীত দিশত যোৱাৰ শক্তি মই হেৰুৱাই পেলাইছো। মোক ক্ষমা কৰিবা ক্ষমা কৰিবা। *(মনৰ নিজানত জোনাক আছিলে, তোমাৰ প্ৰেমত সুবাস আছিলে)* *(জুবিন)*। ❑

(ছাঁ-লৈ ৰচিত)



গল্প

# মই এজুপি মেটেকা

দিপাংকৰ কলিতা
*উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ*

"আশা-নিৰাশা, পোৱা-নোপোৱা আৰু ত্যাগৰ সমষ্টিয়েই জীৱন"

মই এজুপি মেটেকা। টুলুঙা নাওঁখনিৰ দৰেই জীৱনটো। টুলুঙা নাওঁখনৰ যিদৰে কোনো নিশ্চয়তা নাই, সিটো পাৰগৈ পাব নে নাই। ঠিক সেইদৰে মোৰো কোনো নিশ্চয়তা নাই, কোনো স্থিতি নাই।

উদ্দেশ্য বিহীন ভাৱে অবিৰাম গতিত গৈ আছোঁ, মাথোঁ গৈ আছোঁ, কোনো আশা নাই, কোনো আকাংক্ষা নাই। ভাগৰ লাগিলে কেতিয়াবা ক'ৰবাৰ পাৰত কিছু সময় থমকি ৰওঁ আৰু পিছত আপোনা আপোনি নিজৰ ৰাস্তা লওঁ, এই যাত্ৰাৰ যেন কোনো শেষ নাই। এনেদৰে উটি গৈ এটা সময়ত খুব ক্লান্ত হৈ পৰিলোঁ, সেয়ে ভাবিলো এই দাঁতিকাষৰীয়া ঠাই ডোখৰত কিছু সময় জিৰাওঁ। এইবুলি নৈৰ পাৰৰ ওচৰলৈ আগবাঢ়ি আহিলোঁ। কিন্তু বিধাতাৰ কি লিখন, দুৰ্ভাগ্যবশতঃ তাত কেইজনীমান তিৰোতাই মাছ মাৰি আছিল আৰু সিহঁতৰ জালৰ কাষেৰে গৈ থাকোঁতে সিহঁতে সিহঁতৰ মুখবোৰ বিকৃত কৰি টানি আজুৰি ভৰিৰে এনেদৰে দলিয়াই পেলালে যেন কোনো পূৰ্বজন্মৰ শত্ৰুকহে তাৰ দোষৰ উচিত দণ্ড বিহিলে। তাৰ পিছত সিহঁতে পৰস্পৰে পৰস্পৰৰ মাজত ক'ব ধৰিলে যে এই সোপাৰ পৰা কোনো এটা কামেই শান্তিৰে কৰিব নোৱাৰি। ক'ৰ পৰা যে এনেদৰে আহি ওলায়হি, ইহঁতৰ মৰনো নাই। তাৰ পিছত আৰু মই কি কৰিম, নিজৰ জীৱনটোকেই ধিক্কাৰ দি দুখমনে পুনৰ আগুৱাই যাবলৈ ধৰিলোঁ।

এইবাৰ গৈ গৈ এখন মুকলি খেতি পথাৰ পালো। ভাবিলো এইখনেই মোৰ বাবে নিৰাপদ ঠাই, ইয়াতেই কিছু সময় জিৰাওঁ। কিন্তু হায় মোৰ কপাল! ইয়াতো দুৰ্ভাগ্যই মোৰ পিছ নেৰিলে। অলপ পিছতে পথাৰখনৰ মালিক আৰু মালিকৰ পুতেকে পথাৰখনলৈ চাই লগুৱাকেইটাক ক'লে যে তহঁতে কাইলৈ ৰাতিপুৱাই আহি এই মেটেকা সোপা ক'ৰবাত নি পেলাই দিবি। গোটেই পথাৰখন চাফা কৰিব লাগিব। মাটি ৰুবৰ হবই। সিহঁতৰ কথোপকথন শুনি মোৰ অন্তৰাত্মা কঁপি উঠিল। হে ভগৱান! মোৰ ক্ষেত্ৰতহে এনেকুৱা হ'ব পাৰেনে?

পিছদিনাখন ৰাতিপুৱাই কেইজনমান লগুৱা আহি খেতি পথাৰখন চাফা কৰি মেটেকাবোৰ নি ওখ টিলা এটাত পেলাই দিলে। পানীৰ অভাৱত মোৰ দেহ ক্ৰমাৎ দুৰ্বল হ'বলৈ ধৰিলে। শুকাই-ক্ষীণাই লেৰেলি যাবলৈ ধৰিলোঁ। পানীতেই যাৰ (জন্ম) বাস সি বাৰু পানী এটুপি নোহোৱাকৈ কেনেদৰে জীয়াই থাকিব? তথাপিও কিন্তু জীয়াই থকাৰ আশা আৰু মনৰ জোৰত জীৱনৰ অন্তিম বন্তি গছি জ্বলাই ৰাখিবলৈ চেষ্টা কৰিছোঁ অতি কষ্টেৰে।

ঠিক তেনেতে কেইজনমান মানুহ আহি জধে-মধে মোক টানি আজুৰি নি ঠেলা এখনত ভৰাবলৈ ধৰিলে আৰু মোক এডোখৰ বালিচহীয়া মাটিত পেলাই থলে! আৰু পিছত তাৰ পৰা নি আলুখেতিৰ ওপৰত জাপি দিলে।

এনেদৰে আৰু কিমান দিন থাকিম। সাৰ পানীৰ অভাৱত টিমিক-ঢামাক কৈ জ্বলি থকা জীৱন বন্তি গছি কোন মুহূৰ্তত নুমাই পৰে তাৰ কোনো ঠিকনা নাই। যিমানেই পল অনুপল কৰি সময়বোৰ আগুৱাই গৈছে সিমান মৃত্যুৱে অদুৰত থিয় হৈ মোক যেন হাত বাউলি দি মাতিছে, যেন কৈছে— এই পৃথিৱীত আৰু তোমাৰ কোনো প্ৰয়োজন নাই। তোমাৰ সময় উকলিল। যিমানদিন জীয়াই থাকিব আছিল সিমান দিন থাকিলা। এতিয়া সকলো আশা-আকাংক্ষা, সুখ-দুখ, মায়া-মোহ বিসৰ্জন দি মোৰ ওচৰলৈ গুচি আহা। মই তোমাক শান্তিৰে থাকিবলৈ এডোখৰ নিৰাপদ ঠাই দিম। কিন্তু তথাপিও মই আশা এৰা নাই! নাই নহ'ব, ইমান সোনকালে মই জীৱন বন্তি গছি নুমাই যাবলৈ নিদিওঁ। মোৰ যে জীয়াই থকাৰ দুৰ্বাৰ হেপাহ। আশাক লৈয়েইতো জীৱন গঢ় লৈ উঠে। মই ইমান সহজে

হাৰি নাযাওঁ। মৃত্যুক মই ভৰিৰ তলত ৰাখিম।

কিন্তু নিয়তিৰ কি পৰিহাস! কেইদিনমান পিছত সেই মানুহ কেইজনে যিকেইজনে মোক ঠেলাত ভৰাই আনিছিল, তেওঁলোকে মোক আলু খেতিৰ পৰা উঠাই আনি এঠাইত দম কৰি থ'লে আৰু চাকৰটোক কলে যে এই সোপা ইয়াত এনেকৈ থাকিলে খুব লেতেৰা দেখি। সেয়ে সোনকালে এইখিনি পুৰি পেলা আৰু ইয়াৰ ভষ্মেৰে যিখিনি সাৰ হব সেইখিনি খেতি পথাৰত ছটিয়াই দিবি। কথাখিনি শুনি মোৰ বুকুখন চিৰিংকৈ উঠিল। এইবাৰ আৰু নিস্তাৰ নাই। এই বাৰ মোৰ মৃত্যু অনিবাৰ্য্য। গোটেই জীৱনটোৱেতো মৃত্যুৰ সতে যুঁজিলো। কিন্তু কি পালো? নাই এতিয়া আৰু নোৱাৰো মই খুব ভাগৰি পৰিছোঁ। মৃত্যুৰ সতে যুঁজি কোনেও পাৰাপাৰ নাপায়। কাৰণ মৃত্যু এটা নিষ্ঠুৰ সত্য। সৰু-ডাঙৰ, ধনী-দুখীয়া, পণ্ডিত-মুৰ্খ, শিয়াল-কুকুৰৰ পৰা আদি কৰি সকলোৱে এদিন মৃত্যুক সাবটি লবই লাগিব। আনকি স্বয়ং শ্ৰীকৃষ্ণৰো এদিনাখন মৃত্যু হৈছিল। তেনে ক্ষেত্ৰত মই কোন কুটা? আজি আৰু মোৰ কোনো দুখ নাই, কাৰণ আজি মই উপলব্ধি কৰিছোঁ। যে মোৰ মৃত্যু অথলে নাযায়, মোৰ মৃত্যুত কাৰোবাৰ অলপ হ'লেও উপকাৰ হ'ব। মই এই ভাবি ইমানেই গৌৰবান্বিত যে মোৰ এই সামান্য ত্যাগৰ বিনিময়ত যদি আনৰ অলপ হ'লেও উপকাৰ হয়, তেনেহলে এই জীৱন মোৰ বাবে চিৰবাঞ্চিত আৰু এনেকুৱা মৃত্যু মই প্ৰতিটো জনমতে বিচাৰিম। কাৰণ জীৱন আৰু মৃত্যু এটা মুদ্ৰাৰ ইফাল-সিফাল। জন্ম থাকিলে মৃত্যু থাকিবই। গতিকে, হাঁহিমুখে তাক স্বীকাৰ কৰি লোৱাতনো আপত্তি কি?

"সংঘাতেই জীৱন! যাৰ জীৱনত সংঘাত নাই সেই জীৱন অৰ্থহীন! কাৰণ, সংঘাতৰ মাজতেই লুকাই থাকে জীৱনৰ আচল সোৱাদ।" ❑



## — মহৎ লোকৰ বাণী —

১। শিক্ষা নথকা মানুহ শুকান কাঠৰ নিচিনা । — *হজৰত মহম্মদ (ছাঃ)*

২। অতীতৰ কাৰণে অনুশোচনা নকৰিবা , ভৱিষ্যতৰ কাৰণে দুঃচিন্তা নকৰিবা, কেৱল বৰ্তমানটো যাপন কৰি যোৱা। ইয়ে তোমাক দৈহিক আৰু মানসিক শান্তি দিব।

— *শেক্সপিয়েৰ।*

সংগ্ৰাহক

মোঃ ৰাহিদুৰ ৰহমান

*দ্বাদশ শ্ৰেণী (কলা শাখা)*

গল্প

# অভিনয়

আব্দুল হান্নান
স্নাতক, ২য়বৰ্ষ

অতীত ৰোমন্থন কৰি ক্ষোভ আৰু নিজৰ ওপৰতে ধিক্কাৰ দি বহি ৰ'ল অনামিকা। বাহিৰত পূৰ্ণিমাৰ জোনাকে চৌদিশে আলোকময় কৰি তুলিছে। জোনাকৰ প্ৰচ্ছায়াত নীৰৱ জোনাকী পৰুৱাবোৰ সৰব হৈ উঠিছে। অথচ এই জোনাকীবোৰ অনামিকাৰ অসহ্যকৰ হৈ উঠিছে।

তাই খিৰিকিখন বন্ধ কৰিবলৈ গৈও ৰৈ গ'ল। যেন সীমাহীন দুৰ্বলতাই তাইক লৰচৰ কৰিব নোৱাৰাকৈ বান্ধি পেলাইছে। এই জোনাকতে এদিন তাই ৰচিছিল ভৱিষ্যতৰ সপোন যিয়ে বান্ধি ৰাখিব খুজিছিল তাইৰ গোটেই জীৱন। কিন্তু আজি কিয় এই জোনাক তাইৰ বাবে অসহ্যকৰ! গোটেই জীৱন আলোকময় কৰাৰ এখন সুখৰ সংসাৰ কৰাৰ সপোন দেখিছিল তাই। কিন্তু শেষত পালে কি তাই? তাইৰ সমস্ত সত্বা এতিয়া বন্দী। বন্দী তাইৰ আকাংক্ষিত সপোন। কেতিয়াবা মানুহৰ জীৱনলৈ অহা এনে এজাক কাল ধুমুহাই সকলো ভাঙি চুৰমাৰ কৰি সমস্ত সত্বাৰ মৃত্যু ঘটায়। ৰুদ্ধহৈ যায় জীৱন, জীয়াই থকাৰ প্ৰেৰণা।

ঠিক তেনেকৈ অনামিকাৰ জীৱনলৈ নামি আহিছিল তেনে এক কাল ধুমুহা আৰু যিয়ে ভাঙি থৈ গৈছিল আশা-ভৰসা সপোনৰ কোমল পাখি।

খিৰিকিৰ কাষত বহি অতীতৰ গৰ্ভত বিলিন হৈ যোৱা সোণালী দিনবোৰলৈ আকৌ এবাৰ উভতি চালে অনামিকাই। এটি মচিব নোৱাৰা অধ্যায়।

হঠাৎ দুৱাৰত টক্-টক্ শব্দ উঠিল। দুৱাৰ খুলি দিলে অনামিকাই আৰু তাই দেখিবলৈ পালে দুৱাৰ মুখত আধুনিক সাজ-পাৰ পৰিহিত সুদৰ্শন চেহেৰাৰ ব্যক্তি এজনক। মুখৰ হাঁহিটোৱে যেন স্বাগতম জনাইছে অনামিকাক।

কাক বিচাৰিছে? অলপ আচহুৱা ভাৱে কলে অনামিকাই। তুমি মোক চিনি পোৱা নাই। মই কিন্তু তোমাক চিনি পাওঁ। তুমি অনামিকা চৌধুৰী নহয় জানো ? মানুহজনে ঈৰ্ষণীয় হাঁহিৰে কলে।

মানুহজনৰ মুখলৈ চোৱা দেখি আকৌ কলে মোক ভিতৰলৈ নেমাতা নেকি?

অ হয় নিশ্চয়- আহক ভিতৰলৈ।

তেতিয়াহে তাইৰ সম্বিৎ ঘূৰি আহিল আৰু মানুহজনক বিনম্ৰতাৰে মাতি নি ড্ৰয়িং ৰুমৰ চোফাত বহিবলৈ দিলে। আৰামী চোফাত বহি মানুহজনে অনামিকাক উদ্দেশ্যি ক'লে—

আজি বতৰটো ঠাণ্ডা, চিগাৰেট এটা জ্বলাব পাৰোনে?

অনামিকাই থতমত খাই ক'লে— হুঁ হুঁ অ'। কাৰণ এনেধৰণৰ অনুৰোধ তাই কাহানিও কাৰো পৰা পোৱা নাই। কিছুসময় মৌনতাব পিছত মানুহজনে আকৌ ক'বলৈ ধৰিলে—

তুমি মোক চিনি পোৱা নাই, নহয় জানো। মই মই অবিনাশ বৰুৱা। 'মূয়ৰী' থিয়েটাৰৰ পৰিচালক। নাম তুমি নিশ্চয় শুনিছা।

অনামিকাই মূৰ দুপিয়ালে।

তেওঁ আকৌ ক'লে—

'মূয়ৰী' থিয়েটাৰত এজনী সুন্দৰ অভিনেত্ৰীৰ প্ৰয়োজন হৈছে। মই তোমাৰ নাট চাই অভিভূত হৈছো। তোমাৰ জনপ্ৰিয়তা আছে। কাৰণ তুমি সুন্দৰ অভিনয় কৰা। সেয়েহে মোৰ নাটকত তোমাক মুখ্য চৰিত্ৰত অভিনয়ৰ প্ৰস্তাৱ দিব খোজো। তুমি অভিনয় কৰিবানে?

মানুহজনৰ কথা শুনি অনমিকাই ভাবিলে— এনে এজন নম্ৰ আৰু আদৰ্শৱান পৰিচালকৰ অধীনত অভিনয় কৰিবলৈ পালে নিজকে ধন্য মানিব। হয়তো তাইৰ ভাগ্যৰ উদয় হৈছে। সেয়েহে বিনা দ্বিধাই তাই সন্মতি জনালে।

ইয়াৰ পিছৰ পৰা অবিনাশ মাজে মাজে তাইৰ

ঘৰলৈ আহে। তাইৰ খবৰ লয়। আবিনাশে যেন অনামিকাৰ হৃদয়ত যেন জোৱাৰহে আনিলে। নীৰব মূহুৰ্তত নিভৃত কোণত অবিনাশক দেখিলে প্ৰবল ধুমুহাৰ সৃষ্টি হয়। তাইৰ সৰ্বশৰীৰ গ্ৰাস কৰি পেলায়। ইয়ে জানো প্ৰেম যি প্ৰেমৰ বাবে লাইলা-মজনু, ৰোমিও জুলিয়েট আজিও অমৰ।

এটা সময়ত থিয়েটাৰৰ কাম আৰম্ভ হ'ল। অবিনাশৰ সুদক্ষ পৰিচালনাত আৰু অনামিকাৰ নিষ্ঠাৰ বাবে অভিনয় জগতত সুদক্ষ আসন পাবলৈ সক্ষম হ'ল। তাৰ বাবে অবিনাশক তাই কৃতজ্ঞতা প্ৰকাশ কৰিলে। হঠাৎ এদিন কব নোৱাৰাকৈ অবিনাশে তাইক প্ৰেমৰ প্ৰস্তাব দিলে। আৰু বিয়া কৰাবও খুজিলে।

বিয়া যেন তাই নুশুনিবলগা শব্দ এটা শুনিলে। কাৰণ তাই যদিও অবিনাশক ভাল পায়, তথাপি এনে এটা প্ৰস্তাব কল্পনাও কৰা নাছিল। তথাপি নেৰা-নেপেৰা অনুৰোধত তাই সন্মতি জনাইছিল।

জানা অনামিকা, আমিতো বিয়া হমেই।

গতিকে সংসাৰ গঢ়াৰ আগতে কিছু টকা গোটাই লোৱা ভাল হ'ব। যাতে ভৱিষ্যত জীৱন সুখৰ হয়। গতিকে মই ছবি জগতলৈ যোৱাৰ কথা ভাবিছোঁ। আৰু তোমাৰ সহযোগিতা বিচাৰিছোঁ। ছবি কৰাৰ ক্ষেত্ৰত মোৰ বিশেষ পাৰদৰ্শিতা নাই গতিকে মই কিদৰে সহায় কৰিম। ইয়াত পাৰদৰ্শিতাৰ কথা অহা নাই মাত্ৰ তোমাৰ উন্মুক্ত দেহৰ কেইকপি ফটো লাগিব এই বিষয়ে তুমি চিন্তা কৰিব নালাগে। সেই ফটো মই নিজে তুলিম। অবিনাশে ছবিৰ বিষয়ে কৈ গ'ল।

নিৰ্দ্দিষ্ট দিনত এটা ষ্টুডিঅ'ৰ বন্ধ কোঠাত অনামিকাৰ আৱৰণ হীন দেহৰ বিভিন্ন ফটো তুলিলে আৰু সেই ফটো বোৰ লৈ গুচি গ'ল অতি সোনকালে ঘূৰি আহি বিবাহ কাৰ্য সম্পন্ন কৰিব বুলি।

সময়বোৰ পাৰহৈ গ'ল। ইফালে অবিনাশৰ কোনো দেখাদেখি নাই। ভাৱনাৰ সাগৰত সাঁতুৰি তাই অৱশহৈ পৰিল। মনত কৌতুহল জন্মোতেই অপ্ৰত্যাশিত ভাৱে অবিনাশৰ চিঠি এখন পালে। চিঠিখন তাই কৌতুহলেৰে খুলিলে—

অনামিকা—

তোমাৰ যদি এজন শুভকাংক্ষী বুলি ভবা তেনেহলে তোমাৰ মঙ্গলৰ বাবে কিছু কথা ক'ব খুজিছোঁ। তুমি যিজনক জীৱনৰ সৰ্বস্ব উজাৰি দি দিলা সেইজন আচলতে তুমি ভবাৰ দৰে মানবীয় গুণৰ নহয়। সেয়া তোমাৰ ওচৰত অভিনয়হে আছিল। তুমি হয়তো শুনি আচৰিত হ'বা অতি কৌশলেৰে লোৱা ফটোবোৰ ইতিমধ্যে ব্লু ফ্লিমৰ বাবে বিদেশলৈ পঠাই দিয়া হৈছে। বিশেষ নাই। অবিনাশ বৰুৱা

চিঠিখন পঢ়ি তাই চিৎকাৰ কৰি উঠিল। তেনেহ'লে নিপুন অভিনেত্ৰী হিচাপে স্বীকৃত অনামিকাক অভিনয়ৰে ঠগিলে প্ৰৱঞ্চক অবিনাশে। অবিনাশৰ প্ৰতি তীব্ৰ ঘৃণাৰ বাহিৰে আন একো কৰিবলৈ নাই তাইৰ বাবে। ❑



**BIGGEST LAKES**

| Name | Location | Area |
|---|---|---|
| Caspian Sea | Asia | 370,980 sq km |
| Lake Superior | N America | 84,243 sq km |
| Lake Victoria | Africa | 69,464 sq km |
| Lake Huron | N America | 59,566 sq km |
| Lake Michigan | N America | 57,754 sq km |
| Aral Sea | Asia | 64,501 sq km |
| Lake Tanganyika | Africa | 32,891 sq km |
| Lake Baikal | Siberia | 31,498 sq km |
| Great Bear Lake | Canada | 31,327 sq km |
| Lake Nyasa | Africa | 28,877 sq km |

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

গল্প

# অনুপম আকাশৰ তলত শূন্য অমানিশা

অজন্তা কলিতা
*স্নাতক, প্ৰথম বৰ্ষ*

হঠাতে এখন গাড়ী আহি অমানিশাহঁতৰ পদুলি মূৰত ৰৈ গ'ল। তাই দৌৰি ওলাই গ'ল, গিৰিয়েক অনুপমৰ মাৰুতীখন বুলি। কিন্তু..... সেইখন আচলতে অনুপমৰ মাৰুতীখন নাছিল, আছিল এখন এম্বুলেন্স, যিখনৰ ভিতৰৰ পৰা দুজন পুলিচ বিষয়াই লাহে লাহে উলিয়াই আনিছিল.... বগা কাপোৰেৰে ঢাকি ৰখা..... দুটি মৃতদেহ।

ঃ ক্ৰিং ক্ৰিং ক্ৰিং ....।

ভাজিখিনিৰ বাবে গৰম তেলত পিয়াজখিনি পেলাই দিছিলহে মাত্ৰ, এনেতে আকৌ এবাৰ ফোনটো বাজি উঠিল। কোঠাৰ পৰা ভাঁহি অহা টেলিফোনৰ শব্দত ভাজিখিনি সোনকালে বহাই দি অমানিশা কোঠাটোলৈ সোমাই গ'ল—।

হেল্ল'....। কোনে কৈছে?

লগে লগে আনমূৰৰ পৰা এটা চিনাকি মাত ভাঁহি আহিল।

ঃ হেল্ল'.... নিশা, তুমি ভাত খালা নেকি?

ঃ নাই...., নাই খোৱা। (গিৰিয়েক অনুপমৰ প্ৰশ্নৰ তাই উত্তৰ দিলে)

ঃ ঠিক আছে তেতিয়া হ'লে, মই গৈ আছোঁ। আজি আমি একেলগে ভাত খাম। অ..... আৰু শুনা, মাইনুক স্কুলৰ পৰা নিব পঠাব নালাগে। মই যাওঁতে সেই পিনেৰেই যাম, গতিকে তাইক ময়েই নিব পাৰিম। ঠিক আছে— এতিয়া ৰাখিছোঁ। বাই....।

ঃ বাই..... ।(অমানিশাই বেলেগ কথা কোৱাৰ সুবিধাই নাপালে। লগে লগে সিমূৰৰ পৰা অনুপমে ফোন কাটি দিলে)।

অনুপম শইকীয়া (অমানিশাৰ গিৰিয়েক)। বৰ্তমান ঘৰৰ প্ৰায় তিনি কিল'মিটাৰমান দূৰত এখন কলেজত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে কাম কৰি আছে। আগতে বহু কেইখন মঞ্চত গীত পৰিবেশন কৰি আহিছে, সেয়েহে গায়ক হিচাপেও এটা সু-পৰিচিত সুনাম আছে অনুপমৰ। কিন্তু সেইদিনা অনুপম আজিৰ দৰে ইমান বেছি জনপ্ৰিয় নাছিল, যিদিনা অমানিশাৰ সৈতে চিনাকি হৈছিল অনুপমৰ। এদিন এক সাংস্কৃতিক সন্ধিয়াতেই চিনাকি হৈছিল অনুপমৰ সৈতে অমানিশাৰ। অনুপমে গীত পৰিবেশন কৰা মঞ্চখনতেই অমানিশাইও এটি গান গাইছিল। বৰ দুখৰ আছিল, তাই গোৱা গানটো। অসমীয়া "যাদুঘৰ" বোলছবিত সুমন কল্যাণপুৰে কণ্ঠদান কৰা......

জীৱন ঘড়ীৰ প্ৰতিটো পল, যেন গলি গলি গ'ল,
নিঃসংগতাৰ পৰুৱাটি মাথোঁ তাতে পৰি ৰ'ল...।

সকলো শ্ৰোতাৰ লগতে অনুপমেও বৰ মনোযোগেৰে শুনিছিল অমানিশাৰ গান। কিন্তু.... অমানিশাৰ মাত্ৰ এটি গানেই অনুপমক বাৰুকৈয়ে মুগ্ধ কৰি পেলাইছিল। তেনেকৈয়ে চিনাকি হৈ অৱশেষত অমানিশাকেই বিয়া কৰাইছিল অনুপমে।

অৱশ্যে প্ৰথমতে অমানিশাই মুঠেও মান্তি হোৱা নাছিল অনুপমৰ সৈতে বিয়াত বহিবলৈ। কাৰণ.... তাই কলেজীয়া দিনৰে পৰাই ভাল পাই আহিছিল আন এজন ল'ৰাক। যাৰ নাম আছিল আকাশ... আকাশ গোস্বামী। গভীৰৰ পৰা গভীৰতম হৈ পৰিছিল আকাশ আৰু অমানিশাৰ প্ৰেম। কিন্তু যেতিয়া সিহঁতৰ প্ৰেমৰ কথা আকাশহঁতৰ ঘৰত গম পাইছিল তেতিয়া আকাশৰ মাক দেউতাকে আকাশৰ কাৰণে বেলেগ ছোৱালী বিয়া কৰাবলৈ ঠিক কৰিছিল। কাৰণ অমানিশাহঁত সিহঁতকৈ বহু দুখীয়া আছিল। সেয়েহে আকাশৰ দেউতাকৰ মান-সন্মানৰ কথা ভাবি সিহঁতে বেলেগ ধনী ঘৰৰ ছোৱালী ঠিক কৰিছিল, আকাশৰ বিয়াৰ কাৰণে।

আকাশে যেতিয়া মাক-দেউতাকৰ এইবোৰ কথা গম পাইছিল, তেতিয়া তাৰ বুকুত যেন বিস্ফোৰণহে হৈ গৈছিল। "প্ৰেম যৌৱনৰ নিৰিবিলি সন্ধিয়াত তাৰ হৃদয়ত জিলমিলকৈ জিলিকি উঠা মৰমাদিত্য যেন চিৰদিনৰ বাবে ডুবি গ'ল, নামি গ'ল এন্ধাৰ"। দেউতাকৰ কথাত মাত-মাতিব নোৱাৰি আকাশে এদিন মাত্ৰ মাকক

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

কৈছিল, তোৰা মা, অমানিশাহঁত দুখীয়া বুলি মই নজনা নহয়, কিন্তু "ভঙা-ফুটা ঘৰ এটাত থকা মানুহ এজনৰ হৃদয়খনো ভঙা-ফুটা নহয়"। অভাৱী মানুহবো আদৰ্শ থাকে। আকাশৰ মুখত আদৰ্শৰ কথা শুনি মাকৰ খং উঠি গৈছিল। তোমাতকৈ আমাৰ অভিজ্ঞতা বহুত বেছি, গতিকে তুমি আমাক আদৰ্শৰ কথা শিকাব নালাগে। মুঠতে আমাৰ থাটাং কথা হ'ল— অমানিশাক বিয়া কৰালে তুমি আৰু এই ঘৰত থাকিব নোৱাৰিবা। দুই নাৱত দুই ভৰি যেন অৱস্থা হৈছিল আকাশৰ। একালে অমানিশা—আনফালে নিজৰ ঘৰ।

উপায়-বিহীন হৈ এদিন সি সকলোবোৰ কথা অমানিশাক খুলি-ভাঙি কৈছিল। আকাশৰ কথা শুনি তাইৰ হৃদয়খন ভাঙি-চিঙি যোৱাৰ উপক্ৰম হৈছিল। যি আকাশ অবিহনে তাই জীয়াই থকাৰ কল্পনাই কৰিব নোৱাৰিছিল, সেই আকাশকে তাই আজি হেৰুৱাব লাগিব। মন কৈকুৰীৰ আশাৰ ফাঁকে ফাঁকে লুকাই থকা তাইৰ আনন্দ কণকো বেদনাৰ বিষন্ন ভাবৰে ঢাকি ধৰিলে। মনৰ মাজৰ বেদনাৰ ভাববুৰ গলি গলি লাহে লাহে তাইৰ দুচকুৰে বাগৰিব ধৰিলে। প্ৰকৃত মৰম আৰু গভীৰ ভালপোৱাৰ মাজেৰে নিৰ্গত চকুপানী দুটোপাল— "যি দুটোপাল চকুলো তাইৰ হৃদয়ত সাঁচি ৰখা প্ৰেমৰ এক অমূল্য অঞ্জলি, যাৰ গোন্ধ নাছিল, অথচ মিঠা মিঠা অনুভূতি আছিল।" অৱশেষত নিজৰ হৃদয়ৰ দুখবোৰ হৃদয়তেই সাঁচি ৰাখি তাই আকাশক বুজাইছিল, সি যেন তাইৰ জীৱনৰ পৰা আঁতৰি যায় আৰু মাক-দেউতাকে পচন্দ কৰা মতেই বেলেগ ছোৱালী বিয়া কৰায়। কাৰণ মাক-দেউতাকৰ অন্তৰত আঘাত দি বেলেগ কিবা এটা কৰিলে পাপ হ'ব। পাপৰ ফল পিছততে পোৱা যায়। সেয়ে এজন মহৎ লোকে কৈছিল, "পাপৰ আৰম্ভণিখিনি ৰাতিপুৱাৰ দৰে উজ্জ্বল; কিন্তু সামৰণিখিনি গধূলিৰ দৰেই অন্ধকাৰ।" গতিকে আমাৰ এই দুদিনীয়া জীৱনটোত মিছাকৈয়ে আনক দুখ দি কি লাভ আছে। জীয়াই থকা দিনকেইটা সকলোকে শান্তি দি যাব পৰাটোৱেই আমাৰ মহৎ গুণ।

বহু বুজনিৰ ফলত আকাশ আঁতৰি গৈছিল অমানিশাৰ জীৱনৰ পৰা। সিদিনাখন ৰাতি তাই বিচনাত বাগৰি বাগৰি কান্দিছিল। কান্দিব নজনা অমানিশাই চকুলোৰে বিচনাৰ গাৰু তিয়াই পেলাইছিল। কেইদিনমান পিছতে তাই শুনিছিল..... আকাশে হেনো মাক-দেউতাকৰ পছন্দমতে ধৰ ধনী মানুহ এঘৰৰ এজনী ছোৱালী বিয়া কৰাইছিল। দুখৰ পৰাই তাই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছিল.... যাতে আকাশ







আৰু সিহঁতৰ পৰিয়ালটো সুখী হয়।

এনেকৈয়ে প্ৰায় এবছৰমান পাৰ হৈ গৈছিল। হঠাতে এদিন অমানিশাইও লগ পাই গৈছিল অনুপমক। বহুত জোৰ কৰাৰ ফলত অনুপমে অমানিশাক বিয়া কৰাব পাৰিছিল, (যদিও তাই তাক সকলোবোৰ কথা খুলি ভাঙি কৈছিল)। তাই ভাবিছিল তাইৰ কথাবোৰ শুনি সি তাইক ঘিন কৰি তাইৰ জীৱনৰ পৰা আঁতৰি যাব; কিন্তু অনুপম আছিল তাৰ সম্পূৰ্ণ বিপৰীত। এখন ভাগি-চিগি যোৱা অন্তৰ যোৱা লগাবলৈহে সি যেন আগবাঢ়ি আহিল।

অনুপম অমানিশাৰ বিয়া হৈ গ'ল। বিয়াৰ দুবছৰ পিছত নতুন আলহী হিচাপে মাইনুও আহিল সিহঁতৰ জীৱনলৈ। কিন্তু অমানিশাই মাজে মাজে প্ৰায়ে আনমনা হৈ পৰিছিল। কাৰণ তাই অতীতৰ স্মৃতি পাহৰিব পৰা

নাছিল। তাই আনমনা হৈ পৰিলেই অনুপমে গম পাইছিল... সি তাইক বুজাবলৈ চেষ্টা কৰিছিল.... চোৰা নিশা, অতীত স্মৃতি পাহৰিব নোৱাৰি সঁচা, কিন্তু তাক আমি আঁতৰত ৰাখিব লাগিব। কিয়নো "স্মৃতি মধুৰেই হওঁক বা তিক্তই হওঁক, মুঠতে ই আমাৰ বৰ্তমানৰ বহুমূলীয়া সময় নষ্ট কৰে"। — গতিকে আমি অতীত কুঁৱলিৰ আঁৰে আঁৰে ভৱিষ্যত জীৱনৰ সুখ আদিত্যৰ সোণালী আভাৰ সন্ধানত ব্ৰতী হ'ব লাগিব। লাহে লাহে অনুপমৰ কথাবোৰ শুনি শুনি তাই সঁচাকৈয়ে অনুপমৰ প্ৰেমত পৰিব ধৰিলে, (যিদৰে এখন মানৱতাপূৰ্ণ হৃদয়ৰ স্পৰ্শত এজন মানুহ হ'বলৈ বেছি সময় নালাগে, ঠিক সেইদৰে)। এদিন অলপ দেৰিকৈ ঘৰলৈ আহিলেই অনুপমৰ প্ৰতি তাইৰ খং উঠা হ'ল। অনুপম ঘৰত নথকা দিনটো তাইৰ বাবে নাযায় নুপুৱায় যেন হ'ব ধৰিলে। তথাপিও তাৰ মাজতে সি যিমান পাৰে অমানিশাক সময় দিবলৈ চেষ্টা কৰি গ'ল (যদিও তাৰ সময়ৰ অভাৱ)। দেওবাৰৰ বাহিৰে সিহঁতে দিনত একেলগে ভাত খাবলৈ নাপায়। কাৰণ অনুপম কলেজৰ পৰা আহোঁতে দেৰি হয়।

আজি হেনো কলেজত বেছি কাম নাই, সেয়েহে সি কথাটো অমানিশাক ফোন কৰি জনাই দিলে। ৰন্ধা-বঢ়া শেষ কৰি তাই বৈ থাকিল গিৰিয়েক আৰু তিনিবছৰীয়া মাইনুলৈ। বেৰত থকা ঘড়ীটোলৈ চাই অমানিশাৰ খং উঠি গ'ল গিৰিয়েকৰ প্ৰতি। ১২বজাতে ফোন কৰিছিল, এতিয়া ২ বাজিল, একো খবৰেই নাই। বৈ বৈ আমানি লাগি গ'ল তাইৰ।

হঠাতে এখন গাড়ী আহি অমানিশাহঁতৰ পদুলিমূৰত বৈ গ'ল। তাই দৌৰি ওলাই গ'ল, গিৰিয়েক অনুপমৰ মাৰুতীখন বুলি। কিন্তু.... সেইখন আচলতে অনুপমৰ মাৰুতীখন নাছিল, আছিল এখন এম্বুলেন্স, যিখনৰ ভিতৰৰ পৰা দুজন পুলিচ বিষয়াই লাহে লাহে উলিয়াই আনিছিল.... বগা কাপোৰেৰে ঢাকি ৰখা... দুটি মৃতদেহ।

ঘটনা কি? অমানিশাই একো ধৰিব পৰা নাছিল। পুলিচ বিষয়া দুজন আহি তাইৰ আগত কলে যে, জোৰেৰে অহা ট্ৰাক এখনৰ খুন্দাত অনুপমৰ গাড়ীখন ছিটিকি গৈ ৰাস্তাৰ পৰা বহু নিলগত পৰিছিল। গাড়ীখন ভাগি-চিগি চুৰমাৰ হৈ গৈছিল আৰু ভিতৰত থকা অনুপম আৰু মাইনুৰ থিতাতে মৃত্যু হৈছিল। তেতিয়াহে তাই ধৰিব পাৰিছিল... যে মৃতদেহ দুটা আন কাৰো নহয়, একেলগে ভাত খাবলৈ বাট চাই থকা গিৰিয়েক অনুপম আৰু একমাত্ৰ ছোৱালী মাইনুৰ। তাই চাৰিওফালে এন্ধাৰ এন্ধাৰ দেখিবলৈ ধৰিলে। তাইৰ এনেকুৱা লাগিল যেন তাইৰ চাৰিওফালে থকা বস্তু বিলাক চক্ৰাকাৰে ঘূৰিব ধৰিছে। তাইৰ দুচকুৰে ধাৰাসাৰ চকুলো ববলৈ ধৰিলে। সকলো হেৰাই গ'ল তাইৰ জীৱনৰ পৰা। সকলো হেৰুওৱাৰ অসহ্য বেদনাত অমানিশাৰ বুকুখন বিষাই উঠিল, চিঞৰি চিঞৰি কান্দিবৰ মন গৈছিল তাইৰ, কিন্তু... তাই কান্দিব পৰা নাছিল।

এনেকৈয়ে এদিন ধন-সম্পত্তিৰ অভাৱত তাই হেৰুৱাইছিল আকাশক। কিন্তু... আজি? ধন-সম্পত্তিৰ অধিকাৰী হৈও তাই হেৰুৱালে অনুপমক। অৱশেষত নিষ্ঠুৰ ভগৱানে তিনিবছৰীয়া কণমানি নিষ্পাপ মাইনুজনীকো তাইৰ বুকুৰ মাজৰ পৰা কাঢ়ি লৈ গ'ল। বজ্ৰপাত পৰা বোবা মানুহৰ দৰে মৃতদেহ দুটিলৈ চাই মাথোঁ অকলশৰে থিয় হৈ ৰ'ল অমানিশা......। ❑



## কৌতুক —

১। এবাৰ মেট্ৰিক পৰীক্ষাত বাক্য ৰচনা কৰিবলৈ আহিছে ; নপতা ফুকন, আকাশত চাংপতা, আলাসৰ লাড়ু , আটোম টোকাৰী, বিনা মেঘে বজ্ৰপাত।

এজন লৰাই লিখিছে যে নপতা ফুকন ডাঙৰীয়াই আকাশত চাং পাতি আলাসৰ লাড়ু খাই খাই আটোম টোকাৰী বজাই থাকোঁতে বিনা মেঘে বজ্ৰপাত হৈ মৰি থাকিল।

দয়াল পাল।
*স্নাতক দ্বিতীয় বৰ্ষ।*

# আশংকা

মহম্মদ জহিৰুল হক
*স্নাতক মহলা-১ম বৰ্ষ*

হাঁয়াৰ ছেকেণ্ডাৰিত এড্‌মিশ্বন লোৱাৰ পূৰ্বেই টেকনিকেল কিবা পঢ়িবলৈ মনত আশা এটি পুহি ৰাখিছিলো। কিয়নো আজিৰ পৃথিৱীত টেক্‌নিছিয়ান সকলৰহে ৰাজত্ব কাৰণ তাত পোৱা যায় অধিক পৰিমাণে ছেলাৰি। আসক্ত হৈ পৰিছিল মোৰ মন। কিন্তু ঘৰুৱা অধিক বিপৰ্যয় বাবে সেই অতদিনৰ স্বপ্ন ভাঙি ধুলিসাৎ হৈ পৰিছিল। সেই হেতুকে সিদ্ধান্ত কৰি গুচি আহিছোঁ দুটা বছৰ হায়াৰ ছেকেণ্ডাৰীৰ জপনাখন জপিয়াই বি.এছ.ছি পঢ়িবলৈ। অৱশ্যে আশা কৰা দৰে হায়াৰ ছেকেণ্ডাৰীৰ জাপটো দিব পৰা নাছিলো ভালদৰে। তথাপি আৰ্থিক অসুবিধাৰ বাবে গুচি আহিলো মোৰ ঘৰৰ ওচৰতে নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়লৈ। অৱশ্যে নগৰবেৰালৈ অহাৰ অলপো ইচ্ছা নাছিল মোৰ। বহুত অসুবিধা। বঙাইগাঁও মহাবিদ্যালয়, আই.টি.আই. কলেজ-গোৱালপাৰা, থাৰ্ড আই কলেজ-পানবাজাৰ আদি কোনোবা এটাতে অড্‌মিশ্বন হ'ব বুলি ভাবিছিলো। সেই ভাবিয়েই ফৰ্মো আনিছিলো। কিন্তু বঙাইগাঁও মহাবিদ্যালয়ত বাছনি নহ'লো, গোৱালপাৰাত বাছনি হলো যদিও অড্‌মিশ্বন নাপালো আৰু পানাবাজাৰত টকাৰ বাবে যাব নোৱৰিলো। গতিকে ঘৰত সকলোৰে লগত আলোচনা কৰি অৱশেষত দুবছৰ অধ্যয়ন কৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়তে গুচি আহিলো আৰু শংকৰ ল'জত অস্থায়ী ভাবে থাকিব ধৰিলো। কাৰণ আটাইতকৈ কম খৰচত বি.এছ.ছি. কৰ্চটো নগৰবেৰা কলেজতেই পঢ়িব পাৰি। কিন্তু খু-দুৱনি এটা হলে নুগুছিল। কাৰণ পাৰ্চেন্টেজ কম। এতিয়া কিহত মেজৰ লম, কোনটো বিষয় ভাল হ'ব ইত্যাদি। অৱশেষত কোনো বিষয়েই মেজৰ নলৈয়েই "বায়-কেমিছট্ৰি" জেনেৰেল বিষয়ত ফৰ্ম ফিল আপ কৰিলো আৰু পিছত নিৰ্দ্দিষ্ট তাৰিখত এড্‌মিশ্বন ললো। মনটো বেয়া লাগিল যদিও মনটো বান্ধিলো— এতিয়া ভালকৈ পঢ়িম।

নতুন উদ্যমেৰেই লাগি গলো পঢ়াত। ক্লাছ কৰিলো। মই এটা কথা লক্ষ্য কৰিলো বায়-কেমিছট্ৰি বিষয়টোত আমি কেৱল ৩ জনহে ছাত্ৰ, ছাত্ৰী এজনীও নাই। আচৰিতো হলো যথেষ্ট। ভাবিলো এইখন কলেজত আমি তিনিজনেই ছাত্ৰ নে যিয়ে বায়-কেমিছট্ৰিত বি.এছ.ছি. হ'ব। পিছে যেনিবা আৰু এজন আহিল মোৰ ওপৰতে ভৰষা কৰি। এতিয়া আমি হলো চাৰিটা। এতিয়া পৰিত্ৰান পালো গছৰ তলত বহি থকা ছোৱালীবোৰৰ পৰা।

আকৌ নতুন উদ্যমেৰে পঢ়াত লাগি গলো। কলা শাখাত মেজৰ লৈ পঢ়া ছোৱালীবোৰৰ লগত ভালদৰে চিনাকী হলো। ভাল লাগিল। লাহে লাহে সিহঁতৰ লগত যথেষ্ট সহজ হৈ পৰিলো। দিন বাগৰিল। কিন্তু এটা কথাত হলে মোৰ বেয়া লাগিল। কিয়নো কিছুমান ছোৱালীয়ে অলপ বেছি বুলি ভাবে সিহঁতে নিজকেই। অৱশ্যে ছোৱালীবোৰতেনেকুৱাই। প্ৰথমতে ল'ৰাবোৰৰ আগত তেনেকুৱা কৰি দেখুৱায়। পিছে এইফেৰিৰ ক্ষেত্ৰত তেনেকুৱা নালাগিল মোৰ। কিবা যেন এবচাৰ্ড ধৰণৰ। ক্লাচত গঙ্গাটোপটো হৈ থাকে। শিক্ষিত হলো বুলি ছোৱালীজনীয়ে নিজৰ চেহেৰা পাতিক লৈয়েই গৌৰব কৰে। কাৰণ মোৰ লগত চিনাকী গোটটোৰ ভিতৰত তায়েই আটাইতকৈ ধুনীয়া। মোৰ দৃষ্টিত আটক-ধুনীয়াই। ৰঙে-চঙে, উৰনে-পিন্ধনে। অনুমান কৰিলো ধনী ঘৰৰ বেটি ছাগে। পিছত জানিলো হয় অনুমান কৰাটোৱেই ঠিক ছোৱালীজনীৰ দেউতাক

আৰু ককায়েকে বোলে চাকৰি কৰে। ঈৰ্ষাই হৈছিল মোৰ। হয়তো তাই মোৰ লগত কৰি অহা ব্যৱহাৰবাজিৰ বাবেই। পাত্তাই নিদিছিল মোক। অৱশ্যে ময়ো তাইৰ পৰা পাত্তা বিচৰা নাছিলো। তথাপিয়ো একেলগে কেতিয়াবা বহিলে দুই-এষাৰ কথা পাতিবলৈ মন যায়তো। গতিকে—

পিছত জানিছো— মানুহৰ মন সচাঁই বিচিত্ৰ। পৰিবৰ্তন ক্ষন্তেকতে হয়। আজি ভৱাটো কাইলৈ ভৱা হৈ নুঠে। নতুনকৈ কিবা এটা ভৱা হয়মানে ভাবিবলৈ মন যায়। এটা গল্প বা এখন উপন্যাসৰ ৰি-ৰাইট কৰাতকৈ নতুন কিবা লিখিবলৈ মন যায়। কিয় বাৰু? হয়তো মানুহৰ মনত সৃষ্টিশীল প্ৰৱণতা এটা থকাৰ বাবেই। মোৰো মনে তাৰে সাক্ষৰ বহন কৰি পৰিৱৰ্তনৰ পাখি গজাই উৰিবলৈ বিচাৰিছিল নিশ্চয়। সেই ছোৱালীজনীৰ ওচৰলৈ ঘনে ঘনে কিবা এটা অদৃশ্য আকৰ্ষণত। অথচ আজি কেইটাদিন আগলৈকে ছোৱালীজনীক সহ্য কৰিব পৰা নাছিলো। এতিয়া আকৌ তাতে মচগুল মন মোৰ। ছোৱালীজনীৰ অল্পভাষাৰ মাজতেই যেন মোৰ মনে মাদকতাভৰা কিবা পাবলৈ ধৰে। সেই মাদকতাভৰা ছাঁত থাকি মই হেৰুৱাব ধৰিছো সেই আড্ডাৰ গোটটোৰ বাকী ছোৱালীবোৰৰ ভালপোৱাবোৰ। আগতে অথচ সবকে ভাব হয় ভাল নালাগে। কিবা যেন ইচাট-বিচাট কৰি থাকে। কথা কোৱাৰ ষ্টাইল দেখিলেই হাঁহি উঠি যায়। আকৌ এই ছোৱালী গালৰ অতপালি চোৱা। নিজকে আল্ট্ৰা মডাৰ্ণ বুলাবলৈ যায় লোকক অনুসৰণ কৰি। নুবুজি। পিছে হিতে বিপৰীত হৈয়ে যে দেখা দিয়ে, মনে হ'লে এবাৰো কিন্তু নকৰে। কাউৰীৰ গাত যে মৰা চৰাইৰ পাখি লগালে কেনে শোভা পায় নাজানে-নেদেখে। বৰং আকৌ কাউৰীয়ে যে মইনা চৰাইৰ মাত কাঢ়িবলৈ গলে মাতটো কেনে কৰ্কশ হৈ পৰে কানত নোসোমায়। শুনি চোৱাৰ আৱশ্যকতাবোধো নকৰে। ইংৰাজী আখৈ ফুটা দি ফুটে। অসমীয়া বোলে মুখত নুঘূৰে। লাগি ধৰিব বিচাৰে। এইবিলাকৰ বাবেই সেই ছোৱালীবোৰক ভাল নলগা হৈছিল মোৰ। পৰিবৰ্তে ভাল লাগিছিল সেই ছোৱালীজনীক। কাৰণ বহুত ব্যতিক্ৰম আছিল তাই, সেই ছোৱালীমখাৰ পৰা। সিহঁতৰ দৰে সজোৱা নাছিল নিজকে আধুনিকতাৰ মাজত। পৰিমানতকৈ বেছি কথা নকয় সিহঁতৰ দৰে ষ্টাইলত। ময়ো যে তাইকেই বিচাৰো। ভালপাওঁ।

এতিয়া ছোৱালীজনীয়ে মোক দেখিলেই মিঠা গহীন হাঁহি এটাৰে সম্ভাষণ জনায়। ময়ো, গা বচাই কথা পাতো। কম কথা পাতো। আচলতে ইয়াৰ আঁৰত থাকে মোৰ নিজকে ছোৱালীজনীৰ ওচৰত সৰু নোহোৱাৰ কৌশল। আমাৰ মাজত হোৱা হঠাৎ পৰিৱৰ্তনত চকুত পৰে বাকীবিলাকৰ। আগৰ দৰে সিহঁতক পাত্তা নিদিয়া হৈছোঁ। সিহঁতে ভাবে— সিহঁতৰ প্ৰতি মোৰ এনে ব্যৱহাৰৰ কাৰণ এই ছোৱালীজনীয়েই। তায়ো লগৰ ছোৱালীবোৰৰ লগত বেছি নুফুৰে। কথাও নাপাতে। প্ৰয়োজনীয়খিনিৰ বাদে। ইয়াৰ বিপৰীতে মোৰ লগতে বেছি ফুৰে, কথা পাতে। নাজানো বাহ্যিকেই চাওঁক বা আভ্যন্তৰীনেহ হওঁক কিনো বিশেষ গুণ এটা পালে মোৰ মাজত। প্ৰতিভা বোলা বস্তু একোৱেই নাই মোৰ। সুপ্ত অৱস্থাতো। হয়তো মোৰ স্বভাৱেই শান্ত, অলপ গহীন কিন্তু কিবাহৰ গৌৰবত নহয়। অল্পকথা কোৱাৰ বাবেই তাইৰ মোৰ প্ৰতি ভাললগাৰ কাৰণ চাগে। কাৰণ তাইৰ স্বভাৱৰ সৈতে মোৰ যথেষ্ট মিল আছে। আমাৰ মাজত সম্পৰ্ক ইমান মজবুত হৈছিল যদিও আমি মানে ছোৱালীজনীৰ সৈতে মই আন ষ্টুডেন্টৰ দৰে চিনেমা চাই, ৰেষ্টুৰেন্টত বহি ঘন্টাৰ পিছত ঘন্টা আড্ডা মৰা নাছিলো। অৱশ্যে ব্যতিক্ৰম সামান্য নঘটা নহয়। সেয়া ঘটিছিল তাইৰ একান্ত ইচ্ছাত। কেতিয়াবা আকৌ কিছুমান বিষয়ৰ ওপৰত থকা ব্যক্তিগত লোভো কষ্ট কৰি সামৰি থব লগা হৈছিল। মানে নিৰ্দেশ কোৱাই ভাল হব। ছোৱালীজনীৰ কেতবোৰ অন্যায় নিৰ্দেশকো বাধ্য ছাত্ৰৰ দৰে মাত্ৰ মানি যাব লাগিছিলো মই। ক্লাছ অফৰ টাইমত লাইব্ৰেৰীত বহি থাকিব লগা হৈছিল বহু সময়ত। থম্ থম্ মদন গোপাল হৈ। তাই পঢ়িব, মই ঠন্ ঠন্ চাই থাকো। ইমানবোৰ কৰিও জানো নিস্তাৰ। অকণমান

কথাতেই গালি-গালাজ খাব লাগে। হজম কৰিব লাগে। অকল এয়াই জানো ভালকৈ মাতযাৰো নাপাওঁ কেতিয়াবা। মাতযাৰ পাবলৈ মযে কৰিব লাগে জয়দেউ- কাকুতি। এয়া অবশ্যে মোৰ দোষৰ জৰিমনা হিচাপেই গ্ৰহণ কৰোঁ। উপায় নাই। ছোৱালীজনীৰ প্ৰতি জন্মা মোৰ অজান অনুভূতিৰ বাবেই।

আজিকালি কথাবোৰ অলপ গহীন ভাবে ভৰা হৈছে। ছোৱালীজনীৰ সৈতে মোৰ সম্পৰ্কটোৰ ওপৰত। এতিয়াও অটুট থকা জুই আৰু ধোঁৱাৰ মাজত থকা সম্পৰ্কটো পুনৰ ভাবি চাইছো। নিৰ্দিষ্ট তাপমাত্ৰাত যে ঘি গলি যাব পাৰে। জুইলৈ ভয় লাগে সেয়ে। সেই ভাবিয়েই আজিকালি আমাৰ মাজত ব্যৱধান এটা বঢ়াই দিছো মই, ছোৱালীজনীক কিছুমান মিথ্যা অজুহাত দেখুৱাই। ঘনঘন্টা লাগি যায় বুলিয়েই। লগৰ দুজনমান আশাকাৰীয়ো মোৰ পিছ লবলৈতো আৰম্ভ কৰি দিছে ইতিমধ্যে। আমাৰ মাজত যিটো মাত্ৰাধিক মিলামিচা, যিটোক কলেজীয়া সমাজত প্ৰেম বুলি আখ্যা দিয়া হয় তাৰ বিষয়ে সিহঁতে কোৱা-মেলা কৰে। যিটোৰ পৰিণতিত সাধাৰণ 'পৰিণয়' ঘটা বুলি কোৱা হয়। কিন্তু এয়া জানো সম্ভৱ? মোৰ বাবে। আমাৰ মাজৰ সুবিস্তীৰ্ণ অকৃত্ৰিম বন্ধুসুলভ ভালপোৱাক জানো অসন্মান কৰিব পাৰিম। উচিত হব জানো? মোৰ যেন তাইৰ প্ৰতি থকা বন্ধুত্ব প্ৰেমলৈ ৰূপান্তৰিত নহওঁক তাকেই আশা কৰো। তথাপিও মোৰ যে এতিয়াও এটি আশংকা। হাজাৰ হলেও নাৰীৰ মন যে তুলা সদৃশ, কোনোবা এটা দুৰ্বল মুহূৰ্তত যদি তাই কৈ দিয়ে— "আই লাভ ইউ জোন। পাৰিমনে উপেক্ষা কৰিব? যাক মই মোৰ প্ৰাণতকৈয়ো অধিক ভালপাই পেলাইছো। কি কৰিম? এতিয়া মাথোঁ মোৰ বুকুৰ মাজত অনুৰণিত হবলৈ ধৰিছে এটা শব্দৰ সহস্ৰ প্ৰতিৰূপ—

"আশংকা।" ❑

### LAKE FACTS

- The world's largest lake is the Caspian Sea. It borders the countries of Iran, Russia, Turkmenistan, Kazakhstan and Azerbaijan. It covers an area of around 371,000 sq km.
- Lake Baikal of Russia is the deepest lake. The deepest point is 2 km deep.
- The world's largest underground lake is in Nambia, Africa. It covers an area of 26,100 sq km. It was discovered only in 1986.
- The highest navigated lake is Lake Titicaca which borders between Peru and Bolivia and lies 12,500 feet above sea level.



গল্প

# ট্ৰেজেডি

মোঃ আছমত আলী
স্নাতক মহলা (প্ৰথম বৰ্ষ)

ট্ৰেজেডি শব্দটো ইংৰাজী শব্দ। ইয়াৰ অসমীয়া অৰ্থ হ'ল দুখ বা আঘাত। ট্ৰেজেডি শব্দটোৰ ইংৰাজী বিপৰীত শব্দ হ'ল কমেডি। ইয়াৰ অৰ্থ হ'ল আনন্দ বা সুখ। এই দুয়োটা শব্দ সকলোৰে চিনাকী কাৰণ দুয়োটা শব্দ সকলো মানবৰ জীৱনলৈ কম বেছি পৰিমাণে অহা যোৱা কৰে। কিন্তু কমেডি শব্দটো সকলো মানুহৰ মনত নাথাকে আৰু ইয়াৰ বিপৰীত শব্দটো বেছি ভাগ মানুহৰ লগত থাকে। ঠিক তেনে দৰে এজন ছাত্ৰৰ জীৱনলৈ ট্ৰেজেডি শব্দটো নামি আহিছিল বা ট্ৰেজিক ঘটনা ঘটিছিল।

ৰুবুল নামৰ ছাত্ৰ এজনৰ জীৱনলৈ নামি আহিছিল এই ট্ৰেজেডি শব্দটো। তেওঁ কোনো দিন ভবা নাছিল তেওঁৰ জীৱনলৈ এনে এদিন এই ট্ৰেজেডি শব্দটো নামি আহিব। আচলতে কোনো মানুহেই ভাবি নাথাকে এনে দৰে ট্ৰেজেডি শব্দটো আহিব। কিন্তু ৰুবুলৰ টকা বা খাদ্য-খানাৰ বা অন্নান্য ট্ৰেজেডি নহয় অৱশ্যে তেওঁ কোনো উচ্চ পৰিয়ালৰ পৰা অহা নাছিল। তেওঁৰ জীৱনত মানসিক ট্ৰেজেডিৰ ঘটনা ঘটিছিল। তেওঁক এই মানসিক ট্ৰেজেডিয়ে কিছুদিন মাতাল আৰু অৱশেষত মৃত্যুৰ মুখত পেলাইছিল। ৰুবুল আছিল নম্ৰ,ভদ্ৰ, ভাল চোকা আৰু হৃদয় খন আছিল অত্যন্ত গভীৰ। কিন্তু ছানিয়া নামৰ ছোৱালী জনীয়ে তেওঁৰকোমল আৰু গভীৰ হৃদয়খন চিনি পোৱা নাছিল। ছানিয়া আছিল এজনী উচ্চ পৰিয়ালৰ ছোৱালী আৰু ৰুবুলৰেই সমনীয়া । শৈশৱ কালৰ পৰাই দুয়ো একে লগে স্কুলত লিখা পঢ়া, খেলা-ধূলা কৰিছিল। এটা সময়ত গৈ ৰুবুলৰ চকুত অপেশ্বৰী। কিন্তু লৰাজন আছিল লাজকুৰীয়া। গতিকে ৰুবুল ছানিয়াৰ সন্মুখত কোনো দিন থিয় দি তেওঁৰ মৰমৰ তথা ভাল পোৱাৰ ভাষা প্ৰকাশ কৰিব পৰা নাছিল। লাহে লাহে দিন গুচি গৈছিল । ৰুবুলৰ হৃদয়ত আৰু বেছিকৈ ভাল পোৱাৰ জন্ম হৈছিল। ৰুবুলে বহুত বাৰ ছানিয়াৰ আগত তেওঁৰ কোমল হৃদয়ত জন্ম হোৱা মৰম খিনি ধৰি ৰাখিব নোৱাৰি প্ৰকাশ কৰিব বিচাৰিছিল।কিন্তু তেওঁ হৃদয়ৰ ভাষা প্ৰকাশ কৰিব পৰা নাছিল। কাৰণ তেওঁৰ লাজ আৰু ভয়। এদিন সিঁহত হাইস্কুল পাছ কৰি একেখন কলেজত নাম লগাইছিল। তেতিয়াও ৰুবুলে ছানিয়াক ভাল পায়েই আছিল কিন্তু প্ৰকাশ কৰিব পৰা নাছিল। ৰুবুলে ছানিয়াক খুব মৰম কৰিছিল যি কাৰণে এটা মূহৰ্তও তেওঁ আন ছোৱালীলৈ চকু মেলা নাছিল। কিন্তু দিনে দিনে মৰমে তেওঁৰ হৃদয়ত টুকুৰিয়াইছিল। মাজে সময়ে ছানিয়াক ৰুবুলে তেওঁ যে তাইক ভাল পায় সেই বিষয়ে ইঙ্গিত দিছিল।



প্ৰথম অৱস্থাত ছানিয়াও ৰুবুলৰ ভাল পোৱাক সঁহাৰি জনাইছিল আৰু নিৰবে আছিল, কাৰণ ছানিয়ায়ো তেওঁক ভাল পাইছিল কিন্তু প্ৰেমিক হিচাপে নহয় বন্ধু হিচাপেহে।

এদিন ৰুবুল তেওঁৰ কোঠাৰ পৰা মনত সাহস গোটাই কলেজলৈ গৈছিল আৰু হৃদয়ত জমা হোৱা ভাষাবোৰ প্ৰকাশ কৰিবৰ বাবে স্থিৰ কৰিছিল আৰু হৃদয়ৰ ভাষা প্ৰকাশ কৰিছিল। ৰুবুলে ভাবিছিল তেওঁৰ হৃদয়ৰ সকলো ভাষাই ছানিয়াই বুজি পাব আৰু তেওঁক ভাল পাব। সেই কাৰণে তেওঁ আনন্দত

দিশহাৰা হৈ আছিল। কিন্তু ইয়াতে আহি পৰিছিল ট্ৰেজেডি । কাৰণ ছানিয়াই আন এজন লৰাক ভাল পাইছিল। ৰুবুলৰ কথাত ছানিয়াই সন্মতি নজনাই আৰু টকা পইচাৰ লগতে উচ্চ পৰিয়ালৰ বুলি অহংকাৰ কৰি ৰুষ্ঠ ভাষাত ৰুবুলৰ ভাল পোৱাৰ উত্তৰ দিছিল। তেতিয়া ৰুবুল অপ্ৰকৃতিসু হৈ পৰিছিল আৰু যেন বিনা মেঘে বজ্ৰপাত পৰিছিল আৰু নিৰাশ মনেৰে তাৰ পৰা আঁতৰি আহিছিল। কিন্তু তথাপি ৰুবুলে ভাঙি পৰা নাছিল তেওঁ ছানিয়াক বুজাব পৰা নাছিল। বৈ অহা নিৰব চকুলো মচি তেওঁ জীৱন ধ্বংসৰ পথ লৈছিল । ৰুবুলে বুজি পাইছিল ছোৱালী মানুহৰ হৃদয়খন কিমান ভয়ানক আৰু ট্ৰেজেডি শব্দটো কি বা কাক বোলে। পিছৰ জীৱন ৰুবুলে বিয়া বাৰু নকৰাকৈ কটাবলৈ স্থিৰ কৰিছিল তথাপি তেওঁ ছানিয়াৰ ভৱিষ্যত অনিষ্ট কামনা কৰা নাছিল। কাৰণ তেওঁ পৃথিৱীত এজনী ছোৱালীকেইহে ভাল পাইছিল।

অৱশেষত তেওঁৰ ঘৰৰ পৰিয়ালে তেওঁৰ বিষয়ে সকলো জানিবলৈ পায় আৰু ৰুবুলক ছানিয়াতকৈ ধুনীয়া ছোৱালী চাই বিয়া কৰাই দিব খুজিছিল যদিও ৰুবুলে বিয়া নকৰালে আৰু কিছুদিন মাতালৰ নিচিনা ঘূৰি ফুৰি অৱশেষত নিজৰ জীৱন নিজেই শেষ কৰিছিল। কিছুদিন পাছত তেওঁ ব্লাড কেঞ্চাৰত পৰি এই পৃথিৱীৰ পৰা বিদায় মাগিলে।❑

## — মহৎ লোকৰ বাণী —

১। নোৱাৰো বোলা শব্দটো অকৰ্মণ্যৰ শব্দ । — *নেপোলিয়ন*

২। সৰু বুলি কাকো অৱহেলা নকৰিবা, তুমি সৰু বুলি ভৱা বস্তু এটাই তোমাক কেতিয়াবা বিৰাট সত্যৰ সন্ধান দিব পাৰে । — *গ্যেটে*

৩। কোনো বিপ্লৱেই সফল হৈ নুঠে, যদিহে তাত নাৰী সমাজে অংশ গ্ৰহণ নকৰে। — *মাও চে তুং*

৪। সত্যক জানিবলৈ চেষ্টা কৰা, ই তোমাক মুক্তি দিব। —*মহাত্মা গান্ধী*

সংগ্ৰাহক
মিতালী কলিতা
*স্নাতক প্ৰথম বৰ্ষ (বুৰঞ্জী বিভাগ)*





বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

গল্প

# সঁচা প্ৰেম

মিছ মমতাজ বেগম
*স্নাতক তৃতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান)*



ৰাহুল আৰু কৰণ দুয়ো ভাই-ককাই। ৰাহুল ডাঙৰ আৰু কৰণ সৰু । দুয়ো অকল ভাই-ককায়ে নহয় দুয়ো ভাল বন্ধুও। ইজনে সিজনক প্ৰতিটো মনৰ কথা খুলি কয়। সিহঁতৰ ঘৰ বাংগালোৰত। দুয়ো এক সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা। ৰাহুল আৰু কৰণৰ দেউতাক এজন বৰ ধনী ব্যৱসায়ী সেয়ে তেওঁ বেছিভাগ সময় বিদেশতে কটাবলগীয়া হয়। কিন্তু ৰাহুল আৰু কৰণে মাকৰ সৈতে বাংগালোৰতে থাকে। সুমন হ'ল ৰাহুলহঁতৰ ঘৰৰ ওচৰতে থকা প্ৰতিবেশী মৃদুল শইকীয়াৰ ভাগিনী ছোৱালী। তাই বাংগালোৰত মোমায়েকৰ ঘৰত থাকি কলেজত পঢ়িবলৈ আহিছে। সুমন দেখাত পূৰ্ণ চন্দ্ৰমাটোৰ দৰে ধুনীয়া। ৰাহুল আৰু কৰণ দুয়োৱে প্ৰথম দেখাৰ দিনাৰ পৰাই সুমনক ভাল পাবলৈ ধৰিলে। কিন্তু কোনেও সুমনক ভালপোৱাৰ কথা কব নোৱাৰিলে। এদিনাখন সুমনে মামীয়েকৰ সৈতে ৰাহুলহঁতৰ ঘৰত ফুৰিবলৈ আহিল। তাইৰ ব্যৱহাৰ আৰু কথা বতৰা ৰাহুলৰ মাকৰ খুব ভাল লাগিল। তেওঁ সুমনক প্ৰত্যেক দিনাই তেওঁলোকৰ ঘৰলৈ ফুৰিবলৈ আহিবলৈ কলে। সুমনে মাজে সময়ে তেওঁলোকৰ ঘৰলৈ ফুৰিবলৈ অহা আৰম্ভ কৰিলে। সুমনে সেই ঘৰখনৰ প্ৰত্যেকজন সদস্যৰ সৈতে মিলি গ'ল। ৰাহুল আৰু কৰণৰ সৈতেও তাই কথা বতৰা পাতে। ৰাহুল আৰু কৰণ দুয়ো সুমনক ভাল পাওঁ বুলি কব খুজিও যেন কব নোৱাৰে। ৰাহুল অতি শান্ত আৰু নম্ৰ স্বভাৱৰ । কৰণ অলপ উৎপতীয়া কিন্তু ভদ্ৰ । এদিন সময় বুজি কৰণে সুমনক নিজৰ মনৰ কথা খুলি কলে আৰু তাইৰ পৰা উত্তৰ বিচাৰিলে। তাই মুখেৰে একো নকলে। কিন্তু তাইৰ আচৰণত সকলো কথা ধৰা পৰিল যে তাইও যেন কৰণক ভাল পায়। সুমনে সৰুৰে পৰা ডায়েৰী লিখে। তাই তাইৰ মনৰ প্ৰতিটো কথা, প্ৰতিটো দিনৰ কথা ডায়েৰীখনত লিখি থয়। সেইদিনাৰ কথাও তাই ডায়েৰীত লিখি থৈছিল। সিহঁত দুয়ো যে ইজনে সিজনক ভাল পায় সেই কথা ঘৰৰ কোনেও গম নাপায়। আনকি ৰাহুলেও কৰণৰ মনৰ কথা জনা নাছিল। কৰণে এই কথা ৰাহুলকো কোৱা নাছিল।

ৰাহুলেও কেইবাদিনৰ পৰা লক্ষ্য কৰি আছিল যে কৰণ বৰ বেলেগ হৈছে। সি নিজৰ মাজতে কিবা কিবি গুণগুণাই থাকে। আনকি সি ৰাহুলৰ সৈতেও আগৰ দৰে মনৰ কথা খুলি নোকোৱা হৈছে। সেয়ে এদিন সি কৰণক তাৰ পৰিৱৰ্তনৰ কথা সুধিলে আৰু এই পৰিৱৰ্তনৰ ৰহস্য জানিব বিচাৰিলে। কিন্তু কৰণে একো হোৱা নাই বুলি কৈ বেলেগ কথালৈ যাব খুজিলে। কিন্তু ৰাহুলে তাৰ আচাৰ ব্যৱহাৰ আৰু মুখমণ্ডল দেখিয়ে গম পালে যে কৰণ হয়তো প্ৰেমত পৰিছে আৰু কৰণৰ পৰা সেই ছোৱালী জনীৰ নাম জানিব বিচাৰিলে । কিন্তু কৰণে একো নকলে।

ৰাহুলহতৰ মাকে ৰাহুল আৰু কৰণৰ মাজত ৰাহুলৰ মনৰ কথাহে সোনকালে বুজি পায়। ৰাহুলৰ স্বভাৱ শান্ত আৰু নম্ৰ। মুখেৰে একো প্ৰকাশ কৰি কব নোৱাৰে বা লাজতেই নকয়। সেয়ে মাকে ৰাহুলৰ মনৰ কথা সৰুৰে পৰা বুজিবলৈ চেষ্টা কৰিছে। মাকে ৰাহুলৰ এটা কথা লক্ষ্য কৰিছিল যে সি যেতিয়াই সুমনক দেখা পায় বা তাইৰ সৈতে মুখামুখি হয় তেতিয়াই সি তাইক একেথৰে চাই থাকে বা তাইৰ মুখত হাঁহি বিৰিঙি উঠে। সুমনৰ সৈতে সি মনৰ কথা কব খোজে কিন্তু কব নোৱাৰি অন্য কথা এটা কৈ দিয়ে। ৰাহুলৰ এনে আচৰণ দেখি মাকে জানিব পাৰিলে যে ৰাহুল সুমনক খুব ভাল পায় কিন্তু কোনো কালেই সি তাৰ মনৰ কথা তাইক কবলৈ সাহস নকৰিব।



বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

সেয়ে এদিন ৰাহুলৰ মাকে সুমনৰ মামা-মামীক মাতি সুমন আৰু ৰাহুলৰ ভালপোৱাৰ কথা কলে আৰু একে সময়তে বিয়াৰ প্ৰস্তাৱ দিলে। তেওঁলোকেও একো আপত্তি নকৰি প্ৰস্তাৱত সন্মতি দিলে আৰু সোনকালেই বিয়াৰ বন্দোবস্ত কৰিলে।

ইফালে যেতিয়া সুমনে গম পালে যে তাইৰ বিয়া কৰণৰ লগত নহয় ৰাহুলৰ সৈতেহে , তেতিয়া তাই আচৰিত হ'ল আৰু হিয়া ঢাকুৰি কান্দিবলৈ ধৰিলে। কিন্তু কি কৰিব বা কাক কৰণ আৰু তাইৰ ভালপোৱাৰ কথা কব বিচাৰি নাপালে। কাৰণ তাই মামা-মামীয়েকৰ লগতে ৰাহুল আৰু কৰণৰ মাকক যথেষ্ট সন্মান কৰে আৰু কোনো প্ৰকাৰে তেওঁলোকক দুখ দিব নিবিচাৰে। কাৰণ সকলোৱে তাইক খুব মৰম কৰে। ইফালে কৰণে এই কথা জানিব পাৰি দুখী হোৱা স্বত্বেও সকলোৰে সৈতে সন্মতি প্ৰকাশ কৰি বিয়াৰ বাবে আনন্দ প্ৰকাশ কৰিবলৈ ধৰিলে। কাৰণ সি জানে যে ৰাহুল আৰু মাক কাকো সি কোনো কাৰণতে আঘাত দিব নোৱাৰে বা দুখী হোৱা চাব নোৱাৰে। কৰণে উপলব্ধি কৰিব পাৰিলে যে সি সিদিনাখন ৰাহুলক মনৰ কথা খুলি নোকোৱাৰ কাৰণে আজি তাইৰ এই দুৰ্দশা।

এক পবিত্ৰ দিন, বাৰত ৰাহুল আৰু সুমনৰ বিয়া হল। খুব ধুম ধামেৰে সিঁহতৰ বিয়া হ'ল। বিয়াৰ পিছত কৰণ বিদেশলৈ গুচি গ'ল পঢ়াৰ বাবে। ছয় মাহ মানৰ পিছত সুমনৰ জীৱনলৈ এন্ধাৰ নামি আহিল। এক গাড়ী দুৰ্ঘটনাত ৰাহুলৰ মৃত্যু হ'ল। তাই বিধৱা হ'ল। বিয়াৰ এবছৰ নহওঁতেই তাইৰ শিৰৰ সেন্দুৰ মচি গ'ল। কৰণে ককায়েকৰ এই দুৰ্ঘটনাৰ কথা জানিব পাৰি ঘৰলৈ ঘূৰি আহিল। এই ঘটনাৰ পিছৰ পৰা সুমনৰ মুখৰ হাঁহি স্ফুৰ্তি যেন নাইকীয়া হ'ল। তাই কাৰো সৈতে কথা বতৰা পাতিবলৈ ইচ্ছা নকৰা হ'ল। এদিন কৰণৰ মাকে সুমনৰ কোঠালীলৈ যাওঁতে সুমনে লিখা ডায়েৰীখন চকুত পৰিল। তেখেতে ডায়েৰীখন পঢ়িলে আৰু পঢ়ি নিজকে দোষী অনুভৱ কৰিবলৈ ধৰিলে। তেখেতে জানিব পাৰিলে যে সুমন আৰু কৰণ ইজনে সিজনক ভাল পায় । কিন্তু সুমনক ৰাহুলৰ সৈতে বিয়া কৰাই দি দুয়োজনৰ মনত আঘাত দিছে। কিন্তু কৰণ আৰু সুমনৰ কোনো এজনেও তেওঁক এই কথা কোৱা নাছিল কিয়? সেয়ে তেওঁ এদিন দুয়োকে মাতি এই সকলো কথা সঁচা নে আৰু কিয় এই কথা তেওঁক কোৱা হোৱা নাছিল জানিব খুজিলে। সিঁহতে প্ৰথমতে এই কথাৰ উত্তৰ দিয়া নাছিল যদিও পিছত কলে যে মাক আৰু ৰাহুলৰ মনত দুখ দিব নিবিচাৰি সিঁহতৰ সুখত সুখী হবলৈ আৰু ককায়েকৰ মনত আঘাত নিদি ঘৰৰ সন্মান ৰক্ষাৰ্থে এনে কৰিবলগা হ'ল। সকলো কথা কৈ সিঁহতে মাকৰ ওচৰত ক্ষমা বিচাৰিলে আৰু মাকক দুখী হবলৈ মানা কৰিলে। সকলো শুনাৰ পিছত মাকে সিঁহতক ক্ষমা কৰিলে আৰু সিঁহতৰ প্ৰেমৰ মান ৰাখিবলৈ সিঁহত দুয়োজনৰ বিয়াৰ ব্যৱস্থা কৰিলে। দুয়োজনৰ প্ৰেম সঁচা আৰু পবিত্ৰ আছিল বাবেই প্ৰথমতে নহলেও শেষত দুয়োৰে মিলন হ'ল। দুয়ো একেথৰে ইজনে সিজনলৈ চাই যেন কবলৈ বিচাৰিলে সঁচা প্ৰেম কেতিয়াও বিফলে নাযায়।❑





পদাৰ্থ বিজ্ঞানৰ পৰীক্ষাগাৰত পৰীক্ষাৰত শিক্ষাৰ্থীসকল।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

গল্প

# এৰাতিৰ স্বপ্ন সহস্ৰ দিনৰ বেদনা

তাজেম আলী
*স্নাতক প্ৰথম বৰ্ষ।*

আধুনিক যুগৰ মূল কথা হ'ল- দিয়া আৰু লোৱা অৰ্থাৎ Give and take. এই প্ৰথাৰ যিমানবোৰ শাখা প্ৰশাখা আছে তাৰ ভিতৰত প্ৰেম নামৰ শাখাটোৰ স্থান সবাতোকৈ উৰ্দ্ধত। আধুনিক যুগৰ বহু ছোৱালীয়ে টকা সিকা অলংকাৰ আদিৰ বিনিময়ত শৰীৰৰ প্ৰত্যেকটো অংগ বিলাই দিবলৈও কুণ্ঠাবোধ নকৰে। তেনেকৈ কিবা এটা লোৱাৰ আশাত বহু ল'ৰাই কাতি মাহৰ কুকুৰৰ দৰে ছোৱালীৰ পিচে পিচে ঘূৰি ফুৰে যাৰ কাৰণে এটা শ্ৰেণীতে তিনি চাৰিটা বছৰ পাৰ কৰাই দিয়ে। তেওঁলোকে বছৰৰ বছৰটো ঘূৰি ফুৰি আৰু পৰীক্ষাত সেই নকলৰ বাকচ লৈ বহিব। কোনো শিক্ষক শিক্ষয়িত্ৰীয়ে তাৰ বিপৰীতে গ'লে হত্যাৰ ভাবুকি দিব। কিছুমানে কব খোজে অমুক ছাৰে খুব পেক্‌পেকাই থাকে বাহিৰৰ পৰা ইয়ালৈ আহি চাকৰি কৰাৰ স্বাদ মাৰি দিম। আজিৰ ছাত্ৰ সমাজ ভয়ঙ্কৰ এক ফেঁটিসাপৰ দৰে......., ............প্ৰদূষণৰ নিচিনা, অনিষ্টকাৰী ৰঙা পানীৰ নিচিনা। হিংসা-প্ৰতিহিংসা, অন্যায়-অত্যাচাৰ, আত্মগৌৰৱ, সন্ত্ৰাসী মনোভাৱ নিৰ্যাতন আদিৰে আজিৰ যুগটো "জোৰ যাৰ মূলুক তাৰ" বোলা ব্যক্তিবাদী মতবাদৰ ওপৰতেই চলি আছে।

কিন্তু আধুনিক যুগে গ্ৰাস কৰিব নোৱাৰা অৰূপ এজন ব্যতিক্ৰমী ল'ৰা। তেওঁ জানে জীৱনৰ এই স্তৰটো হৈছে "ধুমুহা আৰু পীড়নৰ কাল"। সেয়েহে তেওঁ সাৱধান মতেই চলা ফুৰা কৰে। কাৰণ তেওঁ এজন ভাল ছাত্ৰ আৰু ভাল সমাজসেৱীও । এই যুগটোক তেওঁ ৰিজাব খোজে নদীৰ "মৰাসুঁতি"ৰ লগত। কিয়নো নদীৰ সুঁতিটো নাইকিয়া হৈ যোৱাৰ ফলত সি যেনেকৈ মৃত বা মৰা সুঁতি নাম পায়; ঠিক মানুহৰ জীৱনটোও কেতিয়াবা মৃত সুঁতিত পৰিণত হয়।

সময়ো নিষ্ঠুৰ লগতে মানুহৰ মনটোও পৰিৱৰ্তনশীল। কালৰ চকৰিত পৰি মানুহৰ মনৰ পৰিৱৰ্ত্তন হয়। এদিন অৰূপে এটা চমৎকাৰ সপোন দেখিলে। অৰূপৰ মাকৰ ওপৰত তেওঁৰ প্ৰচণ্ড খং কিয়নো দিনটো আছিল ডাৱৰীয়া, কলেজলৈ যোৱাৰ বাবে তেওঁৰ ছাতি নাই। অৰূপৰ দেউতা ঢুকাবৰ প্ৰায় তিনি বছৰেই হ'ল। কি কৰিব তেওঁ, দেউতা থকা হলে তথাপি কথা আছিল। সিঁহত ভাই-ভন্টিৰে সৈতে চাৰিজন স্কুল কলেজৰ। অৰূপ ডাঙৰ গতিকে সংসাৰৰ বোজা তেওঁৰ ওপৰত । ডাঙৰ মানপাত (কচুপাত) এটা ছিঙি তেওঁ মূৰৰ ওপৰত ধৰি কলেজলৈ যাত্ৰা কৰিলে। কেইজনমান ধনী ঘৰৰ ল'ৰাই বাইক লৈ অৰূপৰ কাষেদি পাৰ হৈ গ'ল যাওঁতে অৰূপে হাতত ধৰি থকা মানপাত দলিয়াই পেলাই থৈ গ'ল। কি কব তেওঁ? সিহঁত যে ধনী মানুহ। Politics কৰা ঘৰৰ ল'ৰা। সিহঁতৰ পকেটত থাকে আঠ দহ ইঞ্চিমান অস্ত্ৰ। কান্ধত থাকে চুইছত চলা এক প্ৰকাৰৰ অস্ত্ৰ। অৰূপৰ মুখত শোকৰ ছাঁ পৰিল। আজি তেওঁৰ দেউতাক জীয়াই থকা হলে বা Political Leader ৰ ল'ৰা হ'লেও তেওঁৰ আচৰন এনেকুৱা নহ'লহেঁতেন।

অৰ্চনা উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী। ধনী ঘৰৰ ছোৱালী। ঘৰ সোনাপুৰত। সোনৰ নিচিনাই তাইৰ মুখ। ল'ৰাবোৰে তাইক দেখিলে কয় বিধাতাই যেন নিজ হাতেৰে সৃষ্টি কৰা এটা সোনৰ পুতলা। তাই অৰূপলৈ চাই দেখে তেওঁৰ মুখত শোকৰ ছাঁ। তাইৰ ঘৰ অৰূপৰ ঘৰৰ পৰা বহু দূৰত আতঁৰত হলেও তাই এটা বছৰত অৰূপৰ গুণ গৰিমা চাই তেওঁৰ প্ৰতি

আকৰ্ষিত হৈছে। তাই মাজে সময়ে ভাবে অৰূপৰ নিচিনা ল'ৰাৰ লগত তাই আজীৱন কটাই দিব পাৰিলে। লগৰ ছোৱালীবোৰক কয় অৰূপেতো চাকৰি পাবই নহয়নে ? কাৰণ প্ৰত্যেকটো শ্ৰেণীতে তেওঁৰ Result স্থান পোৱা। লাইব্ৰেৰীৰ ভিতৰত সোমোৱাৰ লগে লগে তেওঁৰ কাণলৈ নাৰীকণ্ঠ ভাহি অহা যেন পালে। অৰূপ ! অৰূপ, তোমাৰ কি হৈছে? তোমাক এনেকুৱা দেখিলে মোৰ বেয়া লাগে জানা ? মোৰ খুবেই বেয়া লাগে। চোৱা ? তোমাৰ লগত মোৰ কথা আছে। শুনিবানে ?.................

অৰূপ, চক খাই উঠি দেখে সি বিচনাত। ইমান সময় তাৰমানে তেওঁ সপোন দেখিলে। তেওঁ কেইবাদিনো দেখিছে অৰ্চনা নামৰ ছোৱালীজনীয়ে তেওঁৰ পিনে বেকাঁ কৈ চোৱাৰ দৃশ্য। তেওঁ নিজকে ক'লে উষাই সপোনত দেখা অনিৰুদ্ধক বাস্তৱত পাইছিল, ৰুক্মিনীয়ে আনৰ মুখত শুনি শ্ৰীকৃষ্ণক পাইছিল। গতিকে আজিয়ে গৈ মই অৰ্চনাক ক'ম মই তইক প্ৰাণভৰি ভাল পাওঁ ! কথামতেই কাম। অৰ্চনায়ো বুকুত বান্ধি থোৱা আশাৰ টোপোলাটো যেন হাতৰ মুঠিত পালে। কিন্তু বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে কোৱা কথাষাৰ মুখৰিত হৈ উঠিল - "প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু ইয়াৰ বেদনা চিৰস্থায়ী- কিয়নো এসপ্তাহৰ পিছত অৰ্চনাৰ ফাইনেল পৰীক্ষা । পৰীক্ষা দি তাই ঘৰলৈ গুচি যাব আৰু তেওঁৰ অৱস্থা কি হব। এদিন বিভাগীয় শিক্ষকে কোৱা কথা এষাৰ অৰূপৰ কাণলৈ ভাহি আহিল। অৰূপ... তোমাক লৈ লিখা ৰচনা এইবাৰ মোক সম্পূৰ্ণ কৰি দিবা। মোৰ কিমান আনন্দ লাগিছে জানানে ? মেট্ৰিক পাচ কৰাৰ পৰা বি.এ. ফাইনাললৈকে তোমাক লৈ লিখা মোৰ এইখনেই হব শেষ ৰচনা......." পাৰিবনে তেওঁ? ছাৰৰ ৰচনা সম্পূৰ্ণ কৰি দিবলৈ, কাৰণ তেওঁ যে একোৱেই পঢ়া নাই। মাত্ৰ অৰ্চনা ........। পৰীক্ষা শেষ হোৱাত অৰ্চনা ঘৰলৈ গ'ল আৰু অৰূপে অৰ্চনাৰ অপেক্ষাত বাট চাই থাকিল। অসম্পূৰ্ণ হৈ গ'ল অৰূপৰ ছাৰৰ ৰচনা । ❑

## Facts on Some Asian Countries

| Country | Capital City | Official language | Area in sq km |
|---|---|---|---|
| Israel | Jerusalem | Hebrew, Arabic | 20,770 |
| Iraq | Baghdad | Arabic | 438,445 |
| Iran | Tehran | Persian | 1,648,000 |
| United Arab Emirates | Abu Dhabi | Arabic | 75,150 |
| Saudi Arabia | Riyadh | Arabic | 2,400,900 |
| Kuwait | Kuwait City | Arabic | 24,280 |
| Afghanistan | Kabul | Pushtu, Dari | 652,225 |
| Bangladesh | Dhaka | Bengali | 144,000 |
| Bhutan | Thimpu | Dzongkha, English | 46,620 |
| India | New Delhi | Hindi | 3,287,263 |
| Maldives | Male | Divehi | 298 |
| Nepal | Kathmandu | Nepali | 141,415 |
| Pakistan | Islamabad | Urdu | 803,940 |
| Sri Lanka | Colombo | Sinhalese, Tamil | 65,610 |
| China | Beijing | Mandarin Chinese | 9,597,000 |
| Japan | Tokyo | Japanese | 369,700 |
| Thailand | Bangkok | Thai | 514,000 |
| Malaysia | Kuala Lumpur | Bahasa Malaysia | 332,965 |
| Singapore | Singapore City | English, Chinese, Malay, Tamil | 616 |
| Indonesia | Djakarta | Bahasa Indonesia | 1,919,445 |



# সাক্ষাৎকাৰ



## অসম সাহিত্য সভাৰ সভাপতি শ্ৰদ্ধেয় ৰংবং তেৰাঙৰ লগত।

সম্পাদনা সমিতিৰ অনুৰোধমৰ্মে ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক অৰুণ কুমাৰ চৰকাৰে যোৱা ৩০/৮/২০০৯ ইং তাৰিখে গুৱাহাটীৰ আৱৰ্ত ভৱনত অসম সাহিত্য সভাৰ সভাপতি শ্ৰদ্ধেয় ৰংবং তেৰাং ডাঙৰীয়াৰ এক সাক্ষাৎকাৰ গ্ৰহণ কৰে। অতি ব্যস্ততাপূৰ্ণ জীৱনৰ পৰা সময় উলিয়াই আমাক কৃতাৰ্থ কৰা বাবে শ্ৰদ্ধেয় ৰংবং তেৰাং ডাঙৰীয়াৰ শলাগ ললোঁ। মাননীয় অৰুণ কুমাৰ চৰকাৰকো জনালো আন্তৰিক ধন্যবাদ ।

সম্পাদনা সমিতি ।

*: ৰং বং তেৰাং - অসমৰ সাহিত্য জগতৰ এক চিনাকী নাম। ক'ব পাৰি নামেই যাৰ পৰিচয়। কিন্তু যদি আপোনাক সোধা হয়- মানুহে আপোনাক কি হিচাপে চিনি পোৱাটো আপুনি বিচাৰে এজন সাহিত্যিক নে অন্য কিবা ?*

: সাহিত্য জগতত সেয়া মোৰ চিনাকি নাম হয়নে নহয় নাজানো । সেই নামটো কিন্তু মোৰ চিনাকি । পিতৃ-মাতৃয়ে দিয়া নাম । এজন সাহিত্যিক নে অন্য কিবা মই নিজকে নাজানো। এই নামেৰেই মই নিজৰ পথত যাত্ৰা অব্যাহত ৰাখি ভাল পাইছোঁ।

*: 'ৰংমিলিৰ হাঁহি' উপন্যাসখনৰ বাবে আপুনি সাহিত্য একাডেমী বঁটা লাভ কৰিছিল। এই সম্পৰ্কত আপোনাৰ অনুভৱ কি? উপন্যাসখনৰ বিষয়ে কিবা ক'ব নেকি?*

: অসমৰ সকলোৱে ভুল কৰে একাডেমী বঁটা লাভ কৰা বুলি। আনকি সাহিত্য একাডেমীৰ বিষয়াইও ভুল কৰে। আচলতে মই সাহিত্য একাডেমীৰ দৰে সন্মানৰ বঁটা নাই পোৱা আৰু মোৰ অনুভৱো নাই। ৰাইজে আদৰ কৰা বঁটাই একাডেমী বঁটা।

উপন্যাসখনৰ বিষয়ে মোৰ ক'বলগীয়া নাই। পাঠক সকলে ক'ব।

*: আমি জানো, আপুনি এখন সুন্দৰ ঠাইত জন্ম লৈছে, ডাঙৰ দীঘল হৈছে। আপুনি ভাবে নেকি আপোনাৰ সাহিত্য সৃষ্টিত অথবা অন্য অৰ্থত আপুনি সাহিত্যিক হোৱাৰ আঁৰত আপোনাৰ জন্মস্থানখনৰ কিবা প্ৰভাৱ আছে। কিহে আপোনাক প্ৰেৰণা যোগায় লেখাৰ বাবে?*

: সকলো মানুহৰ বাবে নিজৰ জন্মভূমি সুন্দৰ। জন্মস্থানে নহ'লেও জন্ম স্থান অৱস্থিত দেশ আৰু দেশৰ মানুহেই আচলতে মোৰ প্ৰেৰণাৰ উৎস।

মোৰ লেখাবোৰৰও মাটি আৰু মানুহেই প্ৰেৰণাৰ মূল শক্তি।

*: বৰ্তমানে অসমীয়া সাহিত্য জগতখনৰ সম্পৰ্কত আপোনাৰ মতামত কি ? বিশেষকৈ নতুনচামৰ সাহিত্যিকৰ সৃষ্টি সম্পৰ্কে আপুনি কি ক'ব বিচাৰে ?*

: বিশ্ব সাহিত্যৰ দৰে অসমীয়া সাহিত্যও স্থবিৰ নহয়। মানুহৰ মন গতিশীল। সাহিত্যৰ গতিও মানুহৰ মনৰ দৰেই।

নতুনচাম লেখক-লেখিকাও নতুনক আদৰিছে। এতিয়া কামধেনুৰ যুগ নহয়, বিশ্বায়নৰ যুগ। আমাৰ সাহিত্যৰ গতিও এনে প্ৰৱাহৰ পৰা নিশ্চয় মুক্ত হ'ব নোৱাৰিব। নতুন চামে সৃষ্টি কৰি যাওক । সময়ে তাৰ বিচাৰ কৰিব।

*: অসম সাহিত্য সভাৰ সভাপতিৰূপে আপোনাৰ অনুভৱ তথা অভিজ্ঞতা কি জানিব পাৰোনে? ভৱিষ্যতৰ বাবে আপোনাৰ কিবা পৰিকল্পনা ?*

: সভাপতিৰূপে মই লাভ কৰিছোঁ অসমৰ সকলো জনগোষ্ঠীৰ অপূৰ্ব সঁহাৰি আৰু সহৃদয়তা। এনে অভিজ্ঞতাৰে মোৰ ভৱিষ্যতৰ পটভূমিত বিচৰণ কৰিবলৈ চেষ্টা কৰিম।

*: বিভিন্ন সময়ত বিভিন্ন কাৰণত অসম সাহিত্য সভা কিছুমান বিতৰ্কত সোমাই পৰা আমি দেখি আছোঁ । এইবোৰে সভাৰ ভাবমূৰ্ত্তিত কিবা আঘাত কৰা বুলি আপুনি ভাবে নেকি ?*

: গতিশীল জীৱনত বিতৰ্ক থাকে। বন্ধ পুখুৰীত গতিও নাই, চাকনৈয়াও নাই। এনেবোৰ কথাই সাহিত্য সভাৰ ভাৱমূৰ্তি বিনষ্ট কৰিব নোৱাৰে।

*: অসম সাহিত্য সভাই সকলো মানুহক সুস্থ আৰু সম্পূৰ্ণভাৱে সামৰি লোৱাত ব্যৰ্থ হোৱাটো বিতৰ্কৰ এটা কাৰণ হ'ব পাৰে নেকি ?*

: অসম সাহিত্য সভা মোৰ দৃষ্টিত মুক্ত। মানুহৰ মন বান্ধত থাকিব নিবিচাৰে। অন্যান্য সাহিত্য অনুষ্ঠান গঢ় লোৱাত সেয়াই কাৰণ হ'ব পাৰে। কিন্তু, সৎ মনৰ বাবে সুন্দৰ মনৰ বাবে, সভাৰ মত সদায়েই মুক্ত।

*: অসমীয়া মানুহে কিতাপ নপঢ়া বুলি এটা বদনাম আছে।যি কাৰণত লেখা-মেলা কামটো পেছা হিচাপে ল'ব পৰাপৰিবেশ এটা সম্ভৱ হৈ উঠা নাই বোধ হয়।এই ক্ষেত্ৰত আপোনাৰ মতামত ?*

: অসমীয়া মানুহে কিতাপ নপঢ়ে নে পঢ়ে সেয়া মই নিশ্চিত নহওঁ যদিও, কিতাপ নপঢ়িলে প্ৰতিটো বছৰে ইমানবোৰ গ্ৰন্থ আৰু আলোচনী প্ৰকাশ হৈ নাথাকিলহেঁতেন।

*: অসমীয়া ভাষাৰ উন্নতিৰ স্বাৰ্থত আৰু স্কুল-কলেজ পৰ্যায়ত ভাষা শিক্ষাৰ মানদণ্ড উন্নয়নৰ বাবে অসম সাহিত্য সভাৰ পৰা কিবা পদক্ষেপ লৈছে নেকি ?*

: স্কুল কলেজৰ ভাষা শিক্ষাৰ মানদণ্ড চাবলৈ নিৰীক্ষণ কৰিবলৈ চৰকাৰ এখন আছে। তাত অসম সাহিত্য সভাৰ অনধিকাৰ চৰ্চাৰ কিবা অধিকাৰ আছে বুলি নাভাবো। অৱশ্যে অসমৰ বাহিজৰ লগতে মাত এষাৰ দিব পাৰে, অসম সাহিত্য সভাই ।

*: কিছু লোকে ভৱিষ্যতবাণী কৰে যে অন্য কিছু মাধ্যম, বিশেষকৈ ইলেক্ট্ৰনিক মিডিয়াৰ প্ৰভাৱত*

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

*এটা সময়ত হয়তো কিতাপ লুপ্ত হৈ পৰিব। আপোনাৰ অনুভৱ ?*

: সেয়া মই নাজানো। ভৱিষ্যৎ বাণী কৰাটো মোৰ ক্ষমতাৰ বাহিৰত। সেয়া সময়েহে ক'ব গতিৰ কথা।

: *শেষতীয়াভাৱে সাহিত্যৰ বাবে আপোনাৰ হাতত থকা পৰিকল্পনা কি ? অসমীয়া পাঠকে কেতিয়াকৈ আপোনাৰ নতুন সৃষ্টিৰ সোৱাদ পাব ?*

: জনসাধাৰণৰ মৰম আৰু লগতে মনৰ সন্তেদ লোৱাত এই এটা বছৰ মই ব্যস্ত। পৰৱৰ্তী কালত নিশ্চয় নতুন সৃষ্টি নহলেও মানুহৰ প্ৰাণৰ সংবাদ জনোৱাৰ ইচ্ছা ৰাখিছোঁ ।

*শেষত আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ ।*

ধন্যবাদেৰে -


<u>সাক্ষাৎকাৰ গ্ৰহণত -</u>

*অৰুণ কুমাৰ চৰকাৰ*

*সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ।*




২০০৯ চনৰ ৯ অক্টোবৰ তাৰিখে 'মহাবিদ্যালয় কৰ্তৃপক্ষ', শিক্ষক-কৰ্মচাৰী গোট আৰু 'সাহিত্য কানন'ৰ যুটীয়া উদ্যোগত আয়োজিত **"প্ৰয়াত দেৱ প্ৰসাদ শইকীয়া"** স্মাৰক বক্তৃতা অনুষ্ঠানত শ্ৰোতাৰ আসনত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকল। বক্তা শ্ৰীকনক চন্দ্ৰ শৰ্মা, উপ-সভাপতি, অসম সাহিত্য সভা।

অনুভৱ

# ড্ৰাগ্‌চ ঃ এক মাৰাত্মক নিচাকৰ দ্ৰব্য

শ্বহিদুল ইচলাম
উচ্চ মাধ্যমিক ১ ম বৰ্ষ (কলা)



পৃথিৱীত জন্ম হ'লেই যে এদিন মৰিব লাগিব সেই কথা সকলোৱে জানে। কিন্তু কিছুমান ভুলৰ বাবে বহুলোকে অকাল মৃত্যুবৰণ কৰে। এই অকাল মৃত্যুৰ প্ৰধান কাৰণ হ'ল ড্ৰাগ্‌চ সেৱন। এই ড্ৰাগ্‌চ প্ৰচলন সমগ্ৰ পৃথিৱীতে এটা ভয়াবহ সমস্যা হৈ পৰিছে। দেশৰ চুকে কোণে ড্ৰাগ্‌চৰ ব্যৱহাৰে যুৱক-যুৱতী সকলৰ মাজত এক বিৰাট ৰূপ ধাৰণ কৰিছে। এই নিচাযুক্ত ঔষধৰ ব্যৱহাৰে বহুতৰ জীৱনক ধ্বংশৰ পথলৈ আগবঢ়াই নিব ধৰিছে।

মানুহে ড্ৰাগ্‌চ কিয় ব্যৱহাৰ কৰে? মানুহে ড্ৰাগ্‌চ ব্যৱহাৰ কৰাৰ বহুতো কাৰণ আছে। বহুলোকে জীৱন সংগ্ৰামত সফল হ'ব নোৱাৰি হতাশ হৈ ড্ৰাগ্‌চ সেৱন কৰিবলৈ আৰম্ভ কৰা দেখা যায়। বহু যুৱক-যুৱতীয়ে পৰিয়ালৰ মাজত থকা অমিল দেখিও ড্ৰাগ্‌চ সেৱন কৰিবলৈ ধৰে। আনহাতে কেতিয়াবা দুষ্ট বন্ধুৰ প্ৰভাৱত পৰিও ল'ৰা -ছোৱালীয়ে এনে বদ অভ্যাস আয়ত্ত কৰে। প্ৰকৃততে মানুহে ড্ৰাগ্‌চ ব্যৱহাৰ কৰে কেৱল আনন্দ লাভ কৰিবলৈ, মনৰ দুখ-বেজাৰ পাহৰিবলৈ। সময় যোৱাৰ লগে লগে এনে ঔষধ নাপালে মানুহজনে অস্থিৰ হৈ পৰে। তেতিয়া তেওঁৰ ভয়াবহ শাৰীৰিক আৰু মানসিক কষ্ট হয়। ড্ৰাগ্‌চ সেৱন কৰা মানুহৰ স্নায়বিক আৰু মানসিক বিকাৰৰ ঘটনাও ঘটে। এনে লোকে ঔষধ কিনিবৰ বাবে চুৰি, ডকাইতি , বিভিন্ন সামাজিক অপৰাধ কৰে আৰু অৱশেষত নিজকে আৰু নিজৰ পৰিয়ালটোক মৃত্যুৰ পথলৈ ঠেলি দিয়ে। এনেদৰে মানুহজনৰ দেহত হৃদৰোগ, জণ্ডিছ, এইড্‌চ আদি ৰোগে দেখা দিয়ে।

ড্ৰাগ্‌চৰ প্ৰচলন বন্ধ কৰিব পাৰি। ই অসম্ভৱ নহয়। ইয়াৰ বাবে সংযমৰ প্ৰয়োজন। যুৱক-যুৱতী সকলে ড্ৰাগ্‌চৰ অপকাৰিতা সৰ্ম্পকে বুজিলৈ নিজেও এইবোৰ ব্যৱহাৰ কৰিব নালাগিব।

অভিভাৱক সকলেও নিজৰ সন্তানে যাতে ড্ৰাগ্‌চৰ কবলত নপৰে তাৰ বাবে দৃষ্টি দিব লাগিব। অভিভাৱক সকলে নিয়মিতভাৱে নিজৰ সন্তানৰ লগত বহি তেওঁলোকৰ অনুভূতিক বুজিব লাগিব। সন্তানৰ কাম কাজৰ লগতে সিঁহতৰ বন্ধু-বান্ধৱৰ লগতো জড়িত হৈ পৰা উচিত আৰু সন্তানক ড্ৰাগ্‌চ বা ৰাগিয়াল বস্তুৰ অপকাৰিতা সম্পৰ্কে বুজোৱা উচিত।

আমি সকলোৱে মিলি জুলি সমাজ আৰু পাৰিবাৰিক জীৱনৰ পৰা ড্ৰাগ্‌চ সেৱনৰ দৰে বেয়া দোষটো নাইকীয়া কৰিব লাগিব। কোনো লোকে ড্ৰাগ্‌চ সেৱন কৰা দেখিলে তেওঁক বুজাই - বঢ়াই এই কু-অভ্যাসৰ পৰা মুক্ত কৰিব লাগিব। এনেকুৱা কৰিলে নিশ্চয় আমাৰ সমাজৰ পৰা এই বদ অভ্যাস আঁতৰিব।❑




২০০৮ চনৰ ২১ ডিচেম্বৰ তাৰিখে আৰথুতুৰ ৰচীত অনুষ্ঠিত নিখিল ভাৰত জন-বিজ্ঞান মহাসভা (অল-ইণ্ডিয়া পিপলচ্‌ চাইন্স কংগ্ৰেছ) ৰ দ্বাদশ অধিবেশনৰ 'বিজ্ঞান আৰু অন্ধবিশ্বাস' - শীৰ্ষক কৰ্মশালাত নিজৰ অভিজ্ঞতা ব্যক্ত কৰিছে আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° সূৰ্য কলিতাই।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

অনুভৱ

# হোষ্টেল



শ্ৰী মনজিৎ ভাণ্ডাৰী
*স্নাতক প্ৰথম বৰ্ষ*

যেতিয়া Higher Secondary Pass হ'লো তেতিয়া মোৰ B.A.পঢ়িবলৈ ইচ্ছা নগল। সপোন দেখিলেওতো নহব বাস্তৱত টকাওতো লাগিব। মনে-মনে ভাবিলো পঢ়িলেনো কি হ'ব। তেতিয়া ঘৰৰ পৰা মায়ে ক'লে- 'B.A. টো শেষ কৰি তাৰ পাছত পঢ়িব নালাগে।' মই ক'লো, 'আই কমেও মাচুল ২০০০/- লাগিব।' আয়ে ক'লে 'টকাৰ কথা তই ভাবিব নালাগে মই আছো নহয়। তই কেৱল পঢ়াত মনোযোগ দিবি।' তেতিয়া অলপ সান্তনা পালো। তথাপিও মোৰ মনৰ ভিতৰত অসীম প্ৰশ্ন উঠিল। আয়ে ক'লে 'তই হোষ্টলত থাকি পঢ়িবি।' প্ৰথমতে ভাল নালাগিল তাৰ পাছত ভাবিলো যে, আমাৰ সাঁচি থোৱা ধন নাই গতিকে মই যদি পঢ়িবলৈ খোজো আয়ে তেতিয়া কৰবাৰ পৰা টকা সুতত আনিব নিশ্চয়। আয়ে সপোন দেখিছিল ছাগে আনৰ মাক-বাপেকৰ দৰে হোষ্টেলত ৰাখি পঢ়োৱা। ২ মাহ মানৰ পাছত হোষ্টেলত আহিলো। প্ৰথমতে ভাল নালাগিল, নিজৰ গাওঁৰ বন্ধু-বান্ধৱীকো এৰি আহিব লগা হ'ল বাবে। অহাৰ ১ মাহৰ পাছত হোষ্টেলত থাকিবলৈ আমনি লগা হ'ল। তেতিয়া মোৰ ঘৰলৈ যাবৰ ইচ্ছা গ'ল। ময়ো মনক শান্তনা দিবলৈ শনিবাৰে ঘৰলৈ গলো তাত এটা কাৰণো আছিল মোৰ ভালপোৱা ছোৱালীজনী গাওঁতে আছিল। তাইকো চাবলৈ পাম আৰু বন্ধু-বান্ধৱীক লগ পাম। সোমবাৰে ৰাতিপুৱা ঘৰৰ পৰা আহিলো। হোষ্টেলত সোমাই কাপোৰ সলাই গা ধুই কলেজলৈ গলো। কেইটামান ক্লাচ কৰি অফৰ সময়ত আহি ভাত ৰান্ধিলো সদায় আলু ফ্ৰাই সেই আলু খাই খাই মোৰ পেটত চৰ্বি হবলৈ ধৰিলে। কেতিয়াবা আবেলি সময়ত বন্ধু-বান্ধবৰ লগত ফুৰিবলৈ যাওঁ, তেতিয়া মনত এনেকুৱা সুখ উপভোগ কৰিবলৈ পাইছিলো যে, তাৰ তুলনা নাই। কোনো উপায় নাই ঘৰলৈ যাব লগা হ'ল। ২ মাহৰ পাচত ঘৰলৈ গলো। তাৰ পাছত হোষ্টেলত মোৰ বিষয়ে ভাল -বেয়া কি আলোচনা কৰিলে মই নাজানো। কিন্তু গাওঁতো কিছুমানে কবলৈ ধৰিলে বেছি দেখাবলৈ হোষ্টেলত গৈছিল। মই শুনিও নুশুনা হ'লো। আনে কলে কি হ'ব। মোৰ অসুবিধা মইহে জানো, আনে কি জানে। আনেতো কেৱল বাহিৰে বাহিৰে দেখা পায় ভিতৰত কোনে চায় আজিকালি। মই ঘৰৰ অশান্তিৰ কাৰণে ঘৰলৈ ঘূৰি আহিব লগা হৈছিল। ইয়াত মাৰ কোনো দোষ নাছিল। আছিল কেৱল দেউতাৰ। আজিকালি অৰ্থই ঘূৰায় মানুহৰ জীৱন চকৰী। মোৰো আশা মাৰ গ'ল দৰিদ্ৰতাৰ কঠিন শিলত ঠেকা খাই।□



*যোৱা ২৭ অক্টোবৰ, ২০১০ ইংৰাজী তাৰিখে অনুষ্ঠিত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ 'প্ৰয়াত দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান' ত শ্ৰোতাৰ আসনত শিক্ষক -শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ একাংশ। বক্তা - বিশিষ্ট গায়িকা ডক্টৰ অণিমা চৌধুৰী।*

অনুভৱ

# ম'বাইল যুগৰ কথা



জাহিদুল ইচলাম
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

এদিন এটা ভুল নম্বৰ ম'বাইলত ডায়েল কৰাত অচিনাকি ম'বাইল এটাৰ লগত সংযোগ হ'ল আৰু সেই নম্বৰটো ত্ৰিপুৰাৰ Seema নামৰ ছোৱালী এজনীৰ ম'বাইলত লাগিছিল। কিছুদিন পিছত আকৌ নম্বৰটো ডায়েল কৰি Seema ক Miss Call দিয়া হ'ল। কিন্তু Seema ই ফোন নকৰে কেৱল মাজে মাজে Miss Call 'দি থাকে । আৰু এদিন Seema ৰ ম'বাইলত ফোন কৰা হ'ল। তেতিয়া Seema ই ম'বাইলটো ৰিছিভ কৰি নাম সোধাত তেওঁ কলে মোৰ নাম Shahil । মই মেঘালয় ৰাজ্যৰ ছিলংৰ পৰা কৈছো, মই তোমালৈ ফোন কৰাত আৰু Miss Call দিয়াত তুমি বেয়া পোৱা নেকি ? যদি মোক বেয়া পোৱা তেনেহলে আৰু কথা নাপাতো আৰু Miss Call নিদিওঁ। Seema ই এই কথা শুনি কলে আপুনি Miss Call আৰু ফোন কৰিলে বেয়া পামতো দূৰৰ কথা আপুনি ফোন কৰিলে কিমান যে আনন্দ লাগে সেইটো কাৰো লগত তুলনা কৰিব নোৱাৰি আৰু আপোনাক অনুৰোধ কৰি কওঁ যে মোৰ ম'বাইলত সদায় Call কৰি থাকিব। ঠিক সেই মতে Shahil য়ে Seema ৰ লগত ম'বাইলত কথা পাতি থাকে। কিন্তু এদিন Shahil য়ে নেদেখাকৈয়েই Seema ক I Love you বুলি কৈ পেলালে আৰু Seema ইও ভালপোৱা স্বীকাৰ কৰি ললে। তাৰ পিছত Shahil আৰু Seema ৰ প্ৰেম ইমান গভীৰ হল যে ম'বাইলত Seema আৰু Sahil য়ে কথা পতা আৰম্ভ কৰিলে অতি কমেও এঘন্টা কথা পাতি থাকে। কিছু দিন পিছত প্ৰকাশ পালে Shahil আৰু Seema ৰ Love Story । Shahil ৰ বন্ধু বিলাকে জানিলে সিহঁতৰ ভালপোৱাৰ কথা আৰু Seema ৰ বান্ধৱী বিলাকে জানিলে তাইৰ প্ৰেমৰ কথা। এদিন Shahil য়ে Seema ক Call কৰাত Seema ই বান্ধৱী এজনীক Shahil ৰ লগত কথা পাতিবলৈ দিলে। তেতিয়া Shahil লে Seema ৰ বান্ধৱী Rumi ৰ লগত কথা পাতিলে আৰু Rumi ৰ ম'বাইলৰ নম্বৰটো ললে। পিছত Shahil ৰ বন্ধু Shohel ক নম্বৰটো দি Call কৰিবলৈ দিলে। তেতিয়া Shohel য়ে Rumi ক Call কৰি কথা বতৰা পাতি Shahil আৰু Seema ৰ নিচিনাই প্ৰেম হৈ গল। এনেকৈ আমাৰ অসমৰ লৰাবোৰ ছিলং ত কাম কৰিবলৈ গৈ এটাকৈ ম'বাইল কিনি ত্ৰিপুৰাৰ ছোৱালীবোৰৰ লগত



প্ৰেম কৰিবলৈ ধৰিলে আৰু ত্ৰিপুৰৰ ছোৱালীবোৰ মুৰ্খৰ দৰে দিন হাজিৰা কৰা ল'ৰা বিলাকৰ লগত দেখা - দেখি নকৰাকৈ এনেকুৱা অন্ধ প্ৰেম কৰি সিঁহতে Tention ত ভুগি লেখা -পঢ়া নষ্ট কৰি জীৱন ধ্বংশ কৰি আছে আৰু কাম কৰা ল'ৰা বিলাকে ঘৰত মাক দেউতাকক কিছু টকা পইচা দি আৰু সকলো টকা - পইচা ম'বাইলত Recharge Card ভৰাই টকা পইচা ধ্বংশ কৰি আছে। অবিশ্বাস্য হলেও এয়াই ম'বাইল যুগৰ অন্য এটা বাস্তৱ কাহিনী।□



বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

প্ৰবন্ধ

# নৱ প্ৰজন্মৰ সমস্যা

আয়ুব আলী আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

শুনিবলৈ বিৰক্তিকৰ এই যে, নতুন প্ৰজন্মৰ ল'ৰা ছোৱালীবোৰ কি যে উচ্ছৃংখল। কথাষাৰৰ সত্যতা সম্পৰ্কে আমি চিন্তা কৰাৰ প্ৰয়োজন আছে। সমাজৰ মূল্যবোধৰ গৰাখহনীয়াৰ বাবে নতুন প্ৰজন্মক দায়ী কৰা হয়। কিন্তু উচ্ছৃংখলতাৰ শিক্ষা ক'ৰ পৰা পাইছে? সমাজ খনৰ উচ্চ পদস্থ বিষয়াৰ পৰা আৰম্ভ কৰি পিয়ন চকিদাৰলৈকে দুৰ্নীতিৰ বোকাৰেই লুতুৰি পুতুৰি। আমাৰ জাতীয় জীৱনৰ প্ৰতিটো অংগতে দুৰ্নীতিয়ে দুৰাৰোগ্য কৰ্কটৰোগৰ দৰে বিয়পি নিঃশেষ হৈ গৈছে। দুৰ্নীতি মূঠতে সমাজ ব্যৱস্থাৰ সৃষ্টি নহয়, ই মানুহৰ চৰিত্ৰৰ কথা। দুৰ্নীতিৰ বোকাত পোত গৈ থকা বিষয়ববীয়া সকলেই হ'ল নতুন প্ৰজন্মৰ অভিভাৱক। কিছুমান অভিভাৱকে ল'ৰা ছোৱালীক টকা পইচা লাগে বুলিয়ে ইচ্ছা অনুযায়ী খৰচ কৰিবলৈ দিছে। অদ্ভুত সাজপাৰ, মদ-ভাং, ড্ৰাগছ এইবোৰ আজি কালি পিতৃ-মাতৃ সকলে ল'ৰা ছোৱালীৰ সক্ষমতা বুলি জ্ঞান কৰে। ক্লাছ VIII বা IX ৰ ল'ৰাৰ হাতত ম'বাইল, বাইক নহলে স্কুলৰ পদূলিত ভৰি নাৰাখে। ফলত বাটে ঘাটে নানান অঘটন আৰু এবুৰি সমস্যা। ল'ৰাই যেনে তেনে টকা ঘটিব লাগে আৰু ছোৱালীক যেনে তেনে ভাল ল'ৰা এটাৰ হাতত গতাব পাৰিলেই আজিৰ অভিভাৱকৰ তৃপ্তি। আজি কালি ভাল ল'ৰা বুলিলে কাক বুজায়? গাড়ী,-মটৰ, বেংক বেলেঞ্চ আদিৰ অধিকাৰী একো একোজন যুৱকনে? ঘৰত কুটা এগছ ইফাল সিফাল নকৰা ছোৱালীজনী যেতিয়া এঘৰত বোৱাৰী হয়গৈ তেতিয়া আহি পৰে দুয়োখন ঘৰৰ সমস্যা।

নিজে ডাঙৰ হোৱা ঘৰখনতেই আইতা, ককা, বৰদেউতা, পেহী, খুৰা-খুৰী, পিতৃ-মাতৃ আদিৰ সৈতে সম্বন্ধ বিচ্ছিন্ন হোৱা ছোৱালীজনীয়েই আন এঘৰত ন-কইনা হৈ কেনেকৈ শাহু -শশুৰ, দেওৰ-ননদ আদিৰ মন জয় কৰিব পাৰিব।

নিজৰ ছোৱালীজনী যেতিয়া বাটে পথে অৰ্ধনগ্ন হৈ ঘূৰি ফুৰে তেতিয়া অভিভাৱক সকলে চকু মুদি থাকে নেকি? আজি কালি শিক্ষিতা নাৰী সকলৰ এটা সমস্যা হৈছে 'হাউচ ৱাইফ' বুলি চিনাকী দিয়া শব্দটোৰ বাবে। ঘৰ সংসাৰৰ প্ৰতি মনোযোগ নিদিয়া শিক্ষিতা ছোৱালী জনীৰ লাগে প্ৰেমাৰ। শশুৰ-শাহুৰ কথা বাদেই দিছো স্বামী, ল'ৰা ছোৱালীক নিয়াৰিকৈ পৰিচালনা কৰিব নোৱাৰা নাৰী গৰাকীয়ে পুৰুষ শাসিত সমাজৰ বিৰুদ্ধে মেল মিটিং কৰে। নিজৰ অস্তিত্ব সুকীয়াকৈ প্ৰমাণ কৰিবলৈ যাওঁতে কিমানৰ সংসাৰত যে বেমেজালিৰ সৃষ্টি হৈছে তাৰ প্ৰকৃত হিচাপ হয়তো নোলাব। সেই সুযোগৰ আঁত ধৰি ল'ৰা-ছোৱালীবোৰে ঢাল খায় উচ্ছৃংখলতাৰ ফালে।

আমাৰ নিৰাপত্তা লাগে, অৰ্থনৈতিক ভাবে হওঁক বা মানসিক ভাবে হওঁক । ঘোচ নিদিয়াকৈ কোনো এটা কামেই হাচিল কৰিব নোৱাৰা সমাজত উচ্ছৃংখলতাৰ বাহ নহ'ব কিয়? নতুন প্ৰজন্মৰ গাত বদনাম জাপি দি এচাম পুৰণি প্ৰজন্মই বিভিন্ন ধৰণৰ সমাজ বহিঃৰ্ভূত কাম কৰাটো লজ্জাজনক কথা। নতুনক ক্ষমা কৰিব পাৰি কিন্তু পুৰণিক নোৱাৰি। মূল্যবোধৰ অৰ্থ বুজি নোপোৱা অভিভাৱকে ল'ৰা-ছোৱালীক মূল্যবোধৰ শিক্ষা দিব কেনেকৈ?

শেষত ইয়াকে কওঁ যে, নতুন প্ৰজন্মক উচ্ছৃংখলতাৰ বদনাম জাপি দি হাত সাৱটি বহি নাথাকি সমাজত ইতিবাচক উপাদানৰ প্ৰভাৱ পেলাবলৈ চেষ্টা কৰাৰ কথা পুৰণি চামে অৰ্থাৎ শিক্ষক অভিভাৱকে সততে চিন্তা চৰ্চা কৰিব লাগে। কিয়নো আজিৰ যুৱ চামেই ভৱিষ্যতৰ নাগৰিক । ( ছাঁ লৈ ৰচিত) ❑

অনুভৱ

# বন্ধু, বন্ধুত্ব আৰু প্ৰেম

মহঃ হাফিজুৰ ৰহমান
স্নাতক প্ৰথম বৰ্ষ (ৰাজনীতি বিজ্ঞান)

বন্ধুবিহীন জীৱন যেন এক শুকান মৰুভূমি। বন্ধুয়ে বন্ধুৰ বাবে হাঁহিমুখে আত্মত্যাগ কৰাৰ কাহিনী আমাৰ বাবে নতুন নহয়।

আব্ৰাহাম লিংকনৰ ভাষাৰে — বন্ধুৰ সংগ পোৱাটোৱেই জীৱনৰ সকলোতকৈ শ্ৰেষ্ঠ অংশ। সচাঁকৈয়ে এক স্বৰ্গীয় অনুভূতি। ইয়াৰ অনুভৱে পলকতে হিয়া মন জুৰ পেলায়। প্ৰকৃত বন্ধুত্বই প্ৰদান কৰে জীৱন যাত্ৰাত এক গভীৰ আনন্দ। বৰ্তমানৰ আধুনিকতাবাদী চিন্তাধাৰাই বন্ধুত্বৰ এনাজৰী নিশকতীয়া কৰা বুলি বহুতো চিন্তাবিদে সমালোচনা কৰে। কিন্তু এটা কথা সত্য যে, শ্ৰেষ্ঠতাৰ স্থান সদায় এভাৰেষ্টত। ইয়াক কোনেও নিম্নস্তৰত দলিয়াই পেলাব নোৱাৰে। ম'বাইল, বাইক তথা বিলাসী গাড়ীয়ে মাত্ৰ ৩০ শতাংশ যুৱ প্ৰজন্মক প্ৰকৃত ৰাস্তাৰ পৰা বিচলিত কৰাৰ প্ৰয়াস কৰিছে ; কিন্তু সাধাৰণ আৰু মধ্যবিত্ত শ্ৰেণীৰ ৭০ শতাংশ অৰ্থাৎ গৰিষ্ঠ সংখ্যক যুৱ প্ৰজন্মই বন্ধুত্ব অথবা প্ৰেমক এতিয়াও সন্মানৰ দৃষ্টিৰে চায়। সংবাদ মাধ্যমে যুৱ প্ৰজন্মৰ বন্ধুত্ব আৰু প্ৰেমক ইতিবাচক সঁহাৰি প্ৰদান কৰিলে তেওঁলোকৰ মানসিক শক্তি বৃদ্ধিত সহায়ক হ'ব। এদল ডেকা গাভৰুৰ মিলা-প্ৰীতিক প্ৰেমৰ দৃষ্টিৰে নুজুখি তেওঁলোকৰ আভ্যন্তৰীণ সম্পৰ্কৰ সম্ভেদ লোৱা নিতান্তই জৰুৰী। তেতিয়া সামাজিক পবিত্ৰতা ভাতৃত্ববোধ আৰু মানৱতাবোধ ৰক্ষা পৰিব।

দুজন প্ৰাপ্ত বয়স্ক যুৱক-যুৱতীৰ মধুৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক কেতিয়াবা প্ৰেমলৈ ৰূপান্তৰিত হয় সঁচা। কিন্তু ই প্ৰতিটো ক্ষেত্ৰতে সত্য নহবও পাৰে। যিহেতু যুৱক আৰু যুৱতী দুয়োটা বিপৰীত লিংগ সেয়েহে উভয়ৰ বন্ধুত্বৰ বান্ধোন কটকটীয়া হোৱাটো স্বাভাৱিক। এজনে আনজনৰ এক পবিত্ৰ বন্ধুলৈ ৰূপান্তৰিত হোৱাটো ধ্ৰুৱপ । বৰ্তমান সমাজৰ এচাম পৰশ্ৰীকাতৰ ব্যক্তিয়ে এহাল ডেকা-গাভৰুৰ পবিত্ৰ বন্ধুত্বক প্ৰেম অথবা কোনো গোপন সম্পৰ্ক বুলি সন্দেহ কৰে। এই চাম ব্যক্তিৰ কোপ দৃষ্টিৰ পৰা কেতিয়াও ৰেহাই নাপায়। আধুনিকতাবাদী চিন্তা ধাৰাৰে আবৃত এহাল ডেকা গাভৰুৰ বন্ধুত্বৰ সমাবেশত প্ৰেম লুকাই নথকা বুলি মই একাষাৰে নুই নকৰোঁ। কিন্তু এই ডেকা-গাভৰুহালে বন্ধুত্বৰ পবিত্ৰতা ৰক্ষা কৰি চলিলে সমাজ তথা বিজ্ঞজনে তেওঁলোকক সন্মানৰ দৃষ্টিৰে চাব। প্ৰেম এক ঐশ্বৰিক দান। প্ৰেম নিজে নিজে হৃদয়ত গঢ় লয়, গঢ় দিও বুলি গঢ়িব নোৱাৰি। প্ৰেমৰ ইংৰাজী প্ৰতিশব্দ 'LOVE' । এজন মহান বিশেষজ্ঞই LOVE ৰ ভাঙনি এনেদৰে দাঙি ধৰিছে —L = life of sorrow.

O = Ocean of tears.
V = Valley of death.
E = End of life.

"দুখময় জীৱনৰ চকুপানীবোৰ মচি মচি মহা সাগৰৰ পাৰে পাৰে খোজকাঢ়ি গৈ গৈ যেতিয়া মৃত্যুৰ উপত্যকাত উপস্থিত হয় তেতিয়াই প্ৰেমে সফলতা পায়।" ইয়াৰ পৰা বুজা যায় যে, প্ৰেম কৰাটো একেবাৰে সহজ, কিন্তু ইয়াক ওৰেটো জীৱন জীয়াই ৰখাটো কষ্টকৰ। অৱশ্যে অসাধ্য নহয়। বন্ধু , বন্ধুত্ব আৰু প্ৰেম- এয়া মানৱ জীৱন যাত্ৰাৰ বহুমূলীয়া সম্পদ। ইয়াৰ সংস্পৰ্শলৈ আহি ল'ৰা-ছোৱালী, যুৱক-যুৱতী অথবা বৃদ্ধয়ো প্ৰকৃত সফলতাৰ দুৱাৰ ডলিত উপস্থিত হ'ব পাৰে। 'Friendship' - এনেকুৱা এখন জীৱনজাহাজ; যাক কেৱল অকলে চলাব নোৱাৰি। (সহায়লৈ চৰিত) ।❑



অনুভৱ

# প্ৰেমৰ সুঁতি ঃ মানৱ প্ৰেমৰ পৰা বিশ্বপ্ৰেমলৈ

দিগন্ত কলিতা
*প্ৰাক্তন ছাত্ৰ*

প্ৰেম হৈছে মানৱ হৃদয়ৰ পৰা নিসৃত প্ৰবল সুঁতি । মানৱ হৃদয়ৰ সৰ্বোত্তম ধাৰাটিকেই প্ৰেম নামেৰে অভিহিত কৰা হৈছে। এক কথাত প্ৰেম হ'ল বিশ্ব প্ৰকৃতিৰ সুক্ষ্মাতিৰো সুক্ষ্ম সৌন্দৰ্য্যৰাশি আৰু মানৱ হৃদয়ৰ ৰসময় ভাবানুভূতি। এখন সঁচা মানৱ হৃদয়তহে সচাঁ প্ৰেম লুকাই থাকে। এই প্ৰেমেই জগত জিনিব পাৰে। এই প্ৰেমেই মানৱক অতি সামান্যৰ পৰা মহত্বলৈ উন্নীত কৰিব পাৰে। কেৱল মানৱ হৃদয়ে নহয় পশু-পক্ষীৰ হৃদয়তো এই প্ৰেমৰ ধাৰা বিদ্যমান। মাতৃৰ বুকুত নিশ্চিন্ত মনে টোপনি যোৱা, গৰু-ছাগলীয়ে ওহাৰত গাখীৰ খাওঁতে মাকে চেলেকি দিয়া, চৰাই-চিৰিকটিয়ে নিজৰ পোৱালীৰ মুখত টোপ ভৰাই দিয়া কাৰ্য্যত প্ৰেম বিদিত হয়। এই প্ৰেম স্বৰ্গীয়, ইয়াক সকলো হৃদয়তে একে ৰূপত দেখিবলৈ পোৱা নাযায়।

সামগ্ৰিক ভাৱে প্ৰেম পুৰুষ আৰু নাৰীৰ মাজতে বিদ্যমান। বিপৰীত লিঙ্গৰ প্ৰতি আকৃষ্ট হৈ উদ্ভৱ হোৱা প্ৰেম জগতৰ সৰ্বজনবিদিত। সমাজত এনে কোনো নাৰী বা পুৰুষ নাই যৌৱন কালত যাৰ হৃদয়ত প্ৰেম নামৰ এই স্বৰ্গীয় অনুভূতি জাগৃত হোৱা নাই। এই প্ৰেমেই মানুহক কেতিয়াবা দেৱতাৰ শাৰীলৈ লৈ যায় আৰু কেতিয়াবা পশুত্বলৈ অৱনমিত কৰে। এই প্ৰেমৰ কবলত পৰিয়েই ট্ৰয় নগৰী ধ্বংশ হৈছিল আৰু ইয়াৰ প্ৰেৰণাতে কাব্য -মহাকাব্যৰো সৃষ্টি হয়। পুৰুষৰ প্ৰতি নাৰীজনিত আৰু নাৰীৰ প্ৰতি পুৰুষজনিত যি প্ৰেম ই বহু সময়ত স্বাৰ্থজড়িত আৰু ক্ষণস্থায়ী । যেতিয়াই প্ৰেম দৈহিক ৰূপত আবদ্ধ হয় তেতিয়াই ই হৈ পৰে স্বৰ্গীয় জ্যোতিৰ পৰা বঞ্চিত।

প্ৰেম যেতিয়া এখন হৃদয়ত বা আত্মীয় কুটুম্বতে সীমাবদ্ধ নেথাকি সাৰ্বজনীন হৈ পৰে, তেতিয়াই ই হৈ পৰে মানৱ প্ৰেম আৰু তাৰ পৰা উৰ্দ্ধগামী হৈ ৰূপ লয় বিশ্ব প্ৰেমৰ মানুহে মানুহক ভালপোৱা, এজনৰ দুখত আনজনো দুখী হোৱা ইজনৰ সুখত সিজনেও সুখী হোৱা সমগ্ৰ মানৱ হৃদয়ৰ হৰ্ষ-বেদনা অনুভূতিৰে আয়ত্ব কৰি সমভাগী হব পৰা জনৰ হৃদয়ত যি প্ৰেমৰ সুঁতি বৈ থাকে সেই প্ৰেমেই মানৱ প্ৰেম। যেতিয়াই আমি কোনো স্বাৰ্থ আগত নাৰাখি ইজনে-সিজনক সমান দেখো এওঁ মোৰ, তেওঁ তোমাৰ আদি ভাৱ নাৰাখি সমগ্ৰ মানৱকে ভাতৃসম জ্ঞান কৰি হৃদয়ত আঁকোৱালী লওঁ তেতিয়াই প্ৰেমে মানৱ প্ৰেমৰ স্বৰূপ ধাৰণ কৰে। এই প্ৰেম কেতিয়াও স্বাৰ্থজনিত নহয়। ই হয় সমগ্ৰ মানৱ স্বাৰ্থ। মানৱ প্ৰেম হিংসা, কপটতা, আপোন-পৰ ভাব, বৰ্ণবৈষম্য, উচ্চ-নীচ, আদিৰ পৰা বহু নিলগত । মানৱ প্ৰেমত ব্ৰতী হোৱাজনৰ হৃদয়ত বৈষম্য সৃষ্টি কৰিব পৰা শক্তি আজিলৈকে জগতত নাই আৰু ভৱিষ্যতেও নাথাকিব।

এই মানৱ প্ৰেমতে আপ্লুত হৈ মহৰ্ষি ৰমন আৰু গান্ধীজীৰ দৰে মহা মহা পুৰুষেও নিজ হাতেৰে কুষ্ঠৰোগীক শুশ্ৰুষা কৰিছিল। দৰিদ্ৰ জনসমাজৰ বাবে নিজেই ভিক্ষাৰ পাত্ৰ হাতত তুলি লৈছিল। যি প্ৰেমত আপ্লুত হৈ যুদ্ধক্ষেত্ৰত ধৰাশায়ী সৈনিকে প্ৰাণ বচাবলৈ বিচৰা পানীটোপা আন এজন মৃত্যুমুখী সৈনিকৰ মুখত আগবঢ়াই দিছিল। শান্তিৰ দূত মাদাৰ টেৰেছাই যি

প্ৰেমত উদ্বুদ্ধ হৈ মানৱ মাত্ৰকেই সেৱা আগবঢ়াইছিল। শাকৰ গুৰুজনাই মুছলমানক কবৰ দি বিচাৰৰ কাঠগড়াত অকুণ্ঠ চিত্তে থিয় হৈছিল। হজৰত মহম্মদে তেওঁৰ অহিত চিত্তে ৰাজপথত কাঁইট পুতি থোৱা বৃদ্ধাক







নিজহাতে আৰোগ্য কৰাইছিল। সেই প্ৰেমেই মানৱ হৃদয়ৰ সঁচা মানৱ প্ৰেম।

মানৱ হৃদয়ত জাগ্ৰত আন এটি প্ৰেমৰ ধাৰা হ'ল প্ৰকৃতিমুখী যাক সাহিত্যত প্ৰকৃতিপ্ৰেম বুলি কোৱা হয়। প্ৰকৃতিৰ অৰ্ন্তভূক্ত গছ-গছনি , তৰু-লতা, পশু-পক্ষী, পৰ্বত-পাহাৰ, আনকি ইঁতৰ প্ৰাণীবোৰৰ প্ৰতিও মানুহৰ হৃদয়ত প্ৰেম জাগ্ৰত হয়। প্ৰকৃতি প্ৰেমীয়ে তৰু-তৃণক নিজৰ দৰে বিবেচনা কৰে বাবে অকৃতিম প্ৰেম প্ৰদান কৰে। এনে প্ৰকৃতি প্ৰেমী যেনে মহাপুৰুষ শংকৰদেৱ, ৱৰ্ডছৱৰ্থ , শ্যেলী, ৰঘুনাথ চৌধুৰী আদিয়ে প্ৰকৃতি প্ৰেমত আপ্লুত হৈ প্ৰকৃতিৰ নানা উৎস লৈ সাহিত্যৰ সমুদ্ৰত জোৱাৰ আনিছিল, এই প্ৰেমে মানুহ আৰু প্ৰকৃতিৰ মাজৰ ব্যৱধান নোহোৱা কৰি মানুহক আৰু প্ৰকৃতিক এনে শাৰীত বন্ধাইছিল।

প্ৰেম যিহেতু মানৱ হৃদয়ৰ পৰা নিসৃত প্ৰবল সুঁতি, এই সুঁতি বিলাকৰ মিলনৰ সৰ্বোত্তম আধাৰটি হ'ল বিশ্বপ্ৰেম। মানুহে যেতিয়া তেজ-মঙহৰ সম্বন্ধকে কুটুম্ব বুলি নেভাবি মানুহ মাত্ৰেই আত্মীয় বুলি ভাবিব পাৰে, পশু-পক্ষী, ইঁতৰ প্ৰাণী আৰু উদ্ভিদ জগতোকো আত্মসম জ্ঞান কৰিব পাৰে। তেতিয়াই প্ৰেমে গতি কৰে বিশ্বপ্ৰেমলৈ। এনে ভাৱনাই ঠাই পোৱা হৃদয় কিমান মহান তাক প্ৰকাশ কৰাৰ মাধ্যম জগতত বিচাৰি পাবলৈ নাই, ই কেৱল উপলব্ধিৰহে বস্তু। ❑



*বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ লোৱা সকলৰ মাজৰ দুগৰাকী অন্যতম প্ৰতিষ্ঠাপক* **মৰহুম নৈমুদ্দিন মুন্সী** *আৰু* **উদয় শঙ্কৰ ঠাকুৰীয়া** *ৰ স্মৃতিত ২০০৮ চনৰ ৩ ডিচেম্বৰ তাৰিখে 'সাহিত্য কানন'ৰ দ্বাৰা আয়োজিত 'স্মৃতিচাৰণ' সভাত বক্তৃতা প্ৰদান কৰিছে তদানীন্তন অধ্যক্ষ ড° পৰাগ কুমাৰ ভট্টাচাৰ্য ডাঙৰীয়াই।*



# তোমাৰ বাবেই... এই প্ৰেম

সংগ্ৰাহক
মঞ্জু আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

* প্ৰেমৰ পৰশত প্ৰত্যেকেই
ৰূপান্তৰিত হয় একো একোজন কবিলৈ (প্লেটো)

* তোমাৰ কাষৰ এপলক মোৰ
বাবে হব পাৰে চিৰকাল (কেশৱ মহন্ত)

* প্ৰেমত নপৰা সকলে প্ৰেম প্ৰদৰ্শন কৰিব নোৱাৰে
সঁচা প্ৰেম সহজভাৱে আগবাঢ়িব নোৱাৰে (শেক্‌ছপিয়েৰ)

* প্ৰেম দুয়ো দুয়োৰে পিনে থৰ হৈ চাই থকাটো নহয়,
দুয়ো একেলগে, বাহিৰৰ পিনে চাই থকাটোহে (এন্টইল দা ছেইন্ট)

* প্ৰেমত পৰা আৰু সুখী হোৱা কামটো, যিমানেই
সহজ সিমানেই কঠিন (মাইকেল)

<u>প্ৰেম সম্পৰ্কে আৰু কেইটামান উক্তি</u>

* প্ৰেম হল দুটা দেহত বাস কৰা এটা আত্মা

* আটাইতকৈ তীব্ৰ আনন্দ আৰু অৱৰ্ণনীয় যন্ত্ৰনাই হল প্ৰেম

* কিছুমান প্ৰেম ওৰে জীৱন স্থায়ী হৈ থাকে ,
সঁচা প্ৰেম স্থায়ী হয় অনন্ত কাললৈ ।

* যিজন লগত থাকিলে তুমি জীয়াই থাকিব পাৰিবা
তেওঁক তুমি বিয়া নকৰাবা, যিজন লগত নাথাকিলে
তুমি জীয়াই থাকিব নোৱাৰিবা
তেওঁকেই তুমি বিয়া কৰাবা ।

* তুমি প্ৰেম কিনিব নোৱাৰা
কিন্তু দাম দিব পাৰা বহুত ।❑



বিশেষ কাব্য পৃষ্ঠা

* আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰী ৰূপম নাথে আধুনিক অসমীয়া কাব্য ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ পেলাবলৈ সক্ষম হৈছে। ৰূপমে স্কুলীয়া জীৱনৰ পৰাই কবিতা লিখিবলৈ আৰম্ভ কৰে যদিও কবিতাবোৰে প্ৰাণ পাই উঠে কলেজীয়া জীৱনতেই।

ৰূপমৰ কবিতা প্ৰকাশিত হৈছে - 'আমাৰ অসম', 'প্ৰতিদিন'ৰ সম্ভাৰ, আমাৰ প্ৰয়াস আৰু কলেজ আলোচনীত।

# ঃ কবি ৰূপম নাথৰ মনৰ কথা ঃ



*কবিতা জীৱনৰ নিৰৱ প্ৰতিফলন । কবিতা দুখৰ দিনৰ চকুলো ; সুখৰ সেউজীয়া গান। কবিতাৰ পঁজা কবিৰ আশ্ৰয়, য'ৰ পৰা কবিয়ে ৰিঙিয়াই মাতিব পাৰে অতীতক , কথা পাতিব পাৰে বৰ্তমানৰ সতে আৰু ভূমুকিয়াই চাব পাৰে অদূৰ ভৱিষ্যতলৈ । কবিতাৰ হাতত ধৰি কবিয়ে শুনাব পাৰে সৃষ্টিৰ মধুৰতম গান।*

## শৰৎ

*ৰূপম নাথ*

মোৰবুকুৰ ঘৰত নিৰলে আহি বহিছা
তোমাৰ মেজাংকৰি দুহাতেৰে
সাৱটি লোৱাচোন
মোৰ মেদুৰ কলিজা
সুখৰ সাগৰ ধিয়াই হাউলি পৰক
দুখৰ খেজুৰ এজোপা...........

## আঘোণ

তোমাৰ বাবে মই ৰৈ থাকো
বুকুত লৈ এটি চিকুন সুঁহুৰি
তোমাৰ সুৱাগমণি বুকুত উমলি-জামলি
উবুৰি খাই পৰে
কাঁচিয়লি ৰ'দৰ ছাঁ
মোৰ হেঁপাহঘন কলিজা
সামৰি সুতৰি

বিশেষ কাব্য পৃষ্ঠা



## কেনভাছত চিত্ৰৰ

**ৰূপম নাথ**

যন্ত্ৰনাৰ পলসত গজে
তৰুণ দিনৰ সূৰ্য
জীৱনৰ স্বচ্ছ গিলাছত
মহঙা দিনৰ পিয়াহ
বেলিটো ওলাওঁতে চোতাল ফুটি
কেক্‌টাচত ফুলে গোলাপ
নিয়ৰৰ শব্দত তাইৰ কলিজা কঁপে
- "মই হাঁহিলে সিহঁতে হাঁহে,
মই কান্দিলে নাকান্দে কিয়?"
সাগৰক সোধে ; নকয়
ৰ'দত উৰিফুৰা চৰাইক সোধে; নকয়।
আলহি ঘৰৰ জলপানৰ বাটিত দেখে
সিহঁতৰ অনাটন,
সিহঁতৰ সমাজত অনাটন।
হৃদয়তো অনাটনৰ শূন্য ভঁৰাল
শাওণত ফাটে পথাৰ
আঘোণত দুখৰ বৰষুণ...।
তাইৰ বুকুত বাজে
ওভতনি সোঁতৰ বাঁহী
হাড়ৰ তলত শুই পৰে
সৃষ্টিৰ আদিম প্ৰাণী............❑

## ব'হাগ, মোৰ সপোনৰ অৱগাহন



**ৰূপম নাথ**

মোৰ বুকুৰ ফটা ঢোলটোৰ
চিঙিযোৱা বৰটিত
বিচাৰি ফুৰো
তোৰ দেহৰ পুৰাতন ভাস্কৰ্য্য
হেপেহুৱা কলিজাৰ চৌপাশে শুনো
তোৰ গৰখীয়া ওঁঠৰ বাঁহীৰ অনুৰনন.....
তোৰ হাঁড়ৰ পলসুৱাত
মোৰ পিতায়ে গঢ়ে
এবুকু সপোনৰ অলংকাৰ
ক'লী বগী জহা , মানিকি মধুৰি আৰু
বৰা মনোহৰ
নাঙলত হেঁপাহৰ ফলিকা গাঢ়ে
আই'ৰ আখলত
সাত শাকতিৰ গোন্ধে
আমোল মোলায়
মোমাইৰ বাৰীত
আমে মলিয়ায়, কঠালে মুচিপেলায়
লিচুফুলৰ ফুৰফুৰীয়া গোন্ধত
আকণ্ঠ ভৰি থাকে
মোৰ শৈশৱৰ
লুভীয়া জিভাৰ পানী......।
তই আহিলে
মোৰ তেজৰ বলুকাত
দুখে চেঙালুটি খায়
বুকুত হেঁপাহৰ নাহৰ ফুলে
ব'হাগ, মোৰ সপোনৰ অৱগাহন
তই মোৰ প্ৰেমৰ এবাটি আপং
মই পান কৰি মতলীয়া হৈ থাকো
তোৰ প্ৰেমত
তই যোৱাৰ পৰা ঘূৰি অহালৈ
ব'হাগ, তইযে মোৰ আজন্ম সত্বা ..।❑



# জীৱন



নূৰন নাহাৰ বেগম (লিলি)
সহযোগী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ।



জীৱন এক সোৱাদ
পোৱা নোপোৱাৰ,
মৰম বিষাদৰ,
এক মিলনমালা।

আশাৰ অট্টালিকাই
মানুহক আনন্দ দিয়ে,
আশাৰ বেঙনিয়ে
মানুহক গতিশীল কৰে।
আশাৰ চাকনৈয়াত
মানুহ পিচলি পৰে,

জীৱনৰ অন্তিম কালত
স্মৃতিৰ আনন্দই
মানুহক বোবা কৰে, উত্ৰাৱল কৰে।❑



# আগমন



চৰিফুল হাচান
স্নাতক দ্বিতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান

ৰিমঝিম্ এজাক বৰষুণ আহিছিল
তিয়াই থৈ গ'ল ধৰা
প্ৰাণ জুৰোৱা এজাক বতাহ বলিছিল
কৰি গ'ল মোক উন্মনা ।
শুকাব ধৰা ঘাঁহনি ডৰা
জীপাল কৰি গ'ল
মৰহিব ধৰা ফুলপাহ
পুনু ফুটাই থৈ গ'ল।
দি গ'ল যোৱাটো বসন্তৰ
সেই মাদকতা
সেউজ সেউজ যেন লগা
সেউজী এই ধৰা
মোৰ চৌপাশ আজি
বসন্তৰ সুবাসে ভৰা।।❑

# অৰ্দ্ধাকাশৰ সংকল্প



**নৱনীতা পাঠক**
*সহকাৰী অধ্যাপিকা, প্ৰাণী বিজ্ঞান বিভাগ।*

তুমি জানানে,
বহু দিন মই কথা কোৱা নাই
কথা কব খুজিলেই
মই কবন্ধ হৈ যাওঁ।
কিন্তু আজি কথা ক'ম
মোৰ কটা যোৱা মূৰেও কথা ক'ব
অত দিনৰ মূৰকত
মোৰ মূৰে প্ৰাণ পাইছে।
তুমি জানানে,
বহুত দিন মই উজাই সাতোঁৰা নাই
ব -হু -ত দিন।
উজাই সাঁতোৰ মেলোতে
পানীৰ সাপডালে খুটি মোক
অচেতন কৰে
ভটিয়নি সোঁতত উটি উটি মই
বালিচৰত লাগি ৰওঁ
কিন্তু মই আজি
উজাই সাঁতুৰি যাম
কাৰণ মই আজি বিষকন্যা।
তুমি জানানে,
বহুত দিন মই পথাৰত খোজকঢ়া নাই
ব-হু-ত দিন।
পথাৰত খোজ দিলেই
মোৰ পিঠিত
পথাৰৰ পকা চপৰাৰ দলি পৰে,
দুভৰিৰ হাড়বোৰ মৰ্মৰাই ভাঙে
কিন্তু মই আজি
পথাৰত খোজ কাঢ়িম
মোৰ পিঠিখন কাছৰ চলং হ'ল
হাড় আৰু মাংসবোৰ
শিল আৰু ইস্পাত হ'ল
তুমি জানানে,
বহুত দিন মই নীলা আকাশখন
চোৱা নাই
ব-হু-ত দিন।
কাৰণ আকাশখন
চাব খুজিলেই
কলীয়া ডাৱৰবোৰ আহি
আঁৰ কৰি পেলায়
কিন্তু মই আজি আকাশখন চাম
কিয়নো মোৰ দুচকুত আজি অগ্নিদৃষ্টি।
বহুত দিন মই ফুলৰ সুবাস লোৱা নাই
ব-হু-ত দিন।
ফুলৰ সুবাস লব খুজিলেই
মই শ্বাসৰুদ্ধ হওঁ
কলিজা চিৰাচিৰ হয়
কিন্তু আজি মোৰ শ্বাস-প্ৰশ্বাস
চিৰ অনিৰুদ্ধ
কলিজাৰ বেৰবোৰ সুদৃঢ়
তুমি জানানে,
বহু দিন মই
প্ৰিয়তমৰ মিঠামাত শুনা নাই
ব-হু-ত দিন।
কাৰণ শুনিব খুজিলেই
গৰ্দ্দভৰ অট্টহাস্যই
কোঢ়াল লগায়
কিন্তু আজি মই শুনিম
কাৰণ আজি মোৰ প্ৰিয়তমৰ মিঠা কণ্ঠৰ
শব্দৰ গভীৰতাত
বে-সুৰা কোলাহল বোৰ
তল পৰি ৰব।❑

# 'ভেলেন্টাইন ডে'

মহঃ হাফিজুৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ

আকাশ আজিও নীলা
পথাৰ আজিও সেউজীয়া
কেবল সেউজীয়া নহয়
তোমাৰ হিয়া ।
যোবাবাৰ এইদিনত তুমি
আহিছিলা এবুকু মৰমলৈ
শুদা ভৰিবে পথাৰ গচকি
মোৰ ক্ষুদ্ৰ হৃদয়লৈ।
মৰমৰ বিনিময় খেলিছিলা
মেলি দিছিলো মোৰ হিয়া,
পঢ়িব দিছিলা তুমি মোক
তোমাৰ মনৰ প্ৰতিটো পৃষ্ঠা ।
এতিয়া ক'ত তুমি
মোৰ প্ৰিয় বিহঙ্গিনী,
হয়তো কুটি কুটি খাইছা
আন কাৰোবাৰ পকা ধাননি।
আহিবানে তুমি আকৌ
সেই তৃষ্ণাতুৰ মনলৈ
এবুকু মৰম লৈ
ভেলেন্টাইনৰ শুভেচ্ছা যাঁচিবলৈ।।

# শেৱালী তুমি



শ্ৰীপিংকু মেধি
স্নাতক দ্বিতীয় বৰ্ষ।

নিৰবে নিৰলে
মোৰ জীৱনত সানিছা সুঘ্ৰান
শান্তিৰ নিজৰা হৈ কুলুকুলু সুৰে
মোৰ মনৰ চোতাল শুভ্ৰকৰি
আনিছা তুমি নৱ প্ৰভাত
সঙ্গীতৰ অমিয়া মুৰ্চ্ছনা ।





বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

# প্ৰিয়া

অসীম পাঠক
স্নাতক দ্বিতীয় বৰ্ষ।

ব্ৰহ্মাণ্ডৰ প্ৰতিটো অণু পৰমাণুত
প্ৰতিটো অংকুৰণত
মোৰ প্ৰেমৰ প্ৰকাশ
কেৱল তোমাৰ বাবে
অজন্তাৰ মূৰ্ত্তিৰ দৰে
অলৰ-অচৰ
মই।
চিৰ সত্য, চিৰ সেউজ
সুনীল সাগৰ, বিশাল আকাশ মই।
আহা মোৰ সতে মিলি যোৱা
তুমি । কেৱল তুমি ।।❑








# তৰামাই

আব্দুল জলিল
স্নাতক তৃতীয় বৰ্ষ।

অ' তৰামাই অ' তৰামাই
সৌ আকাশত ওলমি
ওৰে ৰাতিটো কিনো থাকা ভাবি
মই নেপাওঁ একো বুজি
তুমি স্বৰ্গৰ দেৱী নে পৰী ?

তোমাৰ তিৰবিৰ পোহৰ পৰিলে গাত
ততাতৈয়াকৈ পৰি যায় গা শাত
যাবলৈ মন যায় তোমাৰ কাষলৈ
পিছে যাওঁ কেনেকৈ, তোমাৰ কাষলৈ
মোৰ যে ডেউকা নাই, উৰিবলৈ...

অ' তৰামাই
মই বুজিব যে নোৱাৰোঁ
তোমাৰ সুখ-দুখ
আহিবাচোন এদিন সপোনত
স্বৰ্গ দৃশ্য আঁৰি ধৰিবা দুনয়নত ।❑

# তৰা

চেহনাজ আহমেদ (বাবলু)
উঃ মাঃ ২য় বৰ্ষ।



সৌৰেৰ তৰা
কি যে তেওঁলোকৰ
মৰম লগা চেহেৰা
মৰমেৰে উপচি পৰা
ৰাতিৰ আকাশত চন্দ্ৰৰ লগত
কি যে তেওঁলোকৰ হাঁহি!
অন্ধকাৰ আকাশত ৰহি
ওৰে ৰাতি থাকে জিলিকি
দুপৰীয়া হ'লে যে
নাথাকে সেই জিলিকনি
সূৰ্যৰ পোহৰত
জিলিকিব নোৱাৰি
পায় তেওঁলোকে বৰ আমনি
ৰাতি হ'লেই আকৌ জিলিকনি
পৃথিৱীও হয় বৰ শুৱনি ।❑



# ৰাগিনী

মিছ ঃ নাজিমা আহমেদ
উচ্চতৰ মাধমিক প্ৰথম বৰ্ষ।

শুই সমাধিত
বহু আশা ভাবি গণি
ৰচিছিলো সপোন
তোমাৰ প্ৰেমৰ টানত
সমাধিৰ পৰা উঠি
দেখিলোঁ
বাট চাই আছিলা
মোলৈকে তুমি।
ভবা নাছিলো কোমল হৃদয় মোৰ
শুচি যাবা অচিৰে ভাঙি
সপোন ভাঙি তুমি
নীৰৱে গ'লা গুচি
নপৰিল জানো মনত
এবাৰো মোলৈ
তোমাৰ বাবে
নিজানত ৰহি
অকলে থাকো জান
তোমাৰ কথাকে ভাবি।❑



বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

# ঃ প্ৰিয়তমা ঃ

ঈমান আলী
স্নাতক দ্বিতীয় বৰ্ষ

তুমি ক'ত প্ৰিয়তমা, আছোঁ মই তোমাৰ বাবেই বৈ
আহিবানে তুমি এখনি পুষ্প কানন হৈ,
পান কৰিম মৌ তোমাৰ
তোমাৰেই প্ৰেম প্ৰিয়া হৈ।
বতাহ হালিব-জালিব ৰঙিলী পাহি তোমাৰ,
উৰি উৰি ফুৰিম মই
উমলিম তোমাৰেই হিয়াত।
তুমি ক'ত আছা প্ৰিয়তমা, তোমাৰ বাবেই মই আছোঁ বৈ
আছোঁ মই এখনি শুকান নিজৰা হৈ,
আহানা তুমি প্ৰাণ জুৰোৱা
এবুকু বোৱতী পানী লৈ ।
বৈ থাকিবা সদা বুকুতে মোৰ কুল কুল সুৰে
তাকে দেখি গীত গাম,
তোমাৰেই প্ৰাণত কোকিলটি হৈ।
প্ৰিয়তমা পামনে তোমাক জোনাক ৰাতি
আহিবানে তুমি
দিবানে বুকু ভৰা মৰম
দিবানে পাবলৈ পৰশ তোমাৰ
এখন্তেক প্ৰাণ মোৰ জুৰ পেলাবলৈ।❑





# হৃদয়ৰ কথা

ৰেহেনা আহমেদ
স্নাতক প্ৰথম বৰ্ষ।

হৃদয়ত জুই, মই কম কাৰ আগত
কাকনো কৰিম দুখৰ লগৰীয়া,
যি কুৰা জুই মোৰ হিয়াত জ্বলিছে
নুমাবলৈ জানো আহিব কোনোবাই ?
আহে কেৱল ঘিউ ঢালিবলৈ
মনৰ দুখ দুগুনে বঢ়াবলৈ।
কিন্তু নিৰুপায়
যদি আছা কোনোবাই আগবাঢ়ি আহা
মোৰ হৃদয়ৰ কথা বোৰ শুনা
মোৰ বুকু ফাটি যায়
কিন্তু নাই ।
আহিব ধৰিছা যদি কিয় থমকি ৰ'লা
একেবাৰে ওচৰলৈ আহা,
শুনি যোৱা
মোৰ মৰ্ম বেদনা ।.❑



# বন্ধন

ৰেজাউল হক
স্নাতক তৃতীয় বৰ্ষ।
ৰাজনীতি বিজ্ঞান বিভাগ ।

মোৰ জীৱনৰ মানসী তুমি
মই পূজাৰী তোমাৰ,
ব্যৰ্থ নহয় যেন পূজা
মাথোঁ কামনা মোৰ।
মই সংকলিত প্ৰতিধ্বনি,
মিলিম গৈ আমি সমস্বৰে
মোহিনী প্ৰকৃতিৰ আঁহে আঁহে।
তুমি সাগৰ অসীম কৰুণাৰ,
মই অনুগামী নিজৰা তাৰেই,
অবিৰাম গতিৰে বৈ গৈ
মিলিমগৈ তোমাৰ বুকুতেই ।
ধুমুহা যদি আহে জীৱনত
ঢউ তুলি আগুৱাই যাম,
জীৱনৰ বীণা বজাবা তুমি
মিলনৰ গান মই গাম।।.❑



বন্তি প্ৰজ্বলনেৰে ২০১০ চনৰ ২৭ অক্টোবৰ তাৰিখে অনুষ্ঠিত 'প্ৰয়াত দেৱপ্ৰসাদ শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান'ৰ শুভাৰম্ভ কৰিছে আমাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দয়ানন্দ কুমাৰ দাস দেৱে। মঞ্চত বিশিষ্ট গায়িকা তথা ছয়গাঁও মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা ডক্টৰ অনিমা চৌধুৰী।



# প্ৰস্তুতি

শ্ৰীকবিতা দাস
স্নাতক প্ৰথম বৰ্ষ (কলা)।



মোৰ মাতৃৰ দুচকুৰ অশ্ৰুখিনি
নিয়ৰৰ টোপাল হৈ সৰে
ব্যৰ্থতাৰ ইমুনিয়াবোৰ
মেঘৰ গৰ্জন হৈ পৰে।

দুখীনি আইৰ আৰ্তনাদে আজি
কৈছে আমাক
আগুৱাই আহা সেয়ে
আমি আজি একেখন
নাৱৰে নাৱৰীয়া
মোৰ আই তোমাৰো আই
লক্ষ্য আমাৰ আইৰ চকুপানী মচাৰ
নতুনৰ সৃষ্টিৰ।।.❑

# যেতিয়া উকলি যায় বাস্তৱ

ৰবিউল হক (ৰবি)
স্নাতক দ্বিতীয় বৰ্ষ
(শিক্ষা বিভাগ)।

চকুলোৱে বুজি পায়
হৃদয়ৰ ভাষা
যেতিয়া আহত হয়
সাগৰময় প্ৰেম...
যিদিনা মোৰ, চকুত থলা
বকুল তলত বহি, কথা পাতিছিলা
হৃদয়ে হৃদয় বিচাৰিছিল
ৰচিছিলো বহুতো সপোন
যিদিনা তুমি, মোৰ হাতত হাত থলা
তোমাৰ মৃদু স্পৰ্শত
নিৰৱতাৰ গভীৰতাত একাকাৰ হৈছিলোঁ
আমাৰ চকু নিবন্ধ হৈছিল
কোমল শুভ্ৰ জোনাকত
সাবটি ধৰিছিল সমগ্ৰ.....।
তোমাৰ নিচেই কাষৰ অৰণ্য খন
এদিন মোৰ আছিল....
য'ত বিচৰণ কৰিছিলো
তোমাৰ মোৰ
বাস্তৱৰ অস্তিত্ব ।
এতিয়াও মোৰ চকুত ভাহি উঠে
তুমি দাহ কৰি থৈ যোৱা
বাস্তৱৰ অস্তিত্ববোৰ
কেতিয়াবা সতৃষ্ণ নয়নে
মোক হাত বাউলি মাতে
মই যাব খোজা ....।। কিন্তু,
সেয়া যে স্মৃতিৰ শ্মশান..।।❑



# তোমাৰ মন আকাশত

শ্ৰীমহানন্দ পাটগিৰী
*উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)*

সপোনৰ কাৰেংঘৰ সাজিবলৈ
বৈ আছে এটি আশাবাদী মন,
নিয়ৰৰ সজীৱতাত সাজিবলৈ
এখনি নতুন পৃথিৱী।

ভৰা লুইতৰ ঢৌৰ তীব্ৰ প্ৰহাৰত
জ্বলি থকা চাকি গছিও নুমাব খোজে
আশাৰ নীলা বোৰেও যেন,
গাঢ়তাৰ প্ৰকোপ বঢ়াব খোজে।
পশ্চিমৰ ধূসৰ মনোমোহা আবেলিও
মৰুভূমিৰ চিকমিক বালিচন্দা বোৰেও যে
হেৰুৱাই পেলায় সিহঁতৰ উজ্বলতাখিনি ।
জৰ্জৰিত জীৱনৰ প্ৰতিটো নিশাহত,
ভগা বীণখনিও যে সুৰ সলায়
সেই সুৰতেই সুৰ মিলাই...
বিচাৰিছোঁ মাথোঁ এটা সপোন ৰচিব
তোমাৰ মৰমৰ মন আকাশত....
কাৰেংঘৰ সাজিবলৈ........?❑

# বেদনা



শ্ৰীতৃষ্ণা সাহা (পাপিয়া)
স্নাতক দ্বিতীয় বৰ্ষ

অভিমান কৰি তুমি,
যাবাগৈ মোক এৰি - ।
নিষ্ঠুৰ হৃদয়খনলৈ
মোক এৰি -।
অকলশৰে এৰি মোক এই হাবিত,
থাকিব পাৰিবা জানো তুমি,।
দূৰ দূৰণিত -।
তোমাৰ স্মৃতিয়ে মোক কৰিব আমনি,
আহিব দুগালেৰে বৈ
চকুলো দুধাৰি -।
কোনে দিব মচি মোৰ বেদনাৰ চকুলো,
তোমাক লৈয়ে মই জীৱন গঢ়িছিলো-।
কিন্তু তুমিয়েই দিলা মোক অশেষ যাতনা,
অনুৰোধ কৰিছো আৰু নিদিবা মোক ।
এনেকুৱা অসহনীয় বেদনা- ।❑



# পৰীক্ষা

এম. আব্বাছ আলী।
স্নাতক প্ৰথম বৰ্ষ

ঘূৰিলোঁ ফুৰিলোঁ কলেজলৈ আহিলো
পঢ়িবৰ মন নাই ।
হাঁহি ধেমালিৰে দিন কটালো
একোয়ে যে নপঢ়িলো।।
পৰীক্ষা আহিব বুলি থাকিলো ভাবি
নপঢ়িলো একো আমি।
আহিল আহিল ৰুটিন আহিল
চিন্তা সোমাই গ'ল।।
পৰীক্ষাৰ কাৰণে তেতিয়া আমাৰ
মনটো কিছু সজাগ হ'ল।।
আহিল আহিল পৰীক্ষা আহিল
নপঢ়িলো একো আমি।।
পৰীক্ষাৰ দুটা ৰাতি আমি
পঢ়িলো গোটেই ৰাতি।
দিলো দিলো পৰীক্ষা দিলো
কিমান যে পঢ়িলো।।
গোটেই ৰাতি উজাগৰে থাকি
কেৱল পঢ়াতেই কটালো।
আহিল আহিল ফলাফল আহিল
তালিকাত নাম নাই।।
বন্ধু বৰ্গক কৈ থাকিম
'সফলতা' মোৰ ভাগ্যতেই নাই ।❑

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

# সত্যৰ কুঁৱৰী জয়মতী

শ্ৰীবিনীতা কলিতা
উঃ মাঃ প্ৰথম বৰ্ষ



মৱেই নেকি
জয়মতী কুঁৱাৰী
নহয় নহয় হম কেনেকৈ ?
যদি সত্যৰ
বন্তি জ্বলাব নোৱাৰোঁ
যদি জীৱনক ত্যাগৰ কাঠগড়াত
থিয় কৰাব নোৱাৰোঁ
বোৱাম কেনেকৈ
তেজৰ নৈ
উৰুৱাম কেনেকৈ
জেৰেঙাৰ ধূলি
নহয় নহয় মই
জয়মতী কুঁৱৰী ।❑

## শুভেচ্ছা

**'ডক্টৰেট'** ডিগ্ৰী লাভ কৰা সূৰ্য কলিতা আৰু তপন কুমাৰ গোস্বামীলৈ শুভেচ্ছা জ্ঞাপন কৰিছোঁ

*সম্পাদনা সমিতি -*



*'অসমৰ কামৰূপ জিলাৰ অসমীয়া, বাঙালী, বড়ো আৰু গাৰো জনগণৰ মাজত বিজ্ঞান আৰু অন্ধবিশ্বাসৰ প্ৰভাৱ'* - শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ড°চি.এম শৰ্মা আৰু ড°কে.কে.ভট্টাচাৰ্যৰ তত্বাৱধানত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক **সূৰ্য কলিতাই** 'ডক্টৰেট' ডিগ্ৰী লাভ কৰা বাবে তেখেতলৈ জনাইছোঁ আন্তৰিক শুভেচ্ছা।



*'সংবদ্ধ মীন পামসমূহৰ বিশেষ উল্লেখনেৰে অসমৰ কামৰূপ জিলাৰ জামলাই বিল (জলাশয়) ৰ উৎপাদন সম্ভাৱনীয়তা'* - শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ড°এম.এম.ভট্টাচাৰ্যৰ তত্বাৱধানত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আমাৰ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক **তপন কুমাৰ গোস্বামীয়ে** 'ডক্টৰেট' ডিগ্ৰী লাভ কৰা বাবে তেখেতলৈ জনাইছোঁ আন্তৰিক শুভেচ্ছা।

# সঁচা

মোঃ জয়নাল আবদীন
স্নাতক দ্বিতীয় বৰ্ষ (কলা)



হে মায়াময় বিশাল ধৰা
চিৰদিন থাকিব নোৱাৰোঁ, সঁচা।
খালো চালো ভ্ৰমিলো অকলে
হলো যে কত জনেৰে দেখা
যোৱাতো যাবই লাগিব অকলে
সংগী যে নহব কোনোৱে
হে মায়াময় বিশাল ধৰা
চিৰদিন থাকিব নোৱাৰোঁ সঁচা

উপজিলো মনুষ্য বেশত
বন্দী হলো আন্ধাৰ দেশত
ৰিপুৰে হলো দিশহাৰা
ৰচিলো অপূৰ্ণ নহলো পুণ্যৰে ভৰা
হে মায়াময় বিশাল ধৰা
চিৰদিন থাকিব নোৱাৰোঁ সঁচা

মোৰ মোৰ কলো যিমান
বিদায় পৰত পামনে সিমান ?
মোৰ লগত যাব অকল 'ঈমান'
এয়েইতো কৰিব মোক 'প্ৰমাণ'
হে মায়াময় বিশাল ধৰা
চিৰদিন থাকিব নোৱাৰোঁ, সঁচা....।❑



গ্ৰন্থাগাৰত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক শ্ৰী ধীৰেন তালুকদাৰ

# " তুমি "
# - মোৰ প্ৰেম

আব্দুল হামিদ মজুমদাৰ (বাবুল)
স্নাতক প্ৰথম বৰ্ষ
ইংৰাজী বিভাগ



সকলোৱে কয়... মই এজন অন্ধ প্ৰেমিক
হয় ! তুমিৰ, মই এজন অন্ধ প্ৰেমিক ।
সিঁহতে বাৰু জানেনে ........... ?
মোৰ প্ৰেমৰ গভীৰতা কিমান ?
অ'হ্ ! মোক ক'বলৈ দিয়াচোন-
তাইক ভালপাওঁ মোৰ বলিয়ালি প্ৰকাশ কৰিবলৈ,
তাইক ভালপাওঁ উন্মত্ত হবলৈ ;
তাইৰ বিমোহিত কৰা ৰূপ লাৱণ্যই
মোক বাৰে বাৰে আকৰ্ষিত কৰি আহিছে,
মোক লাহে লাহে বিনয়ী হবলৈ শিকাইছে
তাইৰ অঙ্গী ভঙ্গী আৰু মিঠা হাঁহিবোৰে।
এইখন সমাজত কোনেও জানো বুজি পায়
প্ৰেমনো কি ?
কেতিয়াবা সিঁহতে মোক সোধে
তই পাগলৰদৰে তাইক ইমান ভালপাব কিয় ?
মই প্ৰত্যুত্তৰ দিওঁ
হৃদয়ৰ স্পন্দন বৰ্তাই ৰাখিবলৈ
তুমিক মই পাগলৰ দৰে ভালপাওঁ ।।❑

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

# মোৰ সেউজীয়া প্ৰেম

মিছ ঃ মাছুমা বেগম
উঃ মাঃ দ্বিতীয় বৰ্ষ



তুমি যে কৈছিলা, হয়তো মই ব্যাতিক্ৰমী
আজি পলে পলে অনুভৱ কৰিছো মই
সঁচাই তুমি হে আনতকৈ অনেক ব্যতিক্ৰমী।

তুমি আহিছিলা মোৰ জীৱনলৈ ভৰ বাৰিষা হৈ
ঘিণ কৰিছিলো তোমাক মই, অথচ এয়া কি........
কোনো অভিমান নকৰাকৈ নীৰৱে উৰ্বৰা কৰিলা
মোৰ হিয়া আজি পলসেৰে ।

মই কৰিছিলো ক'ত ভুল, পৰিছিলো কত বিপদত
নাজানো কেনেকৈ জানো পাইছিলা জাননী,
ক্ষন্তেকতে মোৰ কাষলৈ আহিছিলা আৰু কৈছিলা....
জীৱনৰ আন এটি নামেই সংগ্ৰাম ।

মই জানিছিলো ঢৌ খেলি থকা তোমাৰ মনৰ কথাবোৰ
হঠাৎ সুধিছিলোঁ তোমাক মই, কিবা ক'বা?
তুমি নিৰৱতাৰ বেহু ভাঙি কৈছিলা........
এয়া কোৱা কথা নহয়, মাথোঁ সঁচা
হৃদয়ত অনুভৱহে কৰিব পাৰি।

মই সমুদ্ৰ মন্থন কৰি পাইছিলো অতদিনে বিচৰা
সমুদ্ৰ তলিৰ অতল গহ্বৰত থকা সেই অমৃতটি
হয় প্ৰেম ।
তুমিয়ে জানো নোহোৱা মোৰ সেউজীয়া প্ৰেম.....।❑

# " যৌৱন "

শ্ৰীঅভিৰাম দাস
স্নাতক তৃতীয় বৰ্ষ
(শিক্ষা বিভাগ)



জীৱনত মোৰ ভালপোৱা
তোমাকেই হ'ল প্ৰথম,
সেয়ে আজি যাঁচিলো তোমাক
মোৰ প্ৰকৃত মৰম,

বৈ থাকিব এই প্ৰেম
মৰমৰ জৰিয়তে
ঈশ্বৰক কৰো আৰাধনা
মিলন প্ৰেমৰ হব বাস্তৱতে ।❑

# কোনো অভিযোগ নাই

ওচমান গণি
স্নাতক প্ৰথম বৰ্ষ
বিজ্ঞান শাখা



মই আৰু তোমাক একো
কথাই নোসোধো
হয়তো আৰু কাহানিও নুশুনাও
মোৰ হৃদয়ৰ গান
মই লক্ষ্য কৰিছো তোমাক
তুমি যেন বিৰক্ত হৈ পৰিছা
জীৱন ডায়েৰীয়ে উদঙাই দিব এদিন
মোৰ সততাৰ কথা
মোৰ বুকুৰ ভাষা
মিঠা উত্তাপৰ কথা
মোৰ মৃত্যুৰ পাছতো মোৰ
কবিতাৰ প্ৰতিটো শব্দই
গাব তোমাৰ প্ৰশস্তি
কেতিয়াবা কি ভাব হয় জানা ?
কিয় জানো মোৰ হৃদয়ে
তোমাৰ হৃদয় বিচাৰিছিল ?
বাৰু থৈ দিয়া এইবোৰ
এতিয়া আৰু মোৰ তোমাৰ ওচৰত
কোনো অভিযোগ নাই
সময়ৰ পল অনুপলক কোনেও
বান্ধি ৰাখিব নোৱাৰে
মই জানো মই এডাল জ্বলি থকা মম
জ্বলি জ্বলি শেষ হৈ যোৱাই মোৰ ধৰ্ম।
তুমি কেৱল নাপাহৰিবা
মোৰ মৃত্যুৰ সমাধিত এপাহি
ফুল দিবলৈ
এয়া মোৰ তোমাৰ ওচৰত
সৰল অনুৰোধ কাৰণ
তোমাৰ ওচৰত মোৰ
কোনো অভিযোগ নাই।।❑

# " তোমালৈ "

শ্ৰীগীতাঞ্জলি বণিক্য
স্নাতক তৃতীয় বৰ্ষ

অভিমানী লগৰী মোৰ
নাযাবা পাহৰি
নাপাহৰিবা কেতিয়াও
নাযাবা আঁতৰি
আজীৱন থাকিবা
মোৰ হৈ তুমি
মোৰ জীৱনৰ লগৰী



কেতিয়াবা যদি
আহে জীৱনলৈ
ধুমুহা প্ৰবল
আপোন হৈ
সাৱটি ৰাখিবা
দুবাহুত তোমাৰ

ময়ো থাকিম
ওৰেটো জীৱন
তোমাৰ কাষত
তোমাৰ বাবে
তোমাৰ হৈ
তোমাৰেই লগত।❑

# মোৰ আই



নিখিল দাস
স্নাতক প্ৰথম বৰ্ষ

কত যে হেপাহৰ
আই মোৰ মৰমৰ
(আছিলা) আছাযে বুকু জুৰাই
তুমি যে মোৰ কলিজাৰ আই।

নিদ্ৰামগ্ন কত যে বিভোৰ নিশা
সপোন হৈ দিয়া দেখা
দৰদী হাতৰ শীতল পৰশ বুলাই
থাকা যে মোৰ ফালেই চাই......
তুমি যে মোৰ কলিজাৰ আই।

বেদনাত উচুপি উঠো কত যে দোভাগ ৰাতি
হৃদয় স্পন্দনত ভাহি উঠে তোমাৰ করুণ মূৰতি
দুই নেত্ৰৰ লোতকেৰে দুখনি চৰণ ধুৱাই
হৃদয় বেদীৰ থাপনাত থাপিলো তোমাকেই আই ।

হৃদয় ৰক্ত-জবাৰ তেজাল পাহিৰে
চিৰদিন পূজিমেই
ত্যাগৰ এগছি বন্তি জ্বলাই
তুমি যে মোৰ কলিজাৰ আই।

পাহাৰে পৰ্বতে আকাশে বতাহে
প্ৰতিধ্বনিত হৈ যেতিয়া ভাহে
শুনো যেতিয়া কলিজা কাঢ়ি নিয়া
এটি দৰদী মাত
হিয়া মোৰ পৰি যায় শাঁত।

বাউলী হৈ ফুৰো মই হই নিৰাশ
পাবলৈ তোমাৰ এটি শীতল পৰশ
বুজি পাওঁ 'মৰীচিকা' তুমি যে নাই
তথাপিও তোমাক হৃদয়তে পাওঁ।□

# প্ৰেম, হৃদয় আৰু চকুলো

গোলাম নবী আজাদ
উঃ মাঃ দ্বিতীয় বৰ্ষ

মায়া এৰি গুচি যোৱা
মায়াৰে মোক আবদ্ধ কৰি..।
কেলেই আহিছিলা তুমি
ধৰণীলৈ
মায়াবী সুন্দৰ ৰূপলৈ
মোৰ জীৱনলৈ
মায়া ভৰা হৃদয়খনি
মায়া ভৰা চকু দুটি
মায়াৰে মোক আবদ্ধ কৰি
কেলেই গুচি গ'লা আজি তুমি
মোক এৰি অসীমলৈ।
আজিও নিৰৱে বহি বহি
কৰিছোঁ মিনতি মই ঈশ্বৰলৈ
আহিবা চিনাকি দি তুমি
মৰমৰ পখিলা এটি হৈ।□



# দৃশ্য

আমিনুল হক
উঃ মাঃ দ্বিতীয় বৰ্ষ

সোঁৱৰণীৰ নদীত মানুহজনে
গা-ধুৱলৈ আহে
দুপৰীয়া
নদীৰ পাৰত,
থিয় কদমজোপাৰ তলত
এটা শিলত বহি লৈ তেওঁ ভাবে-
আহি থকা দিন আৰু ৰাতিবোৰৰ কথা
দুখৰ দৰে নীলা
সোঁৱৰণী নদীৰ পানী
কেনেকৈ গা ধুব তেওঁ
নদীত নামি
পানীৰ দাপোনত দেখা পায় তেওঁ
তেওঁৰে শোকাকুল মুখৰ ছবি...।।❑



# দিয়া তুমি



ৰিমি বেগম
উঃ মাঃ ২ য় বৰ্ষ

দিয়া তুমি পাৰা যদি
দেশ ৰক্ষাৰ বাবে এটোপাল ৰক্ত।
দিয়া তুমি পাৰা যদি
শান্তি প্ৰগতিৰ নিজৰা বোৱাই।
দিয়া তুমি পাৰা যদি
নতুন অসম গঢ়াৰ সোণালী পথ ।
দিয়া তুমি পাৰা যদি
বিদ্বেষৰ মনোভাৱ আঁতৰাই ।
দিয়া তুমি পাৰা যদি
হিংসা লুণ্ঠন আঁতৰাই
দিয়া তুমি পাৰা যদি
নিচলাক এমুঠি অন্ন ।❑

# তোমাক জনালো প্ৰণাম ।



শ্বহিদুল ইছলাম
উঃ মাঃ প্ৰথম বৰ্ষ

হে মোৰ জ্ঞানৰ আলয়
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
তোমাক জনালোঁ প্ৰণাম
শত শত বন্তিৰে জিলিকালা চৌদিশে
নিজকে সজালা জ্ঞানৰ আলয় ৰূপে
এক নয়নাভিৰাম সাজেৰে
জ্বলালা জ্ঞানৰ প্ৰদীপ
বিলালা পোহৰ হাজাৰ জনক
দিলা মানুহ হোৱাৰ প্ৰেৰণা
তোমাৰ উদ্দেশ্য মহৎ
সেয়ে তোমাক জনালোঁ প্ৰণাম।❑

# একো নাই

বিল্লাল হুছাইন
স্নাতক প্ৰথম বৰ্ষ

মই আৰু চকুলো নোটোকো
কেতিয়াও আবেগিক নহওঁ
যাক মই হেৰুৱালোঁ
সি কিজানি
মোৰ আপোন নাছিল
যাৰ বাবে মই কান্দি কান্দি মৰো
বুকু ফাটে, সি মাতে মোক তিতামাত
সি কিজানি মোৰ আপোন নহয়
যাৰ বাবে মই সপোন ৰচো
সি দেখোন দিবা স্বপ্নতে মত্ত
সেয়েহে হৃদয় মন ৰিক্ত
এতিয়া মই মুক্ত ।❑





# তৰা

মাহমদুৰ হাচান
স্নাতক প্ৰথম বৰ্ষ

ৰাতিৰ জোনাক ময় আকাশ
জিলিকি থাকে বহুত তৰা
তৰাই তৰালৈ চাই মাৰে মিচিকিয়া হাঁহি
বাহ - কি অপূৰ্ব মিলা প্ৰীতি
তুমিও ৰাতিৰ এন্ধাৰত দিবানে মিচিকিয়া হাঁহি
চাই থাকিম আকাশলৈ গোটেই ৰাতি
তোমাৰ লগত মোৰ
বহুতো যুগৰ চিনাকী
এবাৰ নামি আহানা তুমি
থাকিম মিলিজুলি গোটেই ৰাতি
তোমাৰ মোৰ মাজত যদিও বহু দূৰত্ব
আছে জানো কোনো মৰমৰ বন্ধুত্ব
এবাৰ নামি অহানা তুমি
থাকিম হৈ চিৰলগৰী
যদি তুমি নাহা কাষলৈ
এদিন সঁচাকৈ যাম তোমাৰ কাষলৈ
থাকিম আমি বন্ধুহৈ
নাহিম ওভতি আকৌ ধৰণীলৈ।❑

# অব্যক্ত প্ৰেম

আব্দুল হান্নান
স্নাতক দ্বিতীয় বৰ্ষ

তুমি নজনাকৈ
বুকুত লৈ ফুৰিছিলো কল্পনাবোৰ
দুচকুত ওলোমাই ৰাখিছিলো জোনাক
গোপনে পাহি মেলিছিল আশাবোৰ
সন্তৰ্পণে প্ৰৱেশ কৰিছিলো
তোমাৰ মন ফুলনিত।
কিন্তু যিদিনাই মই ৰিঙিয়াই ক'লো
হে আকাশ ! তুমি মোৰ প্ৰেমৰ সাক্ষী
অন্তৰত প্ৰতিধ্বনিত হ'ল
নিৰস-নিৰাশ সুৰ।.❑





# তুমি

পৰিমল বৰ্মণ
স্নাতক ৩য় বৰ্ষ

সেইদিনা তুমি আহিছিলা
মোৰ জীৱনলৈ সংগোপনে
আৰু নীৰবে নিৰলে গুচি গ'লা
প্ৰাণত সানি দি ৰামধেনুৰ বোল
উতলা মোৰ প্ৰাণত বলে
ফাগুনৰ পচোৱা
হিয়াত বাজে প্ৰেম ৰাগিনীৰ অনন্ত সুৰ
ৰিনি ৰিনি...........
নিৰবধি নিৰ্জন মনত।
ভাবনাতে তোমাক বহুৱাই কাষত
তোমাৰ সতে কথা পাতো
নীৰৱে অকলে অকলে
তুমি মোৰ হৃদয়ৰ কবিতা
আৰু মই......?
মই কবি
তুমি মোৰ হৃদয়ত থাকিবা চিৰকাল
ৰং আৰু তুলিকাৰে আঁকি যাম
মই সপোনৰ ন ন ৰঙীন ছবি।.❑

# আমাৰ প্ৰেমৰ ভাষা

জাহিদুল ইচলাম
উঃমাঃ ২য় বৰ্ষ( বিজ্ঞান)

আমাৰ ভালপোৱাৰ সকলো উত্তাপ
আৰম্ভ হৈছিল
'দ' আখৰ টোৱে
নহয় নে ?
হৃদয়ৰ প্ৰতিটো ৰক্ত কণিকাতে
উচ্চাৰিত হয় 'দ'
তোমাৰো
মোৰো

জানো 'দ' ই সামৰি নলয় আমাৰ
গোটেই জীৱন
তথাপিও মই দেখো
হেৰাব খোজা
তোমাৰ প্ৰেম
'দ' ৰ মাজত...।

# নাগৰিক

বিকাশ কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

প্ৰকৃত নাগৰিক হৈ
দেশক কৰিম জয়।
মই নকৰো কাকো ভয়,
প্ৰকৃত নাগৰিক হম মই।
উগ্ৰপন্থী দুস্কৃতিকাৰীৰ
ৰক্ত পি খাম;
দেশৰ হৈ জয় গান গাম।
সমাজৰ মুখাপিন্ধা
ভদ্ৰলোকৰ কলিজা খাম
মই দেশৰ ৰাখিম নাম।
শ্বহীদ হিচাপে লিখি থম
তেওঁলোকৰ নাম,
দেশৰ হৈ বলি দিছে যিসকলে নিজৰ প্ৰাণ।
যেতিয়া দেশত সুখ শান্তি সমন্বয়ৰ
মলয়া বতাহ বব।
তেতিয়াহে মোৰ প্ৰাণে
প্ৰকৃত শান্তি পাব।❑







আমাৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ উদ্যোগত গঠিত 'ইক'নমিক ফৰাম'ৰ হৈ ছমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ লক্ষণপুৰ আৰু হৰিডোবা গাৱত ১২, ১৩ আৰু ১৪ নভেম্বৰ, ২০০৭ ইং তাৰিখে ছাত্ৰ-ছাত্ৰী সকলে চলোৱা 'ক্ষুদ্ৰ সঞ্চয়' বিষয়ক জৰীপ কাৰ্য।

# ভেজাল গুৱাহাটী

শ্ৰীউদ্দীপ্ত মেধি
উঃ মাঃ ২য় বৰ্ষ



গুৱাহাটী হেনো চিটি
গুৱাহাটীৰ বাৰু আছেনে নীতি ?
নাই কাৰোৱে প্ৰেম প্ৰীতি
চিটি পুলিচৰ হেভি ডিউটি।
পল্টন বজাৰৰ মাছ পুঠি
কিমান দিনৰ চায়নে সুধি ?
পলকতে দেখো হৰ লুকি
তাকে খাই সবে সুখী।
পদুলি মুখত পেলায় আবৰ্জনা
কোনে কৰে কাক ককৰ্থনা ?
প্ৰত্যেকে প্ৰত্যেকক কৰে বঞ্চনা
মাত মাতিলেই পাবা লাঞ্চনা।
শাক কচু কেজিত চলে
দৰ দাম হ'লে কেতিয়াও নচলে
বেপাৰীয়ে ঠগে চলে কৌশলে
জগৰ লাগে মাত মাতিলে।
ফটা নোটত তালি মাৰে
ভেজাল কৰে যিমান পাৰে
দাদাগিৰি কৰে যিয়ে পাৰে
দালাল পুলিচৰ পকেট ভৰে।
ভেজালকাৰী শোষণকাৰী
দালালগিৰি - দাদাগিৰি
সিহঁতৰ হাতত শাসনৰ বাঘজৰী
চলে সিহঁতৰ মাতব্বৰী।
চহৰ হেনো সুখৰ ঠাই
মিলাপ্ৰীতি কিন্তু পাবলৈ নাই
গাৰঁখন এৰি চহৰলৈ যায়
ভেজাল সংস্কৃতিহে তাত পোৱা যায়।□

# এজাক প্ৰেমৰ বৰষুণ



ৰাজীৱ মেধী
উঃ মাঃ ২য় বৰ্ষ(কলা)

লক্ষ্যহীন পথেৰে আগবাঢ়িছিলো অসীমলৈ
হঠাৎ আকাশখন ডাঁৱৰে আবৰি ধৰিলে
মোৰ বৰ ভয় লাগিছিল
কিজানি বৰষুণ আহিবই

ক্ৰমে পৃথিৱীখন এন্ধাৰে গ্ৰাস কৰিবলৈ ধৰিলে।
এধানি এধানি বৰষুণৰ টোপালবোৰ
লাহে লাহে সৰিবলৈ ধৰিলে
মই ক্ৰমে ক্ৰমে তিতিবলৈ ধৰিছিলোঁ
বৰ ভাল লাগিছিল বৰষুণজাক

কিন্তু হঠাৎ কি হ'ল , বৰষুণ এৰিলে
এন্ধাৰবোৰও দূৰ হল
তিতাবোৰও শুকালে
কিন্তু মোৰ ভগ্ন হিয়াই
এতিয়াও বিচাৰে এজাক
ছিপছিপিয়া প্ৰেমৰ বৰষুণ
আহিবনে....?□

## বিভাগীয় প্ৰতিবেদন








# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ পাতণিতে মই শ্ৰদ্ধাৰে সোঁৱৰিছো সেই সকলক যি সকল ব্যক্তিয়ে নিজৰ স্বাৰ্থ ত্যাগ কৰি সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক উন্নতিৰ হকে কাম কৰি অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি আমাৰ সকলোৰে অতি স্নেহৰ এই জ্ঞানৰ ভঁড়াল বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিছিল। এইখন মহাবিদ্যালয় পশ্চিম কামৰূপ অঞ্চলৰ এক আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান। নগৰবেৰা আৰু ইয়াৰ পাৰ্শ্ববৰ্ত্তী অঞ্চলবাসী ৰাইজৰ ঐকান্তিক প্ৰচেষ্টা আৰু মুখ্যতঃ প্ৰয়াত অধ্যক্ষ দেবপ্ৰসাদ শইকীয়া ছাৰৰ দিশ নিৰ্দেশনাৰ ফলত আজি আমাৰ মহাবিদ্যালয়ে অঞ্চলবাসী ৰাইজৰ প্ৰত্যাশা পূৰণৰ পথত সগৌৰৱে অগ্ৰসৰ হৈছে। মহাবিদ্যালয়খনৰ অত্যন্ত প্ৰয়োজনৰ সময়ত বিশিষ্ট গৱেষক, সু-সাহিত্যিক তথা পণ্ডিত ড° পৰাগ কুমাৰ ভট্টাচাৰ্য্য ছাৰে অধ্যক্ষৰ আসন অলংকৃত কৰাত মহাবিদ্যালয়খন উন্নতিৰ পথত সম্পূৰ্ণ অগ্ৰসৰ হৈছে। মাননীয় অধ্যক্ষ মহোদয়ৰ সু-নেতৃত্বত মহাবিদ্যালয়খনৰ শৈক্ষিক দিশকে আদি কৰি সকলো দিশতে এক উন্নতিৰ জোৱাৰ বৈছে।

<u>ছাত্ৰ একতা সভাৰ নিৰ্বাচন</u> ঃ ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। গণতন্ত্ৰৰ প্ৰাথমিক স্তৰ হ'ল মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ সদস্য-সদস্যা সকলক ভোটৰ দ্বাৰা নিৰ্বাচন কৰাটো। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন নভেম্বৰ মাহৰ ৩০ তাৰিখে শান্তি পূৰ্ণভাৱে সমাপ্ত হৈ যায়। মোক সাধাৰণ সম্পাদকৰ দৰে দায়িত্বশীল আৰু গুৰুত্বপূৰ্ণ পদত বিপুল ভোটত জয়যুক্ত কৰে। মোৰ এই জয়ৰ ক্ষেত্ৰত যি সকল দাদা, বাইদেউ, ভাইটি-ভন্টি, বন্ধু-বান্ধৱীয়ে নিঃস্বাৰ্থভাৱে সক্ৰিয় সহায়-সহযোগিতাৰ লগতে সঠিক দিহা-পৰামৰ্শ দিলে সেই সকললৈ মোৰ আন্তৰিক ধন্যবাদৰ লগতে কৃতজ্ঞতা যাচিছোঁ।

**ছাত্ৰ একতা সভাৰ দ্বাৰা অনুষ্ঠিত মহাবিদ্যালয়ৰ বিশেষ অনুষ্ঠান সমূহ ঃ**

**১। মহাবিদ্যালয় সপ্তাহ ঃ** মহাবিদ্যালয় সপ্তাহ বুলি কলে সাধাৰণতে আনন্দ স্ফূৰ্তি আৰু বিভিন্ন দিশত প্ৰতিভা বিকাশৰ এক উত্তম অনুষ্ঠান। সেয়েহে মই কাৰ্য্যভাৰ গ্ৰহণ কৰি অতি কম দিনৰ ভিতৰতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিব লগা হৈছিল। প্ৰাক্তন সাধাৰণ সম্পাদক, জ্যেষ্ঠ দাদা, বাইদেউৰ লগতে মোৰ প্ৰিয় সতীৰ্থ বন্ধু-বান্ধৱীৰ পূৰ্ব অভিজ্ঞতা আৰু সু-পৰামৰ্শক সৰোগত কৰি ১৪ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ পাঁচদিনীয়া কাৰ্য্যসূচীৰে উলহ-মালহেৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো প্ৰতিযোগিতামূলক কাৰ্য্যসূচীত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ

কৰি আমাক উৎসাহিত কৰিছিল। এই ক্ষেত্ৰতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন প্ৰতিযোগিতাত ভাল প্ৰদৰ্শন কৰিব পাৰিছে তথা স্থান অধিকাৰ কৰিছে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু যি সকলে স্থান অধিকাৰ কৰিব পৰা নাই তেখেত সকলে যাতে পৰৱৰ্তী সময়ত ভাল প্ৰদৰ্শন কৰিব পাৰে তাৰে কামনা কৰিলো।

মহাবিদ্যালয় সপ্তাহৰ শেষৰ কাৰ্যসূচী মুকলি ও বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° পৰাগ কুমাৰ ভট্টাচাৰ্য্য ছাৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ মাননীয় অধ্যাপক ড° বিৰিঞ্চি কুমাৰ মেধি আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অৰুণ কুমাৰ শৰ্মাদেৱে। দুয়োজন মাননীয় অতিথিৰ ভাষণে আমাক মুখৰিত কৰাৰ লগতে মোহিত কৰি তুলিছিল।

২। **সৰস্বতী পূজা ঃ** পৰম্পৰাগত ভাবে এই বেলিও আমাৰ মহাবিদ্যালয়ত ১১-০২-০৮ ইং তাৰিখত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰী সৰস্বতী দেৱীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। ১২-০২-০৮ তাৰিখত প্ৰতিমা বিসৰ্জনেৰে এই অনুষ্ঠান সামৰা হয়।

৩। **বিশ্বনবী দিৱস ঃ** ইচলাম ধৰ্মৰ প্ৰবৰ্তক হজৰত মহম্মদ (ছাঃ)ৰ জন্ম ও মৃত্যু দিৱস তথা 'বিশ্বনবী দিৱস' মোৰ কাৰ্য্যকালত ব্যতিক্ৰমী ভাবে উলহ-মালহেৰে অনুষ্ঠিত কৰিবলৈ থিৰাং কৰি ইকবাল হুছাইনক সাধাৰণ সম্পাদক আৰু ফিৰোজুল হকক উপ-সভাপতি হিচাপেলৈ এখন ৩১জনীয়া শক্তিশালী 'বিশ্বনবী দিৱস উদ্‌যাপন সমিতি' গঠন কৰা হয়। ২৫-০৯-০৮ ইং তাৰিখত বিশ্বনবী দিৱসৰ প্ৰথম কাৰ্য্যসূচী 'মিলাদে মেহফিল' আৰু দোৱায়ে মাগফিৰাতেৰে পাতনি মেলা হয়। গোটেই দিন বিশ্বনবী দিৱসৰ লগত সংগতি ৰাখি কুইজ, কোৰাণ পাঠ, গজল আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিশ্বনবী দিৱসৰ শেষৰ কাৰ্য্যসূচী মুকলি ও বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে উপাধ্যক্ষ শ্ৰীযুত নিৰোদ বৰণ দাসদেৱে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি লুইতপৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় আহম্মদ হুছেইন খান দেৱে বিশ্বনবীৰ জীৱনী সম্পৰ্কে ভাষণ আগবঢ়ায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ছুলতান আহমেদ আৰু নগৰবেৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আজমল আলী চাহাবে।

৪। **মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস ঃ** ১৯৭২ চনৰ ২৬ আগষ্টৰ এক পবিত্ৰক্ষণতে বহুতোজনৰ চেষ্টাৰ ফলত আজি পূৰ্ণ অৱস্থাপ্ৰাপ্ত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰে। পৰৱৰ্তী সময়ত অসমৰ সু-সন্তান প্ৰয়াত প্ৰাক্তন মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চলিহা দেৱৰ নামেৰেহে নামকৰণ কৰা হয়। এই ক্ষেত্ৰতে তেখেতৰ মৃত আত্মাৰ শান্তি কামনা কৰিছোঁ। সেয়েহে প্ৰতি বছৰে ২৬আগষ্টৰ দিনটো মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰা হয়। এই বেলিও ২৬ আগষ্ট দিনটো মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস হিচাপে উলহ-মালহেৰে পালন কৰা হয়। অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত অনুষ্ঠিত সভাত মহাবিদ্যালয় প্ৰতিষ্ঠাৰ পৰা আজিলৈকে মহাবিদ্যালয়ৰ উন্নতিৰ হকে লাগি থকা মাননীয় শ্ৰী ভূপেন দাস আৰু অন্যান্য ব্যক্তি সকলে মহাবিদ্যালয়ৰ ইতিবৃত্তি ব্যাখ্যা কৰে।

৫। **নৱাগত আদৰণি সভা ঃ** মহাবিদ্যালয়ৰ উৎসৱ বিলাকৰ ভিতৰত সকলোতকৈ আকৰ্ষণীয় আৰু আনন্দময় উৎসৱ বা অনুষ্ঠান হ'ল নৱাগত আদৰণি সভা। নৱাগত আদৰণি হ'ল ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মিলনৰ অনুষ্ঠান। পুৰণা বিলাকে নতুন বিলাকক আদৰণি জনোৱা। এই বেলিও ৩০/০৮/০৮ ইং তাৰিখত ধুম-ধামেৰে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। পতাকা উত্তোলনেৰে আৰম্ভ কৰা নৱাগত আদৰণি সভাৰ অন্তিম কাৰ্য্যসূচী মুকলি সভাখন অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত অতিথি হিচাপে উপস্থিত থাকে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰীডাৰ বিশিষ্ট গৱেষক ড° উপেন ৰাভা হাকাচাম দেৱে।

**শ্ৰেণী বৰ্জন কাৰ্য্যসূচী ঃ** সমস্যাৰ কেতিয়াও অন্ত নাই। আমাৰ মহাবিদ্যালয়খনো নানা সমস্যাৰে জৰ্জৰিত।

তাৰ মাজতো কিছুমান জলন্ত সমস্যা আৰু নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ অভাব পূৰণ আৰু সমাধানৰ লগতে মুখ্যতঃ বুৰঞ্জী বিভাগৰ এজন প্ৰৱক্তাৰ দ্বাৰা সংঘটিত বুলি অভিযোগ উঠা এক অবাঞ্চিত কাৰ্য্যৰ প্ৰতিবাদত আৰু উপযুক্ত শাস্তিৰ দাবীত ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয় খেল পথাৰত প্ৰতিবাদী সভা অনুষ্ঠিত হয়।

**মোৰ কাৰ্য্যকালৰ সফলতা আৰু বিফলতা সমূহ ঃ** জীৱনত কোনেও সম্পূৰ্ণ সফল বুলি ক'ব নোৱাৰে। মোৰ এই এক বছৰীয়া কাৰ্য্যকালত কিমান সফল হ'ব পাৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য। মহাবিদ্যালয়ৰ আভ্যন্তৰিন কিছুমান কাৰণৰ বাবে মই বহুতো ক্ষেত্ৰত বিফল হব লগা হৈছে। বিশেষকৈ আৰ্থিক অনাটনৰ বাবে মই দেখা কিছুমান সপোন বাস্তৱায়িত কৰিব পৰা নাই। তথাপি মাননীয় অধ্যক্ষ মহোদয়ৰ সু-পৰামৰ্শ আৰু একান্ত সহায়ৰ ফলত তলত উল্লেখিত কামবোৰ কৰা হয়—

১। ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্য্যালয়।
২। ছাত্ৰী জিৰণি কোঠাৰ মেৰামতি কৰা হয়।
৩। ছাত্ৰী নিবাস মেৰামতি আৰু পুনৰ মুকলি কৰা হয়।
৪। মহাবিদ্যালয় আৰু ছাত্ৰী নিবাসৰ নতুন নাম ফলক প্ৰস্তুত কৰা হয়।
৫। শ্ৰেণীৰ ছিলিংৰ ব্যৱস্থা কৰা হয়।
৬। নতুন পাঠ্য পুথিৰ যোগান ধৰা হয়।

**দাবী সমূহ ঃ**
১। Ex. Students Meetপাতিব লাগে।
২। ফুলনি বাগিছা কৰিব লাগে।
৩। খেল পথাৰখন গোটেই বছৰ খেলৰ উপযোগী কৰা।
৪। খেলা-ধূলা, সংগীত, নাটক, সাহিত্য প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।
৫। ছাত্ৰাবাস নিৰ্মাণ কৰা।
৬। ছাত্ৰী নিবাসৰ চাৰিবেৰ নিৰ্মাণ কৰা।
৭। Computer শিক্ষা বাধ্যতামূলক কৰা।
৮। প্ৰৱেশদ্বাৰৰ পৰা শ্বহীদ বেদীলৈ পকা ৰাস্তা বনোৱা।
৯। বাস্কেট বল, টেবুল টেনিচ, বেডমিন্টন ক'ৰ্ট (Court) নিৰ্মাণ কৰা।
১০। শিক্ষকৰ উপস্থিতি নিয়মীয়া কৰা।

**কৃতজ্ঞতা ঃ** মোৰ কাৰ্য্যকালত প্ৰতি মূহুৰ্ত্তত প্ৰতিটো দিশত বিশেষভাবে সহায় আৰু পৰামৰ্শ দিয়াৰ বাবে শ্বাহ জামাল মোল্লা ছাৰ, ৰনেন্দ্ৰ কুমাৰ দাস ছাৰ, অংশুমান শইকীয়া ছাৰ, লগতে Recreation Cell অৰ সমূহ সদস্যলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কৃতজ্ঞতা জনালো নিম্নোক্ত ছাত্ৰ-ছাত্ৰী সকললৈ—

ফিৰোজুল হক, আব্দুল হালিম, ইকবাল হুছেইন, ৰেজাউল কৰিম, মিনহাজ আলী, ৰেজাউল হক, ছফিকুল ইছলাম, শ্বহিদুল ইছলাম, ৰবিউল হক, জিয়াউৰ ৰহমান, জাহিদুল ইছলাম, ইমৰান স্বাদিদ, আব্দুল হামিদ, গুলাম নবী, মহিদুল, হাফিজুৰ, নছিবুৰ, গুণজিত, শ্বাহজাহান, প্ৰদীপ বায়ন, জাহানুৰ, ময়নুল, কালাম, ছাফিকুল, হামিদুল ইছলাম, শ্বৰিফুল, আবু শ্বামা আদিলৈ.....।

ছাত্ৰ একতা সভাৰ সদস্য-সদস্যালৈ......।

মাননীয় অধ্যক্ষ মহোদয়লৈ.....।

সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী সকললৈ.....।

লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ.....। জয়তু বি.প্ৰ.চ.মহাবিদ্যালয়।

ধন্যবাদেৰে - **হবিবুৰ ৰহমান**
*সাধাৰণ সম্পাদক, বি. প্ৰ. চ. মহাবিদ্যালয়।*
*ছাত্ৰ একতা সভা।*

বিভাগীয় প্ৰতিবেদন



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন —



প্ৰতিবেদনৰ আৰম্ভনিতে মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সেই সকল মহান ব্যক্তিলৈ যি সকল ব্যাক্তিৰ অক্লান্ত প্ৰচেষ্টা অনুপ্ৰেৰণা শ্ৰম আৰু ত্যাগৰ বিনিময়ত এই মহান অনুষ্ঠান বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় গঢ়ি উঠিছে।

২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মোক সহকাৰী সাধাৰণ সম্পাদক হিচাপে এই মহান অনুষ্ঠানটোক সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া বাবে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰিক ধন্যবাদ লগতে কৃতজ্ঞতা জনালোঁ।

১৯৭২ চনতে প্ৰতিষ্ঠা হোৱা আমাৰ মহাবিদ্যালয়খনে শিক্ষা, সংস্কৃতি, নীতি-নৈতিকতা আৰু চিন্তা - চেতনা আদি সকলো ক্ষেত্ৰতে যি পোহৰ বিলাই আহিছে তাৰ বাবে আমি আটায়ে আজি গৌৰৱান্বিত।

নগৰবেৰা অঞ্চলৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ৩৬ বছৰীয়া শৈক্ষিক ইতিহাসৰ পাত লুটিয়াই চালে দেখা পোৱা যায় যে প্ৰতি বছৰে এচাম কৃতী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভাৰ জৰিয়তে মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে সেয়েহে এই মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। আৰু ভবিষ্যতে যেন এনেদৰে গৌৰৱ কঢ়িয়াই আনে তাৰ বাবে মোৰ আশা থাকিল।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হোৱাৰ আগতে মই যি সোনালী সপোন দেখিছিলো সেইটো বাস্তৱত পৰিণত কৰিব নোৱাৰা বাবে মই দুঃখিত। শপত গ্ৰহণ কৰি দায়িত্বভাৰ পোৱাৰ পিছত মহাবিদ্যালয়ৰ সাত দিনীয়া খেল-ধেমালী আৰম্ভ হয় আৰু এই খেল ধেমালীৰ সাত দিনীয়া কাৰ্যসূচী ভালে ভালে পাৰ হৈ যায়। এই মহাবিদ্যালয়ৰ প্ৰতি বছৰে হোৱা নৱাগত আদৰণি সভা এইবাৰো অনুষ্ঠিত হয়। আৰম্ভনিতে এই আদৰণি সভাত বহুতো সমস্যাৰ সৃষ্টি হয় যদিও অৱশেষত সেয়া সুকলমে অনুষ্ঠিত হয়। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ -ছাত্ৰীলৈ মোৰ অনুৰোধ থাকিল যেন অহা বছৰৰ উৎসৱ সমূহত এনেকুৱা সমস্যাৰ সৃষ্টি নহয়।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা অনেক ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ইতি-

শ্ৰদ্ধাৰে

**শ্ৰীপিংকু মেধি**

*সহকাৰী সাধাৰণ সম্পাদক*

*বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।*

## বিভাগীয় প্ৰতিবেদন





# ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ আৰম্ভনিতে যি সকল শ্বহীদে নিজ স্বাৰ্থ ত্যাগ কৰি সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক উন্নতিৰ হকে কাম কৰি প্ৰাণ বিসৰ্জন দিলে সেই সকললৈ মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০০৭-২০০৮ ইং বৰ্ষৰ ক্ৰীড়া বিভাগৰ সম্পাদকৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচিত কৰি পবিত্ৰ জ্ঞানৰ মন্দিৰটোক সেৱা কৰিবলৈ দিয়া বাবে সমূহ সতীৰ্থলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্য্যকালৰ প্ৰথম কাৰ্যসূচী আছিল বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ'। মহাবিদ্যালয় সপ্তাহত দৌৰ, দীঘল জাম্প, ট্ৰিপল জাম্প, শ্বটপুট, জেভলিন থ্ৰ, ডিচকাছ থ্ৰ, আদি বিভিন্ন খেল অনুষ্ঠিত কৰা হয়। খেল সমূহ পাৰ্যমানে সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিলোঁ। অৱশ্যে এই ক্ষেত্ৰত কিমান দূৰ সফল হৈছো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

মোৰ কাৰ্য্যকালত আৰম্ভণিৰে পৰা বৰ্ত্তমানলৈ বিভিন্ন ক্ষেত্ৰত দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা বাবে শ্ৰদ্ধাৰে আবুল বাসাৰ ছাৰ, আতোৱাৰ ৰহমান ছাৰ আৰু আজমল হক দাদালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়োৱা বাবে আমিনুল হক, বিল্লাহ হুছেইন, ছফিকুল ইছলাম, কহিনুৰ বেগম, ৰেজাউল কৰিম আহমেদ, দিলোৱাৰা খাতুন আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়া-ববীয়ালৈ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌশেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ কাৰ্যকালত হোৱা অবাঞ্ছিত ভুল ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম-। জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

**মোঃ সাহিনুল ইছলাম**
*সম্পাদক, ক্ৰীড়া বিভাগ।*

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী



# গুৰু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন-



২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি গুৰু খেল বিভাগৰ সম্পাদক হিচাপে এই মহান অনুষ্ঠানটোৰ সেৱা কৰিবলৈ সুযোগ দিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মই আন্তৰিক ধন্যবাদ জনাইছো। লগতে এই মহান অনুষ্ঠানটোক গঢ় দি ত্যাগৰ শলিতা জ্বালোৱা সকলক মোৰ বুকুৰ সশ্ৰদ্ধ ভক্তিৰ প্ৰণাম যাচিছোঁ।

২০০৭-০৮ বৰ্ষটো মোৰ বাবে চিৰস্মৰণীয় বছৰ। জীৱনৰ প্ৰতিটো ক্ষণতে এই বছৰটোৰ কথা মনত পৰিব। নিৰ্বাচনৰ কেইদিন মান পিছতেই শপত গ্ৰহণ কৰি দায়িত্বভাৰ গাত পাতি লৈছিলোঁ। শপত গ্ৰহণৰ পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনটো আজিও মোৰ স্পষ্টকৈ মনত আছে। খেল ধেমালিৰ দ্বাৰাও যে মানুহৰ জ্ঞানৰ পৰিধি বহল হয় আৰু একাগ্ৰতা, সহানুভূতি ইত্যাদি বাঢ়ি যায়; এই কথাবিলাক মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনটোৱে মোক শিকাই থৈ যায়।

মহাবিদ্যালয়ৰ এই গুৰু দায়িত্বত মই কিমান দূৰ সফল হব পাৰিছো সেইটো আপোনালোকৰ বিচাৰ্য। তথাপিও মই পিছৰ ছাত্ৰ-একতা সভালৈ বিশেষ অনুৰোধ জনাওঁ যে খেল-ধেমালীৰ যিটো পৰিবেশ বা যিখিনি বস্তুৰ প্ৰয়োজন সেইখিনি যাতে মহাবিদ্যালয়ৰ পৰা আদায় কৰি লয়। খেলুৱৈৰ কাম হ'ল খেলা আৰু খেলাই মানুহৰ জীৱন সুন্দৰ কৰে। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি পৰিবেশ সৃষ্টি কৰিব লাগে। গ্ৰীক দাৰ্শনিক এৰিষ্টটলে কৈছিল- 'সুস্থ দেহত সুস্থ মনৰ গঢ় দিয়াই হৈছে শিক্ষা। সেয়েহে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ হলে প্ৰথমে আত্ম বিশ্বাস লাগিব। একোজন মহান খেলুৱৈ দেশ বা জাতিৰ বাবে গৌৰান্বিত। খেল-ধেমালী নিজৰ শৰীৰ চৰ্চাৰ লগতে ইয়াক শিক্ষাৰ এটা অংগ বুলি ভাবি ইয়াক জনপ্ৰিয় কৰা প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য আছে।

আমি বাতৰি কাকত, ৰেডিও, দুৰদৰ্শন ইত্যাদিত বিভিন্ন ধৰণৰ খেলসমূহ চাওঁ বা দেখি থাকো। কি সুন্দৰ ভাবে খেলুৱৈ সকলে খেল প্ৰদৰ্শন কৰে। বিশ্বৰ ভিতৰতে ক্ৰিকেটত ভাৰতৰ এক সুকীয়া আসন বা নাম আছে। ঠিক তেনেদৰে হকী, ভলিবল, বেডমিন্টন, ফুটবল ইত্যাদি খেল সমূহত স্বৰ্ণ পদক অৰ্জন কৰি ভাৰতৰ লগতে নিজৰ সুনাম বঢ়াইছে।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত খেল-ধেমালিবোৰত অংশ গ্ৰহণ কৰিছিল তেওঁলোকক মই অভিনন্দন জনাইছোঁ। যি সকলে সফল হ'ব পৰা নাই তেওঁলোকক আৰু ভালদৰে প্ৰশিক্ষণ লবলৈ অনুৰোধ জনাইছো যাতে আগলৈ ভাল খেল প্ৰদৰ্শন কৰি আমাক উৎসাহিত কৰে।

শেষত মই মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ খেলাৰ আৱশ্যকীয় সামগ্ৰীবোৰ যোগান ধৰি নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা দিয়ে যেন। এনেকুৱা পৰিবেশ সৃষ্টি কৰিলেহে কিজানি ভৱিষ্যতত মহাবিদ্যালয়ৰ পৰা ক্ৰীড়া ক্ষেত্ৰত একোজন উদীয়মান তাৰকা খেলুৱৈৰ আত্মপ্ৰকাশ ঘটিব।

মোৰ কাৰ্য্যকালত সকলো ফালৰ পৰা পৰামৰ্শৰে আগবঢ়াই নিয়া শ্ৰদ্ধাৰ শ্ৰীবিপ্লৱ নাগ, বিপুল শৰ্মা বৰপূজাৰী আৰু দয়ানন্দ কুমাৰ দাস ছাৰক মই কৃতজ্ঞতাৰ লগতে অভিনন্দন জনাইছোঁ।

অৱশেষত মই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম ।

**শ্ৰীপ্ৰদীপ কুমাৰ ৰায়ন**
*সম্পাদক, গুৰু খেল বিভাগ*
*জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।*

# লঘু খেল বিভাগৰ প্ৰতিবেদন—











প্ৰতিবেদনৰ পাতনিতে যি সকল মহান ব্যক্তিৰ অক্লান্ত শ্ৰমৰ ফলশ্ৰুতিত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিলোঁ আৰু সেই সকলৰ আত্মাৰ পবিত্ৰ স্মৃতিত ভক্তি ভৰা প্ৰণিপাত নিবেদন কৰিলোঁ।

২০০৭-২০০৮ বৰ্ষটোৰ বাবে মোক বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদক ৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়া ভৰা ওলাগ যাচিলোঁ।

শপত গ্ৰহণ কৰি দায়িত্ব ভাৰ লোৱাৰ পিছতেই আমাৰ মহাবিদ্যালয়ত অইন অইন বছৰৰ দৰেই এইবাৰো মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। মোৰ বিভাগৰ গোটেই কেইখন খেল আমোদ জনক হৈছিল। বিশেষকৈ ভলীবল ফাইনেল খেলখন অতিশয় উপভোগ্য হৈছিল। সেই খেল অনুষ্ঠিত হৈছিল স্নাতক প্ৰথম বৰ্ষ আৰু স্নাতক তৃতীয় বৰ্ষৰ মাজত। খেলখনত স্নাতক তৃতীয় বৰ্ষই স্নাতক প্ৰথম বৰ্ষক পৰাজিত কৰি চেম্পিয়ন খিতাপ দখল কৰিছিল। খেলুৱৈৰ অভাৱৰ বাবে ছোৱালীৰ কাবাডি প্ৰতিযোগিতা খন অনুষ্ঠিত কৰিব পৰা নহ'ল। মোৰ কাৰ্য্যকালত সকলো ধৰণে সহায় সহযোগিতা আৰু সু-পৰামৰ্শ দি সহায় কৰা বিভাগীয় তত্বাৱধায়ক মাননীয় বসন্ত কলিতা ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। তদুপৰি বিভিন্ন দিশত সহায় আগবঢ়োৱা মাননীয় বৰপূজাৰী ছাৰ, ৰনেন্দ্ৰ কুমাৰ দাস ছাৰ, আতোৱাৰ ৰহমান ছাৰ আৰু শ্বাহ জামাল মোল্লা ছাৰলৈ এই সুযোগতে মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোক সৰ্বোতো প্ৰকাৰে সহায় কৰা হামিদুল দা, মনোৱাৰ দা, হাফিজুৰ দা, ইমদাদুল দা, আৰু ইকবাল দাদালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত হোৱা অজানিত ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু লগতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদ-।

**আব্দুল হামিদ**
*সম্পাদক, লঘু খেল বিভাগ।*

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

বিভাগীয় প্ৰতিবেদন







# সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন—



প্ৰতিবেদনৰ আৰম্ভণিতে মই আটাইলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যিসকল বৰেণ্য ব্যক্তিৰ অক্লান্ত শ্ৰমৰ ফলশ্ৰুতিত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰিলোঁ।

২০০৭-২০০৮ ইং বৰ্ষটোৰ বাবে মোক সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ এই গুৰু দায়িত্ব মই কিমান সফলভাৱে বহন কৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য। তথাপিও জ্ঞাতে বা অজ্ঞাতে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে মই আপোনালোক আটাইৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

শপত গ্ৰহণ কৰি দায়িত্বভাৰ পোৱাৰ পিছতেই মই, মহাবিদ্যালয় সপ্তাহ, চলাবলগীয়া হৈছিল।এই ক্ষেত্ৰত মোক দিহা পৰামৰ্শ দিছিল তত্বাবধায়ক যতীন্দ্ৰ নাথ তালুকদাৰ আৰু জুমিজা বৰ্মন বাইদেউয়ে। ইয়াৰ বাবে মই তেওঁলোকলৈ মোৰ শ্ৰদ্ধা ও ভক্তি নিবেদন কৰিলোঁ।

'সুন্দৰৰ আৰাধনা জীৱনৰ খেল'; জীৱন যাত্ৰাত 'সত্যম শিৱম সুন্দৰম'ৰ অম্বেষণেই সংস্কৃতি। সংস্কৃতি অবিহনে এটা জাতি নিষ্প্ৰাণ নিৰ্জীৱ। সংস্কৃতিয়েই এটা জাতিৰ মানদণ্ড নিৰ্ধাৰণ কৰে। সেই সংস্কৃতিৰে প্ৰধান অংগ সংগীতে সকলোৰে হৃদয়ত জেতুকাৰ ৰং সানে, হৃহবায়-কন্দুৱায়। কবিৰ ভাষাত যিজনে ফুল আৰু সংগীত ভাল নাপায় তেওঁ মানুহক হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰে।

এই প্ৰতিবেদনৰ যোগেদি মই মোৰ কাৰ্য্যকালত সহায় সহযোগিতা আগবঢ়োৱা সমূহ ছাত্ৰ ছাত্ৰীকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশেষভাৱে শলাগৰ শৰাই ও আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ মোৰ ভাতৃসদৃশ বন্ধু শ্ৰী ৰাজীৱ মেধিলৈ, যিজনে মোক সকলো ক্ষেত্ৰতে আকুণ্ঠ সহায় সহযোগিতা আগবঢ়াইছে।

সদৌ শেষত মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সমাপ্ত কৰিলোঁ।

জয় আই অসম

জয়তু বিঃপ্ৰঃচঃ মহাবিদ্যালয়

শ্ৰীগুণজিৎ মেধি।

*সাংস্কৃতিক সম্পাদক, ছাত্ৰ একতা সভা*



বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকীয় প্ৰতিবেদন—



প্ৰতিবেদনৰ পাতনিতে মই শ্ৰদ্ধাৰে সোঁৱৰিছো সেইসকল ব্যক্তিক যিসকলৰ অক্লান্ত ত্যাগ আৰু শ্ৰমৰ বিনিময়ত এইখন মহাবিদ্যালয় গঢ় লৈ উঠিছে। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০০৭-২০০৮ ইংৰাজী বৰ্ষৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক ৰূপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে আটাইবোৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়া ভৰা ওলগনি যাচিলোঁ।

ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই কোঠাটোৰ পৰিচ্ছন্নতাৰ কাৰণে নতুন নিয়ম, পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু বিশেষ সুবিধা সমূহ বাস্তৱত ৰূপায়িত কৰাৰ বাবে যিটো আশা আছিল সেয়া সপোন হৈ ৰ'ল আৰু ইয়াৰ মুখ্য কাৰণ আছিল অৰ্থৰ অভাৱ, তাৰ বাবে মই ছাত্ৰ সকলৰ ওচৰত অতিকৈ দুঃখিত।

এই বছৰ আমাৰ শপত গ্ৰহণ আৰু দায়িত্বভাৰ গ্ৰহণ কৰাৰ কেইদিন মান পিছতে আমি সন্মুখীন হৈছিলো মহাবিদ্যালয় সপ্তাহৰ। অন্যান্য বছৰৰ দৰে এই বেলিও ছাত্ৰ জিৰণী কোঠাৰ তৰফৰ পৰা মহাবিদ্যালয় সপ্তাহত বিভিন্ন প্ৰতিযোগিতামূলক খেল-ধেমালী অনুষ্ঠিত কৰা হয়। সেই খেল-ধেমালী সমূহ মই যিমান দূৰ পাৰো নিষ্ঠা সহকাৰে আৰু নিয়াৰিকৈ চলাই নিবলৈ মই চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মোক বিশেষ ভাৱে দিহা পৰামৰ্শ দি সহায় কৰা তত্বাৱধায়ক অধ্যাপক মাননীয় সুকুমাৰ দেৱান ছাৰক এই ছেগতে মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ প্ৰতিটো কামৰ ক্ষেত্ৰতে নিষ্ঠাৰে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু- ছুৰমান, মনোৱাৰ, মাইনউদ্দিন, ছফিকুল, বুলবুল, আয়ুব, হাফিজুৰ আৰু কায়ুম লৈ মোৰ হিয়াভৰা মৰম যাচিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ সময়ছোৱাত হোৱা জ্ঞাত-অজ্ঞাত, ভুলৰ ক্ষমা বিচাৰি আৰু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰি মাৰিলোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

মহম্মদ মইদুল ইছলাম
*সম্পাদক, ছাত্ৰ জিৰণী কোঠা।*

বিভাগীয় প্ৰতিবেদন

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদকীয় প্ৰতিবেদন—













প্ৰতিবেদনৰ পাতনিতে আই মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত নিজা শোণিতেৰে ইতিহাস ৰচনা কৰা সমূহ বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগত যিসকল মহান ব্যক্তিৰ অক্লান্ত শ্ৰমৰ ফলস্বৰূপে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ে আজি ঐতিহ্যৰ পতাকা উৰুৱাই সমগ্ৰ অসমত নিজা স্থান গৌৰৱোজ্বল কৰি তুলিবলৈ সক্ষম হৈছে সেই সকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলোঁ।

এনে এক মহিমাৰে সমুজ্জ্বল বিদ্যামন্দিৰৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা ৰূপে সেৱা আগবঢ়াবলৈ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক সুবিধা প্ৰদান কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। এইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত শিক্ষাবৰ্ষ ২০০৭-২০০৮ ৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্য হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ সুখানুভূতিক হয়তো এই প্ৰতিবেদনত আখৰৰ ৰূপ দিব নোৱাৰিম।

২০০৭ বৰ্ষৰ হেঙুলী ৰহণক বিদায় জনোৱাৰ সময়তেই আমি আয়েজন কৰিছিলো মহাবিদ্যালয়ৰ সকলোতকৈ আকৰ্ষণীয় অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ'। মহাবিদ্যালয় সপ্তাহৰ মোৰ বিষয়ৰ খেলবোৰ মই বৰ আকৰ্ষণীয়কৈ পাতিবলৈ চেষ্টা কৰিছিলো। ইয়াৰ ভিতৰত - কেৰম (একক, দ্বৈত), লুডু, ডবা, পিঠা প্ৰতিযোগিতা, কইনা প্ৰতিযোগিতা ইত্যাদি। খেলসমূহ চলাই কিমান সফল হৈছিলো মই নাজানো। যি কি নহওঁক মই কিন্তু চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পৰা এতিয়ালৈকে মোৰ প্ৰতিটো কামতে সহায় সহযোগিতা আগবঢ়োৱা তত্বাৱধায়িকা অধ্যাপিকা ফিৰোজা আহমেদ বাইদেউ আৰু দীপ্তিৰেখা পাঠক মজুমদাৰ বাইদেউলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী তথা অনুজ বৃন্দ আৰু সমূহ শিক্ষাগুৰুক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

"হস্তীৰো পিছলে পাৰ সজ্জনৰো বুৰে নাও"। কৰ্য্যকালৰ ভিতৰত জ্ঞাতে -অজ্ঞাতে ভুল থকাটো স্বাভাৱিক আপোনালোক আটাইৰে ওচৰত ক্ষমা বিচাৰি অনাগত দিনত উত্তৰণৰ বাবে আশীৰ্বাদ আৰু মৰম বিচাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়"

শ্ৰদ্ধাসহকাৰে-

**শ্ৰী ইৰা ঠাকুৰীয়া**

*সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা।*

বিভাগীয় প্ৰতিবেদন









# সাহিত্য বিভাগৰ সম্পাদকীয় প্ৰতিবেদন—



জয় জয়তে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন আৰম্ভ কৰিলোঁ। লগতে যিসকল ব্যক্তিৰ অশেষ চেষ্টাৰ বলত 'জ্ঞানৰ চাকি' বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰতিষ্ঠিত হল তেওঁলোকক আন্তৰিক শ্ৰদ্ধাৰে স্মৰণ কৰিলোঁ।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০০৭-২০০৮ বৰ্ষৰ সাহিত্য বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০০৭-২০০৮ বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ' আন আন বছৰৰ দৰে উলহ মালহেৰে উদ্‌যাপন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহত মই সাহিত্য বিভাগৰ পৰা বিভাগীয় বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰো। এই প্ৰতিযোগিতা সমূহ নিয়মীয়াকৈ চলাই নিয়াত মাননীয় তত্বাৱধায়ক মহোদয় দীনেশ কলিতা, শ্বাহ জামাল মোল্লা আৰু নগেন্দ্ৰ নাৰায়ণ দেৱান ছাৰে যিদৰে সহায় কৰিছিল তাৰ বাবে তেখেতসকলক মই আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা যাচিলোঁ।

২০০৭-২০০৮ বৰ্ষৰ সাহিত্য বিভাগৰ 'বৰ্ষশ্ৰেষ্ঠ সাহিত্যিক' বটাঁ লাভ কৰিছে স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী মীনাক্ষী দাসে। তেওঁক মোৰ ফালৰ পৰা আন্তৰিক অভিনন্দন যাচিলোঁ আৰু ভৱিষ্যৎ মঙ্গল কামনা কৰিলোঁ।

মোৰ কাৰ্য্যকালত সৰ্বতো প্ৰকাৰে সহায় কৰা মোঃ ছফিকুল ইছলাম, খুৰশিদ আলী, হিৰু, ইমদাদুল, আজিবৰ, হিমাংশু পাটোৱাৰী, মুতালিব, ৰেজাউল আৰু হাবিবুৰ ৰহমানক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত মোৰ কাৰ্য্য কালত অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি ও দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সমাপ্ত কৰিলোঁ।

জয়াতু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

**ছেলিম আনোৱাৰ**
*সম্পাদক, সাহিত্য বিভাগ।*

বিভাগীয় প্ৰতিবেদন









# সমাজসেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন—



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ অশেষ ত্যাগৰ বিনিময়ত আমাৰ মহাবিদ্যালয়ৰ জন্ম হয় তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হবলৈ সুযোগ দিয়া বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় সপ্তাহত সমাজ সেৱা আৰু ভেশচন প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলো। এই প্ৰতিযোগিতা সমূহত অংশ লোৱা প্ৰতিজন প্ৰতিযোগীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। এই সুযোগতে প্ৰতিযোগিতা সমূহ চলাই নিয়া আৰু পৰিচালনা কৰা মাননীয় অধ্যাপক আতোৱাৰ ৰহমান, ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ।

মোৰ দায়িত্ব আৰু কাৰ্য্যভাৰ সঠিক ভাৱে চলাই নিয়াত মোক প্ৰেৰণা তথা উৎসাহ দিয়া মাননীয় অধ্যাপক শ্বাহ জামাল মোল্লা ছাৰৰ প্ৰতি মই চিৰ কৃতজ্ঞ।

মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে চলাই নিয়াত মোক বিভিন্ন দিশত সহায় কৰা বন্ধু জাহানুৰ, ইমদাদুল, ৰেজাউল, আফাজউদ্দিন, নউশ্বাদ আলী আৰু ভাইটি গোলাম ওচমানি লৈ মোৰ হিয়া ভৰা মৰম যাচিলোঁ।

শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ অজানিতে হোৱা ভুল ভ্ৰান্তিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদ-

**ছাহজাহান আলী**
সম্পাদক, সমাজ সেৱা বিভাগ,
বিঃ প্ৰঃ চঃ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে প্ৰকাশিত সংখ্যা সমূহৰ সম্পাদক আৰু তত্ত্বাৱধায়ক সকল ঃ

| আলোচনী সংখ্যা | প্ৰকাশিত বছৰ | সম্পাদক | শিক্ষক তত্ত্বাৱধায়ক |
|---|---|---|---|
| প্ৰথম | ১৯৭৭-৭৮ | মহানন্দ মেধি | বীৰেন্দ্ৰ কুমাৰ দাস |
| দ্বিতীয় | ১৯৭৮-৭৯ | মহঃ ৰুহুল আমিন | এম.হবিব উল্লাহ |
| তৃতীয় | ১৯৮৩-৮৪ | দীপেন্দ্ৰ পাঠক, ৰফিকুল হাচান | ৰঞ্জিত কুমাৰ বৰা |
| চতুৰ্থ | ১৯৮৭-৮৮ | কুলেন তালুকদাৰ, ৰঘুদেৱ দাস | বীৰেন্দ্ৰ কুমাৰ দাস |
| পঞ্চম | ১৯৯০-৯১ | সৌৰভ ভাগৱতী,নাজিম হিক্‌মত আহমেদ | এম.হবিব উল্লাহ<br>নগেন্দ্ৰ নাৰায়ণ দেৱান |
| ষষ্ঠ | ১৯৯২-৯৩ | মহঃ আইনাল হক | ড° এ. বাসাৰ |
| সপ্তম | ১৯৯৭-৯৮ | ক্ষিতিশ কলিতা | নগেন্দ্ৰ নাৰায়ণ দেৱান |
| অষ্টম | ২০০১-০২ | ভৈৰৱ ঠাকুৰীয়া | নগেন্দ্ৰ নাৰায়ণ দেৱান |
| নৱম | ২০০২-০৩ | গৌতম মেধি | শ্বাহ জামাল মোল্লা |
| দশম | ২০০৪-০৫ | ৰাজেশ মেধি | বীৰেন্দ্ৰ কুমাৰ বৰা |
| একাদশ | ২০০৬-০৭ | অমিতাভ পাঠক | দীপ্তিৰেখা পাঠক মজুমদাৰ<br>নিৰ্মল চন্দ্ৰ ভোই |
| দ্বাদশ | ২০০৭-০৮ | অৰূপ সাহা | নিৰ্মল চন্দ্ৰ ভোই<br>শ্বাহ জামাল মোল্লা |

### এটি বিশেষ সতৰ্কীকৰণ ঘোষণা

লেখনিৰ মৌলিকতা বিচাৰৰ ক্ষেত্ৰত সম্পাদনা সমিতিয়ে যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছে। তথাপিও কোনো লেখকৰ লেখনি যদি অইনৰ লেখাৰ পৰা হুবহু/আংশিক নকল কৰা বুলি প্ৰমাণিত হয়, তেন্তে কৰ্তৃপক্ষই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। এই বিষয়ে কোনো আইনী সমস্যাৰ সৃষ্টি হ'লে নকল কৰোঁতাই নিজেই তাৰ সন্মুখীন হ'ব লাগিব।

সম্পাদনা সমিতি —

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় সঙ্গীত।



মহাপ্ৰাণৰ প্ৰতীতি সামৰি
সেউজ সভাত জিলিকে জ্ঞানৰ আলয়
ই যে শত শতৰ সাধনা তীৰ্থ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

কত বুৰঞ্জী বুকুত সাৱটি
বৈ যায় বৈ যায় জলজলী নৈ
পাহাৰপাৰাৰ কত লোকগাঁথা
কল্ কল্ সুৰে আজিও আছে কৈ

স্বৰ্গদেউ আহিলে নগৰখন বেঢ়িলে
ঘটালে দ্ৰোহীয়ে যেতিয়া প্ৰলয়
দুৰ্জেয় দুৰ্গেয় এই অলকাপুৰী
দুষ্কৃতি - দানৱে চলায় তাণ্ডৱ
শ্বহীদৰ প্ৰাণত শৃংখল ছিঙাৰ
উজলিল তেজৰ ভীষণ ভমক।

সংস্কৃতি সৌধ সাজিবলৈ লাগে
ত্যাগৰ মণি প্ৰাণৰ বাখৰ
কত খনিকৰে বুকুৰ হেঁপাহেৰে
লিখিলে ইয়াতেই তাৰেই আখৰ
ই যে আমাৰ বুকুৰ বীজমন্ত্ৰ
আমাৰে সুৰৰ মুৰ্চনালয়।

| | |
|---|---|
| ৰচনা | ড° পৰাগ কুমাৰ ভট্টাচাৰ্য। |
| সুৰ | ড° নীলকমল বৰদলৈ। |





# সংযোজন

# (Annexure)



## অশ্ৰু - অঞ্জলি

আমাৰ মহাবিদ্যালয় পৰিয়ালৰ সদস্য,— এখেত সকল অকালতে গুচি গ'ল আমাৰ মাজৰ পৰা। আমি এখেত সকলৰ আত্মা (ৰুহ) ৰ সদ্‌গতি (মাগ্‌ফিৰাৎ) কামনা কৰিলোঁ।



প্ৰতিষ্ঠাপক অধ্যক্ষ
দেব প্ৰসাদ শইকীয়া



অৰ্থনীতি বিজ্ঞান বিভাগৰ কৃতি
অধ্যাপক শ্বাহ আলম



মহাবিদ্যালয়ৰ সুদক্ষ কৰ্মচাৰী
(বৰবাবু) সুবোধ কলিতা

## আলবিদা

দীৰ্ঘ কৰ্ম - জীৱনৰ সফল সমাপ্তি ঘটাই আমাৰ মাজৰ পৰা বিদায় ললে এখেত সকলে। আমি এখেত সকলৰ সু-স্বাস্থ্য তথা দীৰ্ঘায়ু কামনা কৰিলোঁ।



শ্ৰী উমেশ চন্দ্ৰ দাস
প্ৰাক্তন মুৰব্বী,
ভূগোল বিভাগ



আব্দুছ ছামাদ আলী
প্ৰাক্তন মুৰব্বী,
বুৰঞ্জী বিভাগ



শ্ৰী কল্যাণী দাস
প্ৰাক্তন মুৰব্বী,
ইংৰাজী বিভাগ



শ্ৰী নিৰোদ বৰণ দাস
উপাধ্যক্ষ তথা প্ৰাক্তন মুৰব্বী,
অৰ্থনীতি বিজ্ঞান বিভাগ



ড০ পৰাগ কুমাৰ ভট্টাচাৰ্য
প্ৰাক্তন অধ্যক্ষ



নূৰন নাহাৰ বেগম
প্ৰাক্তন অধ্যাপিকা
ৰাজনীতি বিজ্ঞান বিভাগ

## বিদায় পথৰ পথিক

এখেত সকল বিদায়ৰ পথত অগ্ৰসৰ হৈছে। আমি এখেত সকলৰ কৰ্ম-জীৱনৰ সফল সমাপ্তি কামনা কৰিছোঁ।



শ্ৰী উৎসৱ চন্দ্ৰ দাস
মুৰব্বী, অৰ্থনীতি বিজ্ঞান বিভাগ



শ্ৰী নৱ বাহাদুৰ ছেত্ৰী
মুৰব্বী, গণিত বিভাগ



শ্ৰী দয়ানন্দ কুমাৰ দাস
ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ

# প্ৰশস্তি পত্ৰ

(মহাবিদ্যালয়ৰ কৰ্ম-জীৱনৰ পৰা অৱসৰৰ বাবে জনোৱা বিদায় উপলক্ষে)

প্ৰতি ঃ শ্ৰদ্ধাস্পদ শ্ৰীযুত উমেশ চন্দ্ৰ দাসদেৱ,



মুৰব্বী অধ্যাপক, ভূগোল বিভাগ,

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা

দিনাংক ঃ নগৰবেৰা, ০৯ নভেম্বৰ, ২০০৪ ইং চন।

হে পৰম শ্ৰদ্ধাভাজন সতীৰ্থ!

আমাৰ শ্ৰদ্ধা আৰু আন্তৰিক প্ৰণাম গ্ৰহণ কৰিব। আপোনাৰ দৰে জ্ঞানৰ দীপ্তিৰে উদ্ভাসিত, সুমধুৰ বাক্‌ৰীতিৰ, প্ৰশস্ত ব্যক্তিত্বৰ এগৰাকীক সতীৰ্থ হিচাপে পাই আমি আটায়ে পৰম গৌৰবান্বিত। আমাৰ মহাবিদ্যালয়ৰ জন্ম লগ্নতে শিল্প, সংস্কৃতিৰে সমুজ্জ্বল, অসমৰ বস্ত্ৰনগৰীৰূপে খ্যাত শুৱালকুছিৰ পৰা বুৰঞ্জী খ্যাত তথা জাতি ধৰ্মৰ সমন্বয়ৰ প্ৰতীক নগৰবেৰালৈ আহি আমাক ধন্য কৰিছে। এই সুদীৰ্ঘ সময় ছোৱাত আমাক আগবঢ়োৱা আপোনাৰ স্নেহসিক্ত সহায় সহযোগিতা, দিহা - পৰামৰ্শ স্মৰনীয় হৈ ৰ'ব।

হে স্থিতপ্ৰজ্ঞ গুৰু!

আপুনি মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ দীৰ্ঘ দিন মুৰব্বীৰূপে গুৰি বৈঠা ধৰি আহিছে। আপুনি স্নিগ্ধ ব্যৱহাৰ, ধৈৰ্য্য আৰু দৃঢ়তাৰে স্ব-প্ৰজ্ঞাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক সম্যক জ্ঞান দানেৰে সুশিক্ষিত কৰি সুনাগৰিক কৰি গঢ়ি তুলিছে।

হে গুৰুদেৱ!

মহাবিদ্যালয় তথা নগৰবেৰা আঞ্চললৈ সুনাম কঢ়িয়াই অনা এই মহান কাৰ্যৰ বাবে আপোনাক জনাওঁ সহস্ৰ প্ৰণাম।

হে অক্লান্ত কৰ্মযোগী!

আপুনি বহুমুখী প্ৰতিভাৰে মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে অক্লান্ত ভাবে সেৱা আগবঢ়াই আহিছে। অধ্যাপনাৰ লগে লগে মহাবিদ্যালয়ৰ আন্তঃগাথনিৰ উন্নতি, অনুদান আদিৰ বাবে যোগাযোগ, পৰীক্ষা নিয়ন্ত্ৰণ, ছাত্ৰ একতা সভাৰ নিৰ্বাচন, খেল-ধেমালি, বিদ্যায়তনিক আলোচনা, আলোচনা চক্ৰ তথা সাহিত্য চৰ্চা আদিৰ ক্ষেত্ৰত আপোনাৰ পৰা লাভ কৰা বহুমূলীয়া বৰঙণি মহাবিদ্যালয়ৰ ইতিহাসত খোদিত হৈ ৰ'ব। নগৰবেৰা অঞ্চলৰ সামগ্ৰিক উন্নতিৰ ক্ষেত্ৰতো আপোনাৰ অৰিহনা উল্লেখনীয়।

আপোনাৰ কৰ্ম জীৱনৰ সফল সামৰণিত আপোনাক জনালো আমাৰ সশ্ৰদ্ধ বিদায় সম্ভাষণ। বিদায় পৰত পৰম কৰুণাময়ৰ ওচৰত প্ৰাৰ্থনা জনাওঁ আপুনি সুস্বাস্থ্য আৰু দীৰ্ঘ কৰ্মময় জীৱন লাভ কৰক। আমি আশা কৰিছো ভবিষ্যতেও আপোনাৰ পৰা পাই থাকিম উৎসাহ, অনুপ্ৰেৰণা আৰু আশীষ। শেষত আপোনাক কৰযোৰে জনাও বিদায়! বিদায় !! বিদায় !!!

ইতি -

আপোনাৰ সমূহ গুণমুগ্ধ সতীৰ্থৰ হকে -



শ্ৰী উৎসৱানন্দ দাস
সভাপতি

শ্ৰী শ্যামাচৰণ ঠাকুৰীয়া
সম্পাদক



শিক্ষক গোট

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা

ডাকঘৰ ঃ নগৰবেৰা - ৭৮১ ১২৭

জিলা ঃ কামৰূপ (অসম)

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় (নগৰবেৰা) ৰ

## ইতিহাস বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক

## আব্দুছ ছামাদ আলী চাহাবলৈ





## -ঃ বিদায় সম্ভাষণ ঃ-

পোহৰৰূপী জ্ঞানৰ দ্বাৰা অন্ধকাৰৰূপী অজ্ঞানতাক আঁতৰাই অলেখজনৰ হৃদয়- মন্দিৰ আলোকিত কৰি দীৰ্ঘ তিনিটা দশকৰ পথ পৰিক্ৰমাৰ অন্তত শিক্ষকতা জীৱনৰ সামৰণি ক্ষণত উপস্থিত হোৱা –

হে নমস্য শিক্ষাগুৰু !

আপোনাৰ এই বিদায়ত আমি ব্যথিত আৰু মৰ্মাহত । অসংখ্য ঘটনা পৰিঘটনাৰ মিঠা স্মৃতিবোৰেও আজি মনোদাপোনত উথলি উঠিছে কৰুণ ৰূপত।

হে প্ৰিয় সহকৰ্মী !

বয়সৰ ভিন্নতা পৰিহাৰ কৰি জ্যেষ্ঠ- কনিষ্ঠ সৰ্বজনৰ লগত কৰা আপোনাৰ মিঠা ব্যৱহাৰে অইনকো আত্ম- আচৰণশুদ্ধিৰ বাবে প্ৰেৰণা যোগায়। আপোনাৰ এই সদ্‌গুণ আমাৰ বাবে অনুকৰণীয় হৈ ৰ'ব।

হে শ্ৰদ্ধাভোজনেষু !

আপোনাৰ জীৱন এক সুখপাঠ্য খোলা কিতাপ; যাৰ প্ৰতিটো পৃষ্ঠা বৰ্ণময় আৰু জাতিস্কাৰ হৈ আছে — সদাচাৰ, সৰলতা, নম্ৰতা আৰু বিনয়ৰ পুষ্প-বৰ্ণ সুবাসেৰে।

আপোনাৰ অনাড়ম্বৰ সৰল জীৱন- ৰেখা আৰু দীৰ্ঘতৰ হওক। হওক গতিময়। অশ্ৰুসিক্ত নয়নেৰে বিদায় বেলাত আপোনাৰ সুস্বাস্থ্যৰ কামনাৰে -

আলবিদা !

আলবিদা !!

আলবিদা !!!







শ্ৰী সুবোধ কলিতা
সভাপতি



শ্ৰী নৃপেন কলিতা
সম্পাদক

কৰ্মচাৰী গোট



শ্ৰী উৎসৱানন্দ দাস
সভাপতি



শ্ৰী বিপুল শৰ্মা বৰপূজাৰী
সম্পাদক

শিক্ষক গোট

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা।
জিলা ঃ কামৰূপ (অসম)
দিনাংক- ২৪/০৫/০৭ ইং

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ মাননীয় উপাধ্যক্ষ

## শ্ৰীযুত নিৰোদ বৰণ দাস দেৱৰ বিদায় বেলাত





## বিদায় সম্ভাষণ

হে শিক্ষাবিদ !

ইংৰাজী ১৯৭২ চনৰ পৰা এই মহাবিদ্যালয়ত প্ৰতিষ্ঠাপক অধ্যাপকৰূপে যোগদান কৰি সুদীৰ্ঘকাল শিক্ষকতাৰ দৰে মহান ব্ৰতত ব্ৰতী হৈ এই পিছপৰা অঞ্চলত জ্ঞানৰ জ্যোতি বিলোৱাত আপুনি যি বহুমূলীয়া বৰঙনি আগবঢ়ালে তাৰ বাবে আপুনি নগৰবেৰাবাসী ৰাইজৰ মাজত সদায় স্মৰণীয় হৈ থাকিব। আপোনাৰ আকৰ্ষণীয় ব্যক্তিত্বই শিক্ষাব্ৰতী সকলক স্বাভাৱিকতে আপোনাৰ প্ৰতি আকৰ্ষিত কৰি তুলিছিল। এই অঞ্চলৰ বহু ছাত্ৰ-ছাত্ৰীৰ ভাল ফলাফল লাভত আপোনাৰ অৱদানো আছিল অপৰিসীমা। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত আপোনাৰ এই শৈক্ষিক অৱদান সদায় স্মৰণীয় হৈ থাকিব।

হে কৰ্মপ্ৰাণ !

এই মহাবিদ্যালয়ত শিক্ষকতাৰ দৰে পবিত্ৰ কামত জড়িত হৈ থকা কালত আপুনি মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপেও প্ৰায় ১২ (বাৰ) বছৰ কাল কাৰ্য নিৰ্বাহ কৰে। এই সময়ত আপোনাৰ কৰ্ম দক্ষতাই শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দক স্বাভাৱিকতে অনুপ্ৰাণিত কৰি তোলে। আপোনাৰ সু-পৰিচালনাত মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণৰ যথেষ্ট উন্নতি ঘটে।

হে মহান সতীৰ্থ !

সুদীৰ্ঘ কাল ধৰি এখন পৰিয়ালৰ দৰে থকাৰ পাছত আপোনাৰ বিদায় আমাৰ বাবে অসহনীয় হৈ পৰাটো স্বাভাৱিক। কিন্তু সময়ৰ এই আহ্বানক কোনেও উপেক্ষা কৰিব নোৱাৰে। সেয়ে আমি দুখ সম্বৰণ কৰি হ'লেও আপোনাক বিদায় জনাবই লাগিব। আজি এই বিদায় ক্ষণত আমাৰ হিয়াভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা আপোনাক নিবেদন কৰিছোঁ। আমি ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ আপুনি যাতে সুস্বাস্থ্যৰ অধিকাৰী হৈ সুদীৰ্ঘ কাল ধৰি শৈক্ষিক সামাজিক তথা দেশমাতৃৰ সেৱাত ব্ৰতী হৈ থাকিব পাৰে।

এই ছেগতে আপোনাৰ প্ৰতি জ্ঞাত বা অজ্ঞাতভাৱে কৰা দোষ ত্ৰুটিৰ বাবে আপোনাৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ।

তাৰিখ ঃ ০৩/০৬/২০০৯ ইং।

নমস্কাৰান্তে —

আপোনাৰ গুণমুগ্ধ
অধ্যক্ষ তথা কৰ্মচাৰী বৃন্দ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা।

# বিদায় সম্বৰ্ধনা





## প্ৰতি -পৰম শ্ৰদ্ধাৰ শ্ৰীনিৰোদ বৰণ দাস

বিদায়ী ভাৰপ্ৰাপ্ত অধ্যক্ষ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা।

সংন্যাসঃ কৰ্মযোগশ্চ নিঃশ্ৰেয়সকৰাবুভৌ।
তয়োস্তু কৰ্মসংন্যাসাৎ কৰ্মযোগো বিশিষ্যতে ।। (গীতা)

'কৰ্মত্যাগ' আৰু 'কৰ্মযোগ'- এই দুয়োটাই মোক্ষদায়ক; কিন্তু কৰ্মত্যাগতকৈ কৰ্মযোগহে শ্ৰেষ্ঠ।

বিগত প্ৰায় চাৰি দশককাল শিক্ষাদান তথা শৈক্ষিক কাম-কাজৰ লগত প্ৰত্যক্ষভাৱে জড়িত থাকি শত-সহস্ৰজনক জ্ঞানৰ পোহৰ বিলাই আনুষ্ঠানিক কৰ্ম-ব্যস্ততাৰ পৰা অৱসৰ লবলৈ ওলোৱা—

হে শিক্ষাগুৰু !

কৰ্মযোগতেই অবিৰতভাৱে আবদ্ধ হৈ থাকক আপোনাৰ জীৱনৰ গতি আৰু ছন্দ।

ছাৰ! *All theory is grey, but the golden tree of life is ever green.* *সকলো তত্ত্ব মিছা আৰু অৰ্থহীন, জীৱনৰ সোনালী তাৰুণ্যই থাকে কেৱল চিৰ সেউজ।*

আপুনি বিগত শতিকাৰ বাসত্তৰত এক প্ৰাণচঞ্চলতা আৰু তেজস্বী তথা উদ্দীপ্ত জীৱন-পুঁজিৰে নগৰবেৰাত উপস্থিত হৈ অৰ্থশাস্ত্ৰৰ কঠিন সূত্ৰৰ লগত পৰিচয় কৰাই দি ছাত্ৰ-ছাত্ৰীসকলৰ এক ভিন্ন দৃষ্টিভঙ্গী গঢ়ি তুলি সংকট কালত প্ৰায় এক দশককাল নেতৃত্ব দি মহাবিদ্যালয়খনৰ ভগ্নপ্ৰায় আৰ্থিক অৱস্থাটো পুনৰুজ্জীৱিত কৰিলে। মহাবিদ্যালয় পৰিয়ালৰ প্ৰায় প্ৰতিজন সদস্যৰ লগত এক সৌহাৰ্দপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰি আজি লবলৈ ওলোৱা বিদায় মুহূৰ্ত্তো জীৱনৰ সেই সোনালী তাৰুণ্যই যেন উদ্ভাসিত হৈ থাকে। এয়ে আমাৰ কামনা। আপোনাৰ ধৈৰ্যশীলতাক আমি অতি শ্ৰদ্ধাৰে চিৰদিন সুঁৱৰিম।

হে প্ৰতিষ্ঠাপক শিক্ষা গুৰু !
বিদায় ! বিদায় !! বিদায় !!!
আপুনি দীৰ্ঘজীৱি হওঁক । হওঁক আত্মাজয়ী।
জিতাত্মনঃ প্ৰশান্তস্য পৰমাত্মা সমাহিতঃ । (গীতা)

শ্ৰদ্ধাৰে সৈতে —
অৰ্থনীতি বিজ্ঞান বিভাগৰ সপক্ষে
*অধ্যাপক-অধ্যাপিকা মণ্ডলী-*


*শ্ৰী উৎসৱ চন্দ্ৰ দাস।*


*ফিৰোজা আহমেদ।*


*শ্ৰী নিৰ্মল চন্দ্ৰ কলিতা।*


*শ্ৰী অংশুমান শইকীয়া।*

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা।
ডাকঘৰ ঃ নগৰবেৰা - ৭৮১ ১২৭
জিলা ঃ কামৰূপ (অসম)

দিনাংক ঃ ৩০ মে' ২০০৯ ইং।

# বিদায় সম্বৰ্ধনা



## পৰম শ্ৰদ্ধাস্পদ ড০ পৰাগ কুমাৰ ভট্টাচাৰ্য সমীপেষু

বিদায়ী অধ্যক্ষ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা।
দিনাংক ঃ নগৰবেৰা, ৮ জুন, ২০১০ চন

পৰম শ্ৰদ্ধাভাজন মহাশয়,

জয় জয়তে আপোনাক আমাৰ সশ্ৰদ্ধ প্ৰণাম জনাওঁ। আপোনাৰ দৰে প্ৰথিতযশা পণ্ডিত, একনিষ্ঠ গৱেষক, অক্লান্ত সাহিত্য সেৱী, সুবক্তা তথা নিষ্ঠাবান শিক্ষক এগৰাকীক আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে পাই আমি অতিশয় সুখী আৰু গৌৰৱান্বিত হৈছোঁ।

আপুনি সাৰস্বত সাধনাৰে বৌদ্ধিক জগতলৈ বিশিষ্ট অৱদান আগবঢ়াইছে। গৱেষক আৰু গৱেষণা- গুৰু ৰূপে গৱেষণাৰ ক্ষেত্ৰলৈ আপোনাৰ বৰঙণি বিশেষভাৱে উল্লেখনীয়।

আপুনি নিৰবিচ্ছিন্নভাৱে সাহিত্য সৃষ্টিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। আপোনাৰ সাহিত্য-কৰ্মৰ ইংৰাজী, হিন্দী আদি ভাষালৈ হোৱা অনুবাদৰ যোগেদি ৰাজ্যৰ বাহিৰতো আপুনি সাহিত্যিক হিচাপে খ্যাতি লভিছে।

আপুনি এগৰাকী সুবক্তা। বিভিন্ন সভাই সমিতিয়ে আপুনি জ্ঞানগৰ্ভ মনোগ্ৰাহী বক্তৃতাৰে সততে শ্ৰোতা-দৰ্শকক মুগ্ধ কৰি আহিছে।

আপুনি সুদীৰ্ঘকাল এগৰাকী নিষ্ঠাবান অধ্যাপকৰূপে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰীৰ উপযোগী বহুকেইখন গ্ৰন্থ ৰচনা কৰি শিক্ষাজগতলৈ বহুমূলীয়া অৱদান আগবঢ়াইছে।

আপুনি চামতাৰ কামৰূপ মহাবিদ্যালয়, দৰং মহাবিদ্যালয় আৰু গুৱাহাটীৰ পাণ্ডু মহাবিদ্যালয়ত অধ্যাপনা কৰি কৰ্ম জীৱনৰ শেষ কালছোৱাত নগৰবেৰালৈ আহি আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসন অলংকৃত কৰিছে। অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ শৈক্ষিক, প্ৰশাসনিক আৰু আন্তঃগাঁথনিক অৱস্থাৰ উন্নতিৰ কাৰণে কৰা আপোনাৰ প্ৰচেষ্টা প্ৰশংসনীয়। সৌম্য ব্যক্তিত্বৰে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ সুসমন্বয়েৰে মহাবিদ্যালয়ত সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ বৰ্তাই ৰখাটো আপোনাৰ কৃতিত্বৰ পৰিচায়ক।

আমাৰ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বিভিন্ন সমস্যাৰ আশু সমাধানৰ অনুকূলে কাৰ্যব্যৱস্থা গ্ৰহণ কৰি শিক্ষাদানকাৰ্য উৎসাহজনক আৰু আনন্দদায়ক কৰাটো অধ্যক্ষ হিচাপে আপোনাৰ অন্যতম সফলতা বুলি ক'ব পাৰি। আপুনি কৰ্ম- জীৱনৰ দীঘলীয়া যাত্ৰাত শিক্ষা, গৱেষণা আৰু সাহিত্য জগতলৈ অনন্য অৱদান আগবঢ়াই আপোনাৰ আনুষ্ঠানিক কৰ্ম জীৱন ৩১ মে' (২০১০ চন), সোমবাৰে সফল ভাৱে সম্পূৰ্ণ কৰিলে। আমি পৰম শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে আপোনাক বিদায় সম্বৰ্ধনা জনালোঁ। শেষত বিদায় বেলাত অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে মাৰ্জনা বিচাৰি আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে উজ্জ্বল কৰ্মময় জীৱনৰ বাবে পৰম কৰুণাময়ৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। ইতি -

ভৱদীয়-



শ্ৰী শ্যামাচৰণ ঠাকুৰীয়া
সভাপতি

শ্ৰী টিকেন চন্দ্ৰ পাটোৱাৰী
সম্পাদক



মহাবিদ্যালয় শিক্ষক গোট
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা।
ডাকঘৰ ঃ নগৰবেৰা - ৭৮১ ১২৭
জিলা ঃ কামৰূপ (অসম)



বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী



# বিদায় সম্বৰ্ধনা

## প্ৰতি - পৰম শ্ৰদ্ধেয়া নূৰন নাহাৰ বেগম

*বিদায়ী অধ্যাপিকা*

**বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা**

দিনাংক ঃ নগৰবেৰা, ৩০ চেপ্তেম্বৰ, ২০১০ চন ইং

পৰম শ্ৰদ্ধাভাজন মহাশয়া,

আপোনাক আমাৰ শ্ৰদ্ধাপূৰ্ণ প্ৰণাম জনাওঁ। আপোনাৰ দৰে সৌম্য ব্যক্তিত্বৰ অক্লান্ত আৰু নিষ্ঠাবান শিক্ষয়িত্ৰী এগৰাকীক আমাৰ সতীৰ্থ হিচাপে পাই আমি অতিশয় সুখী আৰু গৌৰৱান্বিত হৈছোঁ।

আমাৰ মহাবিদ্যালয়ৰ চালুকীয়া অৱস্থাতে আপুনি নগৰবেৰালৈ আহি 'ৰাজনীতি বিজ্ঞান' বিভাগৰ অধ্যাপিকা হিচাপে অধ্যাপনাৰ দৰে পবিত্ৰ বৃত্তিত আত্মনিয়োগ কৰিছে।

আপুনি আৰম্ভণিৰে পৰা কৰ্মজীৱনৰ শেষলৈকে সুদীৰ্ঘকাল আগ্ৰহ আৰু নিষ্ঠাৰে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰি শিক্ষা জগতলৈ মূল্যবান অৱদান আগবঢ়াইছে।

আপুনি মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান, সভা-সমিতি আদিত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগোৱাৰ লগতে অনুষ্ঠানসমূহ সাফল্যমণ্ডিত হোৱাত বিশেষ বৰঙণি আগবঢ়াই আহিছে।

মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত হাঁহিমুখে কৰা আন্তৰিকতাপূৰ্ণ সহজ-সৰল ব্যৱহাৰ আপোনাৰ ব্যক্তিত্বৰ অন্যতম উজ্জ্বল দিশ।

আপোনাৰ এই দীঘলীয়া যাত্ৰাত ঘাত-প্ৰতিঘাত সকলো অতিক্ৰম কৰি শিক্ষা জগতলৈ অনন্য অৱদান আগবঢ়াই আনুষ্ঠানিক কৰ্মজীৱন আজি ৩০ চেপ্তেম্বৰ (২০১০ চন) বৃহস্পতিবাৰে সফলভাৱে সম্পূৰ্ণ কৰিলে। আমি আপোনালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি পৰম শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে বিদায় সম্বৰ্ধনা জনালোঁ।

শেষত বিদায় বেলাত অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে মাৰ্জনা বিচাৰি আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে উচ্ছল কৰ্মময় জীৱনৰ বাবে পৰম কৰুণাময়ৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। ইতি -

ভৱদীয় -



শ্ৰী শ্যামাচৰণ ঠাকুৰীয়া
*সভাপতি*

শ্ৰী টিকেন চন্দ্ৰ পাটোৱাৰী
*সম্পাদক*



মহাবিদ্যালয় শিক্ষক গোট
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা।
ডাকঘৰ ঃ নগৰবেৰা - ৭৮১ ১২৭
জিলা ঃ কামৰূপ (অসম)

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা



## নূৰন নাহাৰ বেগম চাহেবালৈ

# -ঃ বিদায় সম্ভাষণ ঃ-

কৰ্মক্ষেত্ৰত যোগদান ঃ- ১-১০-১৯৭৬ ইং

অবসৰ গ্ৰহণ ঃ-৩০-০৯-২০১০ ইং

*শ্ৰদ্ধাবান লভতে জ্ঞানম্ তৎপৰঃ সংযতেন্দ্ৰিয়ঃ জ্ঞানম্ লব্ধা পৰম শান্তি মচিৰেনাধি গচ্ছতি। অজ্ঞশ্চা শ্ৰদ্ধধানশ্চ সংশোয়াত্মা ৱিনশ্যাতি।*

শ্ৰদ্ধাবান একনিষ্ঠ আৰু জিতেন্দ্ৰিয়জনে আত্মজ্ঞান লাভ কৰি অতিশীঘ্ৰে পৰম শান্তি লাভ কৰাৰ বিপৰীতে অজ্ঞানী, শ্ৰদ্ধাহীন আৰু সংশয়গ্ৰস্তজনে অচিৰে বিনষ্ট হয়। (গীতা)

সুদীৰ্ঘকাল শত-সহস্ৰজনলৈ জ্ঞানৰ পোহৰ বিলাই অবসৰৰ দুৱাৰদলিত উপস্থিত হোৱা আমাৰ সকলোৰে প্ৰিয় তথা শ্ৰদ্ধাৰ লিলি বাইদেউ, মহাবিদ্যালয়খনৰ সুবিশাল চোতালত শুভ্ৰ সৰলতাৰ শেৱালি-সুবাস ছটিয়াই আপুনি আঁতৰি যাবলৈ ওলোৱা মুহূৰ্তত জিব্ৰানৰ লগত একাকাৰ হোৱা আমাৰ ভাবনাৰও উপলব্ধি;- আমি নিজ হাতেৰে যেন নিজৰ গাৰ ছাল ছিঙি পেলাবলৈ উদ্যত হৈছোঁ। আপোনাৰ বিদায় আমাৰ দীৰ্ঘ-সহচৰ্যৰ অন্তত এক অনাকাঙ্খিত অথচ অৱধাৰিত চ্ছেদ। কেবল এবাৰ মাথোঁ মৰমেৰে উভতি চাই সময়ৰ নীৰৱ বতাহত পালতৰি আপুনি আজি গুচি যাব। সেয়ে আমাৰ অন্তৰাত্মাত তোলপাৰ কৰি থকা ভাববোৰক বোধি অতি কষ্টেৰে ক'লো-

**আলবিদা, মৰমৰ লিলিবাইদেউ আলবিদা।।**

বাইদেউ,

মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যই সদায় আপোনাক মৰম আৰু শ্ৰদ্ধাৰ ডেউকাৰে সাবটি ধৰি ৰাখিছিল। এই ডেউকাৰ পাখিৰ আঘাতে অজানিতে যদিহে আপোনাৰ সৰল মনটোক কেতিয়াবা আহত কৰিছিল;- তাৰ বাবে আমি ক্ষমা বিচাৰিছোঁ।

শ্ৰদ্ধাৰ বাইদেউ;-

আমাৰ মহাবিদ্যালয় পৰিয়ালৰ বহুতেই আপোনাৰ ছাত্ৰ। আপুনি আমাক শিকাই গ'ল **ৰুচোৰ প্ৰকৃতিবাদৰ সূত্ৰ, প্লেটো-এৰিষ্টট'লৰ ৰাষ্ট্ৰৰ সূত্ৰ, বুদ্ধ-গান্ধীৰ অহিংসাৰ সূত্ৰ আৰু নূৰন নাহাৰ বেগমৰ সৰলতাৰ সূত্ৰ।** আপুনি সৰলতাৰ জীৱন্ত প্ৰতীক। আপুনি আমাক শিকাই গ'ল মৰমৰ ভাষা। আপুনি শিকালে আমি আটায়ে একেজন ভগৱানৰ হৃদয়ত আছোঁ।

**বাইদেউ,**

জ্ঞান - ভাণ্ডাৰৰ সৰ্বস্ব উজাৰি এক সফল তীৰন্দাজৰ দৰে অসীমৰ পথত মহাজীৱনৰ অসংখ্য পদচিহ্ন আঁকি আনন্দ আৰু বিষাদৰ স্মৃতিলৈ আপুনি আজি গুচি যাবগৈ;- আমি আপোনাক একো দিব নোৱাৰিলোঁ। অথচ আপুনি আমাক দি গ'ল মহাজীৱনৰ সফলতাৰ প্ৰাচুৰ্যতা। আপুনি হিয়া উজাৰি দিয়া দানৰ ডেউকাৰে উত্থিত হৈ আমি জীৱনৰ প্ৰকৃত অৰ্থ বিচাৰিবলৈ অগ্ৰসৰ হ'ম।

বাইদেউ,

বিদায় মুহূৰ্তত দোৱা কৰিছোঁ-মহান সৃষ্টিকৰ্তাপ্ৰদত্ত ক্ষমা, কৰুণা আৰু প্ৰাচুৰ্যই আপোনাৰ জীৱন পৰিপূৰ্ণ কৰক-

*আল্লাহুম্মা বাৰিক্ লাহুম্*
*ফিমা ৰাজাক তাহুম্*
*ৱাগ ফিৰ লাহুম*
*ৱাৰ হাম্ হুম্। (তিৰ্মিযী)*

*হে সৃষ্টিকৰ্তা- তেওঁৰ জীৱিকাত প্ৰাচুৰ্য দান কৰা। তেওঁক ক্ষমা কৰা আৰু তেওঁৰ প্ৰতি কৰুণা কৰা।* আমিন —



শ্ৰী নৃপেন কলিতা
*সভাপতি*

শ্ৰী সত্যজিৎ কলিতা
*সম্পাদক*



বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় কৰ্মচাৰী গোট।
দিনাংকঃ-৩০ চেপ্টেম্বৰ, ২০১০
স্থান ঃ- নগৰবেৰা।

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়(নগৰবেৰা) ৰ



## ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা

## নূৰন নাহাৰ বেগম বাইদেউয়ে

কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা উপলক্ষে ৰাজনীতি বিজ্ঞান বিভাগৰ তৰফৰ পৰা



## -ঃ বিদায় সম্ভাষণ ঃ-

দিনাংক- ৪/১০/২০১০ ইং (সোমবাৰ)

হে সন্মানীয় সতীৰ্থ !

আমাৰ সশ্ৰদ্ধ প্ৰণাম গ্ৰহণ কৰিব। যোৱা ১৯৭৬ ইং চনৰ ১ ছেপ্তেম্বৰ তাৰিখৰ পৰা ২০১০ ইং চনৰ ৩০ ছেপ্তেম্বৰলৈ, এই সুদীৰ্ঘকাল আপুনি আমাৰ সতীৰ্থ হিচাপে থাকি আমাক ধন্য কৰিছে। এই সময়ছোৱাত আপুনি আমাৰ বিভাগটোৰ উন্নতিৰ বাবে গঠনমূলক দৃষ্টিভংগীৰে যি সেৱা আগবঢ়াই গ'ল তাৰ বাবে আমি আপোনাৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম। আপোনাৰ মৰম সুলভ আন্তৰিকতা, সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আমাৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

হে অক্লান্ত কৰ্মযোগিনী !

আপুনি স্বপ্ৰজ্ঞাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলক জ্ঞানৰ আলোক বিলাই সুশিক্ষিত আৰু সুনাগৰিক কৰি গঢ়ি তুলিছে। অধ্যাপনাৰ লগে লগে বিদ্যায়তনিক আৰু সাংস্কৃতিক বিভিন্ন কাৰ্যসূচীত সক্ৰিয় অংশ গ্ৰহণেৰে সকলোকে উৎসাহ আৰু অনুপ্ৰেৰণা যোগাই আহিছে। ইয়াৰ বাবে আপোনাক জনালোঁ আমাৰ আন্তৰিক কৃতজ্ঞতা।

মহাবিদ্যালয়ৰ সুদীৰ্ঘ কৰ্মজীৱনৰ সফল সামৰণিত আপোনাক আমাৰ বিভাগৰ তৰফৰ পৰা সশ্ৰদ্ধ বিদায় সম্ভাষণ জনালোঁ। আজিৰ এই অশ্ৰুসিক্ত মুহূৰ্তত পৰম কৰুণাময়ৰ ওচৰত প্ৰাৰ্থনা জনাওঁ,-আপুনি সুস্বাস্থ্য আৰু দীৰ্ঘ কৰ্মময় জীৱন লাভ কৰক। ভৱিষ্যতেও আপোনাৰ পৰা উৎসাহ, অনুপ্ৰেৰণা আৰু সুভাশীষ পোৱাৰ আশা ৰাখিলোঁ। শেষত আপোনাক পুনৰবাৰ শ্ৰদ্ধাৰে জনালোঁ শুভাশীষ ।

আপুনি কুশলে থাকক।

বিদায়! বিদায় !! বিদায় !!!

ৰাজনীতি বিজ্ঞান বিভাগৰ সমূহ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ হৈ —



শ্ৰী দয়ানন্দ কুমাৰ দাস, *বিভাগীয় মুৰব্বী*

তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা।

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়(নগৰবেৰা)ৰ



### ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা
### নূৰন নাহাৰ বেগম বাইদেউয়ে



কৰ্ম জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা উপলক্ষে 'ৰাজনীতি বিজ্ঞান অধ্যয়ন চ'ৰা' ৰ তৰফৰ পৰা

## -ঃ বিদায় সম্ভাষণ ঃ-

দিনাংক- ৪/১০/২০১০ ইং (সোমবাৰ)

শ্ৰদ্ধেয়া বাইদেউ !

আমাৰ শ্ৰদ্ধা গ্ৰহণ কৰিব। যোৱা ১৯৭৬ ইং চনৰ ১ ছেপ্তেম্বৰ তাৰিখৰ পৰা ২০১০ ইং চনৰ ৩০ ছেপ্তেম্বৰলৈ, এই সুদীৰ্ঘকাল আপুনি আমাৰ সকলোৰে মাজত থাকি মহাবিদ্যালয়ৰ 'ৰাজনীতি বিজ্ঞান বিভাগ' তথা 'ৰাজনীতি বিজ্ঞান অধ্যয়ন চ'ৰা' ৰ সকলো কাম-কাজত যি সহযোগিতা আগবঢ়ালে তাৰ বাবে আপোনাক ধন্যবাদ জনাইছোঁ। আপুনি সুদীৰ্ঘ কালছোৱাত আমাৰ ছাত্ৰ-ছাত্ৰী সকলক বিভিন্ন সময়ত দি অহা দিহা পৰামৰ্শ আমাৰ পাথেয় হৈ ৰ'ব।

হে ব্যস্ত কৰ্মযোগিনী !

অধ্যাপনাক কৰ্ম হিচাপে বাছি লৈ আপুনি দীৰ্ঘকাল ছাত্ৰ-ছাত্ৰী সকলক জ্ঞানৰ পোহৰেৰে সুশিক্ষিত কৰি বহুতকে দেশৰ সুনাগৰিক হিচাপে গঢ় দিয়াৰ পাৰিছে। অধ্যাপনাৰ লগে লগে আমাৰ অধ্যয়ন চ'ৰাৰ প্ৰাচীৰ পত্ৰিকাৰো গুৰু দায়িত্ব পালন কৰি প্ৰতি বছৰেই প্ৰকাশৰ যি ব্যৱস্থা কৰিছিল তাৰ বাবে আমি আপোনাৰ ওচৰত কৃতজ্ঞ।

আপোনাৰ আজিৰ এই বিদায় বেলাত আমাৰ প্ৰতিজনৰেই হৃদয় ভাৰাক্ৰান্ত। আজিৰ এই বিদায়ক্ষণত আমি আপোনাৰ বিগতদিনৰ কৰ্মৰাজিক আমাৰ প্ৰেৰণাৰ উৎস হিচাপে গ্ৰহণ কৰিছোঁ। হে বাইদেউ, দীৰ্ঘ চাকৰি কালৰ অন্তত আজিৰ এই বিশেষ মুহূৰ্ত আপোনাৰ বাবে হওক পৰিপূৰ্ণ বিজয় আনন্দৰ এক স্মৰণীয় ক্ষণ। আপোনাৰ সহজ-সৰল স্বভাৱে আমাক সদায় আপ্লুত কৰে। আপুনি আমাৰ ওপৰত কোনো দায়-দোষ নধৰিব। পৰম কৰুণাময়ে যাতে আপোনাক সুস্বাস্থ্যৰ অধিকাৰী কৰি দীৰ্ঘজীৱি কৰে তাৰ কাৰণে প্ৰাৰ্থনা জনাইছোঁ। ভৱিষ্যতে আপোনাৰ পৰা নানা দিহা পৰামৰ্শ আৰু শুভাশীষ পোৱাৰ আশাৰে আপোনাক জনালোঁ সশ্ৰদ্ধ বিদায় সম্ভাষণ।

বিনয়াৱনত —



শ্ৰী দয়ানন্দ কুমাৰ দাস, সভাপতি



নুৰ আলম, সম্পাদক

ৰাজনীতি বিজ্ঞান অধ্যয়ন চ'ৰা

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ অন্যতম অনুষ্ঠান 'সাহিত্য কানন'ৰ উদ্যোগত প্ৰতিবছৰে প্ৰকাশিত হৈ আহিছে এখনি হাতেলিখা আলোচনী 'প্ৰতীতি'। অসমীয়া বিভাগৰ জ্যেষ্ঠ সহযোগী অধ্যাপিকা দিপ্তীৰেখা পাঠক মজুমদাৰৰ অক্লান্ত পৰিশ্ৰমৰ ফচলৰূপে নিৰবিচ্ছিন্নভাৱে প্ৰতিবছৰে পোহৰৰ মুখ দেখিবলৈ পাইছে 'প্ৰতীতি' য়ে। আমি শ্ৰদ্ধেয়া দিপ্তীৰেখা পাঠক মজুমদাৰক জনাইছোঁ আন্তৰিক শুভেচ্ছা। 'প্ৰতীতি'ৰ দুখিলা পাত পাঠকলৈ আগবঢ়ালোঁ।

সম্পাদনা সমিতি —


প্ৰতীতি

৩০ অক্টোবৰৰ বিস্ফোৰণ

অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ

সাহিত্য কানন
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
নগৰবেৰা

বিদেশী বহিষ্কৰণ

মুম্বাই ঃ ধোৱাৰ মাজৰ স্নেপশ্বট

সম্পাদক: দীপ্তিৰেখা পাঠক মজুমদাৰ


প্ৰতীতি

ত্ৰয়োদশ বছৰ ঃ প্ৰথম সংখ্যা-২০০৭-২০০৮

সাহিত্য কানন
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
নগৰবেৰা

## জামলাইত জোনাক



ড° পৰাগ কুমাৰ ভট্টাচাৰ্য।



জামলাই
শুনা নাই চাগে' ইয়াৰ নাম
আহিবা
মই দেখুৱাম তোমাক
জোনাকৰ বিবিধ ৰং
তাৰ পৰা কেনেকৈ নিগৰি পৰে
পোহৰৰ পানী
আৰু সৃষ্টি হয় বিশাল জলাশয়।
পাহাৰখনৰ সিপাৰে
গাভৰুৰ হাঁহি এটি কেতিয়াবা
হঠাতে জোন হৈ পৰে
পানী দেখি তেওঁ বৈ যায়
পাহাৰখনৰ সিপাৰে
দেখা নেদেখাকৈ।
তেতিয়া পথাৰে পথাৰে বৈ যায়
কেৱল জোনাকৰ ধাৰ
তাতে সাঁতুৰিবলৈ নামি আহে
জলকুঁৱৰীবোৰ
কলা মসৃন দেহ
কল্ কল্ হাঁহিৰে মুখৰ হয় জামলাই
পাহোৱাল ডেকাবোৰে

তাইহঁতক চিনাই দিয়ে
জলজলী নদীলৈ যোৱা বাট
সিপাৰৰ পৰা
ডাঙৰীয়াৰ মুৰত ছাতি ধৰি
জলজলীৰে ঢৌ আহে কোন সেইবোৰ?
সৰু মানুহৰ শ্ৰমৰ মেটেকা টৌলি
তাঁহি আহে মানুহবোৰৰ মুখৰ
হৈয়া হৈয়া শব্দ।
দুৱাৰীয়াৰ ঘৰ যেন্তত পানী লাগিব বুলি
ডাঙৰীয়াই ভৰি কোচায়



তাক দেখি স্তব্ধ হয়
হাতত বঠা লোৱা ভেকাবোৰ।
অনেকে মাৰ অ উঁৰ নাৱৰীয়া
অনেকে মাৰ উঁৰ
চাৰি ভাওৰীয়াৰ লাগিব দায়।
জামলাইৰ জোনাকৰ সুগন্ধি
উটি যায় প্ৰবল সোঁতত
চৌদিশে উৎসৱৰ উজ্জ্বলীকৃত চৌ
ৰাতি হ'লেও জোনাকেৰে ইয়ালে বান আহে
বান নাহিলে হাঁহি নাহে
যৌৱন নাহে







প্ৰকৃতিৰ কোলাত নেখেলে
শৈশৱৰ শিশু।
জামলাইৰ পাৰত থিয় হৈ
প্ৰলয় ভালপোৱা মানুহবোৰক
মই ভালপাবলৈ আৰম্ভ কৰিছোঁ।

তোমাকো জামলাইক চিনাই দিওঁ আহা
কাৰণ তুমি চিনি নোলোৱা নেকি
মানুহৰ বীৰ্যৰ মহিমা
ভাল পাবা
মানুহৰ মাজত লুকাই থকা
শক্তিৰ প্ৰাচুৰ্য দেখি।

## :: মৌচুমীৰ প্ৰতীক্ষাত ::

নৱনীতা পাঠক
প্ৰৱক্তা, প্ৰাণীবিজ্ঞান বিভাগ।



নীৰস চাহাৰাৰ বক্ষস্থলত
অগনন বিক্ষুব্ধ বালি,
মৌচুমীৰ প্ৰতীক্ষাত নিৰত।
বৰ্ষাসিক্ত শীতলতাৰ দৰে
সিহঁতেও বিচাৰে,
বৰ্ষাসিক্ত হৈ,
সজীৱ হ'বলৈ
লেয়ে মৌচুমীক মাতে
আকুল কণ্ঠে,
বৰ্ষাৰ ঢল নমাই দিবলৈ।
মৌচুমীৰ মুখত কুটিল হাঁহি
পিপাসাৰ্ত হৈ বালিবোৰে
প্ৰাণ কৰে
চাহাৰাৰ প্ৰাণ
দিওঁ মৰুদ্যান।

গ্ৰীষ্মৰ উত্তাপ লৈ
সূৰ্যৰ আগমনে
ঢালি দিলে উত্তাপৰ ঢল
চাহাৰাৰ বুকুত।
বিক্ষুব্ধ বালিবোৰ তপ্ত হৈ উঠিল
জ্বলন্ত অঙ্গাৰৰ দৰে।
চাহাৰাৰ বক্ষত
প্ৰচণ্ড উত্তাপৰ মেলা।
মৌচুমী এতিয়াও
সুপ্ততাৰ অটল সমুদ্ৰত নিমজ্জিত।

• • •

## 'প্ৰতীতি'ৰ এলবামৰ পৰা





'সাহিত্য কাননৰ দ্বাৰা আয়োজিত প্ৰথম চৈমুদ্দিন মুন্সী স্মাৰক উদ্বোধক ... স্মৃতিচাৰণ সভাত সভাপতিৰ আসন অলংকৃত কৰিছে অধ্যক্ষ ড° প্ৰণৱ কুমাৰ ভট্টাচাৰ্যই।



'স্মৃতিচাৰণ সভাত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰিছে জ্যেষ্ঠ অধ্যাপক অভিজ্ঞানন্দ দাসে।'



'স্মৃতিচাৰণ সভাত বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰিছে চৈমুদ্দিন মুন্সীৰ পুত্ৰ বিশিষ্ট সাংবাদিক তথা লেখক আইনাল হক মুন্সীয়ে।



'স্মৃতিচাৰণ সভাত স্বাগতম ভাষণ আগবঢ়াইছে সাহিত্য কাননৰ সম্পাদক শাহজাহান মোল্লা।



'স্মৃতিচাৰণ সভাৰ বিশিষ্ট অতিথি সকল'



'স্মৃতিচাৰণ সভাত দৰ্শকৰ আসন শুৱনি কৰা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী



'উদয়শংকৰ ঠাকুৰীয়া স্মাৰক কলা বীথিকাত চকু ফুৰাইছে অধ্যাপক, অধ্যাপিকা সকলে।



'সাহিত্য কাননৰ দ্বাৰা আয়োজিত সাহিত্য প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী হাফিজুৰ ৰহমান' (২০০৮ চন)

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত 'একশৰণ হৰি নাম ধৰ্ম'



উমেশ চন্দ্ৰ দাস
*প্ৰাক্তন মুৰব্বী অধ্যাপক,*
*ভূগোল বিভাগ।*
*বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।*



"অনাচাৰ কৰি অপৰাধী মোৰ নুহি।
আন দেৱ পূজে যিটো সেহি মোৰ দ্ৰোহী।।" (ভক্তি প্ৰদীপ)

মহপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিভা তেখেতৰ নিজ কৰ্ম জীৱনৰ সকলো দিশতে ফটফটীয়া হৈ ওলাই পৰিছে। তেখেত এজন সনাতন ধৰ্মগুৰুৱে নহয়, এজন বিদগ্ধ পণ্ডিতো আছিল। এজন খ্যাতনামা সঙ্গীতজ্ঞ, নৃত্যবিদ, কলাকাৰ, নাট্যকাৰ, চিত্ৰকৰ, সমাজ সংস্কাৰক, কবি, সাধক, সাহিত্যিক, সাম্য-মৈত্ৰী-সংহতিৰ যাদুকৰ, গণতান্ত্ৰিক চিন্তাধাৰাৰ পৃষ্ঠপোষক, অৰ্থনীতিবিদ, ৰাজনীতিবিদ আৰু উত্তৰ পূব ভাৰত প্ৰান্তত গঢ়ি তোলা জাতিটোৰ চিৰ বৰেণ্য জাতিৰ জনক। মহাপুৰুষ শঙ্কৰদেৱে তেখেতৰ বহুমুখী প্ৰতিভাৰে ভাষা, সাহিত্য, মানবীয় গুণ সম্পন্ন সভ্যতা, সংস্কৃতি এই সকলো খিনি দান কৰি কালজয়ী সংস্কৃতি সম্পন্ন এটি মহীয়ান জাতি গঢ়ি তুলিছে।

মহাপুৰুষ শঙ্কৰদেৱে হৰিনাম ভকতিত মানুহ মাত্ৰেই সম অধিকাৰ থকা বুলি ঘোষণা কৰি সাধাৰণ চণ্ডাল হ'লেও হৰি ভক্ত হ'লে - ব্যভিচাৰী, অনাচাৰী, উচ্চবংশগত ব্ৰাহ্মণতকৈ শ্ৰেষ্ঠ বুলি উল্লেখ কৰিছে। খৃঃ পঞ্চদশ,ষোড়শ শতিকাতে মহাপুৰুষ শংকৰদেৱে যি নৱবৈষ্ণৱ ধৰ্মৰ সোঁত বোৱালে তাৰ ফলত আমাৰ জাতীয় জীৱনত এক বৈপ্লবিক পৰিৱৰ্তন ঘটিল। ভক্তি ধৰ্মক কেন্দ্ৰ কৰি অসমৰ ধৰ্ম, সমাজ, সাহিত্য, কলা আদি বিভিন্ন ক্ষেত্ৰ ত মহাপুৰুষে যি বহুমুখী দান দিলে তাৰ ফলত অসমত এক নতুন যুগৰ সূচনা হ'ল। এই যুগটোৱেই হ'ল 'শঙ্কৰী যুগ'।

মহাপুৰুষ শংঙ্কৰদেৱে ভাগৱত পুৰাণৰ পৰা 'ভক্তি' আৰু 'সৎসঙ্গ', গীতাৰ পৰা 'একশৰণ' আৰু পদ্ম পুৰাণৰ পৰা 'নাম-ধৰ্ম' লৈ অসমত যি 'এক শৰণ নাম ধৰ্ম' প্ৰচাৰ কৰিলে তাৰ জৰিয়তে নানান ধৰ্ম আচাৰ পদ্ধতি আৰু ভাষা আদিৰে বহুধা বিভক্ত হৈ থকা অসমৰ জনসাধাৰণক এডাল সূতাৰে বান্ধি বৃহৎ অসমীয়া জাতি গঠনত সহায় কৰিলে।

অসমৰ ধৰ্ম, জীৱন আৰু সমাজ নীতি, ভাষা, সাহিত্য, সংগীত, কলা আদি মূল উপাদানবোৰৰ ওপৰত শঙ্কৰদেৱৰ প্ৰভাৱ ইমান বেছি যে, অসমীয়া সংস্কৃতিৰ মাজৰ মূল সুঁতিটোকেই শঙ্কৰী সংস্কৃতি বুলি ক'ব পাৰি (ড° মহেশ্বৰ নেওগ)।

এক শৰণ নাম ধৰ্ম প্ৰচাৰ কৰিবলৈ যাওঁতে মহাপুৰুষ শংঙ্কৰদেৱে দেৱ ভাষা সংস্কৃতত লিখা বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি তাৰ সাৰ কাঢ়ি আনি সৰ্বসাধাৰণ লোকে বুজিব পৰাকৈ প্ৰাঞ্জল অসমীয়া ভাষাত গ্ৰন্থবোৰ লিখিছিল। সেই অমূল্য গ্ৰন্থবোৰ হ'ল - 'দশম'কে লৈ ভাগৱতৰ বিভিন্ন স্কন্ধ, কীৰ্ত্তন, ভক্তি প্ৰদীপ, গুণমালা, ভক্তি ৰত্নাকৰ আদিৰ ওপৰিও অঙ্কীয়া নাট, বৰগীত ইত্যাদি। প্ৰাকশঙ্কৰী যুগত শাক্ত, শৈৱ, তান্ত্ৰিক ধৰ্মৰ প্ৰভাৱে গোটেই অসম ৰাজ্যকে গ্ৰাস কৰিছিল। অৱশ্যে অনাদি কালৰ পৰাই বৈষ্ণৱ ধৰ্মৰ এটা ধাৰা প্ৰবাহিত হৈ আছিল বুলি প্ৰমাণ পোৱা যায়। কিন্তু সস্তীয়া আৰু আড়ম্বৰপূৰ্ণ শাক্ত ধৰ্মৰ প্ৰভাৱত মানুহ মতলীয়া হৈ পৰিছিল আৰু নিৰ্বিবাদে ম'হ, ছাগলী আদিৰ বলি বিধান মানি লৈছিল। আনকি নৰবলি দিবলৈও কুণ্ঠাবোধ কৰা নাছিল।

অসম বুৰঞ্জীৰ লেখক চাৰ এডোৱাৰ্ড গেইটেও সেই সময়ৰ অসমৰ ব্যৱস্থা আৰু মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাৱ সম্পৰ্কে এই দৰে বৰ্ণাইছে- "আদিম বাসীবোৰৰ অনাৰ্য্য দস্তৰৰ লগত অধঃপতিত হিন্দু ধৰ্মক ৰজিতা খুৱাই ধৰ্মৰ নামত যি ভয়ঙ্কৰ আৰু জঘন্য ভেকোভাওনা চলিছিল তাক অনিৰ্দিষ্ট কাললৈ চলি থাকিবলৈ দিয়া অসম্ভৱ বুলিয়ে শঙ্কৰদেৱৰ দ্বাৰা প্ৰবৰ্তিত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰেৰে নৰনাৰায়ণৰ ৰাজত্ব গৌৰৱ মণ্ডিত হৈ পৰিছিল।" ('যুগনায়ক শঙ্কৰদেৱ - ডিম্বেশ্বৰ নেওগ')

মহাপুৰুষ শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা এক শৰণ হৰিনাম ধৰ্মক 'মহাপুৰুষীয়া' ধৰ্ম বুলিও কোৱা হয়। বেদ, গীতা, উপনিষদ ভাগৱতত উল্লিখিত মহা পৌৰষিক পুৰুষোত্তম, ব্ৰহ্মনাৰায়ণ, বিষ্ণু, কৃষ্ণক উপলক্ষ কৰি এই ধৰ্মটিৰ নাম 'মহাপুৰুষীয়া' হৈছে। মহাপুৰুষ শঙ্কৰদেৱে ক্ষয়িষ্ণু অসমীয়া সমাজখনক গঢ়ি তোলাৰ উদ্দেশ্যে অহোপুৰুষাৰ্থ কৰিছিল। নিজৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰে কৃষ্টি, সংস্কৃতি, ভাষা -সাহিত্য, নাট, ভাওনা আদি সকলো দিশতে অসম ৰাজ্যক চহকী কৰি একশৰণ ভাগৱতী ধৰ্ম প্ৰচাৰ কৰিছিল। জাতি ধৰ্ম নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ লোকৰ মাজত সাম্যভাৱ বিস্তাৰ কৰাত গুৰুত্ব আৰোপ কৰিছিল। নীতি সদাচাৰ মানি চলা সকলো লোককেই অতি আপোন কৰি লৈ ভক্তৰ শাৰীত বহিবলৈ অনুমতি প্ৰদান কৰিছিল। ইজনে সিজনক বাপ, আতা, আঁতৈ বুলি সম্বোধন কৰিব পাৰিছিল। তেৰাৰ ধৰ্মৰ এই গুণটোৱেই সমাজৰ প্ৰায় সকলো সম্প্ৰদায়ৰ লোককেই মুগ্ধ কৰিব পাৰিছিল। ভক্তি পথ গ্ৰহণ কৰিবলৈ যাঁওতে জাতি ধৰ্মৰ বিচাৰ পৰিহাৰ কৰা হৈছিল।

"কিৰাত কচাৰী, খাচী, গাৰো, মিৰি, যৱন কঙ্ক গোৱাল। অসম মুলুক ৰজত তুৰুক কুবাচ ম্লেছ চণ্ডাল।।"

(কীৰ্ত্তন)

সকলোৰে একশৰণ নাম ধৰ্মত দীক্ষিত হৈ জাতীয় একতাৰ ভেটিত থিয় দিবলৈ সুবিধা পাইছিল। ব্যৱহাৰিক ক্ষেত্ৰত ব্যৱধান থাকিলেও ভক্তিৰ ক্ষেত্ৰ ত সকলো সম পৰ্যায়ৰ। সেয়েহে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা লোক আহি গুৰুজনাৰ শৰণ লৈছিল। যেনে -গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, ভোটৰ দামোদৰ, মিকিৰৰ ভোলামিৰি (নাৰায়ণ), মুছলমানৰ চান্দখা (হৰিদাস), কৈৱৰ্তৰ ধ্বজা আতৈ (পূৰ্ণানন্দ), যবনৰ জয়হৰি, নমোশুদ্ৰৰ শ্ৰীৰাম আতা, নেপালীৰ কানীয়া আতৈ, বণিয়াৰ হৰিদাস ইত্যাদি।

পবিত্ৰ অন্তৰৰ ভক্ত চণ্ডালো অভক্ত ব্ৰাহ্মণতকৈও সাধাৰণ স্তৰত উচ্চ - এই কথা প্ৰচাৰ কৰি মহাপুৰুষে ধৰ্মৰ ক্ষেত্ৰত সমভাবৰ আদৰ্শ দেখুৱাই জনতাক উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছিল আৰু শ্ৰেণীহীন বৰ্ণহীন এখন সমাজ গঠনত বিশেষ অৱদান আগবঢ়াইছিল। তেখেতে সকলো প্ৰাণীৰ প্ৰতি সমভাৱ ৰক্ষা কৰিছিল। সেয়েহে তেখেতে উদাত্ত কণ্ঠে ঘোষণা কৰিছিল -

"কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো কৰিবা প্ৰণাম।।"
"ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।।
"নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাকেসে পণ্ডিত বোলয় সৰ্বজন।" (কীৰ্ত্তন)

হৰিনাম অকল কলি যুগৰে নহয় সৰ্ব যুগৰে শ্ৰেষ্ঠ ধৰ্ম। ভগৱন্ত নামৰ অপাৰ মহিমা। নামে সাত কাৰ্য সিদ্ধি কৰিব পাৰে। নামত আশ্ৰয় কৰি ঈশ্বৰ ভক্তি কৰিবলৈ যোৱা জনৰ স্তৰে স্তৰে কিদৰে ঈশ্বৰ প্ৰাপ্তি হয় তাৰ সিদ্ধান্ত গুৰুজনে দিছে -

"নামে সাত কাৰ্য্য সাধিবে দেখা।
প্ৰতি প্ৰতি লোৱা নামৰ লেখা।।
প্ৰথমে দহিব পাতক চয়।
কৰিবে মহা পূৰ্ণ অভ্যুদয়।।
মিলাইবে বিষয়ত বিৰকতি।
কৃষ্ণত মিলাইবে দৃঢ় ভকতি।।
ওপজাইবে অতি বৈষ্ণৱী জ্ঞান।
মায়াকো কৰিব দহি নিৰ্জ্জান।।
চৈত্তন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি।
হোৱন্ত তেন্তে এবে এক কৰি।।" (কীৰ্ত্তন)

দৈবক্ৰমে ধুৱাহাটত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ মিলন হ'ল। মাধৱদেৱ আছিল এজন ঘোৰ শাক্ত পন্থী, এজন পণ্ডিত। পিতৃৰ মৃত্যু সংবাদ দিবলৈ বাণ্ডুকাৰ পৰা ভণ্ডাৰী ডুবিলৈ আহি থাকোঁতে মাকৰ টান নৰীয়া বুলি শুনি মাতৃৰ আৰোগ্য কামনা কৰি দুৰ্গা দেৱীলৈ এযোৰ পঠা ছাগলী আগবঢ়ায়। ভনীয়েক উৰ্ব্বশীৰ ঘৰ পাই গম পালে যে মাক আৰোগ্য হৈছে। গোসাঁনীলৈ পঠা আগবঢ়োৱাৰ বাবেই মাক আৰোগ্য হোৱা বুলি ভাবি ভনীজোৱায়েক ৰামদাসক ছাগলী বিচাৰি আনিবলৈ ধন দি মাধৱদেৱ বেপাৰলৈ গ'ল। কিন্তু শঙ্কৰদেৱৰ সান্নিধ্য লাভ কৰা ৰামদাসে ছাগলী নিকিনাত মাধৱদেৱৰ খং উঠিল আৰু ৰামদাসৰ ওপৰত ক্ৰোধান্বিত হৈ ক'বলৈ ধৰিলে -

"শুনিয়া মাধৱে অতি ক্ৰোধে জ্বলি গৈলা।
দুৰাচাৰ পাপী বুলি খঙ্গিয়া বুলিলা।।
ৰামদাসে বোলন্ত নকৰা ক্ৰোধ মোক।
শঙ্কৰৰ পাশে যাও শীঘ্ৰে চলিওক।।
আপোনাক পণ্ডিত মানাহা বৰগোট।
শঙ্কৰৰ আগে হৈবাহা লোট সোট।।"

মাধৱদেৱে তাকে শুনি কলে - "কোন শঙ্কৰ? কালি প্ৰভাতে দেখিম, বাদ কৰিম, তৰ্ক কৰিম, পৰাজয় স্বীকাৰ নকৰা লৈকে নেৰিম।"

পিছদিনা ৰামদাসক লগত লৈ মাধৱদেৱে তৰ্কবাদ কৰিবলৈ শঙ্কৰ গুৰুৰ ওচৰলৈ গ'ল। ৰামদাসে গুৰুজনাক সেৱা জনালে। গুৰুজনে অহাৰ কাৰণ সোধাত ৰামদাসে সকলো বিবৰি ক'লে। গুৰুজনে মিচিকি হাঁহিৰে মাধৱদেৱ আৰু ৰামদাসক আসন গ্ৰহণ কৰিবলৈ ক'লে। আসন গ্ৰহণ কৰি লৈ যুক্তি তৰ্ক আৰম্ভ কৰি মাধৱদেৱ প্ৰথমে শ্লোক মাতিলে -

"শৰৎ কালত পূজা সমস্তে কৰয়।
পূৰ্ব্ব হন্তে ইটো বিধি মানিয়া আচয়।।"
- - - - - - - - - - - - -
এতেকে আমি দেৱী পূজা কৰো জানি।
ঈশ্বৰৰ আজ্ঞা ইটো আছে বেদবাণী।।" (শঙ্কৰ চৰিত-ৰামচৰণ)

এনেদৰে মাধৱদেৱে অনেক প্ৰবৃত্তি মাৰ্গৰ শ্লোক মাতিলে। কিন্তু মহাপুৰুষ শঙ্কৰদেৱে প্ৰবৃত্তি -নিবৃত্তি মাৰ্গৰ যুক্তি দাঙি ধৰি মাধৱদেৱৰ যুক্তি হেলাৰঙে খণ্ডন কৰিলে। -

"মাধৱে বোলন্ত দুৰ্গাদেৱী শ্ৰেষ্ঠতৰ।
স্ত্ৰী হৈলে পতি লাগে বোলন্ত শঙ্কৰ।।"
"মাধৱে বোলন্ত দেৱী পূজা কলিৰ ধৰ্ম্ম।
শঙ্কৰে বোলন্ত ইটো অজ্ঞানীৰ কৰ্ম্ম।।"
(সন্তাৱলী)

শঙ্কৰদেৱ আৰু মাধৱদেৱৰ মাজত বহু সময় ধৰি বিভিন্ন শাস্ত্ৰৰ আধাৰত তৰ্কবাদ হ'ল। শেষত মাধৱদেৱে কলে - ঈশ্বৰ যদি সকলোৰ মূল, তেন্তে আন দেৱদেৱীবোৰৰ কি হ'ব? বাদ নপৰিব জানো? তাৰ উত্তৰ মহাপুৰুষ শঙ্কৰদেৱে যথা তৰু মূল ......... শ্লোকটো মাতি ক'লে

"বৃক্ষৰ মূলত যেন দিলে আনি জল।
হোৱয় তৃপিত তাৰ পত্ৰ পুষ্প ফল।।
ডালে পাতে সিঞ্চে যদি মূলত নেদয়।
কদাচিত ডালপাত তৃপিতি নহয়।।"
---------
"কৃষ্ণক পূজিলে সমস্তৰে পূজা হয়।
পৃথকে পূজিলে পূজা কেহো নলৱয়।।"
---------

"শঙ্কৰৰ পৌঢ় বাণী শুনি মাধৱৰ।
গুছিল সংশয় যত আছিল মনৰ।।
কৃতাঞ্জলি কৰি আসনৰ উঠিলন্ত।
গুৰু মানি শঙ্কৰৰ শৰণ লৈলন্ত।।"(শঙ্কৰচৰিত)

শঙ্কৰ-মাধৱৰ এই মিলনক মণিকাঞ্চন সংযোগ বুলি কোৱা হয়। ইয়াৰ পিছৰ পৰাই মাধৱদেৱৰ ধৰ্ম-কৰ্মৰ পথ সলনি হ'ল। এটি নতুন সত্যৰ সন্ধান পালে। পৰস্পৰে পৰস্পৰক লৈ গৌৰবান্বিত হ'ল। গুৰুজনাৰ সান্নিধ্যত থাকি মহাপুৰুষ মাধৱদেৱ 'এক শৰণ নাম ধৰ্ম'ৰ প্ৰতি এনেদৰে আকৃষ্ট হ'ল যে, 'এক শৰণ নাম ধৰ্ম' প্ৰচাৰত দৃঢ় ভাবে মনোনিবেশ কৰিলে। বিভিন্ন শাস্ত্ৰ অধ্যায়ন কৰি সেইবোৰ সৰ্ব সাধাৰণ লোকে সহজে বুজিব পৰাকৈ স্থানীয় ভাষাত অনুবাদ কৰি ভক্তিৰ মৌ ৰস সকলোৱে পান কৰিব পৰাকৈ সহজলভ্য কৰি তুলিলে। তেখেতে ৰচনা কৰা গ্ৰন্থ সমূহ হ'ল - 'নামঘোষা', 'ভক্তিৰত্নাৱলী', 'ঝুমুৰা (নাট)', 'বৰগীত' আদি। ইয়াৰ ভিতৰত 'নামঘোষা' হ'ল বিনাগড়ে সংসাৰ সমৰত অৱতীৰ্ণ হৈ জয়লাভ কৰা 'মহাৰথী' মাধৱদেৱৰ জীৱন দৰ্শনৰ অন্যতম গ্ৰন্থ। মহাপুৰুষ মাধৱদেৱে মূল দৰ্শন সমূহ এই গ্ৰন্থৰ মাজেৰে দাঙি ধৰিছে।

"সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আৱৰ নাহিকে দূজা।।" (নামঘোষা)

সত্য যুগত জীৱ সমূহৰ তৰণৰ উপায় আছিল ধ্যান, ত্ৰেতা যুগত যজ্ঞ, দ্বাপৰ যুগত পূজা আৰু কলি যুগত একমাত্ৰ উপায় হ'ল হৰি নাম। ধ্যান হৈছে অন্তঃকৰণেৰে পৰমাত্মাৰ লগত মনৰ সংযোগ কৰা। ই অতি কষ্টসাধ্য। অনেক কষ্ট কৰি হাজাৰ হাজাৰ বছৰ ধ্যান কৰাৰ পিছত হে অভিষ্ট লাভ কৰিব পাৰে। যেনে -

"ব্ৰহ্মাক চিন্তিয়া আছে মনত।
বহি গৈলা দিব্য বৰিষ যত।।
ঢাকিল তনু উই মাটি তুলি।
শৰীৰৰ মাংস খাইলে সমূলি।।"

ত্ৰেতা যুগত ঋষি, মুনি সকলে যজ্ঞ কৰি ভগৱানক পাবলৈ চেষ্টা কৰিছিল। কিন্তু এই পথটো বৰ সুগম নাছিল। হাজাৰ হাজাৰ বছৰ যজ্ঞ কৰাৰ ফলত যজ্ঞ জুইৰ ধোঁৱাত ঋষি, মুনি সকলৰ শৰীৰ ধূম্ৰ বৰ্ণ হৈছিল। তথাপিতো ইষ্ট দেৱতাক লাভ কৰাটো সম্ভৱ হৈ নুঠিছিল।

দ্বাপৰ যুগত পূজা কৰি সোনকালে ফল লাভ কৰিবলৈ চেষ্টা কৰা হৈছিল যদিও তাতো সিদ্ধি লাভ কৰাটো কঠিন আছিল। আৰু প্ৰায়ে নিষ্ফল হৈছিল। কিয়নো এই পূজা একে বাৰে নিখুঁত হ'ব লাগে আৰু পূজাৰ বাবে বহুবিধ দ্ৰব্য সামগ্ৰীৰ প্ৰয়োজন। কোনো এবিধ বস্তু হীনদেৰি হ'লেই পূজা নিষ্ফল হয়। তাৰ ওপৰিও পূজাৰ মন্ত্ৰ সমূহ দেৱভাষা সংস্কৃতত গোৱা হয়। সংস্কৃত জনা লোক বা পণ্ডিত সকলেহে এই ভাষা সহজে আৰু শুদ্ধ ৰূপত মাতিব পাৰে। উচ্চাৰণ ভুল হ'লে হিতে বিপৰীত হ'ব পাৰে। ভাগৱতত উল্লেখ আছে -

"স্বৰ বৰ্ণ মন্ত্ৰহীন হোৱে যদি
অৰ্থ লৱে প্ৰমাদত।
ব্ৰাহ্মণৰ তেৱে বাক্য বজ্ৰ হুই
যযমান হৱে হত।।
এতেকতে ইটো কাম্য কৰ্ম্ম মণ্ড
আপোনাকো নষ্ট কৰে।
কৃষ্ণক ভজন সকলে শোভন
সমস্ত দোষ সংহৰে" (ভাগৱত, ষষ্ঠ স্কন্ধ)

মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তনঘোষাত লিখিছে -

"মনুষ্যৰ আয়ু শত বৰিষ সংখ্যাত।
অৰ্দ্ধেক বিফলে যায় জানিবা নিদ্ৰাত।।
বিংশতি বৰিষ তাৰ যায় ওপলন্তে।
নয় দশ বৰিষ ধনক উপাৰ্য্যন্তে।।"

সেয়েহে, কলি কালত অল্পায়ু নৰে সত্য, ত্ৰেতা যুগৰ নিচিনা ধ্যান, যজ্ঞ, পূজা আদি কৰাটো সম্ভৱো নহয় আৰু সফলো নহয়। এই সকলোবোৰেই নিষ্ফল। গতিকে নিজৰ আৰু আনৰ তৰণৰ বাবে উপায় হ'ল - হৰিনাম লোৱা। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱত শাস্ত্ৰত উল্লেখ কৰা উপদেশ এফাঁকিৰে সাঁমৰিছো -

শুনা সামাজিক কৃষ্ণৰ চৰিত্ৰ
আসনত থাকি সুখে।
এহিবা পৰম পুৰুষাৰ্থ জানি
শুনা মহন্তৰ মুখে।।
হৰি ভকতিৰ পথত থাকিয়া
শুনৈ ভণৈ যিটো নৰে।
হৰৈ কলি মল মিলৈ মহাবল
সংসাৰ তাপত তৰে।।
তোমাতেযে ৰতি কৰিবেক মতি
বচনে উচ্চাৰি নাম।
কৃষ্ণৰ কিংকৰে তেৱেসে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম।।

সহায়ক গ্ৰন্থ ঃ

১) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, - ড° সত্যেন্দ্ৰ নাথ শৰ্মা।
২) অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন, - ড° অনিমা দত্ত।
৩) শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ, - লক্ষ্মীনাথ বেজবৰুৱা।
৪) মহাপুৰুষ শ্ৰীশ্ৰী শঙ্কৰদেৱ, - শ্ৰী ৰজনী কান্ত কলিতা।
৫) শঙ্কৰ চৰিত - ৰামচৰণ ঠাকুৰ।
৬) ভক্তি প্ৰদীপ - মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ।
৭) কীৰ্ত্তনঘোষা - শ্ৰীশ্ৰী শঙ্কৰদেৱ।
৮) নামঘোষা - শ্ৰীশ্ৰী মাধৱদেৱ।
৯) শ্ৰীমদ্ভাগৱত - ড° কেশৱানন্দ দেৱ গোস্বামী (সম্পাদিত)।
১০) যুগনায়ক শঙ্কৰদেৱ - ডিম্বেশ্বৰ নেওগ।
১১) শংকৰী সাহিত্য - সংস্কৃতিৰ জিলিঙনি - শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ।
১২) মণিকাঞ্চন - প্ৰথম বছৰ দ্বাদশ সংখ্যা - ৫৪৬ শঙ্কৰাব্দ। ❑


English
Section

# Flood Hazard and its Impact on Physical & Mental Health

**D.C.Kalita, *M.Sc.,B.Ed.,M.Phil.***
*Department of Chemistry*



Rivers are dynamic entities having hydrologic, geomorphic, ecologic, environmental and economic significances. They cause boon,belief, hazards and disasters mostly in their disaster flat areas characterised by high to medium rainfall and high concentration of human habitation . From hydrological as well as environmental perspective, flood can be defined as a body of water which rises to overflow land normally not submerged (ward:1978). Flood occurs when the capacity of the river channel is inadequate to carry the surplus quantity of water arising from rainfall causing the river to overflow in its banks and inundate the surrounding low lying areas and thus it comes into conflict with the activities of man. Thus the river basins have their characteristically distinctive interaction and interrelation between the man and the environment as the rivers are recognised as the life line of living beings and the cradle of human civilization.

Though the river basins have been the cradle of high grade human civilization, the unfavourable impacts caused in many riverine areas have now threatened the production processes, societal soundness, environmental balance and ultimately the sustainability of a part of human civilization. In this case floods and their associated problems do act in many respect as the natural hazard.

Most flood studies enphasise the negative impacts of flooding. In particular, attention is given to the primary losses (i.e. direct losses) which occur immediately after the flood event, as a result of physical contact of the flood waters with human and damagable property. However, there are some secondary losses which are associated with various forms of physical and mental ill-health created by injury and disease after the flood event; known as "morbidity".

Ill-health may be arised from physical trauma in high velocity flood flows or contact with water highly polluted with dangerous chemicals; but the greatest problems are associated with waterborne diseases. Most of the studies show that certain endemic diseases, especially gastro-intenstinal diseases rise to endemic proportions in areas of lower developed countries where sanitation standards are very low. For example, in Bangladesh where less than 1% of the rural population had sanitary latrines in 1981. Diarrhoea became endemic and the greatest cause of death for children under five years of age.

Disease morbidity rises due to ecological changes and the additional exposure created by the migration of people, often already infected with dis-

ease; from rural areas to over crowded urban shelters in the first week or so after the floods. The problem is most severe with water related diseases which spread easily due to the failure of sewage systems and the contamination of drinking water supplied by microbiological pollution after floods. Surface water sources, such as rivers and ponds which may normally be used for washing and personal hygiene, become highly contaminated. For exanple, El Nino floods of 1982-83 which affacted much of the west cost of South America, extensively damaged waster-disposal systems leading to the presence of water and sediments polluted by coliforms in the streets (Hedirra, 1987). The observation showed that in this case, the incidence of Typhoid and Malaria doubled above the endemic rate. In tropical countries, the incidence of Malaria and yellow fever also rises because of the multiplication of insect vectors in stagnant water ( Cedeno;1986). A similar picture also was reported from the adjacent areas of Northern Peru by Gueri and Russac (1986). Here there was an increase in diagnosed gastrointenstinal diseases of over 150% mainly in the age group of 5-14 together with increasing respiratory and skin diseases. After the flood at Khartoum, Sudan, in 1988, diarrhoeal disease and malaria accounted for the greatest number of visits to medical clinics and there was a rise in morbidity associated with both these causes.

The sudden changes in the physical environment associated with floods can cause severe emotional stress and create long-term mental health problems among the flood victims.The emotional suffering is tied to the strain of economic and sentimental loss arising from the destruction of homes and treasured personal possessions, the disruption when uprooted from a community and separated from family and friends, coupled with the daunting physical effort of the cleanup operations. The loss of essential features, aesthetic surrounding of family may cause greater stress as well as ill-health to the elderly or disabled persons.Such stresses have varying effects on people such as manifestations of isolation, impotent anger, dismay and unresolved grief which may lead to clinical symptoms of severe anxiety or depression ; leading to alcohol or drug abuse. These effects are most severe amongst the most vulnerable groups who tend to be young, elderly or mentally deficient.

A pioneering study of the mental trauma associated with flood hazards was undertaken by Bennet (1970) who investigated the effects on a controlled group of flood victims after a comparatively minor event in Bristol (England), When 3000 properties were flooded in 1968. The health of the flood victims was worse than that of the control group and for older people, who were well represented in the sample, there was an increased likelihood of death within 12 months of the event. All of the patients referred for psychiatric care were having difficulties in their lives before the flood which simply created an additional burden. Abraham's study (1976) found no increase in mortality after the major Brisbane floods of 1974 but the number of flood victims seeking medi-

cal attention increased significantly in the year after the flood.

One of the most comprehensively studied floods was the Buffalo Creek Disaster(1972) when a poorly maintained dam burst in a coalmining valley in west Virginia (USA) killng 125 people. A total of 5000 homes were destroyed, and 4000-5000 people became homeless . The resultant mental trauma was severe because the survivors were living in a relatively isolated area and suffered the sudden destruction of their tightly knit community as a result of the perceived irresponsibility of others. The victims experienced spatial and temporal disorientation, apathy, feelings of hopelessness and separation. This led to insomnia, amnesia and eating problems and some people were unable to relate to other family members or make new relationships (Erikson,1976). Many families became hostile and depressed when placed in over crowded trailer parks where there was no concern for natural community grouping and where the victims had no decision making powers (Church, 1974). Of the 615 survivors examined in connection with the legal action, 18 months after the event, 570 were found to be suffering from an emotional disorder. In particular, it was claimed that many children had been emotionally impired by the Buffalo Creek Flood and rendered more vulnerable to future stresses (Newman, 1976).

In recent years flooding has also been responsible for the downstream spead of radioactive contamination from the sites of nuclear accidents; Undoubtedly the most dramatic example is provided by the 'Cernobyl'(Ukraine) disaster of April 1986.

Considering the afforsaid devastating effects of flood hazard on physical and mental health of human being in various parts of the world, it is imperative to make a serious study of the impact of the flood hazard on the physical and mental health of flood victims belonging to different flood prone zones of India, Till date no significant attempt has been made in this respect by researchers in India about this menace which has caused irripairable loss to the millions of flood victims of our country in terms of the loss of their physical and mental health.

Assam being among the most flood prone state of India needs more research and investigation to find out the ways and means of minimising the dreadful impact of the flood hazard on physical and mental state of the people of Nagarbera in particular. It demands a special mention for its perennial problems of flood hazard and its baleful impact on the large section of the economically backward people, who suffer different kinds of psychological problems including depression and trauma along with various water borne diseases like diarrhoea, Malaria, Typhord, ect.

A serious stydy in this regard would go a long way in bringing solution to mitigate the miseries of these unfortunate innocent victioms of flood hazard.❑

***Ref : 'Floods': by Keith Smith and Royward.***

# AN EXTRAORDINARY MISSION: - SOLAR PROBE PLUS

**Nirmal Ch.Kalita**
*Associate Professor*
*Department of Economics.*



Solar Probe is the biggest mystery within our solar system for a journey to the Sun. For more than 400 years astronomers have studied the sun from far. Now NASA has decided to go to the living star. This is an unexplored region of the solar system. The solar probe+ (solar probe plus) is a heat resistant spacecraft designed to plung deep into the sun's atmosphere where it can sample solar wind and magnetism first hand. The probe is still in its early design stage, called "Precephase A" at NASA head quarter. Like Guhathakurta, the programme scientist of NASA says - "we are going to visit a living breathing star for the first time, and we have a lot of work to do, but it is very exciting".

John Hopkin's Applied Physics Lab (APL) will design and build the space craft for NASA . The APL already sent probe to Mercury and completed the first fly by Jan. 2008. And many of the same heat resistant technologies will fortify solar probe plus. This mission is called solar probe plus, because it is built on an earlier 2005 APL design called solar probe.

Naturally, the probe is solar powered. It will get its electricity from liquid cooled solar panels that can retract behind the hert-shield when sunlight becomes too intense. From these near distance the sun will appear 23 times wider than it is seen in the sky of the earth. At closest approach solar probe plus will be 7 million km. of 9 solar radii from the sun. The space craft's carbon composite heat shield must withstand the temperature more than $1400^0$ c. and survive blasts radiation at levels not experienced by any previous space craft there.

The space craft consists mainly of instruments designed to sense the enviornment right around the spacecraft e.g. a magnetometer, a phamaware sensor, a dust detector , electron and ionanalysers and so on. Solar probe plus is lone remote sensing instrument in the Hemispheric-imager. The "Hi" in short is a telescope, that will make 3D images of the sun's corona similar to medical CAT scans. This is fundamentally a new approach to solar imaging and is only possible because the photography will be performed from a moving platform close to the sun. Within May'2015 launch could be happened. It will begin its prime mission near the end of the solar cycle 24 and finish near the predicted maximum of solar cycle 25 in 2022.

Solar probe plus may be able to observe the process in action and show researchers how to forecast Solar Ener-

getic Particle (SEP) events that threat the health and safety of astronauts. The main objectives of this mission are to find out the mysterious high temperature of the sun's corona and puzzling acceleration of the solar wind. The sun's outer atmosphere, the corona, registers more than a million degree celcius, hundred of times hotter than the star beloon. This high temperature remains as a mystery for more than 60 years after it was first measured. Secondly, the sun spews a hot, million mph wind of charged particles throughout the solar system, planets comets asteroids - they all feel it. There is no organized wind close to the sun's surface. Yet out among the planets there blows a veritable gale. To solve these mysteries the probe will enter the corona.

Though Venus is not a primary target of the mission, the spaceraft will sunning by venus seven times in six years to bend the Probe's trajectory deeper and deeper into the sun's atmosphere.

Solar probe is an extraordinary mission of exploration, discovery and deep understanding . We will have to wait for a few years for the excting performance of the mission, which will be another milestone of scientific development in the universe.❑

COURTESY.
` @ NASA








A Scene of excursion of the Deptt. of Economics, B.P.C.College at Science City, Kolkata in the year 2009.

# Between the BIG and SMALL 'T' of Teaching

Dr. B.B.Panda
*Deptt. of Education*



Let us surmise teaching has two Ts. One is big(T) and the other small(t). Big (T) of teaching denotes teaching for social effectiveness, teaching to fulfil the hope and aspiration of the society; whereas the small (t) denotes teaching to fulfill, the objectives of teaching as a particular subject or topic or to satisfy students' need of learning. The job of a teacher as a social engineer should have a broader view of the goals of a society. He /she should work for achieving it through his/her instruction, activity and behaviour. On the other hand the smaller(t) urges the teacher to specify teaching objectives, provides learning experiences and evaluates whether the teaching objectives set earlier are achieved.

If analysed, this role of teacher is not so easy as it looks. Teaching in India has a hoary past . It is a noble profession down the ages. It is called the mother of all professions . During Vedic period teaching and teachers were highly regarded. They were respectfully feared, dutifully obeyed, highly honoured and virtually worshipped. They were known for self abnegation, self discipline, character, knowledge and love for pupils. Teachers in Buddhist period were known for their simple living and high thinking, high moral character, vast knowledge and sympathy for pupils. The medieval India witnessed high quality teachers teaching in (Maktabs) Madrasas, Pathsalas, Tols and other indigenous schools.

Teaching in the West has a glorious history. Starting from Plato, Aristotle, Socrates to Frobel, Spencer and John Dewey among others have contributed significantly by their Philosophies to enrich teaching and teacher. It is the advent of psychology as a separate discipline which played a major role in evolving teaching as a profession. Modern teacher is a professional, who is a paid worker who takes care of the pupils by imparting knowledge, skills and values. The latest concept being teacher as a facilitator of learning paragat.

The above paragraphs have given us different perspectives to look at teaching as a profession. It impels us to ask such question as "Is teaching a profession?" Does the present teacher work as a professional? Is he/she is juxtaposed between the big (T)and small(t) of teaching? The first question is a hard nut to crack. Teaching though regarded as a profession is yet to get the status of a full-fledged profession like medicine, law, engineering, architecture e.t.c.

"A profession is an occupation, the practice of which requires a more than ordinary amount of complex knowledge, acquired by persistent and systematic study and authoritatively certified" (Shills, 1983) .Each profession establishes a standard of behaviour unique to it. A profession has learning potential, prestige and autonomy. Besides norms and ethics are other marked features of a profession. From this point of view teaching is yet to be a profession though it satisfies most of the norms required for it. It is described by a few as a quasi-profession. The reasons are many. Any Tom, Dick and Harry is a teacher now. Degrees like higher secondary certificate, B.A., M.A., e.t.c are considered sufficient to be a teacher. Training is scorned, it is more a decoration for many than a requirement. It is preferred not for its speciality but for the carefree atmosphere in which it is practised; the pay package, the long vacation it provides.

The next question, "Does the present teacher work like professionals"? It is true in case of a good number of teachers while it is not in case of many. . A profession expects its members to work sensibly following the rigour and scheme of things. But the real picture is more disturbing as teachers love to be more amateur. They feel it safe to pass the buck on others. It is the blame game that dominates (students are not good, defective curriculum/exam. process and poor infrastructure e.t.c), while it is a means for livelihood for many , it is a pastime for a few also.

Uninterested persons are a threat to teaching. One who does not love teaching should not come for it. It should not be last resort for people . Rather it should be a mission for them, a passion, a longing for self-fulfilement. The virus of politics has vitiated the educational atmosphere. Good teachers do not get a pat here. Those who work they get the same as those who do not. It is a reality in case of third question.

The scenario of teaching at present gives a gloomy picture where teaching jobs are sold for price. It is not the quality, competence and depth of knowledge that matters. It is the rapport with power that be which is important now. Just finishing the course has been the be all and end all of education. Knowledge is not important . There is a mad race for marks/percentage which has made education information oriented than knowledge oriented. In this paradox, true teachers are at a loss, they find it difficult to see their path, make a balance between big (T) and small (t) of teaching. They are victims of stress, burnout and frustration. The present day wave of globalisation and privatisation have made their way more slippery. Because saying 'yes' to boss, backing him and politicisation are greater qualifications and duties than teaching. Education is a commodity now and teachers are mere salesmen. The virtue of teacher is judged by his ability to sell the product.

**The Ray of Hope :**

Teaching as a profession has a

bright future. The wave of globalisation can not wash away it. It is the touch of personality of the teacher which is more than the specific knowledge or skills. People having right attitude and passion for teaching should be allowed to enter into it. The knowledge, skills and values should be valued rather than other factors. Training of the teachers should be rigorous and continuous. Teachers should be rewarded and recognised when they deserve it. Head of the institutions and the departments should be leaders, not managers. They should not be self-styled demi-gods. Because it is the knowledge, discipline, dutifulness, love, sympathy and empathy that counts in the long run.

There are many devoted and learned teachers who have salvaged the dignity of teaching profession. Who knows, many of them might not have been recognised in their life time! These pious souls need social recognition and higher facilities than those who are part-timers getting full salaries. Because teaching is a complicated endeavour. It is a Mission for a true teacher. The love and inclination for teaching are first steps to enter into it. The threat of technology to replace teacher now is a pipe dream. No body can replace the teacher at any point of time. Even open and distance learning, arrange contact sessions and tele conferncing to make their teaching learning programme successful, without teachers is impossible.

The present teachers can not be blamed alone as they are produced by the education system of the country. The system of education needs radical change in all spheres. Teacher education programmes should be redesigned to meet the need of the present generation of teachers . Mere knowledge will not work now . It is the capacity to think, reflect, create, innovate and sympathise are the need of the hour. Teaching profession can have a successful long journey if its members continue to keep learning , have special committment, dedication and faith on them & God and their striving for excellence. Because man can develop their potentiality through education only. Education is the manifestation of divine in man. It is the teacher who helps, guides and directs the pupil to march on the path of that divinity (progress, happiness, peace e.t.c) After all we all are *Amritasya putra*..❑



# Indian Economy : An Overview



**SRI ANSHUMAN SAIKIA** *(Assistant Professor)*
*DEPTT. OF ECONOMICS*



&

**SRI SATYAJIT KALITA** (Office Assistant)
*B.P. Chaliha college*



The new millennium has seen the Indian Economy ahead breaking previous barriers . The Indian Economy grew at 9.6% in 2006/ 07 and 9% in 07/08, emerging, the second fastest growing economy in the world. Growth has been supported by market reforms, rising foreign exchange reserves, huge Foreign Deficit Investment (FDI) inflows and flourishing capital market.

The Industrial and Service sectors have been logged in at 10.9% and 11% growth rate in 2006-07. Mining and quarry grew to 5.1%; while electricity, gas and water supply grew to7.4% in 2006-07.

Another important feature of the growth process has been the constantly increasing saving and investment rate. The aggregate gross investment rate has incerased from 28% to 35.1% in 2006-07compared with 2003-04, while gross saving rate has increased from 29.7% in 03-04 to 34.7% in 06-07.

Regarding per capita income in India increased from US $ 460 in 2000-01 to almost double in US $ 797 by the end of 2006-07 . In 2007-08, India's per capita income is estimated to be around US $ 740. Further, India's per capita income is expected to incease to US $ 2000 by 2006-07 and US $ 4000 by 2025

**Some highlights:**

❋ Over 300 million Indians (63 million households) are expected to have a household income over US $ 6000 by 2015. India is among the world's youngest nations with a median age of 25 years as compared to 43 in Japan and 36 in USA. Of the BRIC (Brazil,Russia,India and China) countries,India is projected to stay the youngest with its working age population estimated to rise up to 70% of the total demography by 2030, the largest in the world.

❋India has the second largest area of cultivable land in the world, making it one of the world's largest food producers - Over 200 million tonnes of frodgrains are produced annually . India is the world's largest producer of milk (100 million tonnes per annum) , sugar cane (315 m.t. per annum) and tea(930 m.kg per annum), and second largest producer of rice , fruit, and vegetables.

❋With the largest number of listed companies - 10,000, across 23 the Stock Ex change, India has the third largest investor in the world.

❋ India's comnsumer market will be world's fifth largest in the world by 2025.

❋India's healthy banking system with a network of 70,000 branches is the largest in the world . In June 2007, the aggregate deposit of commercia bank were about US $ 445 billion and total bank credit stood at US$ 320 billion

❋The number of companies in corporate section have increased at an annual average of 5,000 in the last two years.❑

*(courtesy:India Brand Equity Foundation)*

# Acquired Immuno Deficiency Syndrome (AIDS) and its Prevention

**Collected by - Akramot Zaman**
*B.Sc 3rd yr (Zoo)*

AIDS is a life threatening disease casued by a retrovirus , Human Immuno Deficiency Virus (HIV) transmitted through sexul contact or by transfusion of contaminated blood or by shoaing of intravenous drug needles. The first case of AIDS was detected in USA 1981. Since then it has been rapidly spreading to become a global epidemic. In 1984 scientists working in USA and France independently identified the infectious agent responsible for AIDS .The first AIDS causing virus in India was reported in 1986 among the prostitues in Madras(presently chennai).

**Structure of HIV** :- HIV is aspherical retrovirus consisting of a protein sheath and RNA.The genetic material consists of two single stranded RNA filament,. TheRNA filaments are identical and associated with a "reverse trans criptase enzyme."




**Fig Structure of an AIDS Virus**

## Symptoms of AIDS DISEASE :-

1.At the initial stage, the AIDS causing virus attacks certain white blood cells (T-lymphocytes) and in response to it the body of the victim produces antibodies. This can be detected by a specific blood test usually two weeks to three months after infection.

